প্ৰজ্ঞা

(An Advanced Course Reader In Assamese)

সম্পাদনা

ভামতী দেৱী

सत्यमेव जयते

ভাৰতীয় ভাষা সংস্থান

মহীশুৰ

প্ৰজ্ঞা

(An Advanced Course Reader in Assamese)

CENTRAL INSTITUTE OF INDIAN LANGUAGES

Major Indian Language Series : Assamese

প্ৰজ্ঞা

(An Advanced Course Reader in Assamese)

Academic Supervision

P.N. Dutta Baruah

Production Assistance

K. Srinivasacharya

প্ৰজ্ঞা

(An Advanced Course Reader In Assamese)

সম্পাদনা

ভামতী দেৱী

ভাৰতীয় ভাষা সংস্থান

মহীশুৰ

Prajna, An Advanced Course in Reader in Assamese,
comipled and edited by Bhamati Devi

Year of Publication
November 1996

© *Central Institute of Indian Languages 1996*

Price : Rs. 57/-
$

Published by the Director, Central Institute of Indian Languages, Manasagagotri,
Mysore - 570 006.

Printed by the Manager, C.IL Printing Press, Manasagangotri,
Mysore - 570 006.

FOREWORD

The Central Institute of Indian Languages from its very inspection in 1969 has been working in theoretical and applied aspects of linguistics in its headquarters at Mysore and its seven Regional Language Centres in Mysore, Bhubaneshwar, Pune, Patiala, Solan, Lucknow, and Guwahati. The main function of the Regional Language Centres is to impart the in-service training graduate teachers in 13 major Indian languages other than their mother tongues with the expectation that the trained teachers should able to impart instruction in such languages learnt by them to school children under the scheme of *implementation of three language formula*. The task is tremendous in that, that it necessitates a very thorough and intensive training including language teaching methods, preparation of language instructional materials, techniques of evaluation and testing, and the like.

In the fulfillment of this responsibility the Institute has been taking up the preparation and publication of a series of Phonetic Readers, Grammars and Dictionaries in the tribal languages and another series of second language teaching materials in 18 major Indian languages which include Script Books, Pictorial Glossaries, Common Vocabularies, Phonetic Readers, Intensive Courses, Intermediate and Advanced Course Readers and school level language Primers. These books have been well received in India and abroad.

In view of its expertise, the Institute has been called upon by various state and central agencies to give courses and prepare text books for mother tongue learners. Thus, the Institute has already prepared a number of Primers in the tribal languages of the main land as well as of Andaman and Nicobar islands. Of late, the Institute has taken up the preparation and publication of two *innovative series* of books such as *Nursery Rhymes* and *Language Games* in most of the Indian languages. The present book entitled **'Bar Golenay Medhan'** is a book of rhymes in Boro composed by a group of native writers under the supervision of Dr. P.N. Dutta Baruah, and it contains 66 rhymes. This in fact shall be the first publication of the Institute in Boro.

It may not be out of place to mention briefly the basic philosophy behind the preparation and publication of the series of the books on nursery rhymes in various Indian languages. As it is well-known, the child makes pre-linguistic noises before he/she utters

linguistic sounds. He/she does scribbling before writing. Though singing is not speaking as drawing is not writing, it helps production of linguistic sounds including suprasegmental ones like rhythm. Nursery rhymes come in between pre-linguistic babbles and acquisition of language. Practice with nursery rhymes is a preschool experience and exercise, and it prepares the child to be ready for schooling. The nursery rhymes are similar to pre-literacy skills of drawing to prepare the child for the school.

While there is growing children's literature in Indian languages, much attention has not been paid to nursery rhymes. This gap is often filled by nursery rhymes in English ,particularly in urban middle class homes and this is encouraged in the English medium nursery schools. It is necessary for a child as part of her socialization process to experience and to learn sounds of her native language. This experience is the first step towards love for his/her language.

To counter the influence of the hotly sought English medium in the nursery and primary schools, it is very necessary to provide good nursery schools in Indian language media. This will be more effective than legal measures. Nursery rhymes in Indian languages will be an important component of such nursery schools.

With these ideas in mind, the Institute prepared nursery rhymes in various Indian languages including tribal languages through workshops in which creative writers and teachers of language and linguists participate. They have found it a rewarding experience as we have. With great enthusiasm and devotion, and concern for the child and for the language, they created literally hundreds of rhymes in these workshops. The entire collection will serve as a repertoire or resource books of rhymes in these workshops. The entire collection will serve as a repertoire or resource book for the teachers and parents to draw from. We also expect that short selected books of rhymes with attractive visuals could be brought out to be placed in the hands of the children themselves. We also hope that audio cassettes will be prepared to accompany the printed book. We will be happy if these rhymes are sung in homes, in schools and in the streets. This will be a significant step for planting Indian languages in the young minds for them to grow. We look forward fo suggestions and comments from Boro Scholars and other educationists in this regard

MYSORE
October 31, 1996

FRANCIS EKKA
Director

আগকথা

'প্ৰজ্ঞা' ভাৰতীয় ভাষা সংস্থানৰ ভুবনেশ্বৰত অৱস্থিত পূৰ্বাঞ্চল ভাষাকেন্দ্ৰৰ দ্বিতীয় ভাষা হিচাবে অসমীয়া ভাষা শিকোৱাৰ তৃতীয় আৰু শেষ স্তৰৰ পাঠ্যপুথি (Advanced Course Reader)। সংস্থানৰ দ্বিতীয় ভাষা শিক্ষাৰ কাৰ্যক্ৰমৰ তৃতীয় আৰু শেষ স্তৰৰ পাঠ্য প্ৰস্তুতিৰ অনুমোদিত ৰূপৰেখা অনুসৰি এই পাঠ্য সংগ্ৰহটি প্ৰস্তুত কৰা হৈছে ।

তিনিটা স্তৰযুক্ত এই ভাষা শিক্ষা কাৰ্যক্ৰমৰ প্ৰথম দৈৰ্ঘ্য সপ্তাহ জোৰা প্ৰাথমিক স্তৰৰ (Basic Course) পাঠ্যক্ৰমৰ যোগেদি ভাষাটো সফলভাৱে শিকাৰ পাছত বাৰ সপ্তাহ জোৰা মাধ্যমিক (Intermediate) স্তৰত সাহিত্যৰ বিভিন্ন ধাৰাত ভাষা প্ৰয়োগ সম্বন্ধে শিকাৰু সকলে অভিজ্ঞতা লাভ কৰে । দ্বিতীয় স্তৰৰ পাঠ্যক্ৰমত শিকাৰুৰ সামৰ্থ্যৰ সীমাবদ্ধতালৈ লক্ষ্য ৰাখি পাঠ্য প্ৰস্তুত কৰা হয়। সেয়ে এই সংকলনত পাঠবোৰ ভাষাতাত্ত্বিক আৰু বৈয়াকৰণিক ক্ৰম অনুসৰি নসজালেও বাক্যৰ দৈৰ্ঘ্য, জটিলতা বিষয়বস্তুৰ সাৰল্য, মনোগ্ৰাহিতা আৰু উপাদেয়তা আৰু প্ৰকাশভংগীৰ সৰলতাৰ প্ৰতি লক্ষ্য ৰাখি পাঠবোৰ সজোৱা হৈছে ।

কিন্তু শেষ স্তৰৰ পাঠ্যপুথি হিচাপে যুগুতোৱা 'প্ৰজ্ঞা' ত এনে কোনো প্ৰকাৰৰ ক্ৰম বিন্যাস মানি চলা হোৱা নাই । ইয়াৰ পাঠ্য বাছনিও মুকলি । ইয়াত শিকাৰু সকলক অসমীয়া সাহিত্য জগতত মুকলিমূৰীয়াকৈ বিচৰণ কৰিবলৈ এৰি দিয়া হৈছে যাতে তেওঁলোকে অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰা (Trend), ৰূপ(Form), বিষয়বস্তু (Content) আৰু সেইবোৰত ভাষাৰ বৈচিত্ৰ্যময় আৰু বৈশিষ্ট্যময় প্ৰয়োগৰ লগত পোনপটীয়া সম্পৰ্ক স্থাপন কৰিব পাৰে ।

এই পুথি যি সকল পঢ়ুৱৈৰ কাৰণে প্ৰস্তুত কৰা হৈছে তেওঁলোক প্ৰাপ্তবয়স্ক, উচ্চশিক্ষিত আৰু একাধিক ভাষা প্ৰয়োগত পটু । এই পাঠ আৰম্ভ কৰাৰ সময়ত তেওঁলোকে তেওঁলোকৰ শিক্ষক, সহ-প্ৰশিক্ষাৰ্থীসকল আৰু অন্য অসমীয়া ভাষা ভাষী লোকৰ লগত যিকোনো বিষয়তে মুকলিভাৱে কথা-বতৰা পাতিব পাৰে । তেওঁলোকে ইতিমধ্যে দুসপ্তাহ কাল অসমত থাকি অসমীয়া ভাষা সংস্কৃতিৰ প্ৰত্যক্ষ জ্ঞানো লাভ কৰি আহিছে । মান্য অসমীয়াত লিখা যি কোনো বিষয় পঢ়ি বুজিব পাৰে ।

গল্প, সহজ-বোধগম্য কবিতা, বাতৰি-কাকত, আলোচনী আদিও পঢ়ি বুজিব পাৰে । ইঙ্গিত নিৰ্ভৰ লিখনী লিখাৰ উপৰিও যি কোনো বৰ্ণনাত্মক ৰচনা, গল্প, জীৱনীমূলক ৰচনা আদিও লিখিব পাৰে । অসমীয়াৰ পৰা মাতৃভাষালৈ অনুবাদৰ কামো ভাল দৰে কৰিব পাৰে । শিকাৰু সকলে ইতিমধ্যে অসমীয়া ভাষা প্ৰয়োগৰ ক্ষেত্ৰত এনে দক্ষতা লাভ কৰিছে বুলিয়েই এই সংগ্ৰহত পাঠ্য বাছনি কৰোঁতে আমি কেইটামান কথাৰ প্ৰতি সততে দৃষ্টি ৰাখিব লগীয়া হৈছে :

ক) বিষয়বস্তু গভীৰ, মননশীল অথচ ৰসপূৰ্ণ,

খ) ভাষা সহজ আৰু সৰল,

গ) প্ৰকাশভঙ্গী পোনপটীয়া ।

পাঠ্যক্ৰমৰ বিন্যাস

চাৰিটাকৈ ভাগত বিভাজিত প্ৰতিটো পাঠৰ প্ৰথম ভাগত লিখকৰ পৰিচিতিৰ লগতে বিষয়বস্তুৰ চমু আভাস, দ্বিতীয় ভাগত মূলপাঠ, তৃতীয় ভাগত শব্দৰ অৰ্থ, টোকা আদি আৰু চতুৰ্থ ভাগত অনুশীলনী দিয়া হৈছে । তৃতীয় ভাগত শিকাৰু সকলৰ কাৰণে নতুন যেন লগা শব্দবোৰৰ অৰ্থৰ লগতে প্ৰয়োজন অনুসৰি বৈয়াকৰণিক আৰু সাংস্কৃতিক টোকাও দিয়া হৈছে যাতে তেওঁলোকে নিজে নিজে পঢ়ি সকলো কথা বুজিব পাৰে ।

প্ৰতিটো পাঠতে যথেষ্ট পৰিমাণে অনুশীলনী দিয়া হৈছে । বিষয় ভিত্তিক প্ৰশ্নাৱলীৰ লগতে কিছু বিষয়-বহিৰ্ভূত প্ৰশ্নও দিয়া হৈছে । প্ৰশ্ন সমূহ দুই প্ৰকাৰৰ - বিষয়গত (textual), আৰু বৈয়াকৰণিক আৰু ৰচনাগত (structural and composition based) । বিষয়গত লব্ধজ্ঞান পৰীক্ষা কৰাৰ লগে লগে ব্যাকৰণগত অনুশীলনীৰ যোগেদি অসমীয়া ব্যাকৰণ জ্ঞানৰ অভিনৱন (refreshing)ৰ ব্যৱস্থা ৰখা হৈছে । আকৌ পাঠ্য-বহিৰ্ভূত প্ৰশ্নবোৰৰ যোগেদি শিকাৰুক অসমীয়া ভাষাত মৌলিক চিন্তাধাৰা প্ৰকাশৰ সুবিধাও দিয়া হৈছে ।

পাঁচটা কবিতাকে ধৰি এই সংগ্ৰহটিত মুঠ বাইশটা পাঠ আছে । কথা-কবিতা, গল্প, উপন্যাস, নাটক, আত্ম-জীৱনী আৰু ভ্ৰমণ কাহিনীৰ অংশবিশেষ, সাহিত্য সমীক্ষামূলক প্ৰবন্ধ, ঐতিহাসিক তথ্য সমৃদ্ধ প্ৰবন্ধ, মুকলি বিষয় ভিত্তিক প্ৰবন্ধ, সংস্কৃতি বিষয়ক প্ৰবন্ধ, সম্পাদকীয়, পত্ৰ-সাহিত্য আদি বিভিন্ন ধাৰাৰ লিখনী ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে । সকলো পাঠেই আধুনিক যুগৰ বিশিষ্ট সাহিত্যিক

সকলৰ ৰচনা । এই পাঠ সংগ্ৰহটিৰ যোগেদি কেবল অসমীয়া ভাষাটোৰেই নহয়, ইয়াৰ ঐতিহ্যময় সাংস্কৃতিক পটভূমিৰো আভাস দিবলৈ প্ৰয়াস কৰা হৈছে ।

'এই পাঠ্য সংগ্ৰহটি যুগুতাওতে আৰু আনুসংগিক অনুশীলনী, ব্যাখ্যা আদি দিওঁতে নানা ধৰণৰ ভুল ভ্ৰান্তি থাকি যাব পাৰে । কোনো সদাশয় ব্যক্তিয়ে যদি সেইবোৰলৈ আঙুলিয়াই দিয়ে আৰু ইয়াৰ উন্নতি কল্পে নতুন দিহা পৰামৰ্শ আগবঢ়ায় তেনেহলে ভবিষ্যৎ সংকলনত সেইবোৰৰ উপযোগ কৰিবলৈ প্ৰয়াস কৰা হ'ব ।

ভুবনেশ্বৰ
৩০ নবেম্বৰ, ১৯৯৬

ভামতী দেৱী
সাংগ্ৰহিক আৰু সম্পাদিকা

শলাগনি

এই পাঠ্যসংগ্ৰহটি প্ৰস্তুত কৰোঁতে এই কথালৈ সততে দৃষ্টি ৰখা হৈছে যাতে ইয়াৰ যোগেদি অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাত ভাষাপ্ৰয়োগ সম্বন্ধে পঢ়ুৱৈসকলৰ মনত সম্যক ধাৰণা জন্মে । এই পঢ়ুৱৈসকল প্ৰাপ্তবয়স্ক, শিক্ষিত আৰু একাধিক ভাষা প্ৰয়োগত পটু । এইখন তেওঁলোকে দ্বিতীয় ভাষা হিচাপে অসমীয়া শিক্ষা কৰাৰ তৃতীয় আৰু শেষ স্তৰৰ পাঠ্য সংগ্ৰহ । সেয়ে ইয়াত এনে পাঠসমূহকহে স্থান দিয়া হৈছে যিবোৰৰ ভাষা সহজ, সৰল, পোনপটীয়া কিন্তু বিষয়বস্তু গভীৰ । এই পাঠ্যসংগ্ৰহটিৰ যোগেদি কেৱল অসমীয়া সাহিত্যৰে নহয়, ঐতিহ্যময় অসমীয়া সংস্কৃতিৰো সম্যক আভাস দিবলৈ চেষ্টা কৰা হৈছে ।

এই পাঠ্য সংগ্ৰহটি প্ৰস্তুতিকৰণৰ দায়িত্ব দিয়া বাবে ভাৰতীয় ভাষা সংস্থানৰ নিৰ্দেশক মহোদয়ৰ ওচৰত আমি ঋণী । এই অনুষ্ঠানৰে ৰীডাৰ তথা গৱেষণা বিষয়া আৰু এই সংকলনৰ পৰ্যবেক্ষক ডঃ ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই অশেষ কষ্ট স্বীকাৰ কৰি পুথিখনিৰ আদিৰ পৰা অন্তলৈকে চাই ভুল ত্ৰুটী আঙুলিয়াই দি আৰু বিভিন্ন মূল্যবান পৰামৰ্শ দি আমাক কৃতজ্ঞতাপাশত আবদ্ধ কৰিছে। সকলো ক্ষেত্ৰতে প্ৰয়োজনীয় সাহায্য আৰু পৰামৰ্শ আগবঢ়াই পূৰ্বাঞ্চল ভাষাকেন্দ্ৰৰ অধ্যক্ষও ধন্যবাদৰ পাত্ৰ হৈছে । বিভাগীয় অধ্যাপক শ্ৰীতাৰিণীকান্ত গোস্বামীয়ে পাঠ্য বাচনিৰে পৰা আৰম্ভ কৰি শেষলৈকে অকুণ্ঠ সহায় আগবঢ়াইছে । এই ছেগতে তেখেতলৈও আমাৰ আন্তৰিক ধন্যবাদ জনাইছোঁ । পূৰ্বাঞ্চল ভাষাকেন্দ্ৰৰ লাইব্ৰেৰিয়ান শ্ৰীমতী অন্নপূৰ্ণা মিশ্ৰই পাঠ নিৰ্বাচনত সহযোগিতা আগবঢ়াই আমাক ঋণী কৰিছে । যি সকল কবি-সাহিত্যিকে তেওঁলোকৰ মূল্যবান ৰচনা ইয়াত সন্নিবিষ্ট কৰিবলৈ অনুমতি দিছে সেইসকললৈকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ ।

ভামতী দেৱী
ভুবনেশ্বৰ

৩০ নবেম্বৰ ১৯৯৬

সূচীপত্ৰ

	আগকথা		viii
	শলাগনি		xi
১।	কেতেকী	যতীন্দ্ৰনাথ দুৱৰা	1
২।	ছক্ৰেটিচৰ মতে কবিৰ প্ৰকৃতি	কৃষ্ণকান্ত সন্দিকৈ	7
৩।	বেয়া টকা	চৈয়দ আব্দুল মালিক	13
৪।	ৰকেট	হৰেন্দ্ৰ নাথ কলিতা	26
৫।	নিয়ৰ	চন্দ্ৰকুমাৰ আগৰৱালা	31
৬।	অসমৰ সংস্কৃতি ঃ ধান	লীলা গগৈ	34
৭।	নিশাদূত	বাণীকান্ত কাকতি	41
৮।	অসম জীয়ৰী অমৃতপ্ৰভা	সূৰ্য্যকুমাৰ ভূঞা	47
৯।	‘কাৰেঙৰ লিগিৰী’ৰ পৰা	জ্যোতিপ্ৰসাদ আগৰৱালা	54
১০।	ফুলশয্যা	ৰঘুনাথ চৌধাৰী	60
১১।	আত্মজীৱনী	চন্দ্ৰ প্ৰসাদ শইকীয়া	64
১২।	হাতেলিখা পুথি	বেণুধৰ শৰ্মা	68
১৩।	মানবায়তন	অম্বিকাগিৰী ৰায়চৌধুৰী	77
১৪।	দুৱাৰ	কুমুদ গোস্বামী	81
১৫।	স্বৰ্গাৰোহণ আৰু স্বৰাজ্য	তীৰ্থনাথ শৰ্মা	88
১৬।	পোহৰতকৈ এন্ধাৰ ভাল	হেম বৰুৱা	97
১৭।	‘স্বাধীনতা যুদ্ধৰ পটভূমি’ৰ পৰা	বিজয় চন্দ্ৰ ভাগৱতী	101
১৮।	‘আমেৰিকাৰ চিঠি’ৰ পৰা	চন্দ্ৰ প্ৰসাদ শইকীয়া	111
১৯।	‘মোৰ জীৱন সোঁৱৰণ’ৰ পৰা	লক্ষ্মীনাথ বেজবৰুৱা	117
২০।	‘মৃত্যুঞ্জয়’ৰ পৰা	বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য	125
২১।	পত্ৰ লেখা	লক্ষ্মীনাথ বেজবৰুৱা	135
২২।	মোৰ দেশ মানুহৰ দেশ	দেৱকান্ত বৰুৱা	140

কেতেকী

[এই কথা-কবিতাৰ কবি যতীন্দ্ৰনাথ দুৱৰাই ১৮৯২ চনত শিৱসাগৰত জন্ম গ্ৰহণ কৰে । পিতৃৰ নাম শ্যামসুন্দৰ দুৱৰা । তেওঁ কলিকতাত এম-এ আৰু বি-এল পঢ়িছিল । তেওঁ প্ৰথমে শিক্ষকতা কৰিবলৈ লয় । পিছলৈ ডিব্ৰুগড় কানৈ কলেজত অসমীয়াৰ অধ্যাপক হয় । তাৰ পৰা অৱসৰ লোৱাৰ পিছত ১৮৬৪ চনত শিৱসাগৰত স্বৰ্গী হয় ।

যতীন্দ্ৰ দুৱৰা কবি । তেওঁৰ ৰচনাত ৰোমাণ্টিক ভাৱাদৰ্শৰ গীতিকবিতাই পূৰ্ণ বিকাশ লাভ কৰিছে । দুৱৰাদেৱৰ প্ৰথম কবিতা পুথি 'ওমৰ তীৰ্থ' ওমৰ খৈয়ামৰ 'ৰুবায়ত'ৰ ভাঙনি । তাৰ পাছত দুৱৰাদেৱে ৰচনা কৰে ক্ৰমে ,'আপোন সুৰ' আৰু 'বনফুল'। 'বনফুলে' সাহিত্য একাডেমীৰ বটাও লাভ কৰে । ইয়াৰ বাহিৰেও তেওঁ ৰুছ সাহিত্যিক আইভান টুৰ্গেনিভৰ Poems in prose অৰ আদৰ্শত 'কথা কবিতা' নামে একশ্ৰেণীৰ পদ্যধৰ্মী গদ্য ৰচনা কৰে । প্ৰকাশৰ মাধ্যম গদ্য হলেও ভাব অনুভুতি আৰু চিত্ৰাঙ্কনত এইবোৰ কাব্যধৰ্মী ।

'কেতেকী'এটা সুন্দৰ কথা-কবিতা । ইয়াত কবিয়ে মানুহৰ স্বাৰ্থপৰতা আৰু তাৰ বিপৰীতে প্ৰকৃতিৰ উদাৰতাৰ ছবি অঙ্কন কৰিছে । এই ছবিয়ে মূহূৰ্ত্তৰ কাৰণে হলেও পাঠকৰ অন্তৰ বেদনা গধূৰ তোলে ।]

(১)

'মই কেতেকী' 'মই কেতেকী' বুলি গোটেই জগততে উলাহৰ জাননী দি ৰঙৰ সোঁত বোৱাই গছে গছে চৰাইজনী উৰি ফুৰে । কি জাৰ , কি জহ সকলো সময়তে তাইৰ আনন্দৰ ধ্বনি শুনিবলৈ পোৱা যায় । তাইৰ মাতত জাৰৰ কুঁৱলী বা বিষাদৰ কালিমাৰ আভাস নাই । অসীম সৌন্দৰ্য্যৰ আধাৰ ; ৰূপ, ৰস গন্ধেৰে ভৰা এই ধৰাখনিৰ আনন্দৰ শেষ কণাটিও তাই যেন প্ৰাণে প্ৰাণে উপভোগ কৰি যাব । সচাঁকৈয়ে তাই এটি উলাহৰ জেউতি, আনন্দৰ সপোন ।

(২)

আজি কেইবাদিনো হ'ল ৰজাৰ কোঁৱৰৰ মুখখনি বিষাদৰ ছাঁই আৱৰি ধৰিছে । তেওঁৰ মুখ সদায় লাগি থকা হাঁহি আৰু আগৰ ৰাংঢালি ভাৱ নাই । তেওঁ অকলে অকলে বেজাৰ মনেৰে ঘূৰি ফুৰে , কাৰো লগত কথা নকয় । কথা কোৱা দুৰত থাওক , মানুহ দেখিলে আঁতৰি যায় । কোনোৱে একো সুধিবলৈ সাহস নকৰে । ৰজাৰ মনতো শান্তি নাই । ৰাজ্যৰ ৰং ধেমালিও আঁতৰি গৈছে । ৰজাৰ একেটি কোঁৱৰৰ জীৱনসঙ্গিনী আজি মৃত্যুশয্যাত । বেমাৰ ভাল হওক ছাৰি দিনে দিনে বেয়াৰ ফালেহে ঢাল লৈছে । বহুত দেশৰ ভাল বেঁজ আহিও বেমাৰ ধৰিব পৰা নাই । দৰবেও একো গুণ দিয়া নাই । সেইদিনাখন পুৱা ৰজাৰ ঘাইজন বেজে কোঁৱৰক মাতি নি ক'লে 'বোপা,আজি বেমাৰ বৰ টান , আমাৰ দৰব-পাতি কলো অথলে গ'ল । আজি ৰাতিটো কথমপি টানিলেও কাইলৈ পুৱালৈকে টানিব পাৰে নে নোৱাৰে , সন্দেহ । উপায় নাই বুলিলেই হয় - যদিও এটা আছে , সেইটোও একেবাৰেই অসম্ভৱ ।' 'কি উপায় মোক কওক, মই শেষবাৰ চেষ্টা কৰি চাওঁ,' বুলি কোঁৱৰে বেজৰ হাতত ধৰি কান্দিবলৈ ধৰিলে । 'বোপা , সেই উপায় হৈছে কেতেকী ফুলৰ ৰেণু । যদি নতুনকৈ ফুলা কেতেকী ফুলৰ ৰেণু আনি কুঁৱৰীৰ গাত সানি দিয়া যায় তেতিয়া হলে কুৱঁৰীৰ বেমাৰ ভাল হব । কিন্তু এই জাৰকালি তুমি কেতেকী ফুল ক'ত পাবা ? সেই দেখিহে কৈছোঁ - উপায় একেবাৰে অসম্ভৱ ।' এইবুলি বেজ বেজাৰতে নিমাত থাকিল ।

(৩)

কোঁৱৰৰ মূৰতো চৰগ ভাগি পৰিল । হায় ! যিটো উপায়ৰ কথা কলে , সি একেবাৰেই অসম্ভৱ । তেওঁৰ জীৱনৰ সুখ শান্তি ইমানতে সকলো শেষ । তেওঁ এখুজি দুখুজি কৰি আগবাঢ়িবলৈ ধৰিলে - কলৈ যাব, কব নোৱাৰে,লক্ষ্যহীন । গৈ গৈ নৈৰ পাৰতে বহিলগৈ । কুৱঁলী ভাঙি জাৰকালিৰ মিঠা ৰ'দ ওলাই আহিছে - গছৰ পাতৰ আগে আগে সূৰ্য্যৰ কিৰণ চিকমিকাব লাগিছে । উলাহতে কেতেকী চৰাইজনীয়ে গছৰ ইটো ডালৰ পৰা সিটো ডালত পৰি মাতি ফুৰিছে । তেনেদৰে উৰি ফুৰোঁতে তাই এবাৰ তললৈ চাই দেখিলে যে কোনোবা এজন বেজাৰতে তলমূৰ কৰি নৈৰ পাৰত বহি আছে । অলপ পৰৰ পিছতে তেওঁ কোঁৱৰ বুলি তাই চিনিব পাৰিলে । চৰাইজনীৰ মনত বৰ বেজাৰ লাগিল । তাই আজি কেইবাদিনো তেওঁক এইদৰে বেজাৰ কৰি ফুৰা দেখিছে , আৰু মুখলৈ চাই আজি যে তেওঁৰ বেজাৰ বৰ বেছি , সেইটো তাই বুজিব পাৰিলে । তাই কেইবাবাৰো কোঁৱৰক মাতি মুখৰ মাত নাপালে । আকৌ এবাৰ কলে, 'কোঁৱৰ, তোমাৰ কি হৈছে,মোক কোৱা ।' কোঁৱৰে এইবাৰ মূৰ তুলি ওপৰলৈ চাই দেখিলে যে তেওঁৰ সেই চিনাকী কেতেকী চৰাইজনী । তেওঁ তেতিয়া

ক'লে,'মোৰ সৰ্বনাশ হ'ল । মোৰ জীৱনৰ সুখ শান্তি সকলো আঁতৰিল । মোৰ আৰু জীৱনৰ সকাম কি ? কাইলৈ পুৰা সকলো শেষ ।' এইবুলি আকৌ তলমূৰ কৰি তেওঁ মনে মনে থাকিল ।

কেতেকীয়ে আকৌ ক'লে,'মোক বুজাই কোৱা, মই যে একো বুজিব পৰা নাই ।' কোঁৱৰে মাত লগালে, 'বনৰ চৰাই, বনে বনে চিঞৰি ফুৰ, তই মানুহৰ মনৰ ভাৱ কি বুজিবি ?'

'হ'ব পাৰোঁ বনৰ চৰাই, কিন্তু সকলোৰে সুখ-দুখ বুজিব পৰা ক্ষমতা ঈশ্বৰে আমাকো দিছে। কি হ'ল তোমাৰ, মোক কোৱা ।' এই বুলি নেৰানেপেৰাকৈ ধৰাত কোঁৱৰে গোটেইখিনি কথা কান্দি কান্দি তাইৰ আগত কলে ।

বহুত পৰ টলকা মাৰি থাকি শেহত চৰাইজনীয়ে কলে 'কোঁৱৰ , আজি ৰাতিয়েই তোমাক মই কেতেকী ফুল দিম , তুমি বেজাৰ নকৰিবা ।' কোঁৱৰে অবিশ্বাসেৰে মূৰ জোকাৰি কলে 'মিছা কথা, মিছাকৈয়ে মনক বুজনি দিয়াত কি লাভ ? অসম্ভৱ কেতিয়াও সম্ভৱ নহয় ।' 'মই অসম্ভৱকো সম্ভৱ কৰিম ; - লগে লগে মোৰ প্ৰাণো দিম । আজি ৰাতি খাই বৈ তুমি ইয়ালৈ আহিবা । মই তোমাক সৌ হাবিখনৰ মাজত থকা কেতেকী ফুলজোপাৰ ওচৰলৈ লৈ যাম । তাৰ পাতৰ মাজত বহি কাঁইটেৰে মোৰ বুকু ফুটাই গোটেই ৰাতি গান গাই থাকিম আৰু শেষ নিশা দেখিবা যে পাতৰ মাজতে এটি কেতেকী ফুল নতুনকৈ ফুলি উঠিব আৰু লগে লগে মোৰ দেহাটিও ঢাল খাই মাটিত বাগৰি পৰিব । তুমি সেই ফুলটি লৈ গৈ তাৰ ৰেণু কুঁৱৰীৰ গাত সানি দিবা । তেওঁৰ গা ভাল হব।'

'তোমাৰ কি হ'ব ? তোমাৰ প্ৰাণ লৈ মোক ফুল নালাগে । মোৰ যি হয়, হ'ক । আগেয়ে কোৱা , তোমাৰ প্ৰাণ বচাবৰ কিবা উপায় আছে নে নাই ?' 'আছে, কিন্তু তুমি হয়তো নোৱাৰিবা বা তোমাৰ সম্ভৱ হৈ নুঠিবও পাৰে ।' 'মিছা কথা, মোৰ প্ৰাণ দিও তোমাৰ প্ৰাণ ৰখাম - যদিহে মই জানিব পাৰোঁ ।' -কেতেকীয়ে সুহুৰি এটি মাৰি কলে, 'সিমান দূৰলৈ যাব নালাগে। যেতিয়া মোৰ গাটো ঢাল খাই মাটিত বাগৰি পৰিব তেতিয়া যদি তুমি মোক তুলি বুকুৰ মাজত লৈ তোমাৰ বুকুৰ উমেৰে মোৰ গা তপত কৰি আৰু মোৰ মুখত মুখ দি তোমাৰ ওঠৰ তপত উশাহৰ স্পৰ্শ দিয়া, তেনেহলে, তেতিয়াই মোৰ প্ৰাণৰ স্পন্দন হব - মই আকৌ সজীৱ হৈ উঠিম । লাগে মাথোন অন্তৰ আৰু হৃদয়ৰ ভাব আৰু ভালগোৱা । কিন্তু যাওক, ৰাতিকৈ আহিবা । সকলো ঠিক হৈ যাব ।' এই বুলি কৈয়ে চৰাইজনী তাৰ পৰা উৰি গ'ল ।

কোঁৱৰে বহুত পৰ তাতে অকলে বহি থাকি লাহে লাহে ঘৰমুৱা হ'ল । তেওঁৰ মুখত বিশ্বাস আৰু অবিশ্বাসৰ ছাঁৰ সানমিহলি, অন্তৰত আশা নিৰাশাৰ হেন্দোলনি ।

(৪)

জাৰকালি, আন্ধাৰ ৰাতি, কুৰঁলিৰে বাট নেদেখাৰ দৰেই - অইন কি, আকাশকো যেন কুৰঁলীয়ে ঢাকি পেলাইছে । কোঁৱৰ আহি নৈৰ পাৰ পালেহি, চৰাই জনী গছতে আছিল । তেওঁক অহা দেখি তাই ক'লে 'ব'লা, আমি এই সৰু বাটটোৰেদি হাবিৰ মাজলৈ সোমাই যাওঁ ।' কোৱঁৰ আৰু চৰাইজনী অবশেষত হাবিৰ মাজত কেতেকী ফুলজোপাৰ ওচৰ পালেগৈ । চৰাইজনীয়ে তেওঁক গছ এজোপাৰ তলতে বহিবলৈ কৈ নিজে কেতেকীৰ কাঁইটীয়া পাতৰ মাজত বহি মাতিবলৈ ধৰিলে । কাঁইটেৰে বুকু ফুটি গৈছে , পাতৰ আগেদি টোপাটোপে তেজ পৰিব লাগিছে,কিন্তু মাতৰ বিৰাম নাই । কোঁৱৰে চৰাইজনীলৈ একেথিৰে চাই গছৰ তলতে বহি আছে ।

কত পৰ যে এনেকৈয়ে গ'ল, কোনোৱে কব নোৱাৰে । মাজ নিশাও পাৰ হ'ল । এনেতে কোঁৱৰে দেখে যে, কুঁৱলী লাহে লাহে আতৰি গ'ল, আকাশত জোনে দেখা দিলে, আন্ধাৰ হাবি পোহৰত ফটফটীয়া হ'ল । গছ-লতা, পশু-পক্ষী, সকলোৱে যেন টোপনিৰ পৰা সাৰ পাই উঠিল । পুৰণি পাতৰ ঠাইত গছত নতুন পাতে দেখা দিলে, জাৰ আতৰি জুৰ বতাহ বলিবলৈ ধৰিলে । চৰাইবোৰেও আনন্দত কুৰুলিয়াই উঠিল । গাঁতৰ পৰা সাপ ওলাই আহি ফুলজোপাৰ চাৰিওফালে পাক মাৰি গ'লহি । এটি উলাহৰ ভাব যেন হাবিখনৰ চাৰিওফালে বিয়পি পৰিল । জাৰৰ অন্তত যেন বসন্ত আহিল ।

কেতেকীৰ গান মাৰ যোৱা নাই, কিন্তু মাত লাহে লাহে সৰু হৈ আহিছে । ক্ষীণ সুৰেৰে এবাৰ ক'লে 'অলপতে ফুল ফুলিব কোৱঁৰ, ভয় নাই ।' আকৌ তাই মাতিবলৈ ধৰিলে । লাহে লাহে মাত নোহোৱাৰ দৰে হ'ল , মাথোন কোনোমতে শেহবাৰলৈ কলে, 'ফুল ফুলিল - মোৰ বিদায় - কোৱঁৰ - বিদায় ।' পাতৰ মাজত ফুল ফুলি উঠিল । কেতেকীৰ দেহা মাটিত ঢালখাই পৰিল । - কোঁৱৰে আনন্দত বলিয়া হৈ একে জাপে গৈ পাতৰ মাজৰ পৰা ফুলটো কাটি আনি বেগাবেগীকৈ ঘৰমুৱা হ'ল ।

কেতেকীৰ দেহা তাতে পৰি থাকিল । কৰবাৰ পৰা এচপৰা ক'লা ডাৱৰ আহি আকাশখন ঢাকি পেলালেহি । হাবিৰ মাজত এটি বিষাদৰ সুৰ বাজি উঠিল । ফুল জোপা হাউলি পৰি কেতেকীৰ দেহাটিক আৱৰি ধৰিলে । বতাহে তলৰ শুকান পাতবোৰ নি তাত পেলাই দিলেগৈ । চৰাইবোৰে বেজাৰত চিঞৰি উঠিল । গছৰ পাতৰ আগৰ পৰা নিয়ৰৰ টোপালবোৰ এৰিবলৈ ধৰিলে । সাপটোৱেও খঙত মূৰ জোকাৰি চাৰিও ফালে ঘূৰি শেহত বেজাৰত গাঁতত সোমালগৈ, পোহৰ পলাল । আকৌ আগৰ দৰে আন্ধাৰ আৰু কুঁৱলীয়ে হাবিখন ঢাকি পেলালে । খন্তেকীয়া সুখৰ ছায়াবাজীত বেজাৰৰ ক'লা ঢাকনি পৰিলহি ।

সেই দিনা পুৰা ৰাজকাৰেঙত আনন্দৰ খলকনি উঠিল । সুখৰ জেউতি বিৰিঙি পৰিল - ৰাজ্যত আকৌ আগৰদৰে উলাহৰ সোঁত বৈ গ'ল ।

শব্দ-অৰ্থ

উলাহ	-	আনন্দ, উল্লাস
জহ	-	গৰমকালি
জাৰ	-	শীতকাল, শীত
ৰাংঢালী	-	ৰঙীয়াল
সাহ	-	সাহস
বেজাৰ	-	দুখ, অসন্তোষ
মন মাৰি	-	বেজাৰত মনে মনে থাকি
সুহুৰি	-	ওঠ চেপি মৰা ফুক
থিৰে	-	একে দৃষ্টিৰে
ৰং	-	আনন্দ
কালিমা	-	দাগ
ছাৰি	-	বাদ দি
চিকমিকাব	-	চিকমিক কৰিব
ঢালখাই	-	ঢলি, মুৰ্চ্ছা গৈ বাগৰি
সানমিহলি	-	সংমিশ্ৰণ

অনুশীলনী

১। কোঁৱৰৰ মুখখনি বিষাদৰ ছাঁই আৱৰি ধৰিছে কিয় ?

২। বেজে কি কাৰণে ৰাজকুঁৱৰীৰ ৰোগ নিৰাময়ৰ উপায় অসম্ভৱ বুলি কৈছে ?

৩। কেতেকীয়ে কোঁৱৰক কি পৰামৰ্শ দিলে ?

৪। 'জাৰৰ শেষত যেন বসন্ত আহিল ।' বসন্ত অহাৰ কি কি চিন দেখা গ'ল আৰু তাৰ কাৰণ কি?

৫। 'হাবিৰ মাজত এটি বিষাদৰ সুৰ বাজি উঠিল ।' হাবিৰ মাজত বিষাদৰ সুৰ বাজি উঠাৰ কাৰণ কি ? বিষাদৰ চিন স্বৰূপে প্ৰকৃতিৰ বুকুত কেনে পৰিবৰ্তন দেখা গৈছে ?

৬। 'কেতেকী কথাকবিতাত প্ৰকৃতি' এই বিষয়ে এটি চমু আলোচনা কৰক ।

৭। 'কেতেকী'কথা কবিতাটোৰ যোগেদি কবিয়ে প্ৰকৃততে কি কবলৈ বিচাৰিছে ?

৮। 'কথা কোৱা দূৰত থাওক, মানুহ দেখিলেও আঁতৰি যায়'- এনে পাঁচটা বাক্য লিখক ।

৯। তলৰ বাক্যবোৰ নেতিবাচকলৈ ৰূপান্তৰ কৰক :

ক) এইবোৰ কথা মোক কোৱা ।

খ) তাৰ বৰ বেজাৰ লাগিল ।

গ) মই তোমাক তালৈ লৈ যাম ।

ঘ) জাৰৰ অন্তত বসন্ত আহিল ।

ঙ) চৰাইবোৰে চিঞৰি উঠিল ।

১০। তলত দিয়া শব্দ / জতুৱাঠাচ / খণ্ডবাক্যবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰক :

(ক) নেৰানেপেৰা

(খ) ৰাংঢালী

(গ) চিকমিক

(ঘ) সকাম

(ঙ) টলকা মাৰি

(চ) ঢালখাই

(ছ) সানমিহলি

(জ) হেন্দোলনি

(ঝ) একেথিৰে

(ঞ) ফটফটীয়া

(ট) কুৰুলিয়া

(ঠ) ঘৰুৱা

(ড) খলকনি

ছক্রেটিচৰ মতে কবিৰ প্ৰকৃতি

[এইজনা অসমৰ প্ৰবন্ধকাৰ মহান প্ৰাচ্যবিদ পণ্ডিত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য্যৰ জন্ম যোৰহাটত, ১৮৯৮ চনৰ ২০ জুলাইত । তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ 'মডাৰ্ণ হিষ্টৰিৰ' এম, এ । সংস্কৃত, পালি, প্ৰাকৃত, গ্ৰীক, লেটিন, জাৰ্মাণ, ফৰাচী, ইংৰাজী, ইটালিয়ান, স্পেনিচ ইত্যাদি বাৰ তেৰটা ভাষাত সুদক্ষ, বহুভাষাবিদ পণ্ডিত । সন্দিকৈদেৱৰ পাণ্ডিত্যৰ কীৰ্ত্তিস্তম্ভ হৈছে সংস্কৃতৰ পৰা ইংৰাজীলৈ অনুবাদ কৰা 'নৈষধ চৰিত'(১৯৩৪), 'যশস্তিলক এণ্ড কালচাৰ'(১৯৪৯), আৰু প্ৰাকৃত ভাষাৰ মহাকাব্য 'সেতুবন্ধ'। ইয়াৰ উপৰিও তেওঁ অসমীয়াতো কেইবাটাও মূল্যবান প্ৰবন্ধ লিখিছে । সমগ্ৰ পৃথিবীৰ পণ্ডিতসমাজত সুপৰিচিত সন্দিকৈদেৱ অসমৰ সাহিত্য আকাশৰ এটি উজ্জল জ্যোতিষ্ক । ১৯৫৫ চনত পদ্মশ্ৰী আৰু ১৯৬৭ চনত পদ্মভূষণ উপাধিৰে তেওঁক বিভূষিত কৰা হৈছিল । ১৯৮২ চনৰ ৭ জুন তাৰিখে এইজনা মনিষী স্বৰ্গী হয় ।

'ছক্রেটিচৰ মতে কবিৰ প্ৰকৃতি' - এই প্ৰবন্ধটিৰ প্ৰথম অংশটো গ্ৰীক ভাষাৰ পৰা অনূদিত। পাছত দিয়া টোকাটি সন্দিকৈদেৱৰ ৰচনা । এই অংশত কবি আৰু কবিতা সম্বন্ধে তেওঁ নিজৰ মতামত দাঙি ধৰিছে ।]

ইয়ন বুলি প্লেটোৰ এখন সৰু কিতাপ আছে । তাত প্লেটোৰ গুৰু ছক্রেটিচে ইয়ন নামে এজন মানুহেৰে সৈতে কথা বাৰ্ত্তা পাতিছে । পুৰণি গ্ৰীচত হোমাৰৰ কবিতাবিলাক মানুহৰ আগত গাই ফুৰা কিছুমান মানুহ আছিল, এওঁ বিলাকক ৰাপছদ (Rhapsode) বোলা হৈছিল । ইয়ন এই নিচিনা এজন গায়ক । তেওঁৰ লগত ছক্রেটিচে এই গান বিদ্যাৰ বিষয়ে আলোচনা কৰিছে আৰু কথা প্ৰসঙ্গত কবিৰ স্বৰূপ সম্পৰ্কেও কিছুমান কথা কৈছে ।

ছক্রেটিচে ইয়নক কৈছে -

হোমাৰৰ সম্পৰ্কে যে তুমি ভাল ভাল কথা কব পাৰা সি কোনো এটা বিশেষ কথা নহয় । মই কোৱাৰ দৰেই সি এটা ঐশ্বৰিক শক্তি; সি তোমাক পৰিচালনা কৰে ; যি ধৰণৰ শক্তি সেই শিলটোত আছে, যাক নাট্যকাৰ য়ুৰিপিদিছে ‘চুম্বক শিল’ বুলিছিল , কিন্তু আনে ‘হেৰাক্লেয়া’ বোলে। এই শিলটোৱে অকল যে নিজে লোহাৰ আঙঠি আকৰ্ষণ কৰে, সি নহয় ; সি এই আকৰ্ষণ শক্তিটো আঙঠিবোৰতো স্থাপন কৰে , যাতে সিহঁতে ঘূৰি আন আন আঙঠি আকৰ্ষণ কৰিব পাৰে । (ইয়াৰ ফল স্বৰূপে) কেতিয়াবা লোহাৰ আঙঠিৰ সংযোগত এডাল বৰ দীঘল শিকলি হৈ এটা ইটোৰ পৰা ওলমি থাকে । সেই শিলটোৰ পৰাই আটাইবিলাক আঙঠিতে আকৰ্ষণ শক্তিটো লাগেহি । সেই দৰেই কবিতা দেৱীয়ে নিজে কোনো মানুহক দৈৱী শক্তিৰে অনুপ্ৰাণিত কৰে আৰু এই অনুপ্ৰাণিত সকলৰ জৰিয়তে আন আন মানুহো প্ৰেৰণা-মত্ত হৈ যেন পৰস্পৰে এডাল শিকলি গঠন কৰে । মহাকাব্য লিখা কবিবিলাক কাব্য-কলাৰ গুণতযে ভাল হয়, সি নহয়, দৈৱী শক্তিৰে অনুপ্ৰাণিত হৈ দৈৱী শক্তিৰ বশ হৈ তেওঁবিলাকে এই সুন্দৰ কবিতাবিলাক ৰচনা কৰে, গীতিকবিবিলাকেও এইদৰেই কৃতিত্ব লাভ কৰে । ‘কৰুবান্ত’ সম্প্ৰদায়ৰ পূজাৰীবিলাকে যিদৰে আপোনপাহৰা হৈ (দেৱীৰ আগত) নাচে সেইদৰেই গীতিকবিবিলাকেও আপোনপাহৰা হৈ এই সুন্দৰ গাথাবিলাক ৰচনা কৰে । লালিত্য আৰু ছন্দৰ ৰাজ্যত সোমালে তেওঁবিলাক দৈৱ শক্তিৰ বশ হৈ উৎসৱত মতলীয়া হৈ পৰে । সুৰা দেৱতাৰ পৰিচাৰিকা বিলাকেও দৈৱীশক্তিৰ দ্বাৰা অভিভুত হৈ, হিতাহিত জ্ঞান হেৰুৱাই নৈৰ পৰা মৌ আৰু গাখীৰ তুলি আনেগৈ, গীতি কবিসকলৰ আত্মায়ো তাকে কৰে, তেওঁ বিলাকে নিজেই সেই বুলি কয় । বাস্তবতে কবিবিলাকে আমাক কয় বোলে তেওঁবিলাকে মধুৱাহী নিজৰাৰ পৰা, কলা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীসকলৰ ফুলনিৰ পৰা, আৰু ঘাহঁনি-বননিৰ পৰা তেওঁবিলাকৰ গানবোৰ ছিঙি ভোমোৰাৰ দৰে উৰি উৰি আমাৰ গুৰিলৈ লৈ আহে । তেওঁ বিলাকে সঁচা কথাকে কৈছে । কবি এটা পাতল পাখি লগা পৱিত্ৰ বস্তু ; অনুপ্ৰাণিত আৰু উন্মত্ত নহয় মানে তেওঁ একো ৰচনা কৰিব নোৱাৰে । এই বস্তুটো (অৰ্থাৎ বিচাৰ শক্তি) থাকে মানে কোনো মানুহে কবিতা ৰচনা বা ভবিষ্যতবাণী কৰিব নোৱাৰে । কবিবিলাকে যে কবিতা ৰচে আৰু সংসাৰৰ ক্ৰিয়াকলাপৰ বিষয়ে, তুমি হোমাৰৰ বিষয়ে কোৱাৰ দৰে, অনেক সুন্দৰ কথা কয়, সি দৈৱী বলেৰেহে, শিল্পকলাৰ সহায়েৰে নহয় । এই কাৰণেই প্ৰত্যেক কবিয়ে যি বিষয়লৈ কবিতা দেৱীয়ে তেওঁক ঠেলি পঠাইছে, কেৱল সেই বিষয়তহে ভালকৈ ৰচনা কৰিব পাৰে, - কোনোৱে ‘দিথুৰাম্বছ’ কবিতা, কোনোৱে প্ৰশংসা গাথা, কোনোৱে নাচৰ গান, কোনোৱে মহাকাব্য আৰু কোনোৱে বা ‘ইয়াম্বচ’ ছন্দৰ কবিতা । আন আন বিষয়ত অৰ্থাৎ যিবিলাক বিষয়ত দেৱীৰ পৰা প্ৰেৰণা পোৱা নাই, তেওঁবিলাকৰ প্ৰত্যেকজনেই অকামিলা ।

তেওঁবিলাকে এইবিলাক দৈৱী শক্তিৰে ৰচনা কৰে, কলাৰ সাহাৰ্য্যৰে নহয় ; কাৰণ, এটা বিষয়ত কলাৰ সহায়েৰে ভালকৈ ৰচনা কৰিব পৰা হ'লে, আন আন বিষয়তো (সেই একে উপায়েৰে) ভালকৈ ৰচনা কৰিব পাৰিলেহেঁতেন । এইকাৰণে দেৱতাই তেওঁবিলাকৰ (অৰ্থাৎ কবিসকলৰ) বিচাৰশক্তি লুপ্ত কৰি তেওঁবিলাকক ভৱিষ্যত বিজ্ঞানবিদসকলৰ দৰে নিজৰ চাকৰৰূপে ব্যৱহাৰ কৰে, যাতে আমি শুনোতাবিলাকে জানিব পাৰোঁ যে (ৱাস্তৱতে) এই বহুমূলীয়া কথাবিলাক তেওঁবিলাকে কোৱা নাই, এওঁবিলাকৰ বিচাৰ শক্তিয়েই নাই, কিন্তু (আচল) বক্তাজন দেৱতা নিজেই, তেওঁবিলাকৰ জৰিয়তে দেৱতাই আমাৰ আগত কথা কৈছে । এই কথাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ হৈছে কবি 'তুন্নিকছ'। তেওঁ (এটাৰ বাহিৰে) আন এনে কোনো কবিতা ৰচনা কৰা নাছিল যাক কোনোবাই উল্লেখযোগ্য বুলি ভাবিব, কিন্তু তেওঁ সেই সকলোৱে গোৱা গীতটো ৰচিছিল - সম্ভৱতঃ গীতৰ ভিতৰত সেইটোৱেই সকলোতকৈ সুন্দৰ । বাস্তৱতে এই গীতটো তেওঁ নিজে কবৰ দৰে 'কলা-বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীসকলে কৰা এটা আৱিস্কাৰ ।' মোৰ মনেৰে এই বিষয়ত দেৱতাই আমাৰ প্ৰতি ইয়াকে বিশেষ ভাৱে ইঙ্গিত কৰিছে যে এই সুন্দৰ কবিতাবিলাক পাৰ্থিব কিম্বা মানুহৰ সৃষ্টি নহয়, সেইবিলাক হৈছে দেৱতাৰ বস্তু, দেৱতাৰ সৃষ্টি । সেই বিষয়ে আমি কোনো সন্দেহ কৰিব নালাগে , কবিবিলাক দেৱতাসকলৰ দোৱনীয়াত বাজে আন একো নহয় ; তেওঁবিলাকৰ প্ৰত্যেককে যেয়ে হাত কৰক, এওঁবিলাক (মুঠতে) দৈৱী শক্তিৰ হাতত আবদ্ধ । এই বিলাক কথাকে দেখুৱাওঁ বুলি দেৱতাই ইচ্ছা কৰি (ওপৰত উল্লেখ কৰি অহা) আটাইতকৈ অকামিলা কবিজনৰ হতুৱাই আটাইতকৈ সুন্দৰ গীতটো ৰচনা কৰালে ।

টোকা

ওপৰত ছক্রেটিচে চমুকৈ কবি আৰু কবিতাৰ প্ৰকৃতি নিৰ্ণয় কৰিছে । তেওঁ বুজাব খুজিছে যে প্ৰকৃত কবিয়ে স্বাভাৱিকতে প্ৰেৰণাৰ বলত কবিতা ৰচনা কৰে, ভাবি-চিন্তি এটা নিৰ্দিষ্ট কাব্য-কলা অনুসৰণ কৰি ভাল কবি হব নোৱাৰি । এই প্ৰেৰণা এটা স্বাভাৱিক স্বৰ্গীয় বস্তু, তাক নিজ ইচ্ছা মতে পোৱা নাযায় । এই কাৰণেই দৈবাৎ এই প্ৰেৰণা পালে কবিয়ে কেতিয়াবা অমৰ সৌন্দৰ্যেৰে পৰিপূৰ্ণ কবিতা ৰচনা কৰে, কিন্তু প্ৰেৰণাৰ অন্তৰ্ধান হলে অশেষ চেষ্টা কৰিলেও আকৌ তেনে কবিতা ৰচিব নোৱাৰে । কবি 'তুন্নিকছ' অতি সাধাৰণ কবি আছিল, কিন্তু এবাৰ এই দৈৱী শক্তি পোৱাৰ বাবেই তেওঁ এটা বিশ্ববিমোহন গীত ৰচিছিল । নিজে চেষ্টা কৰি আৰু এটা বিশেষ ৰীতি অনুসৰণ কৰি ভাল কবিতা ৰচিব নোৱাৰে । কবি 'তুন্নিকছ' অতি সাধাৰণ কবি আছিল, কিন্তু এবাৰ এই দৈৱী শক্তি পোৱাৰ বাবেই তেওঁ এটা বিশ্ব বিমোহন গীত ৰচিছিল । নিজে চেষ্টা কৰি আৰু এটা বিশেষ ৰীতি অনুসৰণ কৰি ভাল কবিতা লিখিব পৰা হলে তুন্নিকছে যি উপায়েৰে এই গীতটো ৰচনা কৰিছিল সেই উপায়েৰেই তেনে গীত আৰু অনেক ৰচনা কৰিব পাৰিলেহেঁতেন ।

প্ৰেৰণা সম্পৰ্কে ছক্ৰেটিচে যি কৈছে সি সম্পুৰ্ণ সঁচা, কিন্তু তেওঁ ইয়াকো কয় যে প্ৰকৃত চিন্তা শক্তি, বিচাৰ ক্ষমতা আৰু অনুসন্ধানমূলক তত্বজ্ঞান এইবিলাক গুণ কবিৰো নাই । প্লেটোৱে তেওঁৰ 'এপলজিয়া' নামে আন এখন কিতাপত ছক্ৰেটিচৰ হতুৱাই কোৱাইছে যে কবিবিলাকে নিজে যি ৰচনা কৰে তাকে ভালকৈ বুজাই দিব নোৱাৰে, তেওঁবিলাকে কবিতা ৰচনা কৰোঁতে জ্ঞানেৰে নকৰে, কিবা এটা স্বাভাবিক প্ৰবৃত্তিৰ বশ হৈ, এটা দৈৱী উদ্দীপনাত উন্মত্ত হৈ ৰচনা কৰি যায় । অনেক সুন্দৰ কথা কয়, কিন্তু যি কয় তাৰ বিষয়ে নিজে একোকে নাজানে । ছক্ৰেটিচৰ এই কথা অৱশ্যে অলপ অতিৰঞ্জিত হৈছে, বিশেষকৈ যিসকল কবিয়ে গভীৰ চিন্তা আৰু নানা অনুসন্ধান কৰি কাব্য ৰচনা কৰে তেওঁবিলাকৰ পক্ষে এই কথা ভালকৈ নাখাটে । ডান্টেৰ অমৰ কাব্য 'Divine Comedy' আৰু গ্যঠেৰ 'ফাউষ্ট' গভীৰ চিন্তাপ্ৰসূত, অনুসন্ধানমূলক কাব্য । তাত প্ৰেৰণা আছে , কিন্তু ক্ষণিক উদ্দীপনাৰ উন্মাদনা নাই ।

স্বাভাৱিক প্ৰেৰণা বা দৈৱী শক্তি আৰু উন্মাদ ব্যাকুলতা যে কবি-প্ৰকৃতিৰ লক্ষণ সেই বিষয়ে সন্দেহ নাই, কিন্তু জ্ঞান বা বোধশক্তি আৰু তত্ববিদ্যা কবিৰ স্বভাৱৰ পৰা একেবাৰেই আতঁৰ বুলি কব নোৱাৰি । সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত ব্যুৎপত্তি বুলি এটা কথা আছে আৰু জীৱন অভিজ্ঞতাৰ লগতো কবিতাৰ অন্তৰঙ্গ সম্বন্ধ আছে । মধ্য যুগৰ সকলো সামাজিক উপাদান আৰু জ্ঞান-বিজ্ঞান মথি ডান্টেই তেওঁৰ 'অমৰ কাব্য' লিখিছিল, গ্যঠেই 'ফাউষ্ট' কাব্যত চিন্তা, অভিজ্ঞতা আৰু কবিতাৰ এটা সংশ্লেষণ কৰিব খুজিছিল । তথাপি সকলো বাদ দিলে ছক্ৰেটিচে যি কৈছে সেয়ে কবি-প্ৰকৃতিৰ শেষ লক্ষণৰূপে বাকী থাকে । সাহিত্য হিচাপে গ্যঠেৰ গম্ভীৰ 'ফাউষ্ট'ৰে মূল্য বেছি নে তেওঁৰ কোমল গীতিকবিতাবিলাকৰে মূল্য বেছি তাক সতকাই কোৱা টান । বতাহত হালি জালি থকা কুঞ্জলতাৰ যি সৌন্দৰ্য শক্তিশালী বৰগছৰ সেই সৌন্দৰ্য নাই । চিন্তাৰ বলতকৈ কল্পনাৰ বল বেছি ব্যাপক । দৈৱী শক্তিৰে মানৱী কল্পনাৰ অতীত ধামৰ পৰা মৌমাখিৰ দৰে মৌ আহৰণ কৰাতে কবিৰ বিশেষত্ব । ছক্ৰেটিচে কবৰ দৰে কবি এটা 'পাতল পাখি লগা স্বৰ্গীয় বস্তু' ।

শব্দ-অৰ্থ

শিকলি	-	শৃঙ্খল
মতলীয়া	-	বিভোৰ
পূজাৰি	-	যেয়ে পূজা কৰে
ভোমোৰা	-	ভ্ৰমৰ
দোৱনীয়া	-	দোভাষী

টোকা

হোমাৰ : গ্ৰীচ দেশৰ মহাকবি। এওঁ অন্ধ আছিল বুলি শুনা যায়। এওঁ গ্ৰীক মহাকাব্য 'ইলিয়াদ' আৰু 'ওডিচিৰ' ৰচক ।

য়ুৰিপিদিছ : এজন গ্ৰীক নাট্যকাৰ ।

অনুশীলনী

১। 'কবিতা ৰচনাৰ মূলতে দৈৱীশক্তিৰ অনুপ্ৰেৰণা' - কথাষাৰৰ যথাৰ্থতা প্ৰতিপাদন কৰক ।

২। 'হেৰা ক্লেয়া' নামৰ শিলটোৰ বৈশিষ্ট্য কি ? ইয়াৰ লগত কবিতা দেৱীৰ অনুপ্ৰেৰণা কেনেকৈ তুলনীয় ?

৩। কবি আৰু কবিতা সম্পৰ্কে ছক্রেটিচে কি মত দিছে সন্দিকৈদেৱ তাৰ লগত এক মত নে ? আলোচনা কৰক ।

৪। ব্যাখ্যা কৰক :

ক) 'কবি এটা পাতল পাখি লগা স্বৰ্গীয় বস্তু ।'

খ) 'কবিসকল দেৱতাসকলৰ দোৱনীয়াত বাজে আন একো নহয় ।'

৫। উত্তৰ দিয়ক :

ক) মাত্ৰ এটা কবিতা লিখি বিখ্যাত হোৱা কবিজন কোন ?

খ) য়ুৰিপিদিছ কোন আছিল ?

গ) গ্ৰীক মহাকাব্য দুখনৰ নাম কি ?

ঘ) ওপৰৰ প্ৰবন্ধটি যি গ্ৰন্থৰ পৰা অনুদিত হৈছে সেই গ্ৰন্থখনৰ নাম কি ?

ঙ) কবি-প্ৰকৃতি সম্বন্ধে কোনে কাৰ আগত কথা কৈছে ?

৬। তলত দিয়া শব্দবোৰৰ গঠন বিশ্লেষণ কৰক :

শিলটোৰে, সোমালে, ফুলনিৰ পৰা, লোতকৈ, কৰিলেও, কোৱাইছে, কৰাতে, মতলীয়া, সম্পৰ্কেও, প্ৰত্যেককে ।

৭। তলৰ বাক্যবোৰ ভাঙি দুটা বা তিনিটা বাক্যত লিখক :

ক) শিলটোৱে এই আকৰ্ষণ শক্তিটো আঙঠিবোৰতো স্থাপন কৰে যাতে সিহঁতেও শিলটোৱে যি কৰে তাকে কৰিব পাৰে অৰ্থাৎ সিহঁতেও ঘূৰি ঘূৰি আন আন আঙঠি আকৰ্ষণ কৰিব পাৰে ।

খ) এই কাৰণে দেৱতাই কবিসকলৰ বিচাৰ বুদ্ধি লুপ্ত কৰি তেওঁ বিলাকক ভবিষ্যত বিজ্ঞানবিদ সকলৰ দৰে নিজৰ চাকৰ ৰূপে ব্যৱহাৰ কৰে ।

গ) নিজে চেষ্টা কৰি ভাল কবিতা লিখিব পৰাহলে তুন্নিকছে তেনে গীত আৰু অনেক ৰচনা কৰিব পাৰিলেহেঁতেন ।

বেয়া টকা

[এই গল্পৰ লেখক চৈয়দ আব্দুল মালিকৰ ১৯১৯ চনৰ ১৬ জানুৱাৰীত যোৰহাট জিলাৰ নাহৰনিত জন্ম। দেউতাক ৰহমত আলী আৰু মাক লতিফৰ নেচা। মালিক গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম, এ। চাকৰি জীৱনটো তেওঁৰ বৈচিত্ৰময় - শিক্ষক, অধ্যাপক, আবকাৰি পৰিদৰ্শক, চিভিলিয়ান, চেঙ্গৰ আৰু অনাতাৰ কেন্দ্ৰৰ প্ৰগ্ৰেম এচিষ্টেন্ট। হলেও, অধ্যাপক হিচাবেই তেওঁ জীৱনৰ বেছি সময় কটাইছে। তেওঁ এজন ৰাজনীতিবিদ। বিধান সভা আৰু ৰাজ্য সভাৰ তেওঁ সদস্য আছিল। এতিয়া তেওঁ যোৰহাটতেই স্থায়ী ভাবে বাস কৰে।

জনপ্ৰিয় লিখক মালিকে অসংখ্য কিতাপ পত্ৰ লিখিছে। চুটি গল্প এহেজাৰৰ ওপৰ, উপন্যাস ত্ৰিশৰো অধিক, চুটি গল্প সঙ্কলন কেইবাখনো, নাট চাৰিখন, কবিতা পুথি দুখন, অনুৱাদ গ্ৰন্থ, ভ্ৰমণ কাহিনী আৰু গৱেষণা গ্ৰন্থ কেইবাখনো।

'বেয়া টকা' গল্পটি পঞ্চম বছৰ, তৃতীয় সংখ্যা, ডিচেম্বৰ ১৯৭৯ৰ 'প্ৰকাশ' আলোচনীত প্ৰকাশিত। কামাল হাকিমৰ পুৰণি লগুৱা হামিদ হাকিমৰ ঘৰলৈ অলপ টকা খুজিবলৈ আহিছে। তাকে কৰিবলৈ সুবিধা নোহোৱাত হাকিমনীয়ে বজাৰ কৰিবলৈ দিয়া পইচাৰ পৰা টকা ত্ৰিশটা ৰাখি থৈছে। গল্পৰ শেষৰফালে সেই টকাকেইটা হাকিমনীক ঘূৰাই দি যথেষ্ট সৎসাহস আৰু মনোবলৰ পৰিচয় দিছে। হাকিমনীয়ে সেই টকাকেইটা তাকেই দিয়াত সি সেই টকাকেইটা শুভকাৰ্যত খৰছ নকৰিবলৈ সিদ্ধান্ত লৈছে, কিয়নো সেই টকাকেইটা বেয়া টকা।]

হামিদৰ মনটো কিছু দমি গ'ল।

কামাল হাকিমৰ গাড়ী এখন থকাৰ কথা সি ক'ব পাৰে। কিন্তু সি দেখিলে হাকিমৰ চোতালত চাৰিখন নতুন মটৰ গাড়ী - তিনি খন ফিয়াট, এখন এম্বেছেদৰ; ইয়াৰে এখন যদি হাকিমৰ হয় বাকী তিনিখন নিশ্চয় অন্য কাৰোবাৰ।

আজিনো হাকিমৰ ঘৰলৈ ক'ৰ কোন আহিছে ? কিছু উচপিচ কৰি সি গেটখন খুলি হাকিমৰ বহল চোতালখনলৈ সোমাই গ'ল । চিনাকি ঘৰ বাৰীবোৰ তাৰ কিছু আচহুৱা যেন লাগিল । চোতালৰ পৰাই সি শুনিলে ড্ৰয়িং ৰুমত উচ্ছল হাঁহিৰ খলকনি । তাৰ আৰু অপ্ৰস্তুত হোৱা যেন লাগিল ।

ঘৰৰ মূধৰ পকা চকোৱাখনৰ দুৱাৰখন মেল খাই আছিল । সি সেইপিনেদিয়েই পিছ চোতাললৈ সোমাই গ'ল ।

কিন্তু পিছফাল পাই তাৰ আৰু বেছি অস্বস্তি লাগিল । ইয়াতো বেচ হুলস্থুল আৰু ব্যস্ততা, হাঁহিৰ খিটখিটনি, খৰধৰ, হুৰমুৰ । সি বুজিব পাৰিলে, কৰবাৰ মতা-মাইকী বহুত আলহী আহিছে। সেয়ে এই খদমদম ব্যস্ততা । নিশ্চয় হাকিমৰ সমপৰ্যায়ৰ কোনোবা ডাঙৰ মানুহেই আহিছে । আজি মই বৰ অসময়ত আহিলোঁ - মনতে ভাবিলে ।

হামিদ বাৰান্দাৰ ফালে আগবাঢ়িল । আচলতে ঘৰবাৰী আগৰবোৰেই আছে ; মাত্ৰ বেৰ, চিলিং আদিত নতুনকৈ ৰং দিয়া হৈছে । হয়তো যি উপলক্ষে আজি সম্ভ্ৰান্ত আলহীসকল আহিছে, সেই উপলক্ষেই ঘৰ বাৰীবোৰত ৰং ৰহন ঘঁহি নতুন যেন কৰা হৈছে ।

হঠাৎ হামিদক হাকিমনী আৰা বেগমে দেখা পালে । তেৱেঁ আগে মাত নলগোৱা হ'লে হামিদে হয়তো সতকাই তেওঁক চিনিবই নোৱাৰিলেহেতেঁন । এখন পাতল ধোঁৱাবৰণীয়া মহীশূৰ চিল্কৰ দামী শাৰী, এটা তাতকৈ ডাঠ ৰঙৰ চুটি হাতৰ ব্লাউজ, ডিঙিত এডাল মিহি সোণালী চেইন, দুয়ো হাতত একোঁচা একোঁচা সোণৰ মিহি খাৰু আৰু চকুৰে মুখে উচলি উপচি পৰা উৎফুল্ল আনন্দ ! চিনাকি মানুহজনীকে হামিদৰ এজনী নতুন অচিনাকী গাভৰু ছোৱালী যেন লাগিল ।

'হামিদ আহিছ ? কেতিয়া অহিলি ? ঘৰৰ পৰাই আহিলি ? ভালনে ল'ৰা ছোৱালী কেইটাৰ? আজি তই বৰ ঠিক সময়ত ওলালিহি, বহ বহ, চাহ তাহ খাই ল আগে । বৰ ভাল হ'ল তই যে আহি ওলালিহি । বঙ্গুচান দেই ।'

ইমানবোৰ কথা হাকিমনীয়ে একে উশাহে কলে যে তাৰ কোনটোৰ কি উত্তৰ দিব সি ভাবি উলিয়াবই নোৱাৰিলে । সি মাথোন অবাক হৈ হাকিমনীৰ মুখৰ ফালে চাই ৰ'ল ।

কথা কোৱা শেষ কৰি হাকিমনী কিন্তু নৰ'ল । খৰখেদাকৈ তেওঁ বাৰাণ্ডাৰ পৰা তিৰোতা মানুহেৰে ভৰি থকা বহল কোঠাটোলৈ সোমাই গ'ল ব্যস্ত ভাবে ।

মূঢ়া এটা ওচৰ চপাই লৈ হামিদ বাৰন্দাতে বহিল । ৰান্ধনি শালৰ পৰা ঘিউত ভজা পিয়াঁজৰ গোন্ধ আহি তাৰ নাকত লাগিলহি । সি অনুভৱ কৰিলে যে তাৰ যথেষ্ট ভোক লাগিছে । অৱশ্যে দুপৰীয়া ভাত খাবৰ সময় হৈছেহে - বাৰ বাজি গৈছে । সি দোকমোকালিতে উঠি সাধাৰণ জলপান এমুঠি খাই দুমাইল খোজকাঢ়ি ৰেল ষ্টেচনলৈ আহিছিল । সাত ঘন্টা ৰেলেৰে ঘটং মটংকৈ আহি বাৰ বজাত ইয়াৰ ষ্টেচন পাই ষ্টেচনৰ পৰা এমাইল খোজকাঢ়ি আহি হাকিমৰ ঘৰ ওলাইছেহি । বাটত হাতত অনা তামোলকেইখনৰ বাহিৰে আৰু পানী এটোপাও খোৱা নাই । এটা কাম কৰা ল'ৰাই অলপ পিছতে হামিদক ৰান্ধনিশালৰ কাষলৈ মাতি নিলে আৰু হাত মুখ ধুই আহি চাহ খাবলৈ কলে। হামিদ তেতিয়াও সম্পুৰ্ণ সহজ হব পৰা নাছিল । সি ৰান্ধনিশালৰ বাহিৰতে থকা বেচিনটোতে হাতমুখ ধুলে আৰু জেপৰ পৰা সৰু ৰুমালখন উলিয়াই হাতমুখবোৰ মোহাৰিলে ।

চাহ খাই থাকোঁতে কাম কৰা ল'ৰাটোৱে সুধিলে 'তুমি বোলে আগতে হাকিমৰ লগতে আছিলা, হয় ?' এইবাৰ হামিদে মাত লগালে, 'দহ বছৰীয়াৰ পৰা হাকিমৰ লগে লগে বহু ঠাই ঘুৰিলোঁও । পিছে আজিনো ইয়াত কি হৈছে ?' হামিদৰ মুখলৈ ল'ৰাটোৱে কিছু বিস্ময়েৰেই চালে।

'ক'ব নোৱাৰা নেকি ? জেচমীনক চাবলৈ মিতিৰৰ ঘৰৰ মানুহ আহিছে ।' হামিদৰ মুখখন ৰঙা পৰি গ'ল । আনন্দ মিহলি মাতটোৰে সি কলে, 'মইনো কেনেকৈ জানিম ? এনেই আজি আহি ওলালোঁহি ।'

এনেতে প্লেট এখনত একপ্লেট জেলেপী লৈ হাকিমনী আৰা ওচৰ পালেহি আৰু তাৰ বাচনত তিনিখন জেলেপী দি কলে, 'খা । খাইছনে ? তোক কি দিছে জানো মই খবৰকে কৰিব পৰা নাই; ঘৰৰ ল'ৰা খা আৰু ।'

'বহুত কিবাকিবি দিছে '- কোনোমতে হামিদে ক'লে ।

হাকিমনীয়ে কলে - 'জেচমীনক চাবলৈ মানুহ আহিছে । অহাৰ কথা আছিল, পিছে আজিয়েযে আহিব কব নোৱাৰোঁ । চাহ তাহ খাই তই এটা কাম কৰিব পাৰিবি নহয় ?'

'কি কৰিব লাগিবনো ?'

'মুগী চুগী ঘৰৰে আছিল, তই বজাৰৰ পৰা পাৰিলে ৰৌ বা চিতল যি পাৱ ডাঙৰ মাছ এটা আনি দে । দুপৰীয়াৰ সাজ যিহেৰে তিহেৰে খুৱাম আৰু । ৰাতি তেওঁ লোকক ভাত পানী খাইহে যাবলৈ কৈছোঁ । ফুলকবি ওলাব পায় আৰু আলু, পিয়াঁজ, আদা, নহৰু, সেইবোৰো লাগিব । আৰু

ভাল দৈ পাবি নহয়, তইতো সকলো চিনি পাব ! আজিয়ে এওঁলোক আহিব বুলি জনা হলে সকলো আগতীয়াকৈ অনাই থলোঁহেতেঁন ।' হামিদৰ ভাল লাগিল । আজি ১৬/১৭ বছৰ আগতে হামিদ হাকিমৰ ঘৰৰ পৰা গ'ল যদিও হাকিমনীয়ে তাক আগৰদৰেই ব্যৱহাৰ কৰিছে ।

'জেচমীন ক'ত আছে ?' হামিদে সুধিলে ।

'তাইক বাৰু পিছে পৰেও লগ পাবি । তাই লগৰ ছোৱালীবোৰৰ মাজত সোমাই আছে । তই তেনেহলে এতিয়াই বজাৰলৈ যাবি, নে ভাত খাই যাবি ?'

'ইমানবোৰ খাইছোঁ , আৰু ক'ত ভাত খাম ? মই এতিয়াই যাওঁ ।'

'এৰা,যা । মই পইচা দিওঁ । তই বেগ চেগ বিচাৰি ল, যি দাম লয় লব, দামৰ কাৰণে নেভাবিবি । ভাল ডাঙৰ জীয়া মাছ আনিবি, দৈও ভাল বিচাৰিবি । আজি কালি ভাল দৈ পাবলৈকে নাই ।'

হাকিমনী ভিতৰলৈ গ'ল ।

তামোল এখন মুখত ভৰাই হামিদ বাৰান্দালৈ ওলাই আহিল ।

তাৰ বৰ কিবা কিবা লাগিল ।

জেচমীনজনীক তাৰ চাবৰ মন গ'ল । তাৰ কোলাতেই জেচমীন ডাঙৰ হৈছিল - ছমহীয়াৰ পৰা ছবছৰীয়ালৈ । তাৰ পিছত সি আৰু জেচমীলক এবাৰো দেখা নাই । কেতিয়াবা দুই তিনি বছৰৰ মূৰত সি একোবাৰ হাকিমৰ ঘৰলৈ আহে, কিন্তু জেচমীনে শ্বিলঙত পঢ়ে, সি এবাৰো দেখা পোৱা নাই ।

হাকিমনী আৰু অলপ পৰৰ পিছতে আহিল । লগত মিতিৰৰ ঘৰৰ এক আদহীয়া ভদ্ৰমহিলা।

হাকিমনীয়ে এশটকীয়া ন'ট দুখন আৰু দহটকীয়া ন'ট পাঁচখন হামিদৰ হাতত দিলে, আৰু লগৰ মানুহগৰাকীক হামিদক চিনাকি কৰি দিয়াৰ ধৰণে ক'লে,'ই হামিদ, সৰুৰে পৰা আমাৰ লগতে আছিল । আমাৰ জেচমীনক কোলাই-বোকোচাই লৈ ইয়ে ডাঙৰ কৰিলে বুলিব লাগে । ইয়াৰ কেও কিছু নাই, আমাৰ লগতে থাকি ইও ডাঙৰ দীঘল হ'ল । আমাৰ হাকিমেই ইয়াক খেতিৰ মাটি লৈ

দিলে, ইয়াৰ বিয়া বাৰু ও পাতি দিলে । আজি কালি পৰিয়ালক লৈ ভালকৈয়ে চলি আছে । যা হামিদ, সোনকালে বজাৰ কৰি আহগৈ ।'

হামিদে টকাখিনি লৈ দুটা ডাঙৰ বজাৰ কৰা মোনা বিচাৰি ললে । তাক চিনাকি কৰি দিয়াৰ কাৰণে তাৰ ভাল লাগিল, কিন্তু সি পিন্ধি অহা পুৰণি কামিজটো আৰু পাতলি ফটা, মাজে মাজে কিবা দাগ লগা পাইজামাটোৰ কাৰণে কিছু সংকোচ বোধ কৰিলে । হাকিমৰ ঘৰৰ এই আনন্দ উৎসৱৰ পৰিবেশত তাৰ সাজ পোছাকযোৰ অকণো খাপ খোৱা নাই ।

হাকিমনীয়ে আকৌ ক'লে, 'দাম বেছি বুলি আকৌ মাছ ননাকৈ নেথাকিবি । আজি কালি সকলো বস্তুৰে জুই ছাই দাম, আমাৰ ইয়াত যে আৰু বেছি ।' হামিদ ওলাই গ'ল ।

হামিদ ইয়ালৈ কেইবাবছৰৰো মূৰত আহিছে । চহৰখনত এইকেইবছৰতে বহুত পৰিবৰ্তন হৈছে । নতুন নতুন দালান উঠিছে, মানুহ আগতকৈ বহুত বেছি হৈছে । সি প্ৰায় কাকোৰেই চিনি নেপায় । তাকো নিশ্চয় কোনোৱে চিনি নেপায় । বয়স যদিও তাৰ পঞ্চাশেই হোৱা নাই তথাপি গাৱঁত খেতি বাতি কৰি, দেহাৰ কঠিন খাটনি খাটি সি বুঢ়াৰ নিচিনা হৈ পৰিছে । ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী পাঁচোটাক লৈ তাৰ সংসাৰ চলোৱাত যে কি কষ্ট হৈছে সিহে বুজে । হাকিমৰ লগত লগুৱা, ৰান্ধনি, ল'ৰা ছোৱালী ওমলোৱা কাম কৰি থাকোঁতে সি ইমান কষ্ট পোৱা নাছিল । হাকিম হাকিমনীয়ে তাক মাজে মাজে ডাবি হুকি দিলেও মৰমো কৰিছিল । হাকিমে তাক পিয়ন চাপ্ৰাছী কিবা কামত সুমুৱাই দিব পাৰিলেহেঁতেন । কিন্তু সি লেখা পঢ়া একো নেজানে । সেইবোৰ কাম সি কৰিব নোৱাৰিব । সেয়ে তাক সস্তাতে ছহালিছা খেতিৰ মাটি লৈ দিলে আৰু তাৰ বিয়াখনো পাতি দিলে ।

বিয়াৰ পিছত হাকিমে তাক ক'লে, 'এতিয়া আৰু তই লোকৰ ঘৰত থাকিব নেলাগে । খেতি বাতি কৰি ঘৰ এখন কৰি খাগৈ । মাজে মাজে আহি থাকিবি , আমাৰো খবৰ বাতৰি লৈ থাকিবি । আৰু কিবা টকা পইচাৰ দৰকাৰ পৰিলে আহিবি ।'

কথাবোৰ হামিদৰ মনত পৰিল । এইবোৰ ১৬/১৭ বছৰৰ আগৰ কথা। বিয়াৰ পিছত খেতি বাতি কৰি সি ভালেই চলিছিল । কিন্তু তাৰ পৰিয়াল ডাঙৰ হৈ আহিল, দিনক দিনে সকলো বস্তু বাহানিৰ দাম বাঢ়ি আহিল, তাৰো বয়স বাঢ়ি আহিল । আগৰ নিচিনাকৈ জোৰা মাৰি ঘৰ চলোৱাটো কঠিন হৈ আহিল । অন্য হাতৰ কামো বিশেষ একো সি নেজানে । খেতিৰ ভাতকেইটা কাণে কাণ

মাৰি জুৰিলেও, কাপোৰ কানি, তেল নিমখৰ খৰচ সি হাঁহ কুকুৰা বেছি সম্পূৰ্ণ উলিয়াব নোৱাৰে । আৰু ল'ৰা ছোৱালীও ডাঙৰ হৈ আহিছে । ডাঙৰ ছোৱালীজনীৰ চাওঁতে চাওঁতে ষোল্ল বছৰ হ'লহি।

জেচমীনৰ বয়স চাগৈ ২২/২৩ বছৰ মানেই হব পায় । তাইৰ পাঁচ নে ছয় বছৰ হওঁতেই মই হাকিমৰ ঘৰৰ পৰা গৈছিলোঁ । তাৰ আঠমাহ আগতে আমাৰ বিয়া হৈছিল ।

আৰা হাকিমনী সুখত আছে ; গাভৰু হৈ আছে । আমাৰ ল'ৰা ছোৱালীৰ মাকহে বুঢ়ী যেন হ'ল । কটনা কাটি খোৱা । আজি মানুহে দেখিলে হাকিমনীতকৈ ডাঙৰ বুলিহে কব ।

মাছৰ বজাৰত সোমাই হামিদৰ মূৰ ঘূৰোৱাৰ উপক্ৰম হ'ল, গোটেই বজাৰখনত পাঁচোটা জোখৰ ৰৌ মাছ ওলাইছে - কিলোত ত্ৰিশ টকাৰ কমে নিদিয়ে । হামিদ কিছু বিমোৰত পৰিল - ইমান দাম দি নিলে হাকিমনীয়ে বাৰু বিশ্বাস কৰিবনে ? আগে হাকিমৰ ঘৰত কাম কৰোঁতে হামিদে বজাৰ কৰা পইচাৰ দুই এটকা মাৰি চিনেমা নাইবা বিড়ি কিনাৰ খৰছ উলিয়াইছিল । হাকিম হাকিমনীয়ে অৱশ্যে তাক ধৰা পেলাব পৰা নাছিল । বজাৰ কৰি ঘূৰি অহা যিমান পইচাকে ঘূৰাই দিছিল, সিমানকে লৈছিল, কোনো দিন হিচাব কৰি চোৱা নাছিল । কিন্তু এটা ৰৌ মাছৰ দাম ১৩০ টকা - মাছটোৰ ওজন চাৰি কেজিৰ অলপ বেছি - হাকিম হাকিমনীয়ে বিশ্বাস কৰিবনে বাৰু । কিন্তু মাছ নিনিলেও নহয় - হাকিমৰ ঘৰৰ মান মৰ্য্যাদাৰ কথা । ইপিনে ৩০ টকা কিলোকৈ কিনিবৰ কাৰণেও গ্ৰাহকৰ অভাৱ নাই, মাত্ৰ কাটি বেচিব লাগে ।

এশ বিশ টকাত হামিদে মাছটো কিনিলে - দৰ দাম কৰি । গ্ৰাহকখিনিয়ে কলে, 'ভাল পালা দেই । অইন দিনা ডেৰশৰ কমে নোপোৱা । ৰৌ খালে এনেকুৱা বুঢ়া ৰৌ খাব লাগে - যোৱা দেই ।' হামিদে মুখেৰে একো নেমাতিলে । অন্যান্য বস্তুও হামিদে কিনিলে । পুৰণি নিয়ম নীতি আজিকালি আৰু নাই । দৰ দাম কৰিলে বস্তুৰ দাম বাঢ়েহে,নকমে । মাছটোৰে সৈতে সকলো বস্তু ৰিক্সা এখনত তুলি হামিদ হাকিমৰ ঘৰৰ ফালে আগবাঢ়িল । সোনকালে হাকিমৰ ঘৰত বস্তু খিনি চমজাই দিব পাৰিলে সি দায়মুক্ত হব, হাকিম হাকিমনীও নিশ্চিন্ত হব ।

সন্ধিয়াৰ পিছৰ যিখন ৰেলগাড়ী আছে, সেই খনেৰে সি আজিয়েই ঘূৰি যোৱাৰ কথা, নহলে সকলোৱে চিন্তা কৰি থাকিব ।

ভালেমান কিবা কিবি বস্তু কিনা হ'ল ; কোনটোত কিমান ললে সি পাহৰিয়ে গৈছে । ঘৰ পাইহে হিচাব কৰিব লাগিব । মাত্র মনত আছে ৰৌমাছটোৰ দাম - এশ বিশ টকা । এশ ত্ৰিশ টকা কৈছিল, গোটে গোটে কিনাৰ কাৰণে দহটকা কমাই দিলে ।

হঠাৎ তাৰ মনত খেলালে - মাছটো যদি ১৪০ টকাত কিনা বুলি কওঁ, অবিশ্বাস কৰিব নেকি? যদি কওঁ মাছটোৰ ওজন চাৰে চাৰি কেজি, জুখি চাবনেকি ? নাই, মিতিৰৰ ঘৰৰ মানুহৰ আগত হাকিমনীয়ে তেনে কাম নকৰে, ইজ্জতৰ কথা আছে । বৰং ডেৰশটকীয়া ৰৌ মাছেৰে খুৱাই পঠোৱা বুলি যহাবহে পাৰিব ।

আৰু ইবিলাক বস্তুৰ দামতো তাৰে ভালকৈ মনত নাই । আঢ়ৈশ টকাৰ বজাৰ কৰি উঠি কিমান বাকী থাকিল এবাৰ জেপৰ পৰা টকাখিনি উলিয়াই হিচাব কৰি চাব খুজিও সি বৈ গ'ল । ৰিক্সাৱালাটোৰ আগতে সেইটো কৰাটো ভাল কথা নহব ।

হামিদক আজি টকা পঞ্চাশটাৰ দৰকাৰ ; পঞ্চাশ নহলেও ত্ৰিশ টকা নহলে কোনোমতে নহব। তাকে বিচাৰিবৰ কাৰণেই সি হাকিমৰ ঘৰলৈ আহিছে । কিহৰ কাৰণে টকাৰ দৰকাৰ হৈছে সেই কথা জনালে হাকিমনীয়ে নিশ্চয় তাক টকা ত্ৰিশটা নিদি নেথাকে । কিন্তু আজি জেচমীনক চাবলৈ মিতিৰৰ ঘৰৰ মানুহ আহিছে । আজি আন কিবা কৰিব পাৰিলেও অন্ততঃ হাকিমনীক টকা খুজিব নোৱাৰে। তাক মানুহে কি বুলিব ? হামিদে ভাবিলে বজাৰ কৰা পইচাৰ পৰা কিজানি পঞ্চাশ টকাতকৈ বেছিহে ঘূৰি আহিছে । তাৰে যদি পঁচিশ বা ত্ৰিশ টকা ঘূৰাই নিদি সি ৰাখি থয় হাকিমনীয়ে নিশ্চয় ধৰিব নোৱাৰিব । ক'ত কিমান ললে সুধিলেও মাছটোত বঢ়াই কব পৰা যাব । আজি হাকিম হাকিমনীৰ টকাৰ হিচাব ৰাখিবলৈ সময় নাই । কিন্তু আজি মই ইমানবোৰ মানুহৰ আগত কেতিয়াও পইচা বিচাৰিব নোৱাৰোঁ ।

মাছটো দেখি হাকিমনী আৰা বৰ সন্তুষ্ট হ'ল । তেওঁ দাম কিমান ললে নুসুধিলে, মাত্র কুঁজা হৈ মাছটো চালে আৰু সুধিলে, 'জীয়ানে বাৰু ? এৰা, তই নোযোৱাহলে অইনে এনেকুৱা মাছ এটা আনিব নোৱাৰিলেহেঁতেন । তই ভাত খাই ল, বহুত দেৰী হ'ল । তাৰ পাছত অঁলপ কুটা বচাত লাগি দিবি ।' কৈয়ে হাকিমনী গুচি গ'ল ।

ঘূৰি অহা পইচা খিনি দিবলৈ হামিদে জেপত হাত ভৰাইছিল । কিন্তু হাকিমনী গ'লেই । সি টকা খিনি ঘূৰাই দিয়াৰ সুযোগ নেপালে ।

ভাত পানী খাই উঠি হামিদে দেখিলে মিতিৰৰ ঘৰৰ মানুহে খোৱা বোৱাৰ পিছত অলপ জিৰণি লৈছে । উখল মাখল কিছু শান্ত হৈছে । কিন্তু ৰান্ধনিশালৰ ফালেহে খদম্‌দম লাগিছে । বিধে বিধে ৰন্ধাৰ কাৰণে মাছ-মাংস ইত্যাদি যোগাৰ কৰি লোৱা হৈছে ।

মাজতে চাৰিজনীমান ছোৱালীৰ লগত এবাৰ জেচমীন ৰান্ধনি- শালৰফালে আহিল । কইনাৰ সাজত জেচমীনক দেখি হামিদ থৰ লাগিল । জেচমীন এনেয়ো ধুনীয়া আছিল । কিন্তু আজি যেন অপৰূপা হৈ পৰিছে । দামী বেনাৰছী পাটৰ ৰিহা-মেখেলাৰে জেচমীনক ইমান যে সুন্দৰী দেখাইছে। সি জেচমীনৰ ফালে চাইয়ে থাকিল, একো কব নোৱাৰিলে ।

কিন্তু তাৰ ওচৰলৈ আহি, চকুৰে মুখে উপচি পৰা হাঁহিটো সামৰি জেচমীনেই মাত লগালে, 'কেকা আহিছা নহয় ? মই মাত এষাৰো লগাব পৰা নাই । তুমি পিছে আজি যাব নোৱাৰা, থাকিব লাগিব । তোমাকযে মই কত দিন দেখাই নাই ।' কৈ জেচমীন লগৰ ছোৱালীকেইজনীৰ লগত আকৌ ঘূৰি গ'ল ।' 'আজি মই ঘূৰি নগলে ন'হব ।' সি ক'ব খুজিছিল, কিন্তু কব নোৱাৰিলে । কথাখিনি জুকিয়াই লয় মানে জেচমীন গ'লেই ।

ৰৌমাছটোৰ বাকলি গুচাই সি কুটিবলৈ লৈছিল, কিন্তু মাছটোৰে কি কি বনাব নজনাৰ কাৰণে সি বৈ গ'ল । যি যি বনাব সেই অনুসৰি মাছটোৰ টুকুৰাবোৰ ডাঙৰ সৰু কৰিব লাগিব ।

এনেতে হাকিমনী আহিল আৰু কলে, 'বাকলি গুচালি ? ওঁ - মূৰটো বেলেগে থৈছ নহয় ? তাৰে ঘন্ট বনাব লাগিব ; বুটৰ দাইল আনিছ নহয় ? আদা পিয়াঁজ অলপ সৰহকৈ দিবি, আৰু পটল কিছু ভাজিব লাগিব - দীঘল দীঘল কৈ ৰাখিবি । কিছু তৰকাৰি কৰিব লাগিব, কোপ্তাৰ কাৰণেও কিছু উলিয়াবি ।' আদেশ নিৰ্দেশখিনি শুনাৰ পিছত হাকিমনী ওচৰতে থিয় হৈ থকা দেখি, সাহস গোটাই হামিদে কলে, - 'আজিয়ে মই ঘূৰি যাব লাগিব । এষাৰ কথা জনাবৰ কাৰণেহে আহিছিলোঁ....' 'কি কথা ?' হাকিমনীয়ে সুধিলে ।

'আমাৰ ডাঙৰ ছোৱালী জনী - ফুল-তাইক এঘৰলৈ ধৰিব খুজিছে । পৰহিলৈ ছোৱালী চাবলৈ মানুহ অহাৰ কথা আছে ।'

'আও, তোৰ জীয়েৰক দিবৰ হ'লেইনে ? হেৰ', তাইৰনো কেই বছৰ হৈছে ?' হামিদৰ লাজ পোৱা যেন লাগিল । তাৰ নিচিনা মানুহো শহুৰেক হয়নে ? কোনোমতে সি কলে, 'মানুহঘৰৰ খেতি বাতি আছে, ল'ৰাটোৱে এফ, চি, আইত ষ্টৰত কিবা কাম পাইছে ।'

'ভাল হৈছে , ভাল হৈছে । পিছে ফুলক এবাৰ লৈ আহিবি, কেতিয়া আহিব ছোৱালী চাবলৈ? পৰহিলৈ ? তেনেহলে - এৰা - কাইলৈ তই ঘৰত নেথাকিলে বেয়া হব, মিতিৰৰ ঘৰক সোধ পোছ ভালকৈ কৰিলেহে হব । ৰেল কেই বজাত যায় ?'

'সাত বজাত ।'

'সময় আছে । তই বাৰু যি পাৰ লাগি দে । যোৱাৰ আগতে মাত লগাবি ।'

তেতিয়াও হাকিমনীয়ে পইচাৰ কথা নুসুধিলে । সিও কওঁ কওঁ বুলি কব নোৱাৰিলে । জেপত থকা পইচাখিনি তাৰ এটা বোজা যেন লাগিল ।

কিন্তু যিটো কথা কম বুলি আহিছিল সেই কথা সি যে আজি কব পাৰিব সেই আশা নাই, আৰু ফুলক চাবলৈ অহা মিতিৰৰ ঘৰৰ মানুহক সোধ পোছ কৰিবৰ কাৰণে যে দুটামান টকা বিচাৰিহে সি আহিছিল, সেই কথা তাৰ কবৰ সত নগ'ল ।

কিন্তু অন্ততঃ ত্ৰিশটামান টকা নহলে ফুলক চাবলৈ অহা নতুন মিতিৰৰ ঘৰৰ মানুহ খিনিক সি সোধ পোছ কৰিব নোৱাৰিব । আৰু প্ৰথম প্ৰথম অহা ভাল ল'ৰা এটা হাতৰ পৰা এৰাই যাব।

হামিদ মাছটো কুটি বাচি উঠি এবাৰ বাহিৰলৈ গ'ল । জেপৰ পৰা উলিয়াই কিমান পইচা ঘূৰি আহিছে চালে । আৰু দেখি আনন্দ পালে যে আঢ়ৈশ টকাৰ ভিতৰত তেপন্ন টকা ঘূৰি আহিছে। বিশেষ নেভাবি, সি তাৰে ত্ৰিশ টকা চোলাৰ আনটো জেপত ভৰাই থলে । কথাটোযে বেয়া কথা হৈছে সি উপলব্ধি কৰিলে , কিন্তু ছটকা ৰূপ ৰেলেৰে অহা যোৱাত খৰচ কৰি আহি এতিয়া শুদা হাতে ঘূৰি গৈ সি কি কৰিবগৈ ? সি আহি ৰান্ধনিশালৰ কামত আকৌ লাগিলহি আৰু কেতিয়া হাকিমনী আহিব তাৰ কাৰণে বাট চালে ।

ক্ৰমে গধূলি হৈ আহিল ।

ৰান্ধনিশালৰ ৰন্ধা মেলাৰ কামো খৰতকীয়াকৈ আগবাঢ়িল । হামিদেও বিদায় লৈ ৰেলষ্টেচনলৈ যোৱাৰ সুযোগ বিচাৰিলে ।

এনেতে হাকিম হাকিমনী দুয়ো ৰান্ধনিশালৰ ফালে আহিল ।

হামিদৰ ফালে চাই হাকিমে কলে, - 'তোৰ ছোৱালীজনী চাবলৈয়ো বোলে মানুহ আহিব ? ভাল হৈছে । আমাৰ ৰন্ধা মেলাবোৰ হৈছেগৈ নে ? বেয়া হলে বদনাম হ'ব, চাবি ।' কৈ হাকিম গ'লগৈ ।

এইবাৰ পলম নকৰি হামিদে জেপৰ পৰা টকা তেইশটা উলিয়াই হাকিমনীৰ ফালে আগবঢ়ালে। 'বজাৰ কৰি ঘূৰি অহা পইচা,' - সি কলে ।

একো নকৈ হাকিমনীয়ে টকাখিনি মুঠি মাৰি লৈ আঁতৰি গ'ল । কিমান আছে নেচালেই ; হামিদৰ অস্বস্তিৰ মাজতো কিছু ভাল লাগিল ।

কিছু পৰৰ মূৰত হাকিমনী আকৌ আহিল ।

'চাওঁ হামিদ, তোৰ কিবা কাপোৰ, গামোচা আছেনে ?'

'গামোচা এখন আছে '

'এইপিনে আহ ।' হামিদ হাকিমনীৰ পিছে পিছে গ'ল ।

ৰান্ধনিশালৰ কাষৰ কোঠাত সোমাই হাকিমনীয়ে কলে, 'চাচোন, ক'ত ক'ত কি আছে । সৌ কাগজৰ মোনাকেইটা দে ।' তাৰ পাছত হাকিমনীয়ে জেলেপী, ৰসগোল্লা, বৰফী, সন্দেশ, পেড়া, বুন্দিয়া আদি দহ বাৰটাকৈ বেলেগ বেলেগ ঠোঙাত ভৰালে আৰু কলে, 'এইখিনি ভালকৈ বান্ধি ল।'

তাৰ পিছত ৰান্ধনিশাললৈ গ'ল আৰু দুটা প্লাষ্টিকৰ বেগত কেইবাডোখৰো ৰৌ মাছ আৰু মুৰ্গীৰ মাংস ভৰোৱাই দি কলে, 'এইখিনিও বান্ধি ল ।' কিন্তু গামোচা খন সৰু , আৰু নধৰে । হাকিমনীয়ে এখন ডাঙৰ মোনা অনালে আৰু তাতে সেই প্লাষ্টিকৰ বেগ দুটা ভৰোৱাই দিলে, আৰু কলে, 'মিতিৰৰ ঘৰৰ মানুহক ভালকৈ সোধ পোচ কৰিবি । এতিয়া ভাত খাবলৈ সময় নহব কিজানি। তই কিবা চাহ জলপানকে খাই যা ।' হামিদৰ বৰ অস্বস্তি লাগিল । সি লাহেকৈ বাওঁ জেপত হাত দি চালে - দহটকীয়া ন'ট তিনিখন এতিয়াও তাতে আছে । এনেকে টকাকেইটা ৰাখি নোথোৱাহেঁতেন, সি এই সময়তে কেইটামান টকা খুজিব পাৰিলেহেঁতেন । কিন্তু এতিয়া আৰু টকা খুজিবলৈ সত নগ'ল । সি যেন সোনকালে ইয়াৰ পৰা বিদায় লৈ যাব পাৰিলেই ৰক্ষা পৰে ।

'কেকা !'

হামিদে মূৰ তুলি চালে ।

জেচমীন ।

জেচমীনে কাগজত টোপোলা বন্ধা কিবা এটা হামিদলৈ আগবঢ়ালে ।

'ফুললৈ শাৰী এখন দিছোঁ - লৈ যাবা । তোমালোক আহিব লাগিব কিন্তু -' হামিদে অহাৰ পৰা ইঁহাৰ সুবিধা পোৱা নাছিল । এইবাৰ হাঁহিলে আৰু ধেমালি কৰাৰ ধৰণে ক'লে, 'কলৈ' ?

'আমাৰ ঘৰলৈ,আৰু কলৈ ? ফুলহঁতকো লৈ আহিবা কিন্তু - যাবাদেই কেকা ।' কৈ জেচমীন গুচি গ'ল ।

হামিদে শাৰীৰ টোপোলাটোও বেগটোত ভৰাই ললে আৰু বিদায় লবৰ কাৰণে হাকিমনীৰ কোঠাৰ ফালে আগুৱাই গ'ল ।

হাকিমনী আৰাই ভিতিৰৰ ঘৰৰ এগৰাকী মহিলাৰ লগত কিবা কথা পাতি আছিল ; মূৰ ডাঙি তালৈ চালে ।

'ৰেললৈ যাবৰ সময় হৈছে আৰু -' কি কব ঠিক কৰিব নোৱাৰি সি কোনোমতে ক'লে।

'যাৱই নেকি ?' হাকিমনীয়ে সুধিলে । তাৰ পিছত মানুহগৰাকীক বুজাই দিয়াৰ ধৰণে কলে, ইয়াৰ ছোৱালীৰো বিয়া দিবৰ হ'ল বোলে । পৰহিলৈ বোলে ছোৱালী চাবলৈ কোনোবা আহিব । যাগৈ তেনেহলে - অ' ৰবি ।'

এই বুলি হাকিমনী আলমাৰী এটাৰ কাষলৈ গ'ল আৰু তাৰ পৰা লেখি লেখি পাঁচখন দহ টকীয়া ন'ট উলিয়ালে আৰু হামিদৰ সন্মুখলৈ আহিল ।

'হোঁ, টকা দুটামান লৈ যা - খৰচ চৰচ কৰিবি ।' হঠাৎ হামিদে তাৰ বাওঁ জেপটোত হাত দিলে আৰু দহটকীয়া ন'ট তিনিখন উলিয়াই আনিলে আৰু হাকিমনীৰ ফালে আগবঢ়াই দি কলে, 'বজাৰ কৰি ঘূৰি অহা পইচা । মোৰ ইটো জেপতে থাকি গৈছিল, এতিয়া হাত দিওঁতেহে পাইছোঁ - এইয়া ।' হাকিমনীয়ে তাৰ কথাত অলপো গুৰুত্ব নিদিয়াৰ ধৰণে কলে 'যি থাকিল থাকিবলৈ দে। হোঁ, এইকেইটাও লগতে লৈ যা ।' তেওঁ ন'ট পাঁচখন তালৈ আগবঢ়ালে, সি হাত পাতি ললে ।

হামিদৰ চকু মুখ ৰঙা পৰিল ।

এইবাৰ কিন্তু তাৰ এটা ডাঙৰ অপবাদৰ পৰা মুক্তি পোৱা যেন লাগিল ।

সি টকাকেইটা জেপত ভৰালে আৰু টোপোলাকেইটা হাতত ললে । তাৰ পাছত হাকিমনীহঁতৰ পৰা বিদায় লৈ ষ্টেচনৰ ফালে খোজ ললে ।

লুকুৱাই ৰখা টকাকেইটা ঘূৰাই দিব পৰাৰ মনোবল লাভ কৰাৰ কাৰণে তাৰ নিজকে এটা বেলেগ মানুহ যেন লাগিল । কিন্তু ৰেলেৰে আহি থাকোঁতে সি মনে মনে ঠিক কৰিলে যে তাৰ লগত অনা আশী টকাৰ পঞ্চাশ টক'হে আচল টকা, ত্ৰিশ টকা চুৰ কৰা টকা । সেই ত্ৰিশ টকা সি ফুলক চাবলৈ অহা মিতিৰৰ ঘৰৰ মানুহক খুওৱা মেলাত খৰচ নকৰে ।

সেই টকাকেইটা সি অন্য কিবাত খৰচ কৰিব ।

শব্দ-অৰ্থ

চকোৱা	-	ঘৰৰ চাৰিওফালে দিয়া বেৰ
মিতিৰ	-	বিয়াৰ দ্বাৰা সম্বন্ধত বান্ধখোৱা লোক
হালিচা	-	মাটিৰ জোখ, এখন হালেৰে চহাব পৰা মাটি
কটনা কাটি	-	বেচিবৰ কাৰণে সূতা কাটি, বৰ পৰিশ্ৰম কৰি
কেকা	-	ককাই
সোধপোছ	-	অভ্যৰ্থনা

অনুশীলনী

১। প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ।

ক) হাকিমৰ ঘৰটো কিয় উৎসৱমুখৰ হৈছিল ?

খ) হামিদ কিহেৰে আহিছে ?

গ) হামিদক বজাৰৰ পৰা বিশেষকৈ কি আনিবলৈ কোৱা হ'ল ?

ঘ) মাছটো দেখি হাকিমনীয়ে কেনে পালে ?

ঙ) জেচমীনে কি পিন্ধিছিল ?

চ) ফুলক বিয়া দিব খোজা ল'ৰাটোৱে কি কৰে ?

২। ‘হামিদ আহিছ ? কেতিয়াআহিলি ? ঘৰৰ পৰাই আহিলি ? তই বৰ ঠিক সময়তে ওলালিহি ।’ হামিদ কোন ? সি ক’ৰ পৰা কলৈ আহিছে ? কথাখিনি কোনে কৈছে ? ঠিক সময় বুলি তেওঁ কি বুজাইছে ?- বহলাই লিখক ।

৩। হামিদ কিয় হাকিমৰ ঘৰলৈ আহিছে ? তাৰ টকাৰ দৰকাৰ পৰিছে কিয় ? সি কেনেকৈ টকাৰ যোগাৰ কৰিলে ? তাৰে ত্ৰিশটা টকা মিতিৰৰ ঘৰৰ মানুহক খুওৱাত খৰচ নকৰোঁ বুলি ঠিক কৰিলে কিয় ? আলোচনা কৰক ।

৪। কামাল হাকিমৰ ঘৰলৈ কোন আহিছে ? অহাৰ উদ্দেশ্য কি ? হাকিমৰ ঘৰত কিদৰে আলহী অভ্যৰ্থনা কৰা হ’ল ?

৫। হাকিমৰ পৰিয়াল আৰু হামিদৰ মাজৰ সম্পৰ্ক কেনে ? বিশ্লেষণ কৰক ।

৬। হামিদ অথবা হাকিমনী আৰাৰ চৰিত্ৰ পৰ্য্যালোচনা কৰক ।

৭। বজাৰ কৰাৰ ক্ষেত্ৰত আপোনাৰ অভিজ্ঞতাৰ আভাস দিয়ক ।

৮। ‘হাকিমনী’- এই শব্দৰ আৰ্হিত দহটা নতুন শব্দ লিখক ।

৯। গল্পটিত থকা যৌগিক ক্ৰিয়াসমুহৰ এখন তালিকা কৰক ।

ৰকেট

[এই প্ৰবন্ধৰ লেখক হৰেন্দ্ৰ নাথ কলিতাৰ ১৯০৮ চনত কামৰূপ জিলাৰ আৰাঙ্গমৌ নামৰ গাৱঁত জন্ম হৈছিল । কলিকতাত ৰেলৰ কাৰিকৰী বিভাগত কিছুদিন চাকৰি কৰিছিল । পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসসমূহৰ তদাৰককাৰী পদত যোগ দিয়ে । এই চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছত ১৯৭৩ চনৰ ১ জানুৱাৰীত কলিতাদেৱ স্বৰ্গী হয় ।

শিশু সাহিত্যত কলিতাদেৱৰ অৱদান বিশেষ উল্লেখযোগ্য । সেইবোৰৰ ভিতৰত *আকাশৰ কথা, চন্দ্ৰ অভিযান, পৃথিবীৰ সাধু, আৰু অকণিৰ বেজবৰুৱা* প্ৰধান । অনুবাদৰ ক্ষেত্ৰতো তেওঁৰ বৰঙনি আছে । ইয়াৰ উপৰিও আন কেইবাখনো গ্ৰন্থ আৰু বহুতো প্ৰবন্ধ তেওঁ ৰচনা কৰিছিল।

ৰকেট পাঠটি 'চন্দ্ৰ অভিযান' নামৰ কিতাপৰ পৰা লোৱা হৈছে । ইয়াত ৰকেটৰ বিষয়ে চমুকৈ আৰু সহজ ভাবে আলোচনা কৰা হৈছে ।]

(১)

উৰাজাহাজ পৃথিবীৰ চাৰিওফালে ঘূৰি ফুৰে, কিন্তু ই মহাকাশলৈ যাব নোৱাৰে । মহাকাশলৈ যোৱাৰ কাৰণে উৰাজাহাজতকৈও বেগী যান মানুহে বিচাৰিলে আৰু তাৰ ফল স্বৰূপে উলিয়ালে ঘণ্টাত কেইবাহাজাৰ মাইলো অতিক্ৰম কৰিব পৰা 'আকাশী বিমান' বা 'ৰকেট' । ইয়াৰ দ্বাৰা মানুহে কেৱল আকাশেই নহয় মহাকাশলৈকো ঢাপলি মেলিছে । এই ৰকেট বিমান বায়ুহীন ঠাইলৈকো যাব পাৰে।

বেলুন আৰু ৰকেট দুয়োৰে ক্ষমতা সীমাবদ্ধ । বেলুন যদিও ওপৰত বহুত সময়লৈ থাকিব পাৰে, ই বায়ুমণ্ডলৰ বৰ বেছি ওপৰলৈ উঠিব নোৱাৰে ; ৰকেট আকৌ মহাকাশত যিমান ওপৰলৈ আৱশ্যক হয় তিমান ওপৰলৈ উঠিব পাৰে, তথাপি ওপৰত বেছি সময় থাকিব নোৱাৰে ।

বিয়া-সবাহ, দীপান্বিতা আদি বিভিন্ন উৎসৱত হাঁৱৈ মৰা আমি আটায়ে দেখিছোঁ, ই এবিধ খাৰ-বাৰুদৰ বাজী (Fire works) । ৰকেটো তীব্ৰ গতিৰে পোনে পোনে যোৱা হাঁৱৈৰ নিচিনা এবিধ 'যতন' (Machine) । এই ৰকেট হেনো আগতেও আছিল । প্ৰায় ৭০,০০০ বছৰৰ আগেয়ে অৰ্থাৎ খৃষ্ট জন্মৰ বহুকাল পূৰ্বে চীন দেশৰ মানুহে যুদ্ধত ৰকেট ব্যৱহাৰ কৰিছিল । তেতিয়া পশ্চিমৰ দেশ বোৰৰ মানুহে খাৰ-বাৰুদ কেনেকৈ তৈয়াৰ কৰে, তাকেই নাজানিছিল । চীন দেশৰ মানুহে ব্যৱহাৰ কৰা ৰকেট হিলৈৰ আকৃতিৰ আছিল । সেই সময়ত খাৰ বাৰুদেৰে ৰকেট উৰোৱা হৈছিল । চীনদেশীয় বুৰঞ্জী লিখকসকলে ইয়াক 'উৰণ জুই শিখাৰ তীৰ' বুলি বৰ্ণনা কৰিছিল । ইয়াৰ বহু বছৰৰ পিছত ইউৰোপত ৰকেট ব্যৱহাৰ কৰিছিল - শত্ৰুৰ শিবিৰত জুই লগাই দিয়াৰ কাৰণে । ১৮শ শতাব্দীৰ আগভাগত চাৰ উইলিয়াম কনগ্ৰেভ (Sir William Congrave) নামে ইংলেণ্ডৰ চাহাব এজনে বহু দূৰৈৰ পৰা নিচান ৰাখি বিস্ফোৰক পদাৰ্থ ক্ষেপণ কৰিব পৰা ৰকেটৰ ক্ৰমবিকাশ সাধন কৰে ।

(২)

কনষ্টানটিন ই, ছিয়লকফস্কী (Constantin E. Tsiolkovsky) নামে ৰুছিয়াৰ এজন দুখীয়া স্কুল শিক্ষকে মহাকাশত বিচৰণ কৰিব পৰা যান হিচাপে ৰকেটৰ কথা পোন প্ৰথমে চিন্তা কৰে । তেওঁ এই কাল্পনিক তথ্যৰ কথা ১৯০৩ চনত বাতৰি কাকতত প্ৰকাশ কৰে । ১৯১৭ চনৰ ৰুছ বিদ্ৰোহৰ পাছত ছিয়লকফ্স্কীয়ে নতুন চৰকাৰৰ পৰা যথেষ্ট সমাদৰ পায় । ১৯৩৪ চনত তেওঁৰ মৃত্যু হয় । ছিয়লকফ্স্কীক মহাকাশ অভিযানৰ জনক বুলি অভিহিত কৰা হৈছে ।

ছিয়লকফ্স্কীৰ জন্মৰ ২৫ বছৰ পিছত আমেৰিকাৰ মাচাচুচেটছ নামে ঠাইত ৰবাৰ্ট এইচ, গডাৰ্ডৰ (Robert H.Goddard) জন্ম হয় । ৰকেটৰ ভিতৰত সোমাই থকা বিৰাট সম্ভাৱনাৰ কথা তেওঁ সৰ্ব্বপ্ৰথম উপলব্ধি কৰে । তেওঁ পদাৰ্থ বিদ্যাৰ অধ্যাপক আছিল । ১৯৪৫ চনত তেওঁৰ মৃত্যু হয় । গডাৰ্ডক ৰকেট বিদ্যাৰ জনক বুলি কোৱা হয় ।

ৰকেট এটা ডাঙৰ আৰু চুঙাৰ আকৃতিৰ বস্তু । ইয়াক হাঁৱৈৰ নিচিনা ওপৰৰ ফালে শূন্যলৈ উৰাব পৰা যায় । 'গেচ' উৎপন্ন কৰাৰ কাৰণে ৰকেটৰ ভিতৰত ইন্ধন (fuel) জুই লগাই নাইবা আন কোনো প্ৰকাৰে উত্তাপ সৃষ্টি কৰা হয় । এই ইন্ধনৰ পৰা 'গেচ'(gas) উৎপন্ন হয় । গৰম 'গেচ' উৎপন্ন হোৱাৰ পিছত কিছু পৰিমাণে গেচ ৰকেটৰ পিচফালে থকা একমাত্ৰ বিন্ধাৰে বেগাই ওলাই আহে, এই গেচে ৰকেটক আগলৈ ঠেলি লৈ যায়৽ ।

গেচ উৎপন্ন কৰাৰ বাবে যি পৰিমাণৰ অক্সিজেন (oxygen) দৰকাৰ হয় তাৰ যোগান দিয়া বস্তু ৰকেটৰ ভিতৰতে ৰখাৰ ব্যৱস্থা কৰা থাকে । গতিকে ৰকেট সম্পূৰ্ণ আত্মনিৰ্ভৰশীল । ৰকেটৰ নলী বা চুঙা কেইবাটাও অংশত ভাগ কৰি নিৰ্মাণ কৰা হয় । তাৰে এক অংশত ইয়াৰ ইন্ধন পোৰে আৰু ই তললৈ পৰি যায় । তাৰ পৰৱৰ্ত্তী বা পাচৰ অংশতো তাকেই কৰে আৰু তেনেদৰে ইটোৰ পিছত সিটোৱে একে কামকে কৰি যায় । ডাঙৰ ডাঙৰ ৰকেটৰ একেবাৰে ওপৰৰ অংশ বা মূৰটোৱেই আটাইতকৈ বেছি আৱশ্যকীয় ৰকেটৰ অংশ । ইয়াক কোৱা হয় 'পে-লোড' (pay-load) বা 'ওয়াৰ-হেড' (ware-head)। ই এটা কৃত্ৰিম উপগ্ৰহও (satellite) হব পাৰে । হয়তো মহাকাশচাৰী (astronaut) ভিতৰত থাকিব পৰা ই এটা খালি-খোঁটালিও (space capsule) হব পাৰে ।

ৰকেট-প্লেনৰ 'বায়ু-চালিত যন্ত্ৰ'(propellor) নাথাকে । ইয়াৰ ইঞ্জিন 'জেটপ্লেন' আদি যি কোনো প্ৰকাৰৰ ইঞ্জিনতকৈ পৃথক । জেটপ্লেন আদিয়ে ইন্ধন (fuel) দহনৰ বাবে বতাহৰ পৰা অম্লজান গেচ (oxygen) লয় । বাহিৰৰ পৰা অম্লজান গেচৰ যোগান নেপালে কোনো আকাশী যানে কাম কৰিব নোৱাৰে । ৰকেট যানে নিজৰ কাৰণে অম্লজান গেচ নিজে লগত কঢ়িয়াই লৈ যায়। এই কাৰণে ৰকেট প্লেন বতাহশূন্য মহাকাশত বিচৰণ কৰিব পাৰে । সাধাৰণ এৰোপ্লেন বায়ুমণ্ডলৰ বেছি ওপৰলৈ যাব নোৱাৰে । ই বায়ুমণ্ডলৰ মাজেদিহে যাব পাৰে । ৰকেট যান কিন্তু বায়ুমণ্ডল আৰু শূন্য (space) দুয়োৰো মাজেদি যাব পাৰে । নাও চলোৱাৰ সময়ত নাৱৰীয়াৰ বঠাৰ চাবত বা চৰিবাৰীৰ খোঁচৰ প্ৰতিক্ৰিয়াত নাওখন ওলোটা পিনে যায় । সেইদৰে ৰকেটৰ পৰা গেচ পিচপিনে ওলাই যোৱাৰ বাবে ইয়াৰ প্ৰতিক্ৰিয়াত ৰকেট যান আগপিনে আগবাঢ়ি গৈ থাকে । ৰকেটৰ পিচপিনে বাহিৰ কৰি দি থকা গেচে ৰকেটক যি গতি দিয়ে তাৰ সহায়ত শূন্যৰ মাজেদি মহাকাশলৈ যোৱাত ৰকেটৰ একো অসুবিধা নহয় । ৰকেটৰ গেচৰ বহিৰ্গামী বেগ বেছি হলে, ৰকেটৰো বেগ বেছি হয়।

বন্দুক বা বৰটোপৰ গুলিৰ বেগ ভিতৰৰ বিস্ফোৰণ হোৱাৰ লগে লগে সৰ্ব্বোচ্চ মাত্ৰা পায়। ৰকেটৰ বেগ কিন্তু বাঢ়ি বাঢ়ি গৈহে সৰ্ব্বোচ্চ মাত্ৰা পায় । গতিকে ৰকেট যানৰ আৰোহীসকলে এই বিষয়ে অপেক্ষাকৃত কম অসুবিধাৰ সন্মুখীন হয় । বায়ুমণ্ডলৰ ভিতৰেদি গৈ থকা সময়খিনি ৰকেটৰ বেগ প্ৰয়োজন অনুযায়ী কমাই ৰাখিব পৰা যায় । তেনেকৈ এই গেচ বহিৰ্গমনৰ দিশ পৰিবৰ্তন কৰি ৰকেটৰ দিশো পৰিবৰ্তন কৰা যায় । বতাহ যিমানেই পাতল হয়, মহাকাশত ৰকেটৰ বেগেও সিমানে কম বাধা পায় । বৰ্তমান জুলীয়া ইন্ধনেৰে ৰকেট উৰাব পৰা হৈছে ।

উপগ্ৰহ গ্ৰহৰ চাৰিওফালে ঘূৰে । পৃথিবীৰ উপগ্ৰহ চন্দ্ৰ পৃথিবীৰ চাৰিওফালে ঘূৰে । বহুতো গ্ৰহৰ বহুতো উপগ্ৰহ আছে । ইউৰোপীয় জ্যোতিৰ্ব্বিদসকলে চন্দ্ৰ উপগ্ৰহৰ নাম দিছে 'পাৰিপাৰ্শ্বিক

স্যাটালাইট’ (satellite) । স্যাটালাইট কৃত্রিম উপগ্রহ । মানুহে কৃত্রিম উপগ্রহৰ সৃষ্টি কৰিব পাৰে। এই সৃষ্ট গ্রহই পৃথিৱীৰ চাৰিওফালে ঘূৰে । মানুহে এই কৃত্রিম উপগ্রহত অনাতাঁৰ যন্ত্র সন্নিবিষ্ট কৰে। মহাকাশলৈ কৃত্রিম উপগ্রহ পঠাবলৈ মানুহে ইয়াক প্রকাণ্ড ৰকেটৰ নাকৰ ভিতৰত বহুৱাই নাইবা ৰকেটৰ ভিতৰত কৃত্রিম উপগ্রহ লগাই দিয়ে । তাৰ পিছত ৰকেটটো মহাকাশলৈ গুলী চলোৱাৰ দৰে চলাই দিয়ে । ৰকেট গৈ মহাকাশ পোৱাৰ লগে লগে কৃত্রিম উপগ্রহক তাত অকলে এৰি থৈ সি আঁতৰি নামি আহে । তেতিয়া কৃত্রিম উপগ্রহই পৃথিবীৰ চাৰিওফালে তাৰ এটা কক্ষপথত ঘূৰে আৰু তাত থকা অনাতাঁৰ যন্ত্রই মহাকাশৰ পৰা বাতৰি পঠায় । পৃথিৱীৰ মানুহে কৃত্রিম উপগ্রহৰ পৰা অহা ‘ৰেডিঅ’টোত সুৰ মিলাই দিয়ে আৰু তাৰ পৰা অহা খবৰ-বাতৰি শুনে । কিছুমান কৃত্রিম উপগ্রহৰ ভিতৰত মানুহো পঠোৱা হয় ।

শব্দ-অৰ্থ

বেগী	-	যি বেগেৰে যায়
নিচান	-	লক্ষ্য
বিন্ধা	-	ফুটা বা সুৰুঙা
জুলীয়া	-	পনীয়া

অনুশীলনী

১। তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ এক বা একাধিক পৰিচ্ছেদত দিয়ক :

ক) ৰকেট কি ? অন্য আকাশী যানৰ লগত ইয়াৰ পাৰ্থক্য কি ?

খ) ৰকেট প্ৰথমে ক’ত, কোনে, কেনেকৈ ব্যৱহাৰ কৰিছিল ? তাৰ ক্ৰমবিকাশ সম্বন্ধে আভাষ দিয়ক।

গ) ৰকেট কেনেকৈ চলে ? ইয়াৰ গতি কেনেকৈ নিয়ন্ত্ৰণ কৰা হয় ?

ঘ) মহাকাশ কি ? আকাশ আৰু মহাকাশৰ মাজত পাৰ্থক্য কি ? লিখক ।

ঙ) স্যাটালাইট কি ? আজিৰ জীৱনত স্যাটালাইটৰ ভূমিকা সম্বন্ধে মতামত সহ আলোচনা কৰক।

২। চমুটোকা লিখক :

ছিয়লকফ্স্কি, গডার্ড, স্পুটনিক

৩। প্ৰশ্নবোৰৰ উত্তৰ একোশাৰীত দিয়ক :

ক) হৱৈ কি ?

খ) 'উৰণ জুই শিখাৰ তীৰ' বুলিলে কি বুজায় ?

গ) নিচান কৰি বিস্ফোৰক পদাৰ্থ ক্ষেপন কৰিব পৰা ৰকেটৰ বিকাশ সাধন কৰে কোনে ?

ঘ) ৰকেট বিদ্যাৰ জনক কোন ?

ঙ) ৰকেটে ক'ৰ পৰা অক্সিজেন গ্ৰহণ কৰে ?

চ) ৰকেটৰ আটাইতকৈ আৱশ্যকীয় অংশটোৰ নাম কি?

ছ) উপগ্ৰহ কি ?

৪। ৰকেট প্ৰবন্ধটিত থকা কৰ্মবাচ্যৰ বাক্যবোৰৰ এখন তালিকা কৰক ।

৫। বিপৰীত শব্দ ব্যৱহাৰ কৰি বাক্যৰচনা কৰক :

জুলীয়া, বেগী, সীমাবদ্ধ, পোনেপোনে, সমাদৰ, বেগাই, আগলৈ, তললৈ, অসুবিধা, বহিৰ্গামী

৬। তলৰ শব্দবোৰৰ গঠন বিশ্লেষণ কৰক :

উৰোৱা, চলোৱা, কেইবাটাও, চাৰিওফালে

নিয়ৰ

[এই কবিতাৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ বাৰ্ত্তাবাহী । তেজপুৰৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত এওঁৰ জন্ম । পিতৃ প্ৰসিদ্ধ হৰিবিলাস আগৰৱালা । চন্দ্ৰকুমাৰে তেজপুৰৰ পৰা এন্ট্ৰেন্স পাচ কৰি কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা এফ, এ, পাচ কৰিলে । বি, এ পঢ়িবলৈ ললে যদিও শেষ নকৰাকৈ ঘৰলৈ ঘূৰি আহি চাহবাগিছা আৰু ছপাকলৰ ব্যৱসায় চলাবলৈ লয় । এওঁ 'জোনাকী'কাকত সম্পাদনা কৰিছিল । পাছলৈ 'অসমীয়া' নামেৰে কাকত এখনো উলিয়াইছিল । ১৯৩৮ চনৰ মাৰ্চৰ ২ তাৰিখে চন্দ্ৰকুমাৰ আগৰৱালা স্বৰ্গী হয় ।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা পুথি দুখন - 'প্ৰতিমা' আৰু 'বীণ ব'ৰাগী'। তেওঁৰ ৰচনা সংখ্যাত বেছি নহয় । সম্পূৰ্ণ ৰচনাৱলী 'চন্দ্ৰামৃত' নাম দি অতুল হাজৰিকাৰ সম্পাদনাত তৰুণ কুমাৰ আগৰৱালাই প্ৰকাশ কৰি উলিয়াইছে ।

'নিয়ৰ' কবিতাটি 'প্ৰতিমা'ৰ অন্তৰ্গত । ফুলপাহঁত পৰি থকা এটোপা নিয়ৰে কবিৰ অনুভুতিপ্ৰৱণ মন আলোড়িত কৰি তুলিছে । তাতেই বিভিন্ন সুন্দৰ ছবি আৰোপ কৰি কবিয়ে এক অনন্য সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে । শেষত বতাহত নিয়ৰটোপা সৰি পৰিলত কবি নিষ্ঠুৰ বাস্তৱতাৰ মাজলৈ ঘুৰি আহিছে । 'নিয়ৰ' কবিতাটি কবি আগৰৱালাৰ অনুপম কল্পনা শক্তিৰ পৰিচায়ক।]

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েঁহে আছে
সৰগত টোপনি যোৱা ।
নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,

কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি ?
ফুলনিত কোনে নিশা নাচিছিল
ছিগি বৈ গল মণি,
ৰঙিলিৰ ভাৰ হাঁহি -নাচোনৰ
ৰল চিন এইকণি ।
ৰাতিৰ ধেমালি জোনৰ নিফুট
হাঁহিৰে থৈছে সানি,
পুৱাৰ হেঙুলি বেলিটিলৈ চাই
এটুপি চকুৰ পানী ।
নিয়ৰ কলিৰে শোভে ফুলজুপি
চাইছোঁ ভাৱতে ভাহি,
হায় কি বিষম পেলালে বায়ুৱে
জোকাৰি ফুলৰ পাহি ।

শব্দ-অৰ্থ

নিজম	-	নিৰব, নিস্তব্ধ
নিচুক	-	গোপন, নোকোৱা
হেঙুলী	-	হেঙুলীয়া, হেঙুল ৰঙৰ
নিফুট	-	নিঃশব্দ

অনুশীলনী

১। নিয়ৰটোপাল দেখি কবিৰ মনত কি ভাৱৰ উদয় হৈছে ? বৰ্ণাই লিখক ।

২। নিয়ৰটোপালত আৰোপ কৰা ছবিসমূহৰ বিষয়ে আলোচনা কৰক ।

৩। 'পলায়নবাদিতা ৰোমান্টিক কবিতাৰ এটা বিশেষ লক্ষণ ।'-নিয়ৰ কবিতাৰ ওপৰত নিৰ্ভৰ কৰি চমুকৈ আলোচনা কৰক ।

৪। কবিতাটিৰ বিষয় বস্তু সাধাৰণ গদ্যত লিখি উলিয়াওক ।

৫। ব্যাখ্যা কৰক :

নিয়ৰ কলিৰে শোভে ফুল জুপি
চাইছোঁ ভাৰতে ভাহি ,
হায় কি বিষম পেলালে বায়ুৰে
জোকাৰি ফুলৰ পাহি ।

৬। সমসাময়িক কালত আপোনাৰ মাতৃভাষাত ৰচিত এটি কবিতাৰ কবি পৰিচয় আৰু বিষয় বস্তুৰ আভাস দিয়ক ।

৭। 'খ' স্তম্ভৰ পৰা একোটা উপযুক্ত শব্দ বাচি লৈ 'ক' স্তম্ভৰ শব্দৰ লগত মিলাই উপযুক্ত শব্দগুচ্ছ গঠন কৰক ।

'ক' স্তম্ভ	'খ' স্তম্ভ
মুকুতা	আকাশ
নিজম	কথা
নিফুট	মণি
ফটিক	পাহি
নিচুক	হাঁহি
ফুলৰ	কলি
হেঙুলী	পানী
নিয়ৰ	বেলি

অসমৰ লোক সংস্কৃতি ঃ ধান

[এই প্ৰবন্ধৰ লেখক, লোকসাহিত্য সংস্কৃতিৰ গবেষক পণ্ডিত শ্ৰী গগৈদেৱৰ বুৰঞ্জী গবেষণাতো বিশেষ ব্যুৎপত্তি আছিল । খুহুতীয়া মনোধৰ্মী সাহিত্য, গীতি সাহিত্য আৰু শিশু সাহিত্যতো তেওঁৰ অৱদান উল্লেখযোগ্য । তেওঁ আগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা কৰিছিল। জীৱনৰ শেষ ভাগত তেওঁ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ নিৰ্দ্দেশক হৈছিল । গগৈদেৱে ৰচনা কৰা কেইখনমান পুথি হ'ল- *বিহুগীত আৰু বনঘোষা, আহোম জাতি আৰু অসমীয়া সংস্কৃতি, সাহিত্য সংস্কৃতি বুৰঞ্জী, বুৰঞ্জীয়ে পৰশা নগৰ, অসমীয়া লোক সাহিত্য, হেৰোৱা দিনৰ কথা, নীলা খামৰ চিঠি, সীমান্তৰ মাটি আৰু মানুহ, গীতি মালঞ্চ, কপলিং ছিগা বেল, ৰংমনৰ কথা* ইত্যাদি । প্ৰকাশিত পুথিসমূহৰ উপৰিও তেওঁৰ বহু মূল্যবান ৰচনা অ'ত ত'ত সিঁচৰিত হৈ আছে ।

'অসমৰ লোক সংস্কৃতি ঃ ধান' -এই প্ৰবন্ধটি 'সাহিত্য সংস্কৃতিৰ বুৰঞ্জী' নামৰ পুথিত আছে। ভাৰতীয় সংস্কৃতিত ধানৰ স্হান অতি গুৰুত্বপুৰ্ণ । কেৱল খাদ্য হিচাবেই নহয়, জীৱনৰ সকলো ক্ষেত্ৰতে ইয়াৰ বিশেষ স্থান আছে । প্ৰবন্ধটিত লিখকে 'ধান' শব্দৰ প্ৰয়োগ আৰু ভাৰতত ধানৰ ব্যৱহাৰ, এচিয়াৰ বিভিন্ন ঠাইৰ জাতি, উপজাতিৰ মাজত ধান সম্পৰ্কে থকা ধাৰণা, ধানৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, মঙ্গলামঙ্গল, অসমৰ জাতি জনজাতিৰ মাজত ধানৰ ব্যৱহাৰ - ইত্যাদি বিষয়ত তথ্যপূৰ্ণ আলোচনা কৰিছে ।]

ধান পৃথিবীৰ মৌচুমী অঞ্চলৰ প্ৰধান শস্য । মানব সভ্যতাৰ দীঘলীয়া বুৰঞ্জীত যিদিনাই কৃষ্টিৰ কঠীয়া গজিছিল, সেই দিনাই ধানৰো কঠীয়া গজিছিল । কৃষ্টিৰ কঠীয়াতলি গৰকি সংস্কৃতিৰ বৰঘৰলৈ আহোঁতে ধান জীৱনৰ বহুতো কথাতেই প্ৰয়োজনীয় হৈ পৰিল । ভোকৰ ভাত মুঠি ধানৰ বুকুতেই শুই থকাৰ উপৰিও অনেক মাঙ্গলিক অনুষ্ঠানত ধানৰ আৱশ্যকতাই গুৰুত্ব লাভ কৰিলে । ধান পৃথিৱীৰ অতি পুৰণি শস্য । উইলিয়াম ক্ৰুকে তেওঁৰ Religion and Folklore of Northern India পুথিত লিখিছে যে ঋক্ বেদত ধানৰ নামৰ ক'তো উল্লেখ নাই । কিন্তু অথৰ্ব বেদত আৰু

বৈদিক যুগৰ পৰ্য্যত্তী পুথিসমূহত 'ধান' শব্দ ঘনাই উল্লেখ থকা দেখা যায় । কিন্তু বেদতকৈও পুৰণি কালৰে পৰাই দাক্ষিণাত্যত ধানৰ খেতি হৈছিল আৰু শ্ৰাদ্ধ আদি অনুষ্ঠানত ইয়াৰ ব্যৱহাৰ কৰা হৈছিল ।

যদিও উইলিয়াম ক্ৰুকে ঋক্ বেদত 'ধান' শব্দ উল্লেখ নাই বুলি কৈছে , আচলতে বহুবচনান্ত 'ধানাঃ' শব্দটো ভালেমান ঠাইত উল্লেখ থকা দেখা যায় । অৱশ্যে 'ধানাঃ' শব্দই গম, যৱ,গোমধান আদি দহবিধ ধানকহে বুজাইছিল । বৃহদাৰণ্যক উপনিষদ আৰু ঐতৰেয় আৰু শতপথ ব্ৰাহ্মণত শস্য অৰ্থত 'ধান' শব্দটো মুকলিকৈ ব্যৱহাৰ কৰা দেখা যায় । অথৰ্ব বেদত 'যাস্তে ধানা অনুক্ৰিৰামি তিলমিশ্ৰাঃ স্বধাৱতীঃ ' বুলি উল্লেখ কৰোঁতে কেৱল ধানকহে বুজাইছে ।

এচিয়াৰ মৌচুমী অঞ্চলৰ আটাইবোৰ দেশতে ধানে সাংস্কৃতিক জীৱনত বিশেষ ভূমিকা গ্ৰহণ কৰি আছে । বালী দ্বীপত ধানক মানুহৰ সমকক্ষ জীৱ বুলি গণিতা কৰা হয় আৰু ধানক আই, বুঢ়ী-আই আদি মাতৃবাচক শব্দেৰে সম্বোধন কৰা হয় । সিংহলত কঠীয়া সিচিঁবলৈ জ্যোতিষীৰ লগত আলোচনা কৰি মাঙ্গলিক অনুষ্ঠানৰ আয়োজন কৰা হয় । চীন দেশত ধানক লক্ষ্মী দেৱী ৰূপে সন্মান কৰা হয় । ওৰাং খেতিয়কে ভূঁই ৰোৱাৰ দিনা ধানেৰে তৈয়াৰি লাওপানী ছটিয়াই পৃথিবীক সম্বোধন কৰি কয়, - 'হে আই মাতৃ পৃথিৱী, এই বছৰ নিয়মিত বৰষুণ আৰু সৰহ শস্যৰ সৃষ্টি কৰিবা, তোমালৈ এইয়া লাওপানী উচৰ্গা কৰিছোঁ ।' কঠীয়া সিচাঁৰ সময়ত পাচোঁটা সুকীয়া সুকীয়া ৰঙৰ কুকুৰা কাটি অধিক শস্য কামনা কৰে । গাৰোসকলেও ধানক মাতৃশক্তি হিচাপে গণ্য কৰে । ছোটনাগপুৰৰ কিছুমান মানুহে ধানক ৰক্ষা কৰিবলৈ বিশেষ উৎসৱৰ আয়োজন কৰে । অসমতো ধানক লখিমী হিচাপে সন্মান কৰা হয় ।

ধানৰ কঠীয়া সিঁচিবৰ দিনা অসমৰ বহুতো ঠাইত খেতিয়কে লাওপানী আৰু মাছ মাংস খুৱায়। কঠীয়া সিঁচাৰ আগতে আগলি কলাপাতত থুৰীয়া তামোল, শিলগুটি থৈ কচুগছ ৰোৱে । সেইদৰে প্ৰথমে ভুঁই ৰোৱাৰ দিনা আগলি কলাপাতত তিনিখন থুৰীয়া তামোল দি মাটিডবাৰ চুকত তৰাৰ গজালি,হেলেচৰ গুটি ভৰা ডাল আৰু তিতা ফুলৰ ডাল ৰোৱে । সেইদৰে ধান দাবলৈ প্ৰথম আৰম্ভ কৰিবৰ দিনা ধান তিনিগোছা কাটি দাৱনীয়ে মূৰত তুলি লৈ আহে । আহোঁতে মুখেৰে মাত নেমাতে । কোনো কোনোৱে ধান দাই শেষ হবৰ দিনা তিনি গোছা ধান সুকীয়াকৈ ৰাখি থোককেইটা দাই আনে । আনিবৰ সময়ত আগলি কলাপাতত থুৰীয়া তামোল তিনিখন দি থৈ আহে । ইয়াকে

'লখিমী অনা' বোলে । লখিমী আনোঁতে মুখেৰে মাতিব নাপায় । লখিমী আনিবৰ দিনা পদূলিৰ মূৰলৈকে চোতাল ঘৰ চাফ চিকুণ কৰে । সেই দিনা ভঁৰালত চাকি জ্বলায় । লখিমী কেতিয়াবা সেইদিনাই ভঁৰালত সুমুৱায় । কেতিয়াবা ভাল দিন বাৰ চাই পাছত সুমুৱায় । সেইদিনাও ভঁৰালত চাকি জ্বলায় । সেইদৰে পুনৰ ভঁৰাল ছুবৰ সময়ত আগদিনা শৰাই এখনত কেচাঁ পিঠাগুৰি, গুৰ-চেনি, আৰু কল তামোল সজাই দিয়ে । দুৱাৰমুখত চাকি দিয়ে । পিছদিনা ভঁৰাল ছোৱে । মঙ্গলবাৰ, গুৰুবাৰ আদিত ভঁৰাল নোচোৱে । পোন প্ৰথমে নতুন ধান মাৰি জাৰিবৰ দিনা পতানখিনি আগলি কলাপাতত থৈ কাষত শিলগুটি দি পদূলিমূৰত পতানি কুৱঁৰীক উচৰ্গি দিয়ে ।

ধান আৰু ধানৰ পৰা উৎপাদিত চাউল, আখৈ আদি বহুতো মাঙ্গলিক অনুষ্ঠানত ব্যৱহাৰ কৰা হয় । ধান মাতৃ শক্তি আৰু প্ৰজনন শক্তিৰ প্ৰতীক । সেইবাবে বিয়াত চাউলৰ প্ৰয়োজন । দূণৰিত চাউল থৈ তাৰ ওপৰতহে চাকি, টেলি-কটাৰি থয় । মাহ হালধিৰ লগত আৰৈ চাউল বাটি দিয়ে । দৰা কইনা নোৱাওঁতে পঞ্চ আয়তীয়ে মূৰত চাউল দিয়ে । কলৰ তলত দৰা কন্যাৰ মূৰত চাউল ছটিয়ায় । নোৱাই-তোলনী বিয়াত কন্যাকাল হোৱা ছোৱালীজনীৰ কোঁচত আখৈ দিয়ে । কেচাঁ পিঠা খাবলৈ দিয়ে ।

ধান চাউলেৰে মঙ্গল চায় । কাউৰীয়ে কেলকেলালে চাউল কেইমুঠিমান দি কাউৰীৰ মাত পৰীক্ষা কৰে । ধানৰ ভুঁই ৰোৱাৰ দিনা মাছ ওলোৱাটো সুমঙ্গলৰ চিন । ধান জুইত পুৰিব নাপায়, আলৈ-আথানি কৰিব নাপায় । যোগিনী তন্ত্ৰত ৰঙাশালি ধান ভোগ কৰিলে বিজয়শ্ৰী লাভ হয় আৰু নাৰায়ণ-মাধৱ ভোগ আৰু যাদৱ ধান ভোগ কৰিলে খ্যাতি লাভ হয় বুলি কৈছে । আন এঠাইত সোমধান, বৰাধান, ৰঙাশালি, ৰাজধান আৰু যষ্টিক ধান দেৱবল্লভ বুলি উল্লেখ আছে । সপোনত ধান দেখিলে দিঠকত ধন পায় ।

সাগৰ মন্থন কৰোঁতে লক্ষ্মীদেৱীৰ লগত ঐৰাৱত হাতীও ওলাইছিল । সেইবাবে হাতী পদূলিমূৰেদি পাৰ হৈ গ'লে বা চোতালত ওলালে ডলা-চালনীত কেইটামান ধানৰ মুঠি খাবলৈ দিয়ে। লক্ষ্মী পূজাত পঞ্চশস্যৰ লগত ধান এচিৰা দিয়ে । ধানক গধূৰ নোবোলে, সন্মান জনাই গাইচ বোলে।

লখিমী সৱাহৰ নামত ধানৰ সৃষ্টি সম্পৰ্কে এটি উপকথা পোৱা যায় । আদিতে ধানৰ বাকলি নাছিল । থোকে থোকে চাউল লাগিছিল । এজন খকুৱা ব্ৰাহ্মণে ভোজ খাই আহি গছত লাগি থকা

চাউলবোৰ মুঠিয়ে মুঠিয়ে খাবলৈ ধৰাত লক্ষ্মী আয়ে অমঙ্গলীয়া ভাবি চাউলত বাকলি সৃষ্টি কৰিলে। মুখভঙা মন্ত্ৰতো সদাশিৱই ধান খেতি কৰাৰ কথা আছে । আদিতে অনাৰ্য্য মানুহে ধান খেতি কৰাৰ কথা সদাশিৱৰ কাহিনীৰ পৰাই জানিব পাৰি । আও নগাসকলৰ মাজতো ধানৰ সৃষ্টি সম্পৰ্কে সাধুকথা এটি পোৱা যায় ।

ধানৰ পৰা বহুতো ধানৰ নামো সৃষ্টি হৈছে । কিছুমান জাতিগত ধানৰ নাম আছে - আহোম শালি, কছাৰি শালি, চুটীয়া শালি ইত্যাদি । কিছুমান ধানৰ নামবোৰ গুণবোধক - মাণিকীমধুৰী, নিয়ৰকদম, চিকনকলি, সুৱাগমণি ইত্যাদি । কিছুমান ধানৰ নাম ৰূপগত - শ'লপোনা, ৰঙাশালি, গৰুগুপখী, গৰুচকুৱা, তিতাফুলীয়া বৰা, পোৱাল শালি, ক'লা শালি ইত্যাদি । সৰহভাগ ধানৰ নামেই অনাৰ্য্যমূলীয় ।

ভাত সাধাৰণতে পানীৰে সিজায় । বাঁহৰ চুঙাত সিজোৱা চাউলক চুঙা চাউল বোলে । অসমৰ আহোম, খামতি, নৰা আদি টাই জাতীয় লোকসকলে বৰা চাউল পানীত নিসিজাই পানীৰ ভাপত সিজায় ; তাকে *চেৰা দিয়া ভাত* বোলে । ন-ধানৰ চেৰা পাতিবৰ দিনা হাঁহ-পাৰ মাৰি ভালকৈ এসাজ খায় । চাউলেৰে জলপান কৰে - সান্দহ পিঠা, কৰাই ভাজে ; ধানেৰে আখৈ, চিৰা আৰু হুৰুম কৰে । চাউলৰ পিঠাত টংলতি, কপৌঢেকীয়া, জেতুলি পকা, বন জালুক, জালুক, ধপাত তিতা, পাটিসোন্দা গছৰ পাত মিহলাই ঘৰুৱা মদৰ দৰব তৈয়াৰ কৰে । বৰা চাউল বা আৰৈ চাউলৰ ভাতৰ লগত দৰৱ মিহলাই মদ তৈয়াৰ কৰে । মিৰি, আবৰ আদি জনজাতীয় মানুহে ধান পুৰি তাৰ ছাঁইৰ লগত দৰব মিহলাই মদ তৈয়াৰ কৰে ।

ধানক ঔষধি হিচাপেও ব্যৱহাৰ কৰা হয় । আৰৈ চাউল ভালেমান ঔষধত লাগে বুলি নিদান পুথিত উল্লেখ আছে । চাউল জাৰি খাবলৈ দি চোৰ ধৰা পেলোৱা হয় ।

মাঘৰ বিহুত ধানৰ নৰাৰে লাগনি গছবোৰ বান্ধে । ব'হাগ বিহুত মাহ-হালধি, আৰৈ চাউল বাটি গৰু বিহুৰ দিনা গৰুক ফোঁট দিয়ে, সেই দিনা গৰুক পিঠা খুৱায় । কাতি বিহুত ধাননিত চাকি জ্বলায় । তিনিওটা বিহু আৰু লক্ষ্মী পূজাৰ দিনা ধানৰ ভঁৰালতো চাকি দিয়ে । এইদৰে অসমৰ লোক সংস্কৃতিত ধানে এখনি বিশেষ উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে ।

শব্দ-অৰ্থ

লাওপানী	-	চাউলৰ পৰা কৰা পানীয়
টেমি	-	চুণ থবলৈ ব্যৱহাৰ কৰা পিতলৰ ঢাকনি থকা সৰু টেমা
দুণৰি	-	দুণি, খৰাহীৰ নিচিনা জাপিটুপীয়া বাঁহ বা পিতলৰ বাচন

সাংস্কৃতিক টোকা

দাৱনী : অসমৰ পূৱ অংশত ধান তিৰোতাইহে কাটে । 'দাৱনী' শব্দই ধান কটা তিৰোতাক বুজায় । একে ক্ষেত্ৰত পুৰুষবাচক কোনো শব্দ অসমীয়াত নাই । ধান কটা অস্ত্ৰ 'দা'ৰ পৰা 'দা' ধাতু উৎপন্ন হৈছে ; তাৰ পৰা 'দালে' 'দাব' ইত্যাদি হয় । 'দা'ৰ লগত -অনী যোগ হৈ 'দাৱনী' হৈছে ।

মুখভঙা মন্ত্ৰ: সৰু ল'ৰা ছোৱালীক ভাল বুলিলে, প্ৰশংসা কৰিলে বা খোৱা পিন্ধাত চকু দিলে সিহঁতৰ অসুখ-বিসুখ হয় বুলি অসমীয়া মানুহে বিশ্বাস কৰে । তাকে *মুখ লগা* বোলে । মুখ লগা দূৰ কৰিবলৈ যি মন্ত্ৰ ব্যৱহাৰ কৰা হয় তাকে মুখভঙা মন্ত্ৰ বোলে ।

অনুশীলনী

১। 'ধান' শব্দৰ প্ৰয়োগ সম্বন্ধে এটি টোকা লিখক ।

২। 'প্ৰায় সকলো ঠাইতে ধানক পৱিত্ৰ, বন্দনীয় বস্তু বুলি গণ্য কৰা হয় ।' - আলোচনা কৰক ।

৩। কঠীয়া সিঁচা আৰু ধান দোৱা দিন দুটা অসমত কেনেকৈ পালন কৰা হয় ? আপোনাৰ ৰাজ্যত এই দিন দুটা কেনেকৈ পালন কৰা হয় ? এই সন্দৰ্ভত এটি তুলনাত্মক আলোচনা প্ৰস্তুত কৰক।

৪। ধান চাউলৰ ব্যৱহাৰ সম্বন্ধে এটা চমু প্ৰবন্ধ লিখক ।

৫। 'আপোনাৰ জাতীয় সংস্কৃতিত ধানৰ স্থান' এই বিষয়ে এখনি চমু ৰচনা লিখক ।

৬। শুদ্ধ উত্তৰবোৰ বাচি উলিয়াওক -

ক) প্ৰথম ধান জাৰি পতানবোৰ কালৈ উছৰ্গা কৰে ?

- লক্ষ্মীদেৱীলৈ
- হাতীলৈ
- পতানী কুৱঁৰীলৈ

খ) অসমীয়া মানুহে হাতীক কিয় সন্মান কৰে ?
- ডাঙৰ জন্তু বুলি
- লক্ষ্মীমন্ত জীৱ বুলি
- গণেশ দেৱতা হাতীমূৰীয়া বুলি

গ) চুঙা চাউল কি ?
- ভাপত সিজোৱা চাউল
- বাঁহৰ চুঙাত সিজোৱা চাউল
- বাঁহৰ চুঙাত ভৰোৱা চাউল

ঘ) নৰাৰে লাগনি গছবোৰ কোন বিহুত বান্ধে ?
- ভোগালী বিহুত
- ৰঙালী বিহুত
- কঙালী বিহুত

ঙ) ভুঁই ৰোৱাৰ দিনা কোনে পৃথিবীক লাওপানীৰে বন্দনা কৰে ?
- বালী দ্বীপৰ মানুহে
- গাৰো খেতিয়কে
- ওৰাং খেতিয়কে

৭। মাঙ্গলিক কাৰ্য্যত ধানৰ ব্যৱহাৰ কেনেকৈ হয় আলোচনা কৰক ।

৮। ধানৰ বাকলিৰ উৎপত্তি সম্পৰ্কে থকা কাহিনীটো পাঁচ শাৰীত লিখক ।

৯। খোৱা লোৱাত ধানৰ বিবিধ ব্যৱহাৰ সম্পৰ্কে লিখক ।

১০। চমুটোকা লিখক :
লখিমী অনা, চেৱা দিয়া ভাত, চাউল আৰু পানীয়

১১। বাক্য ৰচনা কৰক :
গজ্‌, গৰক্‌, গণিত, সুকীয়া সুকীয়া, আলৈআথানি, দিঠক

১২। সৰল বাক্যলৈ ৰূপান্তৰ কৰক :

ক) মানৱ সভ্যতাৰ দীঘলীয়া বুৰঞ্জীত যিদিনাই কৃষ্টিৰ কঠীয়া গজিছিল, সেইদিনাই ধানৰো কঠীয়া গজিছিল ।

খ) যিদিনা কঠীয়া সিঁচে সেইদিনা মানুহ দুনুহ মাতি জা-জলপান খুৱায় ।

গ) যিজনে লখিমী আনে সেই জনে মুখেৰে নামাতে ।

১৩। দুয়ো স্তম্ভৰ শব্দবোৰ ঠিককৈ মিলাওক :

(ক)	(খ)
ধান	বৰা
শৰাই	কলাপাত
থুৰিয়া	তোলনী
তিতাফুলীয়া	মৰা
নোৱাই	তামোল
আগলি	খন

নিশাদূত

[এই কাহিনীৰ লেখক বাণীকান্ত কাকতিৰ জন্ম ১৮৯৪ আৰু মৃত্যু ১৯৫২ চনত । তেওঁ কটন কলেজত ইংৰাজী আৰু পাচত গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক হৈছিল । কাকতি এটি মহৎ, অধ্যয়নপুষ্ট মনৰ অধিকাৰী আছিল । ভাৰতীয় সাহিত্যত তেওঁৰ দখল আছিল সুদুৰপ্ৰসাৰি , লগে লগে ইউৰোপীয় সাহিত্যও তেওঁ খৰচি মাৰি অধ্যয়ন কৰিছিল । কাকতিৰ সকলো ৰচনাতে গভীৰ চিন্তাশীল মনৰ পৰিচয় আছে ।

অসমীয়াত সম্পূৰ্ণ বিজ্ঞানসন্মতভাবে ভাষাতত্ব গৱেষণাত কাকতি অগ্ৰগণ্য । ইংৰাজীত ৰচনা কৰা Assamese - Its Formation and Development (অসমীয়া ভাষাৰ গঠন আৰু বিকাশ) তেওঁৰ পাণ্ডিত্য প্ৰতিভাৰ কীৰ্ত্তিৰ্স্তম্ভ । ডঃ কাকতি আধুনিক যুগৰ শ্ৰেষ্ঠ সমালোচক বুলি অন্য সকলো সমালোচকে মুক্ত কণ্ঠে স্বীকাৰ কৰিছে । তেওঁ ৰচনা কৰা অসমীয়া আৰু ইংৰাজী পুথি সমূহ হ'ল - *সাহিত্য আৰু প্ৰেম, পুৰণি অসমীয়া সাহিত্য, পুৰণি অসমৰ ধৰ্ম্মৰ ধাৰা, কলিতা জাতিৰ ইতিবৃত্ত, পখিলা, বৈষ্ণৱাইত মিথচ এণ্ড লিজেণ্ড, মাদাৰ গডেজ কামাখ্যা, লাইফ এণ্ড টিচিংচ অব শঙ্কৰদেৱ,* আৰু *ষ্টৰিজ ফ্ৰম আসামীজ হিষ্টৰী* । কেইবাজনো কবিৰ কাব্যৰ ভূমিকাসমূহ আৰু সাহিত্যসম্বন্ধীয় প্ৰবন্ধসমূহ অতি মূল্যবান । কাকতিদেৱে কেইবাখনো গ্ৰন্থ সম্পাদনাও কৰিছে ।

ইয়াত দিয়া 'নিশাদূত' কাহিনীটি 'সাহিত্য আৰু প্ৰেম' নামৰ পুথিৰ পৰা লোৱা হৈছে । ঋষি পদ নোপোৱাৰ বাবে শ্যাবাশ্বলৈ ছোৱালী দিবলৈ ৰজা ৰাণী অমান্তি হ'ল । কিন্তু ৰাজকুমাৰীক আপোন কৰি পাবলৈ সৃষ্টি হোৱা দুৰ্বাৰ আকাঙ্ক্ষাৰ ফলত শ্যাবাশ্বই ঋষিত্ব পাবলৈ সক্ষম হ'ল আৰু ৰাজকুমাৰীক লাভ কৰিলে । এই কাহিনীটি ইয়াত বিস্তাৰিতভাৱে আছে । কাহিনীৰ লগতে কাকতি-দেৱে ভাৰতীয় সাহিত্যত দূতকাব্যৰ ধাৰা, ঋষি শব্দৰ অৰ্থ আৰু তাৰ আধুনিক বিজ্ঞানসন্মত বিশ্লেষণো দাঙি ধৰিছে ।]

প্ৰেমৰ দূতকাব্য স্বৰূপে কালিদাসৰ মেঘদূত জাগতিক সাহিত্যত জনাজাত আৰু পণ্ডিতসকলে মেঘদূতৰ ছাঁয়া দেশী-বিদেশী নানান কাব্য সাহিত্যত লক্ষ্য কৰিছে । সংস্কৃত সাহিত্যত মেঘদূতক অনুকৰণ কৰি বহুত কবিতা ৰচিত হৈছে । তাৰ ভিতৰত ধোয়ী কবিৰ *পৱনদূত,* ৰূপ গোস্বামীৰ *হংসদূত,* কৃষ্ণ সাৰ্ব্বভৌমৰ *পদাঙ্কদূত,* মাধৱ কবীন্দ্ৰৰ *উদ্ধৱ দূত* উল্লেখযোগ্য । দূত-কবিতাৰ চলতি কিন্তু ভাৰতীয় সাহিত্যত বৈদিক যুগৰ পৰাই আছে ।[৩] ঋক্‌বেদৰ এটি সুক্ত প্ৰণয়ৰ দূতকবিতা হিচাবে লিখা হৈছিল বুলি আখ্যান আছে । ঋষিয়ে নিশাদেৱীক তেওঁৰ প্ৰণয়ৰ দূত হিচাবে পঠিয়াইছিল । শৌণকৰ বৃহদ্দেৱতা গ্ৰন্থত এই আখ্যানটি আছে ।

পুৰণিকালত দাৰ্ভ্য ৰথৱীতি নামে এজন সকলোৰে জনাজাত ৰাজৰ্ষি আছিল । তেওঁ যজ্ঞ কৰিবলৈ মানস কৰি অত্ৰি ঋষিৰ ওচৰলৈ গ'ল আৰু আত্ম-পৰিচয় দি কামনা জনাই অত্ৰিপুত্ৰ অৰ্চ্চনানসক পুৰোহিতৰ ঠাইত বৰণ কৰিলে ।

অৰ্চ্চনানসে নিজৰ ল'ৰা শ্যাবাশ্বক লগত লৈ যজ্ঞলৈ গ'ল । শ্যাবাশ্বও সাঙ্গোপাঙ্গ সমস্ত বেদবিদ্যাতে সুশিক্ষিত আছিল । যজ্ঞ কৰি থাকোঁতেই পুৰোহিত অৰ্চ্চনানসে যশস্বিনী ৰাজকুমাৰীক দেখিলে, আৰু মনতে ভাবিলে ৰাজকুঁৱৰী যদি তেওঁৰ বোৱাৰী হলহেঁতেন ! শ্যাবাশ্বয়ো কুঁৱৰীক দেখিলে আৰু তেওঁৰ মন কুঁৱৰীতে লাগি ৰ'ল (সক্তমাসীত্তদা মনঃ) । শ্যাবাশ্বই ৰজাক কলে,'ৰাজন ! মোলৈ ছোৱালী দিয়া হওক ।' শ্যাবাশ্বক ছোৱালী দিবলৈ বুলি অন্তৰত ইচ্ছা কৰি ৰাণীক মত সুধিবলৈ গ'ল। ৰজাই ছোৱালী দিবলৈ নিজৰ ইচ্ছা আছে বুলি কৈ ৰাণীক মত সুধিলে আৰু কলে, 'অত্ৰিপৌত্ৰ আমাৰ পক্ষে একেবাৰে হীন জোঁৱাই নহব ।' আভিজাত্য-গৰ্বিতা ৰাণীয়ে উত্তৰ দিলে, 'মোৰ ৰাজৰ্ষি কুলত জন্ম, মোৰ কুলৰ ৰজাসকলে বেদমন্ত্ৰ দৰ্শন কৰিছিল । সেই কাৰণে যি বেদমন্ত্ৰ দৰ্শন কৰি ঋষি পদ পোৱা নাই, সি আমাৰ জোঁৱাই হব নোৱাৰে । এই অত্ৰিকুমাৰ বেদমন্ত্ৰ দেখোঁতা নহয় । মোৰ কন্যাক কোনোবা বেদমন্ত্ৰ দোখোঁতা ঋষিলৈ দিয়ক, যেন বেদমাতা হব পাৰে । কিয়নো মন্ত্ৰ দেখোঁতাসকলক বেদপিতা বুলি কোৱা হয় ।' ৰাণীৰ লগত এই পৰামৰ্শ কৰি ৰজাই পুৰোহিতক উত্তৰ দিলে, 'বেদ মন্ত্ৰ দেখোঁতাৰ বাজে অইন কোনো আমাৰ জোঁৱাই হবলৈ লায়ক নহব ।' (অনৃষিৰ্নৈব জামাতা কশ্চিদ্ভবিতুৰ্মহতি) । এইদৰে বিয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য হ'লত যজ্ঞৰ শেষত পুৰোহিত উভতি গ'ল । কিন্তু শ্যাবাশ্বৰ হলে কুমাৰীৰ পৰা মন উভতি নগ'ল । (শ্যাবাশ্বস্য তু কন্যায়া মনো নৈৱনবৰ্ত্ততে)। বাটত যাওঁতে বাপেক পুতেকে তৰন্ত আৰু পুৰুমীলহ নামেৰে ৰাজৰ্ষি দুজনাক মাত লগাই গ'ল । তৰন্ত-মহিষী শচীয়সীয়ে মৰম কৰি শ্যাবাশ্বক ছাগলী, গৰু আদি ভালেমান বস্তু উপহাৰ দিলে । এইদৰে ৰাজৰ্ষিসকলৰ পৰা মান সন্মান পাই বাপেক-পুতেক অত্ৰিৰ আশ্ৰমলৈ গ'ল আৰু মহৰ্ষি অত্ৰিক সেৱা জনালে ।

শ্যাৱাশ্বৰ মনত বিষাদ । হাবিলৈ গৈ নিজৰ অযোগ্যতাক লক্ষ্য কৰি তেওঁ ভাবি আছে - 'হায়, মই নিজে মন্ত্র দেখিব নোৱাৰাৰ কাৰণেহে এনে সৰ্ব্বাঙ্গসুন্দৰী কন্যা নেপালোঁ । মই মন্ত্র দেখিবলৈ পোৱাহেঁতেন আনন্দত উপচি পৰিলোঁহেঁতেন ।' এইদৰে অৰণ্যত চিন্তা কৰি থাকোঁতে তেওঁৰ কাষত আহি অকস্মাৎ মৰুৎ দেৱতাসকল উপস্থিত হ'ল । দেখোঁতে দেৱতাসকল তেওঁৰ সমান বয়সীয়াল, তুল্য ৰূপ ; তেওঁলোকৰ সোণ খটোৱা বুকু আৰু পুৰুষ আকৃতি । তেওঁলোকক দেখি বিস্মিত হৈ শ্যাবাশ্বই সুধিলে, 'তোমালোক কোন ?' তাৰ পাছত বুজিলে তেওঁলোক ৰুদ্রপুত্র মৰুৎগণ ! তেতিয়া তেওঁ 'য ঈং বহন্তে' ইত্যাদি সূক্তেৰে তেওঁলোকক স্তৱ কৰিলে ।

স্তুতিত সন্তুষ্ট হৈ মৰুৎসকলে যাবৰ সময়ত নিজ নিজ বুকুৰ পৰা সোণ খহাই শ্যাবাশ্বক দি গ'ল ।

এইদৰে (সদ্য ঋষি) অৰ্থাৎ অভিনৱ মন্ত্র দেখোঁতা হৈ শ্যাবাশ্বই ৰথৱীতিৰ কুমাৰী কন্যাৰ কথা মনেৰে ধ্যান কৰিলে (ৰথৱীতেদুৰ্হিতৰমগচ্ছন্ম-সাতদা) আৰু নিজৰ এই অভিনৱ ঋষিত্ব পদৰ কথা ৰাজৰ্ষি ৰথৱীতিক জনাবলৈ নিশাদেৱীক দূত নিয়োগ কৰিলে ।

'এতৎ মেস্তোমমূৰ্ম্যে দাৰ্ভায় পৰা ৱহ পিৰোদেৱী ৰথীৰিৱ । উতমে বচোতাদিতি সুতসোমে ৰথবীতৌ ন কামো অপৱেতি মে ।' ঋগ্বেদ ৫/৬/১৭-১৮ ।

'হে নিশা দেৱী, মোৰ এই স্তোত্ৰটো দাৰ্ভ্য ৰথৱীতিৰ ওচৰলৈ লৈ যোৱা আৰু মোৰ কথাৰে তেওঁক কবা যে তেওঁৰ কন্যাৰ পৰা মোৰ প্ৰণয় উলটি অহা নাই ।' নিশা দেৱীয়ে ৰথৱীতিক দেখা নাই আৰু তেওঁ ক'ত থাকে নেজানে বুলি মনত ঠাৱৰ কৰি ঋষিয়ে কলে, - 'এষ ক্ষেতি ৰথৱীতিৰ্মঘবা গোমতীৰনু পৰ্ব্বতোপাশ্রিতঃ ।' ঋগ্বেদ ৫।৬১।১৯ ।

'এখেত হিমালয় পৰ্বতক আশ্ৰয় কৰি গোমতী নৈৰ তীৰত থাকে ।' নিশাদেৱীৰ পৰা অভিনৱ ঋষিৰ সম্ভাষণ বাতৰি পাই ৰথৱীতিয়ে কন্যাক লগত লৈ অত্রি ঋষিৰ আশ্রমত উপস্থিত হ'ল আৰু নিজৰ পৰিচয়াদি অৰ্চ্চনানসক স্তুতি কৰি কলে, 'আপুনি আগেয়ে মোৰ লগত সম্বন্ধ কৰিব খুজিছিল, আপোনাৰ প্ৰস্তাৱ তেতিয়া গ্ৰহণ কৰিব নোৱাৰিলোঁ বুলি খং নকৰি ক্ষমা কৰিব । আপুনি ঋষি-পুত্র, স্বয়ং ঋষি আৰু ঋষি-পিতা, এতেকে মোৰ কন্যাক বোৱাৰীস্বৰূপে গ্ৰহণ কৰক ।' এই বুলি পাদ্য-অৰ্ঘ্য আদিৰে অৰ্চ্চনা কৰিলে । ইয়াৰ পিছত ৰাজৰ্ষি ৰথৱীতিৰ নগৰত বিবাহোৎসৱ সম্পাদন কৰা হ'ল আৰু এশ বগা ঘোঁৰা যৌতুক হিচাবে দান কৰি তেওঁলোকক ঘৰলৈ বিদায় দিলে । অভিনৱ

ঋষি শ্যাবাশ্বয়ো শশীয়সী ৰাণী, তৰন্ত আৰু পুৰু মীলহ ৰাজৰ্ষিক ছটা বৈদিক মন্ত্ৰৰে স্তৱ কৰি ঘৰলৈ গ'ল ।

প্ৰণয়ৰ এই দৌত্যকবিতাত আদিম যুগৰ সকলো সৰলতা, কোমলতা,নিষ্পাপতাৰ সমাবেশ আছে । পিছৰ কালৰ কবিতাৰ উদ্দাম বাসনা, প্ৰণয়িনীৰ অঙ্গী ভঙ্গীৰ লোলুপ ধ্যান আদি ইয়াত নাই। সমস্ত আখ্যানটো যেন পুৱাৰ নিয়ৰত তিতি থকা এপাহি বগা শেৱালী ফুল ।

বেদৰ ঋষি পদবীৰ বিষয়ে ইয়াতে অলপ কোৱা যুগুত । বেদবিদ্যাত অতি পৈণত আছিল যদিও শ্যাৱাশ্বৰ প্ৰণয়ৰ প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল তেওঁ ঋষি পদ নোপোৱাৰ বাবে । যিসকল মহাপুৰুষে আধ্যাত্মিক সত্য উপলব্ধি কৰি ভাষাক আশ্ৰয় কৰি, সেই সত্য প্ৰচাৰ কৰিছিল, তেওঁলোকক ঋষি বোলা হৈছিল । ঋষি পদৰ ধাতুগত অৰ্থ হৈছে দ্ৰষ্টা, দেখোঁতা । সেই কাৰণে বেদমন্ত্ৰ ৰচোঁতা ঋষিসকলক 'মন্ত্ৰদ্ৰষ্টা' বোলা হয় ।

সাধাৰণ পুথিক লক্ষ্য কৰি আমি কওঁ যে, অমুকটো কবিতা অমুকৰ ৰচিত । কিন্তু বেদৰ মন্ত্ৰৰ বিষয়ে এইদৰেহে কোৱা হয় যে অমুক মন্ত্ৰৰ দ্ৰষ্টা অমুক ঋষি অৰ্থাৎ অমুক মন্ত্ৰত যি তত্ব বা সত্যৰ বিকাশ হৈছে সেই তত্ব বা সত্য সনাতন ; কিন্তু অমুক ঋষিয়ে ধ্যানত দেখি প্ৰচাৰ কৰিছে।

আজিকালিৰ কথাৰ সহায়েৰে বুজিব লাগিলে বৈজ্ঞানিক আৱিষ্কাৰবোৰৰ কথা ধৰিব পাৰি। সৃষ্টিৰ আদিৰ পৰাই পৃথিবীৰ মধ্যাকৰ্ষণ শক্তি চলি আছে ।এই শক্তিতত্ব প্ৰথমে নিউটনে জ্ঞানচকুৰে দেখি পাছত মানুহে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে । বেদৰ পৰিভাষাৰে কব লাগিলে এই মধ্যাকৰ্ষণ তত্বৰ ঋষি (দেখোঁতা আৰু প্ৰচাৰ কৰোঁতা) নিউটন । সেইদৰে সৃষ্টিৰ আদিৰ পৰাই অভিব্যক্তি শক্তি চলিয়েই আছে । ডাৰৱিনে এই তত্বজ্ঞান চকুৰে দেখি সকলোৱে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে । বিজ্ঞান জগতত অভিব্যক্তি মন্ত্ৰৰ ঋষি হৈছে ডাৰৱিন্ । সেইদৰে যেতিয়া কোৱা হয় যে গায়ত্ৰী মন্ত্ৰৰ ঋষি বিশ্বামিত্ৰ , আমি বুজিব লাগিব যে মধ্যাকৰ্ষণ তত্বৰ দৰে গায়ত্ৰী তত্বও অনাদি অপৌৰু ষেয়; বিশ্বামিত্ৰ ঋষিয়ে সেই তত্বজ্ঞান চকুৰে দেখি লৌকিক ভাষাত প্ৰচাৰ কৰে ।

যিসকল মহাপুৰুষে আধ্যাত্মিক সত্য আৱিষ্কাৰ কৰি মন্ত্ৰ ৰচনা কৰিছিল তেওঁলোকক বৈদিক যুগত ঋষি বোলা হৈছিল আৰু তেওঁলোকৰ মতো সাঙ্গোপাঙ্গ বেদবিদ্যাত পৈণত অথচ ঋষি নহয় - তেনেকুৱা বিদ্বান পণ্ডিততকৈ বহুত ওপৰত ।

শ্যাবাশ্ব পণ্ডিত আছিল, কিন্তু ঋষিত্ব পোৱানাছিল ; সেই কাৰণে তেওঁৰ প্ৰণয় প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল ।

অনুশীলনী

১। 'নিশাদূত' কাহিনীত দূত কোন ? তেওঁক কোনে, কাৰ ওচৰলৈ, কি উদ্দেশ্যে দূত হিচাবে প্ৰেৰণ কৰিছিল ? - লিখক ।

২। 'ভাৰতীয় সাহিত্যত দূতকাব্য' - এই সম্বন্ধে এটি টোকা লিখক আৰু এখন দূতকাব্যৰ কাহিনীৰ আভাস দিয়ক ।

৩। 'ৰাজন, মোলৈ ছোৱালী দিয়া হওক' - ৰাজনৰ পৰিচয় দিয়ক । কোনে, কাৰ কাৰণে ছোৱালী খুজিছে ? তেওঁক ছোৱালী দিয়া হলনে ? প্ৰসঙ্গ সহকাৰে আলোচনা কৰক ।

৪। 'ঋষি' শব্দৰ অৰ্থ আৰু তাৎপৰ্য্য কি ? বুজাই লিখক ।

৫। শুদ্ধ উত্তৰটো বাচি উলিয়াওক :

ক) কোন ৰজাই যজ্ঞ কৰিবলৈ মানস কৰিছিল ?
- দাৰ্ভ্য ৰথৱীতি
- তৰন্ত
- শ্যাবাশ্ব

খ) যজ্ঞৰ পুৰোহিত কোন আছিল ?
- বিশ্বামিত্ৰ
- পুৰুমীলহ
- অৰ্চ্চনানস

গ) নিশাদূতৰ কাহিনী কোন গ্ৰন্থত আছে ?
- ঋক্‌বেদত
- হংসদূতত
- বৃহদ্দেৱতাত

ঘ) ৰাণীয়ে জোঁৱাই হিচাবে শ্যাবাশ্বক অপছন্দ কৰিছিল কিয় ?
- তপস্বী হোৱাৰ কাৰণে
- শাস্ত্ৰ জ্ঞান নোহোৱাৰ কাৰণে
- ঋষিত্ব প্ৰাপ্তি নোহোৱাৰ কাৰণে

ঙ) ৰাজৰ্ষি ৰথবীতিয়ে জীয়েকৰ লগত কি যৌতুক দিলে ?
- ৰাজ্য
- গৰু ছাগলী
- এশ বগা ঘোঁৰা

৬। 'বিয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য হ'লত যজ্ঞৰ শেষত পুৰোহিত উভতি গ'ল ।' - এই বাক্যৰ আৰ্হিত অইন দহটা বাক্য গঠন কৰক । প্ৰত্যেক বাক্যতে বেলেগ বেলেগ ক্ৰিয়া ব্যৱহাৰ কৰিব ।

৭। তলৰ শব্দবোৰৰ একে অৰ্থবাচক শব্দ লিখক :
নিশা, দূত, ঋষি, তীৰ

৮। বিপৰীত অৰ্থ বাচক শব্দ লিখক :
ৰজা, ৰাজকুমাৰী, বোৱাৰী, জোৱাঁই, পুত্ৰ

অসম জীয়ৰী অমৃত প্ৰভা

[এই প্ৰবন্ধৰ লেখক সূৰ্য্যকুমাৰ ভূঞাৰ জন্ম ১৮৯৪ চনত নগাৱঁত । মৃত্যু ১৯৬৪ চনত গুৱাহাটীত । তেওঁ ইংৰাজীত এম,এ পাছ কৰাৰ পাছত কটন কলেজত অধ্যাপক হৈছিল । তাৰ পৰা দোপতদোপে উধাই অসমৰ শিক্ষাধিকাৰ হৈছিলগৈ । শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যও হৈছিল ।

সূৰ্য্যকুমাৰ ভূঞাই ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। তেওঁ লিখা জীৱনীমূলক গ্ৰন্থ 'গোপাল কৃষ্ণ গোখলে', 'ৰবীন্দ্ৰ নাথ ঠাকুৰ' , 'আনন্দ ৰাম বৰুৱা', 'জোনাকী, চানেকি আৰু অসম জীয়ৰী;' ঐতিহাসিক তথ্যসমৃদ্ধ গ্ৰন্থ - 'কোৱঁৰ বিদ্ৰোহ', 'বুৰঞ্জীৰ বাণী', 'ৰমণী গাভৰু', আৰু বুৰঞ্জীমূলক প্ৰবন্ধ 'মীৰজুমলাৰ অসম আক্ৰমণ', 'শৰাইঘাটৰ সুবচনী', ইত্যাদি । তেওঁৰ একমাত্ৰ কবিতা পুথি'নিৰ্মালী'; গল্প সংকলন - 'পঞ্চমী'আৰু সাহিত্য সমালোচনামূলক প্ৰবন্ধ সংকলন 'ত্ৰিপদী' । অন্যান্য ৰচনাৰ কথা বাদ দিলেও কেৱল বুৰঞ্জীবিদ হিচাপেই সূৰ্য্যকুমাৰ ভূঞাই অসমীয়া সাহিত্যত উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে ।

'অসম জীয়ৰী অমৃত প্ৰভা'ৰ মূল গ্ৰন্থ 'বুৰঞ্জীৰ বাণী' । এই কাহিনী বুৰঞ্জী উপেক্ষিতা । ইয়াত কামৰূপ জীয়ৰী অমৃতপ্ৰভা আৰু কাশ্মীৰৰ ৰজা মেঘবাহনৰ বিবাহ আৰু দুই দেশৰ মাজৰ সম্পৰ্ক আৰু বৌদ্ধ ধৰ্ম সংস্কৃতিলৈ তেওঁলোকৰ অৱদান- এই সম্পৰ্কে তথ্যপূৰ্ণ আলোচনা আছে ।]

ভাৰতৰ দুই সীমান্তত দুখন ৰাজ্য- কাশ্মীৰ আৰু কামৰূপ । যি কালত কামৰূপৰ ভাগ্যবিধাতা প্ৰসন্ন আছিল, যি কালত ভাৰতৰ নানা ঠাইৰ ৰাজপুৰুষ-সকলে ভগদত্ত-বংশীয় কোনো কন্যাৰ পাণিগ্ৰহণ কৰিব পাৰিলে নিজকে গৌৰৱান্বিত বুলি ভাবিছিল, সেই কালত কামৰূপেশ্বৰদুহিতা অমৃতপ্ৰভাই কাশ্মীৰৰ ৰাজপ্ৰাসাদৰ শোভা বৰ্দ্ধন কৰিছিল । অমৃতপ্ৰভা বুৰঞ্জীৰ উপেক্ষিতা । কিন্তু কাশ্মীৰৰ বুৰঞ্জী আৰু ভাৰতৰ বৌদ্ধ ধৰ্মৰ অভ্যুদয়ৰ কাহিনীত অমৃতপ্ৰভাই খিলঞ্জীয়া খ্যাতি লাভ কৰি আহিছে ।

কহলান বিৰচিত কাশ্মীৰৰ বুৰঞ্জী 'ৰাজতৰঙ্গিনী'ত অমৃতপ্ৰভাৰ নাম পোৱা যায় । তাৰ উপৰিও চীন পৰ্য্যটক ঔ কং ৰচিত *কাশ্মীৰৰ বিবৰ* ণতো তেওঁৰ উল্লেখ আছে । কিন্তু এনে এগৰাকী বুৰঞ্জী প্ৰসিদ্ধা অসম জীয়ৰীৰ বিষয়ে তেওঁৰ বৰ্তমান যুগৰ বাই-ভনী আৰু ভাই-ককাইসকলে একোকে নাজানে । নাজানিবৰ কথাও ।

খৃষ্টীয় প্ৰথম শতিকাত কাশ্মীৰত মেঘবাহন নামে এজন পৰাক্ৰমী ৰজাই ৰাজত্ব কৰে । অমৃতপ্ৰভা এই মেঘবাহন ৰজাৰ পটেশ্বৰী আৰু প্ৰধান ৰাজমহিষী আছিল । তেওঁৰ পিতাক আছিল কামৰূপৰ অধিপতি, কিন্তু এইজনা কামৰূপেশ্বৰৰ নাম জানিব পৰা নগ'ল । তেওঁ ভগদত্তবংশীয় আছিল বুলি নিশ্চয়কৈ ধৰিব পাৰি । কাশ্মীৰৰ ৰজাৰ ৰাজকুৱঁৰী হৈ অমৃতপ্ৰভাই বৌদ্ধ ভিক্ষু-সকল থাকিবৰ কাৰণে এটি বিহাৰ স্থাপন কৰে । তাৰ ভগ্নাৱশেষ বৰ্তমান কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰৰ পৰা তিনি মাইল দূৰৈত এতিয়াও দেখিবলৈ পোৱা যায় । এই বিহাৰৰ নাম 'অমৃত ভৱন' আৰু কাশ্মীৰৰ মানুহৰ মুখত পৰি পাছলৈ ইয়াৰ নাম 'অন্ত ভৱন'ত পৰিণত হয় । বহুকাললৈকে বৌদ্ধ ভিক্ষু আৰু পৰিব্ৰাজকসকলে এই বিহাৰত আশ্ৰয় লাভ কৰিছিল । অমৃতপ্ৰভা অসম মাতৃৰ বুকুৰ পৰা গৈ দূৰ দূৰণিৰ বিদেশী ৰাজ্যত প্ৰতিষ্ঠা লাভ কৰি চিৰস্মৰণীয় হৈ ৰৈছে । দুখুনী অসম আইৰ সন্তানসকলৰ কাৰণে ইয়াতকৈ আৰু কি গৌৰৱৰ কথা হব পাৰে ?

মেঘবাহনৰ আগৰজনা কাশ্মীৰ অধিপতিৰ নাম আছিল সন্ধিসৎ বা আৰ্য্যৰাজ । তেওঁ ধৰ্ম চৰ্চাত কাল কটোৱাত গুৰু ৰাজ্যভাৰ গ্ৰহণ কৰা তেওঁৰ বাবে অসম্ভৱ হৈ উঠিল । এইদৰে দুকুৰি সাত বছৰ কাল গ'ল । প্ৰজাসকল অসন্তুষ্ট হৈ সমৰ্থবান ৰজাক কাশ্মীৰৰ ৰাজপাটত অধিষ্ঠিত কৰিবলৈ ৰাজকোৱঁৰ বিচাৰিবলৈ ধৰিলে । বিশেষকৈ ভয় আছিল কাশ্মীৰৰ সমীপৱৰ্ত্তী গান্ধাৰৰ ৰজাৰ পৰা । মন্ত্ৰীসকলে ভাবিলে,অসমৰ্থ ৰজাই ৰাজ্য ৰক্ষা কৰিব কেনেকৈ ? যুধিষ্ঠিৰৰ পৰিনাতি গোপাদিত্য কোঁৱৰক গান্ধাৰৰ ৰজাই কাশ্মীৰ আক্ৰমণ কৰিবলৈ সুবিধা হ'ব বুলি পোহপাল দি লগতে ৰাখিছিল। গান্ধাৰত শৰণাগত ভাৱে থাকোঁতে গোপাদিত্যৰ এটি ল'ৰা জন্ম হয় । তেওঁৰ নাম মেঘবাহন । কাল ক্ৰমত কোৱঁৰৰ বিবাহযোগ্য বয়স হ'ল । এনে সময়ত প্ৰাগজ্যোতিষ ৰাজ্যৰ বিষ্ণুবংশীয় নৃপতিৰ কন্যা অমৃতপ্ৰভাৰ সয়ম্বৰ সভাৰ আয়োজন চলিল । ভাৰতৰ প্ৰাচীন ৰীতি অনুসৰি সেই সয়ম্বৰলৈ দেশ বিদেশৰ ৰজা আৰু ৰাজপুত্ৰক নিমন্ত্ৰণ কৰা হ'ল । গোপাদিত্যই ভাবিলে, তেওঁৰ বিপন্ন অবস্থাত পুতেক কামৰূপৰ ৰাজকন্যাৰ নিৰ্বাচিত স্বামী হব পাৰিলে বিক্ৰম, যশস্যা আৰু ঐশ্বৰ্য্য-সকলো বিষয়তে তেওঁৰ প্ৰতিপত্তি বাঢ়িব । সেইদেখি গোপাদিত্যই কৈ মেলি পুতেক মেঘবাহন কোৱঁৰক গান্ধাৰৰ পৰা প্ৰাগজ্যোতিষপুৰলৈ অমৃত প্ৰভাৰ সয়ম্বৰলৈ পঠিয়ালে ।

ভগদত্তবংশীয় ৰাজপৰিয়ালৰ এটি অলৌকিক সম্পত্তি আছিল - অতি পূৰ্ব্ব কালত নৰকাসুৰ ৰজাই বৰুণ দেৱতাৰ পৰা কাঢ়ি অনা এটি ছত্ৰ । ৰাজলক্ষণসম্পন্ন কোনো পুৰুষৰ মুৰৰ ওপৰত এই ছত্ৰ মেলি ধৰিলে ই শীতল ছায়া নিক্ষেপ কৰে ; অন্যৰ ওপৰত মেলিলে ইয়াৰ এই অলৌকিক প্ৰভাৱ দেখা নগৈছিল । অমৃত প্ৰভাৰ সয়ম্বৰত এই ছত্ৰ ব্যৱহাৰ কৰা হৈছিল । বোধকৰোঁ ৰাজকন্যাই সয়ম্বৰৰ মালা হাতত লৈ সখী সহচৰী সমন্বিতে নৃপতি আৰু ৰাজপুত্ৰসকলৰ কাষ চাপোঁতে ছত্ৰধাৰী পৰিচাৰকে এজনৰ পাছত এজনকৈ প্ৰত্যেক পুৰুষৰ ওপৰত এই ছত্ৰ মেলি ধৰিছিল । ৰাজপুত্ৰ মেঘবাহনৰ ওপৰত মেলি ধৰোঁতে ছত্ৰৰ পৰা নিৰ্গত ছত্ৰৰ শীতল ছায়াঁই কোঁৱৰক আৱৰি ধৰিলে । ৰাজকন্যাই ইয়াকে দেখি বুজিব পাৰিলে যে, মেঘবাহন একালত ৰাজাধিৰাজ চক্ৰৱৰ্ত্তী ৰজা হ'ব ।

সেইমতেই অমৃতপ্ৰভাই মেঘবাহনৰ কণ্ঠত বৰমাল্য অৰ্পণ কৰিলে । তাৰ পাছত দুয়োৰে বিবাহ উৎসৱ সম্পাদন হ'ল ।

স্বয়ম্বৃতা অসম জীয়ৰী অমৃতপ্ৰভা আৰু অজস্ৰ যৌতুক সম্পত্তি লগত লৈ মেঘ-বাহন যুৱৰাজ গান্ধাৰত থকা পিতৃদেৱ গোপাদিত্যৰ ওচৰ পালেগৈ । মানুহে কয়,- তিৰোতাৰ কপালে ধন, পুৰুষৰ কপালে জন । লক্ষ্মী স্বৰূপিনী অসম জীয়ৰী অমৃতপ্ৰভাক বিয়া কৰোৱাৰ পাছত পলৰীয়া ৰাজপুত্ৰ গোপাদিত্যৰ পুতেক মেঘবাহনৰ ভাগ্য আকাশত সৌভাগ্য সূৰুযে দেখা দিলে । কাশ্মীৰৰ প্ৰজাবৃন্দই পাত্ৰ মন্ত্ৰী সহিতে গান্ধাৰলৈ গৈ মেঘবাহনক কাশ্মীৰৰ ৰাজসিংহাসন যাচিলে । ইতিপূৰ্বে মেঘবাহনৰ পূৰ্বপুৰুষসকলে, অৰ্থাৎ গোনন্দীয় বংশই ১০০২ বছৰ কাশ্মীৰৰ ৰাজপাট খাইছিল । তাৰ পাছত ১৯২ বছৰ ধৰি অন্য বংশৰ ৰজা কাশ্মীৰৰ অধীশ্বৰ হৈছিল । আৰ্য্যৰাজ এই নতুন বংশৰ শেষ ৰজা । এতিয়া পাত্ৰ মন্ত্ৰীসকলে মোঘবাহনক কলে, - 'এই কাশ্মীৰ ৰাজ্য তোমাৰ বংশৰ ৰজাসকলৰহে যোগ্য।'

ধৰ্ম্মপ্ৰাণ আৰ্য্যৰাজ ৰজাই এই কথাৰ সম্ভেদ পাই নিজ ইচ্ছামতে সিংহাসন ত্যাগ কৰি ভিক্ষুকৰ বেশ ধৰি হাতত কমণ্ডলু লৈ উত্তৰাভিমুখে গৈ অৰণ্যত সোমাল । তাৰ দিনচেৰেকৰ পাছত নন্দীক্ষেত্ৰত ভস্মধূলি দেহত সানি ৰুদ্ৰাক্ষৰ মালা লৈ জঁটা বান্ধি প্ৰকাশ্যে সন্ন্যাস ব্ৰত গ্ৰহণ কৰিলে । তেওঁ ইমান নিয়মীয়াকৈ সন্ন্যাস ব্ৰত পালন কৰিছিল যে, আশ্ৰমবাসী ঋষিপত্নীসকল তেওঁক ভিক্ষামুঠি দিবলৈ ব্যগ্ৰ হৈছিল । কিন্তু কহলানে কয় যে, গছৰ ফল আৰু কুসুমমঞ্জৰীয়ে ৰাজৰ্ষিৰ কমণ্ডলু পূৰণ কৰাত ভিক্ষুকৰ অৱস্থাতো তেওঁ পৰমুখাপেক্ষী প্ৰাৰ্থী হব লগাত নপৰিছিল ।

যুৱৰাজ মেঘবাহনে পাত্ৰ মন্ত্ৰীৰ অনুৰোধ ৰক্ষা কৰি গান্ধাৰৰ পৰা আহি কাশ্মীৰৰ ৰাজসিংহাসনত বহিল । ৰাজদণ্ড হাতত লৈ নানা ধৰ্ম্ম কাৰ্য্যত লিপ্ত থকাত এওঁ পূৰ্বৱৰ্ত্তী বোধিসত্ত্বসকলৰ গুণ গৰিমাক চেৰ পেলাইছিল । সিংহাসনত উঠা উৎসৱত তেওঁ বিষয়াৰ হতুৱাই জীৱ হত্যা নিষেধ কৰি আজ্ঞা

প্ৰচাৰ কৰিলে, আৰু যিবোৰ মানুহে মঙহ বেচি জীৱিকা উলিয়াইছিল, তেওঁলোকৰ পোহপালৰ নিমিত্তে ৰজাঘৰৰ পৰা ধন দিয়াৰ ব্যৱস্থা কৰিলে । তাৰ পাছত মেঘবাহন ৰজাই 'মেঘবন' আৰু 'মেঘমঠ' নামে অগ্ৰহাৰ নিৰ্ম্মাণ কৰি বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষক বুলি প্ৰসিদ্ধি লাভ কৰিলে ।

স্বামীৰ ধৰ্ম্ম গ্ৰহণ কৰি আৰু অগ্ৰোপাসিকা মিগাৰ মাতা বিশাখাৰ আদৰ্শ লৈ ৰাজমহিষী অমৃতপ্ৰভাই বিদেশী ভিক্ষুকসকলৰ ব্যৱহাৰৰ অৰ্থে 'অমৃতভৱন' বিহাৰ নিৰ্ম্মাণ কৰিলে । পাছলৈ এই বিহাৰ প্ৰাকৃত মতে 'অমিত ভৱন' আৰু কাশ্মীৰৰ মানুহৰ মুখত পৰি 'অন্ত ভৱন' নামেৰে জনাজাত হ'ল । কামৰূপৰ ৰাজচ'ৰাত স্তৌন্‌পা নামে লোহ বা তিব্বত দেশীয় এজন পণ্ডিত আছিল । তেওঁ কামৰূপেশ্বৰৰ গুৰু আছিল । অমৃতপ্ৰভাই পিতৃৰাজ্যৰ পৰা স্তৌন্‌পাক কাশ্মীৰলৈ লৈ যায় । এই স্তৌন্‌পাই এটা বৌদ্ধস্তুপ নিৰ্মাণ কৰে, তাৰ নাম হল 'লো-স্তৌন্‌পা'। অমৃতপ্ৰভাৰ উদাহৰণ লৈ সতিনীয়েকৰ কীৰ্ত্তি নিষ্প্ৰভ কৰিবৰ মনেৰে মেঘবাহনৰ আৰু এগৰাকী কুৱঁৰী য়ুকদেৱীয়ে 'নড়বন' নামে বিহাৰ নিৰ্মাণ কৰে , আৰু এগৰাকী সতিনীয়েক ইন্দ্ৰদেৱীয়ে 'ইন্দ্ৰদেৱী ভৱন'নামে বিহাৰ নিৰ্মাণ কৰে। মেঘবাহনৰ আন আন কুৱঁৰীয়েও তেওঁলোকৰ নিজ নিজ নামেৰে বিহাৰ নিৰ্মাণ কৰে ।

তাৰ পাছত মেঘবাহন ৰজাই অহিংস ধৰ্মৰ বিস্তাৰৰ বাবে কামৰূপৰ পৰা অনা বৰুণ ছত্ৰ লগত লৈ দিগ্বিজয় যাত্ৰা কৰিলে, যাতে আন আন ৰজায়ো জীৱ হত্যা নিষেধ আজ্ঞা মানি চলে । সৈন্য সামন্ত সহিতে যাত্ৰা কৰি মেঘবাহনে লঙ্কাদ্বীপ অধিকাৰ কৰিলেগৈ । লঙ্কাপুৰীত অহিংস ধৰ্ম প্ৰৱৰ্ত্তন কৰি মেঘবাহন ৰজা কাশ্মীৰলৈ উভতি আহিল ।

একুৰি চৈধ্য বছৰ ৰাজত্ব কৰাৰ পাছত মেঘবাহন ৰজাৰ মৃত্যু হয় । অমৃতপ্ৰভাৰ পাছৰছোৱা কাহিনীৰ বিষয়ে একো জনা নাযায় । মেঘবাহনৰ পাছত শ্ৰেষ্ঠসেন ৰজা হয় । এওঁৰ আন নাম প্ৰবৰসেন । এওঁ অমৃতপ্ৰভাৰ পুত্ৰ নে আন মহিষীৰ পুত্ৰ সেই বিষয়ে 'ৰাজতৰঙ্গিনী' নিমাত । কিন্তু বহুদিনলৈকে অমৃতপ্ৰভা নামটো কাশ্মীৰৰ ৰাজমহিষীসকলৰ আখ্যাস্বৰূপে পোৱা যায় । মেঘবাহনৰ ১৭৭ বছৰ পাছত ৰণাদিত্য ৰজা হয় । এওঁৰ এগৰাকী মহিষীৰ নাম অমৃতপ্ৰভা । ৰণাদিত্যৰ ৫২৮ বছৰ পাছত জয়পীড় বিনয়াদিত্য ৰজা হয়, এওঁৰ মাকৰ নাম অমৃতপ্ৰভা । পুতেক জয়পীড়ৰ টান নৰিয়া হোৱাত এইগৰাকী অমৃতপ্ৰভাই 'অভ্ৰটকেশ্বৰ' নামে মন্দিৰ নিৰ্মাণ কৰে । এই অমৃতপ্ৰভা নামৰ প্ৰচলনৰ পৰা প্ৰথম গৰাকী অমৃতপ্ৰভা অসম জীয়ৰীৰ প্ৰসিদ্ধিৰ কথা অনুমান কৰিব পাৰি ।

অসম জীয়ৰী অমৃতপ্ৰভাৰ পাছত কামৰূপৰ সৈতে কাশ্মীৰৰ আৰু এবাৰ সম্পৰ্ক হয় । খৃষ্টীয় অষ্টম শতিকাত মুক্তাপীড় ললিতাদিত্য নামে এজন দিগ্বিজয়ী ৰজা কাশ্মীৰৰ সিংহাসনত বহে । তেওঁ কনৌজৰ ৰজা যশোবৰ্ম্মন আৰু তুৰস্ক-বোৰক পৰাজয় কৰি উত্তৰ ভাৰতৰ মাজেদি চোঁচা মাৰি ভুটান আৰু তিব্বত অধিকাৰ কৰে । তাৰ পাছত প্ৰাগজ্যোতিষ অধিকাৰ কৰি স্ত্ৰীৰাজ্য আক্ৰমণ কৰে । ৰাজতৰঙ্গিনীৰ মতে ললিতাদিত্য লোকশূন্য প্ৰাগজ্যোতিষপুৰলৈ গৈ তেওঁৰ সৈন্যসকলে দগ্ধ কৰা কৃষ্ণ অগৰু বনৰ পৰা ওলোৱা ধোঁৱা দেখিবলৈ পাইছিল । সমুদ্ৰৰ সদৃশ মৰুভূমিত জলপ্ৰৱাহৰ দৰে মৰীচিকা দেখা গৈছিল আৰু তেওঁৰ হাতীবোৰক ঘঁৰিয়াল বুলি ভ্ৰম হৈছিল । স্ত্ৰীৰাজ্যৰ তিৰোতাসকলে মুখ নেদেখুৱাইছিল সচাঁ, কিন্তু তেওঁলোকৰ যৌৱনৰ পয়োভৰে কাশ্মীৰ সৈন্যৰ চিত্ত চঞ্চল কৰিছিল । স্ত্ৰীৰাজ্যৰ অধিশ্বৰীয়ে ললিতাদিত্যৰ ওচৰলৈ যাওঁতে তেওঁৰ অঙ্গৰ কম্পন আদি বিকাৰ দেখি কোনেও স্থিৰ কৰিব নোৱাৰিছিল যে এইবিলাক অনুৰাগ নে ভয়ৰ পৰা প্ৰসূত । কিছুমান বুৰঞ্জী লিখকে স্ত্ৰী-প্ৰাধান্য বা মেট্ৰীয়াৰ্কি প্ৰথা প্ৰচলিত জয়ন্তীয়া আৰু খাচিয়া ৰাজ্যকে এই স্ত্ৰীৰাজ্য বুলি ঠাৱৰ কৰিছে । খেনোৰ মতে এই ৰাজ্যক প্ৰমীলাৰ দেশো বোলা হয় ।

ৰাজতৰঙ্গিনীৰ মতে মেঘবাহনে কামৰূপৰ বৰুণ ছত্ৰ কাশ্মীৰলৈ লৈ যায়, আৰু তেওঁ দিগ্বিজয় যাত্ৰাত এই ছত্ৰ ব্যৱহাৰ কৰা কথাও উল্লেখ আছে । কিন্তু বাণ বিৰচিত 'হৰ্ষ চৰিতৰ মতে খৃষ্টীয় সপ্তম শতিকাত এই ছত্ৰ কুমাৰ ভাস্কৰ বৰ্ম্মাৰ সম্পত্তি হৈ আছিল । সম্ৰাট হৰ্ষবৰ্দ্ধনৰ মিত্ৰতাপ্ৰাৰ্থী ভাস্কৰ বৰ্মাৰ দূত হংসবেগে দিয়া উপহাৰৰ ভিতৰত 'আভোগ' নামে এই ছত্ৰ সৰ্ব্বপ্ৰধান সামগ্ৰী আছিল আৰু হংসবেগে এই ছত্ৰৰ অলৌকিক মহিমা বিশেষ উৎসাহেৰে বৰ্ণনা কৰিছিল । এই ছত্ৰৰ মহিমাৰ কথা শুনি হৰ্ষবৰ্দ্ধনে কৈছিল, - 'এনে এটা অমূল্য উপহাৰৰ প্ৰতিদান আমৰণ মিত্ৰতাৰ বাহিৰে আন কি হব পাৰে ।'

শব্দ-অৰ্থ

খিলঞ্জীয়া	-	থলুৱা
বৰকুঁৱৰী	-	প্ৰধানমহিষী
সতিনীয়েক	-	গিৰিয়েকৰ অন্য পত্নী
নৰিয়া	-	অসুখ

অনুশীলনী

১। অমৃতপ্ৰভাৰ পৰিচয় দি তেওঁৰ কাৰ্য্যাৱলীৰ আলোচনা কৰক ।

২। মেঘবাহন কোন ? ৰজা হিচাপে তেওঁৰ কাৰ্য্যাৱলীৰ আভাস দিয়ক ।

৩। বৌদ্ধ ধৰ্ম্ম প্ৰচাৰৰ ক্ষেত্ৰত মেঘবাহন আৰু তেওঁৰ মহিষীসকলৰ অৱদান সম্বন্ধে আলোচনা কৰক।

৪। 'কামৰূপ আৰু কাশ্মীৰৰ মাজৰ সম্পৰ্ক' - এই বিষয়ে এটি টোকা লিখক ।

৫। চমুটোকা লিখক :

বৰুণ ছত্ৰ, সন্ধিসৎ বা আৰ্য্যৰাজ আৰু গোপাদিত্য

৬। এটা বা দুটা বাক্যত উত্তৰ দিয়ক :

ক) অমৃত প্ৰভা কোন বংশীয় জীয়ৰী ?

খ) মেঘবাহন কোন বংশীয় কোঁৱৰ ?

গ) কাশ্মীৰৰ বুৰঞ্জীখনৰ নাম কি ? সেইখন কোনে ৰচনা কৰা ?

ঘ) ঔকং কোন ?

ঙ) মেঘবন আৰু মেঘমঠ কি ? এইবোৰ কোনে সজাইছিল ?

চ) স্তৌন্‌পা কোন ?

ছ) নড়বন আৰু ইন্দ্ৰদেৱী ভৱন কোনে নিৰ্ম্মাণ কৰাইছিল ?

জ) অম্ৰটকেশ্বৰ কি ?

ঝ) হৰ্ষবৰ্দ্ধনৰ মিত্ৰতা-প্ৰাৰ্থী ভাস্কৰবৰ্মাৰ দূত কোন আছিল ?

ঞ) বৰুণৰ ছত্ৰখনিৰ বৈশিষ্ট্য কি ?

৭। তলৰ বাক্যকেইটা দুটা বা তিনিটা বাক্যত ভাঙি উলিয়াওক :

ক) কাশ্মীৰ ৰজাৰ বৰকুঁৱৰী হৈ অমৃতপ্ৰভাই বৌদ্ধ ভিক্ষুসকল থাকিবৰ কাৰণে এটি বিহাৰ স্থাপন কৰে ।

খ) প্ৰজাসকল অসন্তুষ্ট হৈ সমৰ্থবান ৰজাক কাশ্মীৰৰ ৰাজপাটত অধিষ্ঠিত কৰিবলৈ উপযুক্ত ৰাজকোঁৱৰ বিচাৰিব ধৰিলে ।

গ) কাশ্মীৰৰ প্ৰজাবৃন্দই পাত্ৰ মন্ত্ৰীসহিতে গান্ধাৰলৈ গৈ মেঘবাহনক কাশ্মীৰৰ ৰাজসিংহাসন যাচিলে ।

৮। জটিল বাক্যলৈ ৰূপান্তৰ কৰক -

ক) গান্ধাৰত থাকোঁতে গোপাদিত্যৰ এটি কোৱঁৰ জন্ম হ'ল । তেওঁৰ নাম থলে মেঘবাহন ।

খ) অমৃতপ্ৰভাই সয়ম্বৰত ব্যৱহাৰ কৰা ছত্ৰটো নৰকাসুৰে বৰুণ দেৱতাৰ পৰা কাঢ়ি অনা ।

গ) জয়পীড়ৰ টান নৰিয়া হোৱাত মাকে অভ্ৰটকেশ্বৰ মন্দিৰ নিৰ্ম্মাণ কৰালে ।

৯। 'তিৰোতা' অৰ্থবাচক যি কোনো শব্দ থকা পাঁচটা প্ৰবাদ বাক্য লিখক ।

১০। বাক্যৰচনা কৰক ঃ

ক) খিলঞ্জীয়া

খ) পৰিব্ৰাজক

গ) পোহপাল দি

ঘ) চেৰ পেলা

ঙ) নৰিয়া

চ) ঠাৱৰ কৰ

ছ) নাম কৰা

কাৰেঙৰ লিগিৰী

[এই নাট্যাংশৰ নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালা ১৯০৩ চনত তেজপুৰৰ বিখ্যাত আগৰৱালা পৰিয়ালত জন্মে । তেওঁৰ পিতৃ পৰমানন্দ আগৰৱালা । কেইবাখনো নাটক ৰচনা কৰি তেওঁ অসমীয়া নাট্য সাহিত্যলৈ যুগান্তৰ আনে । *শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, লভিতা* আৰু *ৰূপালীম* তেওঁৰ বিখ্যাত নাটক । তেওঁ একেধাৰে গীতিকাৰ, কবি, সু-গায়ক আৰু অভিনেতাও । তেওঁৰ গীতৰ এটা নিজস্ব ধাৰা আছে। সেয়ে এইবোৰক জ্যোতিসঙ্গীত বুলিহে উল্লেখ কৰা হয় । শিশু সাহিত্যতো তেওঁৰ উল্লেখযোগ্য অৱদান আছে । তেওঁ বহুতো মূল্যবান প্ৰবন্ধও ৰচনা কৰিছে । বিভিন্ন ঠাইত বিভিন্ন সময়ত দিয়া ভাষণবোৰ কলা-সংস্কৃতিৰ মূল্যবান দলিল । তেওঁ আছিল আজীৱন বিপ্লৱী । তেওঁৰ সৰহ ভাগ ৰচনাতে গভীৰ স্বদেশপ্ৰীতি আৰু বিপ্লৱী ভাৱধাৰাৰ পৰিচয় আছে । অসমীয়া কথাছবিও জ্যোতিপ্ৰসাদেই পোনতে নিৰ্মাণ কৰে ।

'কাৰেঙৰ লিগিৰী' জ্যোতিপ্ৰসাদৰ শ্ৰেষ্ঠ কলাকৃতি । এই নাটকখনৰ পটভুমি মধ্যযুগীয় , পৰিবেশ ৰাজকীয় । কিন্তু ইয়াৰ মূল বস্তু প্ৰগতিবাদ । নায়ক সুন্দৰ কোঁৱৰ প্ৰগতিবাদৰ প্ৰতীক । 'আভিজাত্যৰ মিছাভেম, যুগযুগান্তৰ সঞ্চিত সংস্কাৰ আৰু সামাজিক বাধা নিষেধৰ বিৰুদ্ধে ব্যক্তিৰ সংঘৰ্ষ ইয়াত ঘোষণা কৰিছে ।' চৰিত্ৰসমূহ স্বয়ং সম্পূৰ্ণ । সংলাপ বুদ্ধিদীপ্ত আৰু বলিষ্ঠ ।

এই নাটকৰ দ্বিতীয় অংকৰ প্ৰথম দৰ্শনৰ মাজৰ পৰা শেষলৈকে - এই অংশটো ইয়াত দিয়া হৈছে । নায়ক সুন্দৰে মাতৃৰ ইচ্ছা অনুসৰি বুঢ়াগোহাঁইৰ জীয়ৰী কাঞ্চনমতীক বিয়া কৰাইছে । কিন্তু কাঞ্চনে আগতে সুন্দৰৰে বন্ধু অনঙ্গৰ সৈতে থকা এওঁৰ ভাল পোৱাৰ কথা কৈ দিছে । এই কথা জনাৰ পাছত সুন্দৰৰ মানসিক প্ৰতিক্ৰিয়া কি ধৰণৰ হৈছে, তেওঁ কি কৰিবলৈ বিচাৰিছে, কাঞ্চনে এই বিবাহ কি ধৰণে গ্ৰহণ কৰিছে - এই সকলো কথা ইয়াত আছে ।]

২য় 'অংক' : '১ম' দৰ্শন

(সোঁ ফালে বেৰৰ দাঁতিত কাঞ্চন কুঁৱৰীয়ে এখন দলিচাত বহি টাকুৰী এটাত এৰী কাটিবলৈ ধৰে আৰু ৰিহাৰ আঁচলেৰে চকুপানী মচিবলৈ ধৰে । সুন্দৰ সোমাই আহি কোঁঠালিটোত এপাক

মাৰি চালপীৰাত বহি একান্তমনে কাঞ্চনৰ ফালে চাই থাকে । কাঞ্চনে কিন্তু তলমূৰকৈ সূতা কাটি গৈ থাকে আৰু তলমূৰকৈয়ে সুন্দৰৰ সকলো কথাৰ উত্তৰ দি যায় আৰু প্ৰশ্ন কৰে ।)

সুন্দৰ : কুবঁৰী, মোৰ এয়েই প্ৰথম আৰু শেষ কথা । তুমি মোৰ জীৱনৰ পৰা আঁতৰি যাব লাগিব ।

কাঞ্চনমতী : *(বৰ তীব্ৰভাবে)* মোৰ এইদৰে জীৱন মৰণ লৈ ল'ৰা-ধেমালি কৰা আপোনাৰ উচিত হোৱা নাই । এটা ভুল কৰিলে, কিন্তু তাতোকৈ এটা ডাঙৰ ভুলেৰে আপুনি সেই ভুল শুধৰাবলৈ গৈছে । আপুনি ইমান দুৰ্ব্বল বুলি মই ভাবিব নোৱাৰোঁ ।

সুন্দৰ : *(ডাঙৰকৈ হাঁহি)* মোৰ ই দুৰ্বলতা নে সবলতা সি এটা মীমাংসা কৰিবলগীয়া প্ৰশ্ন । মোৰ প্ৰশ্নৰ উত্তৰ দিয়া ।

কাঞ্চনমতী : কি ?

সুন্দৰ : সত্যক আকোৱালি ধৰা দুৰ্বলতা নে ?

কাঞ্চনমতী : কেতিয়াও নহয় ।

সুন্দৰ : বিবাহ আৰু ভালপোৱাৰ পাৰ্থক্য কি ?

কাঞ্চনমতী : বিবাহৰ দ্বাৰাই শাৰীৰিক সম্বন্ধ ঘটে আৰু মানসিক সমন্ধ হবই লাগিব বুলি সমাজে ধৰি লয়, নিৰ্দ্দেশ কৰে । ভালপোৱা মানসিক সম্বন্ধ, শাৰীৰিক সম্বন্ধ তাৰ উদ্দেশ্য নহ'বও পাৰে ।

সুন্দৰ : বঢ়িয়া কথা । তেন্তে তুমি মন এঠাইত থৈ আৰু শৰীৰক এঠাইত ৰাখিবলৈ একো আপত্তি নকৰা ।

কাঞ্চনমতী : তাত বিচিত্ৰতা কি ? আপুনি শাৰীৰিকে এই কোঠাটোত সোমাই থাকি মনটোৰে হিমালয়ত থাকিবও পাৰে ।

সুন্দৰ : সমাজৰ কথা তুমি নিশ্চয় মানি চলিব খোজা ?

কাঞ্চনমতী : ওঁ ।

সুন্দৰ : তেন্তে সমাজে যালৈ তোমাক বিয়া দিছে - তাকে ভালপোৱা সমাজৰ নিৰ্দ্দেশ । তাক তুমি কেনেকৈ পালন কৰিবা ?

কাঞ্চনমতী : অন্তৰতম প্ৰদেশৰ বিষয়ে সমাজে যদিও নিৰ্দ্দেশ দি থৈছে সি সচাঁকৈয়ে পালিত হৈছে নে নাই সমাজে তাক চাবলৈ চন্তৰী নপঠায়, কিন্তু বিবাহিতা তিৰোতাই বাহিৰা

নিয়মবোৰ ৰীতিমতে পালন কৰে নে নকৰে তাৰ কাৰণে সমাজে যথেষ্ট চোৰাংচোৱা থৈছে । আৰু, সমাজ তাতেই সন্তুষ্ট ; কাৰণ, এই খিনি পালন হলেই সমাজৰ অনিষ্ট নহয় - অৱশ্যে শাৰীৰিকে ।

সুন্দৰ : শুনিবলগীয়া ! তেন্তে সতীত্ব মানে শাৰীৰিক সতীত্ব ।

কাঞ্চনমতী : সেয়ে হ'লে সমাজ সন্তুষ্ট হয় ।

সুন্দৰ : কিন্তু সুন্দৰতো নহয় । সমাজে বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰিব পাৰে, কিন্তু সুন্দৰে নোৱাৰে । কৃত কৰ্ম্মৰ সৈতে সমাজৰ সম্বন্ধ, কিন্তু ব্যক্তিৰ ভাবৰ সৈতে । ভাবেই কৰ্ম গছৰ গুটি যেতিয়া সেই গুটিৰ বিষয়ে মই শঙ্কিত নহম কিয় ? আমৰণ গুটিৰ পৰা কোনদিনা অঙ্কুৰ ফুটি গছ গজে তাক কোনে কব পাৰিব ? সমাজক সন্তুষ্ট কৰিবলৈ তুমি মোক বিয়া কৰাইছিলা । শাৰীৰিক সতীত্বতেই সমাজ সন্তুষ্ট ।

কাঞ্চনমতী : অৱশ্যে, কাৰণ আপুনিও মোক মাত্ৰ সমাজৰ সন্তুষ্টিৰ কাৰণেহে বিবাহ কৰাইছিল আৰু ভালকৈ জানিছিল - আপোনাৰ মাতৃ আৰু সমাজে আমাৰ শাৰীৰিক মিলন বিচাৰিছিল। আপুনি তাত মত দিয়া নাছিল নে ?

সুন্দৰ : কিন্তু তোমাৰ মন যে আনক

কাঞ্চনমতী : তাৰ সৈতে আপোনাৰ সম্বন্ধ কি ? মাতৃৰ অনুৰোধত আপুনি মাত্ৰ শৰীৰটো বিবাহকোঠালৈ পঠাই আন পক্ষৰ মনকো তাত বিচৰাটো যুক্তিযুক্ত কথা হৈছেনে ?

(সুন্দৰ হতভম্ব হৈ বহুপৰ টলকা মাৰি থাকে ।)

সুন্দৰ : (একে উশাহতে) সি মোৰ ভুল । শুধৰাব -

কাঞ্চনমতী : সকলো ভুল শুধৰাব নোৱাৰি ।

সুন্দৰ : কিয় ?

কাঞ্চনমতী : কিছুমান ভুল নুশুধৰালে অপকাৰ হয় । কিন্তু কিছুমান ভুল শুধৰাবলৈ গ'লে ধ্বংস হয় । বৰঘৰৰ খুটাবোৰ ভুলকৈ পুতি, ঘৰটো সজাৰ পাছত খুটাবোৰ শুদ্ধকৈ খুৱাবলৈ গ'লে গোটেই ঘৰটোকেই ভাঙিব লাগিব ।

সুন্দৰ : ভুল যি সি ভুলেই । ঘৰ ভাগক বা সংসাৰ ভাগক তাক শুধৰাবই লাগিব ।

কাঞ্চনমতী : সেইবুলি আপোনাৰ ঘৰৰ ভিতৰত শিকলিৰে মানুহ বান্ধি থৈ ঘৰৰ খুটা শুধৰাবলৈ গৈ ঘৰ ভাঙি মানুহ মাৰিবৰ আপোনাৰ কিবা অধিকাৰ আছে জানো ?

সুন্দৰ : ওলাই গ'লেই হ'ল ।

কাঞ্চনমতী : শিকলিৰে বন্ধা সেই শিকলি চিৰকাললৈ খুলিবৰ শক্তি নাই । সেই অশৰীৰী শিকলিৰ বান্ধ খোৱা মানুহে নমৰালৈকে এৰাই যাব নোৱাৰে ।

সুন্দৰ : মৰিলে তেন্তে ?

কাঞ্চনমতী : *(কিবা ভাবত হাঁহি - সুন্দৰলৈ বাৎসল্য ভাব দেখুৱাই)* আপোনাৰ ভুল শুদ্ধ হব আৰু! *(সুন্দৰে লাজ পোৱাদি পায়, কিন্তু একো নামাতে, তাৰ পাছত নুবুজা কিবা আঁকিবাৰ দৰে)*

সুন্দৰ : নহয়, নহয় । ভুল-ভুল শুধৰাবই লাগিব । মোৰ নিজৰ ৰাজ্যৰ এমূৰৰ পৰা আনমূৰ লৈকে যদি জুই লাগে, তথাপিও ভুল শুদ্ধ কৰিব লাগিব । তুমি মোক আচৰিত কৰিছা। অনঙ্গৰ সৈতে তোমাৰ আন্তৰিক ভাল পোৱাৰ কথা মোক নিঃসঙ্কোচে আৰু তেজস্বীতাৰে, নিজৰ স্বামীৰ আগত কোনো কথা গুপুত নাৰাখোঁ বুলি প্ৰকাশ কৰি, সাহ দেখুৱাই , এহাতে তোমাৰ মানসিক নিৰ্ভীকতা দেখুৱাইছা । কিন্তু আকৌ আনফালে সেই বাস্তৱ আৰু জীৱন্ত সত্যক উপেক্ষা কৰি, নিৰ্ম্মম কঠোৰতাৰে ভৰিৰে মোহাৰি, সমাজৰ প্ৰাণহীন নিয়মৰ প্ৰতিটিকে মানি মোৰ সৈতে সংসাৰ কৰিবলৈকো আগবাঢ়িছা। এই পৰস্পৰ ঘোৰ বিৰোধী কথা দুটাৰ তুমি মিলন বিচাৰিছা - বিশেষকৈ - মই যেতিয়া সকলো কথা বুজি তোমাৰ আন্তৰিক পৱিত্ৰতা ৰক্ষা কৰিবলৈ সহায় কৰিবলৈকো সাহকৈ আগবাঢ়িছোঁ ।

কাঞ্চনমতী : হ'ব পাৰে সেইটো । কিন্তু আপোনাৰ মতে কাম হবলৈ হ'লে এতিয়া সমাজত এটা প্ৰলয় উপস্থিত হব ।

সুন্দৰ : প্ৰলয় হব ! হওক । প্ৰলয়ৰ আৱশ্যক হৈছে । শতাব্দী ধৰি গোট খাই থকা সমাজৰ আবৰ্জ্জনাবোৰ ধুই সমাজক নিৰ্ম্মল আৰু পৱিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ আৱশ্যক হৈছে। তেন্তে মই সেই প্ৰলয়ক আজি আহ্বান কৰিছোঁ । মোৰ জীৱনলৈ, সমাজৰ জীৱনলৈ মই প্ৰলয়ক আমন্ত্ৰণ কৰি আনিম । সুদৰ্শন - নহয় অনঙ্গৰ সৈতে - নহয় নহয়, অনঙ্গক মই দেখা পাব লাগিব । অনঙ্গ - ।

(এই বুলি উত্তেজিত হৈ তাৰ পৰা ছাৎ মাৰি ওলাই যায়গৈ । কাঞ্চন ধীৰ স্থিৰ হৈ থাকে - কিছুপৰ ওপৰলৈ চাই টলকা মাৰি আকৌ একান্তমনে টাকুৰী ঘুৰাবলৈ ধৰে)

শব্দ-অৰ্থ

দলিচা	-	কাৰ্পেট জাতীয় কাপোৰ
টাকুৰী	-	হাতেৰে সূতা কটা এবিধ যতন
লৰা-ধেমালি	-	সৰু ল'ৰা ছোৱালীয়ে কৰা ধেমালি
অকঁৰা	-	একো নুবুজা আৰু ফুটাই কথা কব নোৱাৰা পুৰুষ
টলকামাৰি থাকি	-	মনে মনে থাকি
লিগিৰী	-	ৰজা ৰাণীৰ পৰিচাৰিকা

অনুশীলনী

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) সুন্দৰে কাঞ্চনমতীক কিয় জীৱনৰ পৰা আঁতৰি যাবলৈ কৈছে ? তেওঁলোকৰ কথা বতৰাৰ চমু আভাস দিয়ক ।

খ) বিবাহ আৰু ভালপোৱা সম্বন্ধে কাঞ্চনমতীৰ মতামত কি ? আপুনি তেওঁৰ লগত একমত নে ? যুক্তি সহকাৰে আলোচনা কৰক ।

গ) 'ভুল শুধৰাবই লাগিব । মোৰ ৰাজ্যৰ এমূৰৰ পৰা আনমূৰলৈকে যদি জুই লাগে, তথাপিও ভুল শুদ্ধ কৰিব লাগিব । তুমি আচৰিত কৰিছা ।'-- উক্ত কথাষাৰ কোনে কাক কৈছে? তেওঁ কি ভুল শুদ্ধ কৰিবলৈ বিচাৰিছে ? তেওঁ আচৰিত হোৱাৰ কাৰণ কি?

২। প্ৰসঙ্গ সঙ্গতি দেখুৱাই ব্যাখ্যা কৰক :

ক) বৰ ঘৰৰ খুটাবোৰ ভুলকৈ পুতি ঘৰটো সজাৰ পাছত খুটাবোৰ শুদ্ধকৈ খুৱাবলৈ গ'লে গোটেই ঘৰটোকেই ভাঙিব লাগিব ।

খ) ভাবেই কৰ্ম গছৰ গুটি যেতিয়া, সেই গুটিৰ বিষয়ে মই সশঙ্কিত নহম কিয় ? আমৰণ গুটিৰ পৰা কোন দিনা অঙ্কুৰ ফুটি গছ গজে তাক কোনে ক'ব পাৰিব ?

৩। খালি ঠাই পূৰণ কৰক :

ক) মোৰ জীৱন মৰণ লৈ ______ কৰা আপোনাৰ উচিত হোৱা নাই ।

খ) সত্যক ______ ধৰা দুৰ্ব্বলতা নে ?

শব্দ-অৰ্থ

দলিচা	-	কাৰ্পেট জাতীয় কাপোৰ
টাকুৰী	-	হাতেৰে সূতা কটা এবিধ যতন
লৰা-ধেমালি	-	সৰু ল'ৰা ছোৱালীয়ে কৰা ধেমালি
অকঁৰা	-	একো নুবুজা আৰু ফুটাই কথা কব নোৱাৰা পুৰুষ
টলকামাৰি থাকি	-	মনে মনে থাকি
লিগিৰী	-	ৰজা ৰাণীৰ পৰিচাৰিকা

অনুশীলনী

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) সুন্দৰে কাঞ্চনমতীক কিয় জীৱনৰ পৰা আঁতৰি যাবলৈ কৈছে ? তেওঁলোকৰ কথা বতৰাৰ চমু আভাস দিয়ক ।

খ) বিবাহ আৰু ভালপোৱা সম্বন্ধে কাঞ্চনমতীৰ মতামত কি ? আপুনি তেওঁৰ লগত একমত নে ? যুক্তি সহকাৰে আলোচনা কৰক ।

গ) 'ভুল শুধৰাবই লাগিব । মোৰ ৰাজ্যৰ এমূৰৰ পৰা আনমূৰলৈকে যদি জুই লাগে, তথাপিও ভুল শুদ্ধ কৰিব লাগিব । তুমি আচৰিত কৰিছা ।'-- উক্ত কথাষাৰ কোনে কাক কৈছে? তেওঁ কি ভুল শুদ্ধ কৰিবলৈ বিচাৰিছে ? তেওঁ আচৰিত হোৱাৰ কাৰণ কি?

২। প্ৰসঙ্গ সঙ্গতি দেখুৱাই ব্যাখ্যা কৰক :

ক) বৰ ঘৰৰ খুঁটাবোৰ ভুলকৈ পুতি ঘৰটো সজাৰ পাছত খুটাবোৰ শুদ্ধকৈ খুৱাবলৈ গ'লে গোটেই ঘৰটোকেই ভাঙিব লাগিব ।

খ) ভাবেই কৰ্ম গছৰ গুটি যেতিয়া, সেই গুটিৰ বিষয়ে মই সশঙ্কিত নহম কিয় ? আমৰণ গুটিৰ পৰা কোন দিনা অঙ্কুৰ ফুটি গছ গজে তাক কোনে ক'ব পাৰিব ?

৩। খালি ঠাই পূৰণ কৰক :

ক) মোৰ জীৱন মৰণ লৈ ______ কৰা আপোনাৰ উচিত হোৱা নাই ।

খ) সত্যক ______ ধৰা দুৰ্ব্বলতা নে ?

গ) সমাজ তাতেই ______ ।

ঘ) আপুনি মোক মানৱ সমাজৰ ______ কাৰণেহে বিয়া কৰাইছিল ।

ঙ) মই সেই প্ৰলয়ক আজি ______ কৰিছোঁ ।

৪। 'ঘৰ ভাগক বা সংসাৰ ভাগক ভুল শুধৰাবই লাগিব ।' - এই বাক্যৰ আৰ্হিত পাঁচটা বাক্য লিখক

৫। বাক্য ৰচনা কৰক :
ছাৎ মাৰি, টলকা মাৰি, মোহাৰি, তলমূৰকৈ, বৰঘৰৰ খুঁটা

৬। কাঞ্চনমতী আৰু সুন্দৰৰ কাহিনীটো গল্পৰ আকাৰত লিখক ।

৭। নাট্যাংশটিত থকা যৌগিক ক্ৰিয়াসমূহ বাচি উলিয়াওক ।

ফুলশয্যা

[এই কবিতাৰ কবি শ্ৰী ৰঘুনাথ চৌধাৰীয়ে ১৮৭৮ চনত কামৰূপ (বৰ্ত্তমান নলবাৰী) জিলাৰ লাউপাৰা গাওঁত জন্মগ্ৰহণ কৰিছিল । পৰিয়ালৰ নানা বিপৰ্য্যয়ৰ কাৰণে তেওঁ গুৱাহাটীত শিক্ষা লাভ কৰিবলগীয়া হৈছিল । কিন্তু স্কুল তেওঁৰ ভাল নলগাত ঘৰতে সংস্কৃত পঢ়িবলৈ ধৰে । তেওঁ কেইবছৰমান শিক্ষকতাও কৰিছিল । স্বাধীনতা আন্দোলনত ভাগ লোৱাৰ উপৰিও বিশ্বশান্তিৰ ক্ষেত্ৰতো তেওঁ উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল । অসম সাহিত্য সভাৰ অষ্টাদশ সন্মিলনত তেওঁ সভাপতি আছিল। এইবোৰৰ উপৰিও আজীৱন কাব্য চৰ্চাত ৰত আছিল । ১৯৬৭ চনৰ নবেম্বৰ মাহৰ ১৮ তাৰিখে গুৱাহাটীত তেওঁ স্বৰ্গী হয় ।

ৰঘুনাথ চৌধাৰীৰ প্ৰথম কবিতা পুথি 'সাদৰি'। তাৰ পাছত 'কেতেকী', 'দহিকতৰা', আৰু 'নৱমল্লিকা' ওলায় । 'নৱমল্লিকা' কথা-কবিতাৰ পুথি । চৌধাৰী প্ৰকৃততে ৰোমাণ্টিক কবি । তেওঁৰ প্ৰকৃতি-বিষয়ক কবিতাসমূহতো এই ভাবৰ পৰশ আছে । তেওঁৰ কেইবাটাও সুন্দৰ সুন্দৰ 'চৰাইৰ কবিতা' আছে । সেয়ে কবি চৌধাৰী বিহগী কবি বুলি জনাজাত ।

'ফুলশয্যা' কবিতাটি কবিৰ 'পুঞ্জীভূত বেদনাৰ ছন্দময় প্ৰকাশ ।' পৰম পুৰুষে দিয়া সকলো দুখ যাতনা তেওঁ গ্ৰহণ কৰিছে । সেই যাতনাৰ নিবৃত্তি হব মৃত্যুত । কবিতাটিৰ শেষৰ ফালে পৰমাত্মাৰ লগত মিলনৰ আভাস দাঙি ধৰি কবি ৰহস্যবাদী কবিসকলৰ ওচৰ চাপিছে । অন্যান্য ৰহস্যবাদী কবিসকলৰ দৰে তেওঁ ভাবিছে মৃত্যুৰ যোগেদিয়ে সেই মহামিলন সম্ভৱ । সেয়ে মৃত্যুক তেওঁ অকণোকে ভয় কৰা নাই । 'প্ৰলয়ৰ অগ্নিশিখা ভয়ঙ্কৰ হলেও বিতোপন । কাৰণ এয়ে কবিৰ চিৰবাঞ্ছিত প্ৰিয়া-মিলনৰ বাবে ৰচনা কৰা ফুলশয্যা ।]

আৰু নো কিমান দিয়া বেদনাৰ বোজা,
হে মোৰ হৃদয় দেৱতা ?
করুণ ৰোদন তুলি ভাঙি দিলা কিয়
প্ৰাণৰ নিবিড় নীৰৱতা ?

জীৱনৰ সন্ধিক্ষণ বিয়লি বেলাত
হিয়াধুনি উঠে কোলাহল,
আৰু কিয় তিক্ত ব্যথা ৰিক্ত হৃদয়ত
ঢালি দিলা তীব্ৰ হলাহল ?

কোন কাহানিয়ে তুমি হৰি নিছা মোৰ
প্ৰীতি ভৰা প্ৰণয়ৰ লাৰু,
অন্তৰ্দাহী-ৰাৱণৰ চিতাজুইকুৰা
কোন দিনা নুমাবনো আৰু ?

আনন্দৰ পূৰ্ণপাত্ৰ শূন্য আজি মোৰ
কেউপিলে দেখোঁ হাঁহাকাৰ,
দাৱাগ্নিৰ দহনত দেৱদাৰু তৰু
পুৰি দেই হ'ল ছাৰখাৰ ।

মাৰিছিলা শক্তিশেল তাহানি যিপাত
যোৱা নাই সি বিষ জামৰি ,
বেদনাৰ যত অস্ত্ৰ কৰিছা প্ৰয়োগ
বুকু পাতি লৈছোঁ সামৰি ।

হিয়া ভগা বিষাদৰ তিতি অশ্ৰু জলে
পাহৰিছোঁ সংসাৰ-মৰম ,
ভাৰাক্ৰান্ত চিত্ত আজি উদ্বেলিত কৰি
কিবা সুখ পালা প্ৰিয়তম ?

মৰহিছে জীৱনৰ দুৰ্লভ মাধুৰী
নোৱাৰিলোঁ আকাঙ্ক্ষা পূৰাব,
আহিছে প্ৰাণত আজি ক্লান্তি অৱসাদ
দিয়া মোক শান্তিৰে জুৰাব ।

যাতনাত নিপীড়িত ওৰে জীৱনত
কঢ়িয়ালো যত আৱৰ্জ্জনা,
তোমাৰেই অৱদান বুকুত সাবটি
অন্তিমত লভিম সান্ত্বনা ।

জ্বলিছে দূৰত সৌ প্ৰলয়ৰ শিখা,
ধৰিছে কি ৰূপ বিতোপন ,
সেয়ে মোৰ ফুলশয্যা ৰক্ত কমলৰ,
ল'ম তাতে অনন্ত শয়ন ।

শব্দ-অৰ্থ

বোজা	-	ভাৰ, কান্ধত জাপি দিয়া গধুৰ বস্তু
বিয়লি বেলা	-	আবেলি বেলা
হিয়াধুনি	-	হৃদয় বিদীৰ্ণ কৰি
জামৰি যোৱা	-	কমি যোৱা
সামৰি লোৱা	-	গোটাই লোৱা,সযত্নে তুলি লোৱা
মৰহিছে	-	লেৰেলিছে, শুকাইছে
জুৰাব	-	জিৰাব, শীতল হব ।

আনুশীলনী

১। ফুলশয্যা কবিতাটিৰ সাৰাংশ লিখক ।

২। কবিৰ হৃদয় দেৱতা কোন ? তেওঁ দিয়া বেদনাৰ বোজাই কবিক কিদৰে প্ৰভাবিত কৰিছে ?

৩। 'ফুলশয্যা কবিতাটি কবিৰ পুঞ্জীভূত বেদনাৰ প্ৰকাশ ।'- আলোচনা কৰক ।

৪। ৰঘুনাথ চৌধাৰী আশাবাদী কবি নে নিৰাশাবাদী কবি ? 'ফুলশয্যা' কবিতাটিৰ ওপৰত নিৰ্ভৰ কৰি যুক্তি সহকাৰে আলোচনা কৰক ।

৫। আপোনাৰ মাতৃভাষাৰ সাহিত্যৰ এজনা ৰোমান্টিক কবিৰ কবিতা সম্বন্ধে চমুকৈ আলোচনা কৰক।

৬। টোকা লিখক :

ৰাৱণৰ চিতা জুই, শক্তিশেল, দেৱদাৰু তৰু

৭। তলত দিয়া শব্দবোৰৰ একে অৰ্থ-বাচক সাধাৰণ গদ্যৰূপ লিখক :

ৰোদন, বিয়লি, কোলাহল, সামৰ, মাধুৰী, জুৰাব

৮। ব্যাখ্যা লিখক -

ক) মৰহিছে জীৱনৰ দুৰ্লভ মাধুৰী
নোৱাৰিলোঁ আকাঙ্ক্ষা পূৰাব,
আহিছে প্ৰাণত আজি ক্লান্তি অৱসাদ
দিয়া মোক শান্তিৰে জুৰাব ।

খ) জ্বলিছে দুৰত সৌ প্ৰলয়ৰ শিখা
ধৰিছে কি ৰূপ বিতোপন,
সেয়ে মোৰ ফুলশয্যা ৰক্ত কমলৰ
ল'ম তাতে অনন্ত শয়ন ।

আত্মজীৱনী

[এইটো এটা সম্পাদকীয় । ই অসমৰ এখন প্ৰধান সাহিত্য আলোচনী, প্ৰকাশন পৰিষদৰ মুখপত্ৰ 'প্ৰকাশ'ত ১৯৭৯ চনৰ আগষ্ট মাহত প্ৰকাশিত হয় । সেই সময়ত 'প্ৰকাশ'ৰ সম্পাদক আছিল শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া । সম্পাদকীয়টিৰ বিষয় 'আত্মজীৱনী' । সম্পাদকীয় প্ৰবন্ধৰ নমুনা হিচাপে এই প্ৰবন্ধটি দিয়া হৈছে ।

আমাৰ দেশত কেনেকৈ 'আত্মজীৱনী' লিখা হয় আৰু কেনেকৈ লিখা উচিত সেই বিষয়ে সম্পাদকীয়টোত খৰচিমাৰি লিখা হৈছে । সম্পাদকে ভাবে আত্মজীৱনী এনে হোৱা উচিত যে তাক পঢ়িলে পাঠকৰ মন প্ৰেৰণাত উদ্বুদ্ধ হয় ।]

এই কথা বিদিত আৰু ভাৰতৰ বাহিৰতো এই কথা বহু বাৰ আলোচিত হৈছে যে মহাত্মা গান্ধীৰ বাহিৰে আধুনিক ভাৰতবৰ্ষত কোনো প্ৰখ্যাত ব্যক্তিয়ে প্ৰকৃতাৰ্থত আত্মজীৱনী লিপিবদ্ধ কৰা নাই । তাৰ মূল কাৰণ হ'ল সত্যৰ সম্মুখীন হোৱাৰ ভীতি । শ্ৰেষ্ঠ সাহিত্যৰ মূল লক্ষ্য সত্যানুসন্ধান। আত্মজীৱনীৰ ক্ষেত্ৰতো সত্যাশ্ৰয়ৰ বিকল্প নাই । কিন্তু আমাৰ দেশৰ প্ৰখ্যাত ব্যক্তিসকলে নিজৰ জীৱন-বৃত্তান্ত লিপিবদ্ধ কৰোঁতে কেতিয়াবা কেতিয়াবা অসত্য আৰু প্ৰায়ে অৰ্দ্ধসত্যৰ আশ্ৰয় লয় । পৰিণামত তেনে আত্মজীৱনী আনৰ বাবে গ্ৰহণযোগ্য নহয় । তেওঁলোকে প্ৰবীণ বয়সৰ খ্যাতিৰ লগত সামঞ্জস্য ৰাখি নিজৰ বাল্যকাল, কৈশোৰ আৰু যৌৱনক সজাই উলিয়ায় ; মানে, তেওঁলোকে ব্যক্ত কৰিবলৈ কুণ্ঠাবোধ নকৰে যে মানুহ হিচাপে তেওঁলোক একেবাৰে শৈশৱৰে পৰা প্ৰখ্যাত, জীৱনত নিজক প্ৰখ্যাত কৰিবলৈ তেওঁলোকৰ কোনো সাধনা বা ব্ৰতৰ প্ৰয়োজন নহৈছিল । এনে উদাহৰণো বিৰল নহয় যেতিয়া এজনে ঘোষণা কৰিব যে মাত্ৰ আঠ বছৰ বয়সতে তেওঁ মূল সংস্কৃতৰ *গীতা* খনৰ অধ্যয়ন শেষ কৰি *ৰঘুবংশ* ৰ অধ্যয়নত ব্ৰতী হৈছিল ।

শৈশৱ, কৈশোৰ আৰু যৌৱনৰ অসম্পূৰ্ণতা, বিসংগতি অথবা অপৰাধ গোপন কৰাৰ কাৰণ হব পাৰে নগ্ন সমালোচনাৰ আতংক । আমাৰ খনেই সম্ভৱ পৃথিৱীত একমাত্ৰ দেশ য'ত এজন প্ৰখ্যাত লোকক জীৱনৰ প্ৰথম ভাগৰ কোনো অপৰাধ বা কুখ্যাতি লৈ ধৰাশায়ী কৰা হয় । এই ব্যৱস্থা অতি নিৰ্মম । ভাৰতীয় সংস্কৃতিৰ সৰ্ব্বশ্ৰেষ্ঠ বীৰ বুলি শ্ৰীকৃষ্ণক যি সকলে জ্ঞান কৰে তেওঁ লোকৰ বাবে এই প্ৰচেষ্টা অধিক নিৰ্মম । কাৰণ তেওঁৰ বাল্যকাল মুঠেই সুখৰ নাছিল । তেওঁৰ মাতৃ অসুৰৰ ঘৰৰ, বাল্যকাল যাৰ অতিবাহিত হৈছিল গোপালৰ লগত, (যীশু খৃষ্টৰ জন্ম কাহিনীও স্মৰণীয়), জন্ম মুহূৰ্ত্ততে তেওঁ বিসৰ্জন দিব লগা হৈছিল পিতৃ-মাতৃক, শৰীৰৰ বৰণ আছিল যাৰ ক'লা , ভাৰতৰ দৰে সমাজত যি আছিল অব্ৰাহ্মণ । কৃষ্ণৰ মৃত্যুও পশুৰ দৰে, কোনো এক অজ্ঞাত ব্যাধৰ শৰত ।

সাধাৰণভাৱেই জন্ম গ্ৰহণ কৰি, সাধাৰণ মানুহৰ মাজতে নিজকে গঢ়ি , নিজৰ আজীৱন সাধনাৰ বলত এজন লোকে মহামানৱৰ পৰ্য্যায়লৈ উঠিব পাৰে, কৃষ্ণৰ জীৱনৰ এইয়ে বাণী । যীশু খৃষ্টৰো । হজৰত মহম্মদৰো ।

তেনে কৃচ্ছ সাধনৰ উদাহৰণে আমাৰ যুগৰ মানুহক অনুপ্ৰাণিত কৰিব নোৱাৰাটো আশ্চৰ্য্যজনক। জীৱনত আনকি ভয়ংকৰ কষ্ট পাবৰ বাবেও ভয়ংকৰ ত্যাগ কৰিব লগা হয় । সমাজৰ সৰ্ব্বশ্ৰেষ্ঠ ব্যক্তিয়েও ভুল কৰে, কিন্তু তেওঁ সেই ভুল পুনৰ নকৰে । তেওঁৰ স্খলন ঘটে, কিন্তু পুনৰ উত্তৰণৰ পথত তেওঁ গতি কৰে । ব্যক্তি যিমানে উত্তৰণৰ পথত ধাবিত হয় সিমানে সমালোচনা, আঘাতৰ সন্মুখীন হয় । সমালোচকে নিশ্চয় অখ্যাত লোকক সমালোচনা কৰি নিজকে অখ্যাত নকৰে । স্বৰূপাৰ্থত পৃথিৱীৰ বহুত মহৎ ব্যক্তি সমাজৰ নিম্ন খাপৰ লোকৰ দ্বাৰা আক্ৰান্ত আৰু জৰ্জৰিত হৈ আহিছে । ৰামকৃষ্ণ পৰমহংসই সেইবোৰ মানুহক শগুণৰ লগত তুলনা কৰিছিল । শগুণেই আটাইতকৈ ওপৰলৈ উৰে , আকাশৰ ওচৰ পায়গৈ । কিন্তু তাৰ দৃষ্টি সদায় তলৰ মৰাশৰ প্ৰতি । কিন্তু দুটামান তীক্ষ্ণ সমালোচকৰ আঘাততে যদি পকা ফলৰ দৰে এজন ব্যক্তি তললৈ খহি পৰে তেন্তে বুজিব লাগিব তেওঁৰ দ্বাৰা সুদীৰ্ঘ দিনৰ প্ৰতিষ্ঠাপিত নিজস্ব ভিত্তি কংক্ৰীটৰ নহয়, বোকাৰ ; তেওঁক পতনৰ পৰা কোনেও ৰক্ষা কৰিব নোৱাৰে ।

আমাৰ দেশত ব্যক্তিৰ স্বীকাৰোক্তিৰ পৰম্পৰা নাই । পশ্চিমীয়া দেশত বিশেষঁকৈ বিপ্লৱৰ আগৰ ৰাছিয়াত, প্ৰখ্যাত ব্যক্তিৰ স্বীকাৰোক্তি বিশ্ব-সাহিত্যৰ এক পৰম সম্পদ । তেওঁলোকে যি অপৰাধ বা পাপ কৰে , যিমানেই নিৰ্ম্মম নহওক লাগিলে, তাৰ স্বীকাৰোক্তি কৰি নিজক অধিক মহৎ কাৰ্য্যৰ বাবে সাজু কৰে । কেতিয়াবা সেই স্বীকাৰোক্তি কৰা হয় পৰম শত্ৰুৰ আগত, মানে পৰম শত্ৰুৱে ক্ষমা কৰিলে তেওঁৰ মন শান্তিপূৰ্ণ হয়, তেতিয়াহে তেওঁ ঋষিৰ পৰ্য্যায়লৈ ধীৰে ধীৰে উত্তৰণ

কৰিব পাৰিব । কোনো কোনোৱে স্ব-ইচ্ছাৰে এক ক্ষমা-অযোগ্য অপৰাধ বা পাপত লিপ্ত হয় আৰু সেই অপৰাধ জ্ঞানৰ পৰা নিজক মুক্ত কৰিবৰ বাবে তেওঁৰ যি নিদাৰুণ কষ্ট স্বীকাৰ, কৃচ্ছসাধন, তাৰ দুৰ্লভ বৰ্ণনা অধ্যয়ন কৰি পাঠকে জন্মান্তৰ লাভ কৰে ।

অনুশীলনী

১। কি কি কথা প্ৰতিপাদন কৰিবলৈ সম্পাদকে শ্ৰীকৃষ্ণৰ দৃষ্টান্ত দাঙি ধৰিছে ?

২। সম্পাদকে কি কথাক লৈ খেদ কৰিছে ?

৩। মহৎ লোকৰ জীৱনত নিন্দা বা সমালোচনাই কেনে প্ৰভাৱ বিস্তাৰ কৰে ?

৪। স্বীকাৰোক্তিৰ পৰম্পৰা ক'ত আৰু কেনে ভাৱে পোৱা যায় ?

৫। কৃচ্ছসাধনৰ কি মানবীয় দৃষ্টান্ত সম্পাদকে দিছে ? ঐশ্বৰিক দৃষ্টান্তটো যথাৰ্থ হৈছে নে ?

৬। শুদ্ধ উত্তৰটো চিহ্নিত কৰক :

ক) ভাৰতত স্বৰূপাৰ্থত আত্মজীৱনী লিখা হৈছেনে ?
- হৈছে
- হোৱানাই
- কব নোৱাৰি

খ) আমাৰ দেশৰ প্ৰখ্যাত ব্যক্তিসকলে আত্মজীৱনী ৰচনা কৰোঁতে কিহৰ আশ্ৰয় লয় ?
- সত্যৰ
- অৰ্ধসত্যৰ
- কেতিয়াবা অসত্য আৰু প্ৰায়ে অৰ্ধসত্যৰ

গ) তেওঁলোকে আত্মজীৱনীত কি প্ৰতিপাদন কৰে ?
- প্ৰখ্যাত হবলৈ তেওঁলোকে সাধনা কৰিছিল
- প্ৰখ্যাত হবলৈ তেওঁলোকৰ সাধনা বা ব্ৰতৰ প্ৰয়োজন নহৈছিল
- জন্মৰ পৰাই তেওঁলোক মহাপুৰুষ আছিল

ঘ) অপৰাধ গোপন কৰাৰ অভিপ্ৰায় বা কাৰণ কি ?

- নগ্ন সমালোচনাৰ আতংক
- সত্যক স্বীকাৰ কৰাৰ সৎসাহসৰ অভাৱ
- বিসংগতি

ঙ) সাধাৰণভাৱে জন্মি, সাধাৰণ মানুহৰ মাজতে নিজকে গঢ়ি, আজীৱন সাধনাৰ বলত মহামানৱৰ পৰ্য্যায়লৈ উঠাৰ উদাহৰণ কোন ?

- মহাত্মা গান্ধী
- শ্ৰীকৃষ্ণ
- সমালোচকসকল

৭। সম্পাদকীয় স্তম্ভটোৱে আপোনাৰ মননশীলতাৰ ওপৰত কিবা প্ৰভাৱ পেলাব পাৰিছেনে ?

৮। তলত দিয়া শব্দ / খণ্ডবাক্যবোৰ বাক্যত ব্যৱহাৰ কৰক :
ধীৰে ধীৰে, খহি পৰ, জৰ্জৰিত, সামঞ্জস্য, সজাই

হাতেলিখা পুথি

[এই প্ৰবন্ধৰ লেখক বেণুধৰ শৰ্ম্মা অসমীয়া সাহিত্যৰ প্ৰবন্ধকাৰৰ ভিতৰত অন্যতম । তেওঁৰ জন্ম ১৮৮৯ চনত চাৰিঙত আৰু মৃত্যু ১৯৮২ চনত গুৱাহাটীত । স্বাধীনতা যুদ্ধৰ অক্লান্ত যুঁজাৰু হিচাপেও শৰ্ম্মাদেৱৰ নাম উল্লেখযোগ্য । তেওঁ বিখ্যাত বুৰঞ্জীবিদ আৰু গৱেষক পণ্ডিত । কেৱল সেয়ে নহয়, জীৱনী সাহিত্য আৰু শিশু সাহিত্যতো তেওঁৰ উল্লেখনীয় বৰঙণি আছে । তেওঁ কেইবাখনো পুথি ৰচনা কৰিছে। তেওঁৰ উল্লেখ-যোগ্য পুথিসমূহৰ ভিতৰত শিশু সাহিত্য - *ৰবীনছন ক্ৰুচ, বাংপতা,* আৰু *লাতুমনি,* জীৱনী গ্ৰন্থ - *জৱাহৰলালৰ জীৱনী, অঙ্গা-গোবিন্দ ফুকন, মণিৰাম দেৱান* আৰু *গোবিন্দ বেজবৰুৱা,* ঐতিহাসিক প্ৰবন্ধ সংগ্ৰহ - *দুৰবীণ, সাতাৱন ছাল, কংগ্ৰেছৰ কাঁচিয়লী ৰ'দত, অৰ্ঘাৱলী,* আৰু *দক্ষিণপাট সত্ৰৰ বুৰঞ্জী* প্ৰধান । এইবোৰৰ বাহিৰেও আৰু বহুত তথ্যসমৃদ্ধ ৰচনা বিভিন্ন সংকলন আৰু আলোচনীত প্ৰকাশ পাইছে । এই ৰচনাসমূহ অসমৰ সাংস্কৃতিক ইতিহাস অধ্যয়নৰ কাৰণে গুৰুত্বপূৰ্ণ ।

'হাতে লিখা পুথি' প্ৰবন্ধটো অসম সাহিত্য সভাই প্ৰকাশ কৰা 'অসমীয়া সংস্কৃতি' নামৰ প্ৰবন্ধ সংগ্ৰহৰ পৰা লোৱা হৈছে ।

একোটা জাতিৰ সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্যৰ কথা জানিবলৈ আমি শিলালিপি, তাম্ৰলিপি, মুদ্ৰা, সাহিত্য ইত্যাদিৰ সহায় লওঁ । এইবোৰৰ ভিতৰত পুৰণি সাহিত্য হৈছে বেছি বিস্তৃত আৰু ব্যাপক । পুৰণি কালত মানুহে হাতেৰে লিখিছিল । একেখন পুথিকে বিভিন্ন নকলকাৰে নকল কৰি সংৰক্ষণ কৰিছিল । এই বিষয়ৰ এজন গৱেষক পণ্ডিত হিচাবে বেণুধৰ শৰ্ম্মাই একোটা জাতিৰ সংস্কৃতিত হাতেলিখা পুথিৰ স্থান আৰু অৱদান, পুৰণি অসমৰ লিখনিৰ সমল, লিখন ৰীতি, লিখন শ্ৰেণী, সংৰক্ষণৰ নিয়ম আৰু সাংস্কৃতিক গুৰুত্ব সম্পৰ্কে এই প্ৰবন্ধত বিশেষভাৱে আলোচনা কৰিছে।]

যি দেশ যিমান প্ৰাচীন আৰু উন্নত সেই দেশৰ সাহিত্যও সিমান চহকী আৰু ভিন্ ভিন্ জ্ঞান বিদ্যাৰ সমলেৰে শকত-আৱত। উঠা-পৰা জগতৰে নিয়ম। যি জাতি আজি উন্নতিৰ কলচীত থিয়হৈ জগতক জলক তবক লগাইছে, কাইলৈ আকৌ দেখিব অৱনতিৰ অতল তলিত পৰি সেই জাতিৰেই একেবাৰেই নাম নোহোৱা হৈছে। কিন্তু জাতীয় পৰাক্ৰম বিলুপ্ত হলেও সামাজিক অস্তিত্ব থাকি যায়। সেই সমাজে জয় জয়, ময় ময় অৱস্থাত যি সাহিত্য সৃষ্টি কৰে সেই সাহিত্য কেতিয়াও নিশ্চিহ্ন হব নোৱাৰে, তাৰ অৱশেষ ৰৈ যায়। সেই অৱশেষেই পতিত জাতিৰ অন্তৰত অনুপ্ৰেৰণাৰ জোঁকাৰ একোটা মাৰি অতীত গৌৰৱ আৰু সভ্যতালৈ মনত পেলাই দিয়ে। আমাৰ সাঁচিপতীয়া পুথিবিলাকো এনে অৱশিষ্ট গৌৰৱৰে চানেকি।

অসমৰ ভৌগলিক-ঐতিহাসিক অৱস্থান আৰু অসমীয়া সংমিশ্ৰণ পৰিস্থিতি যেয়ে এবাৰ ভালকৈ গমি পিটি বিচাৰ কৰি চাইছে সেয়ে দেখিবলৈ পাইছে যে ভাৰতৰ ভিতৰত অসম এখন অতি পুৰণি দেশ আৰু ইয়াৰ সমাজো অতি পুৰণিকলীয়া। সমাজ প্ৰাচীন হোৱা বাবেই পুৰুষে পুৰুষে সৃষ্টি হোৱা বা অৰ্জন কৰা নাইবা উপলব্ধি কৰা জ্ঞান বিভূতিৰ ফলৰাশি নিহিত থাকি যায় প্ৰাচীন হাতেলিখা পুথিবিলাকত। এই পুৰণি পুথিৰ সাহিত্যৰ (ক্লাছিকচ) গইনা লৈহে আধুনিক সাহিত্যই গা আৰু গৌৰৱ কৰিব পাৰে। এয়ে সকলো উচ্চ আৰু উন্নত সাহিত্যৰ স্বাভাৱিক নিয়ম। একেদিনাই কোনো সাহিত্য স্বয়ম্ভু হৈ উদয় হোৱা নাই, আৰু হবও নোৱাৰে। অসমীয়া ভাষা সাহিত্যও সেই ৰূপে, একে দিনাই যে উদয় হোৱা নাই, আগৰ দিনত আমাৰ মানুহে লিখি থৈ যোৱা পুথিবিলাকেই তাৰ সাক্ষী।

সেইবিলাক পুথি লিখা হৈছিল তুলাপাতত, বাঁহপাতত, মাদুৰিবনৰ লেখিয়া পাতত আৰু সাঁচিপাতত। ভাৰতৰ অন্যান্য ভাষাত কাগজক *তুলাপাত* বোলে নে নোবোলে কব নোৱাৰোঁ, অসমত হলে অনন্ত কালৰ পৰাই *তুলাপাত* শব্দটো চলি আহিছে। মহাবলী আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ পূৰ্বেই অৰ্থাৎ ৩২৭ খৃষ্টাব্দৰ পূৰ্বেই। তেওঁৰ লগত অহা সেনাপতি নিয়াৰ্কছে পশ্চিম ভাৰতত তুলাৰে কাগজ কৰা দেখি গৈছিল। তুলাৰে যে কাগজ কৰা হৈছিল, এই কথাষাৰ আজিও অসমীয়া ভাষাইহে জীয়াই ৰাখিছে। ইয়াৰ দ্বাৰাই এইটোৰেই প্ৰমাণ হয় যে অন্ততঃ যীচু খৃষ্টৰ ৪০০ বছৰ মান আগতে অসমীয়া ভাষা কওঁতাসকলে তুলাপাত ব্যৱহাৰ কৰিছিল। অকল তুলাপাততেই যে আখৰ লিখা হৈছিল এনে নহয়, কোমল দৈ, বাঁহৰ চোঁচ উলিয়াই তাৰেও তুলাপাত কৰি লোৱা হৈছিল। তাত বাদেও এবিধ মাদুৰিবনৰ পাতৰ নিচিনা দীঘল আৰু তাতকৈ অলপ বহল এবিধ বনৰ পাতত পুথি লিখা হৈছিল। ভূটীয়াই অনা ভূজপত্ৰতো কোনো কোনো সময়ত মন্ত্ৰ লিখি তাবিজত সুমুৱাই লোৱা অভ্যাস আছিল। অসমৰ নিচিনা জেকা জলবায়ুৰ দেশত সাঁচিপাতক লিখা কাকত কৰা ৰীতি

আৰু প্ৰচলন সকলোতকৈ পুৰণি আৰু ব্যাপক আছিল । অসমৰ বাহিৰে সাঁচিগছ আন ঠাইত নহয়। সেই সাঁচিগছৰ পাতত লিখা পুথি যাউতিযুগীয়া । সাঁচিপতীয়া পুথি দেখিলেই সেই পুথি অসমৰ বুলি নিসন্দেহে কব লাগিব। সাঁচিপাতত পুথি লিখা নিয়মটো যে খৃষ্টীয় সপ্তম শতিকাৰ আগৰে পৰা আছে তাক আমি বুৰঞ্জীৰ পৰা জানিব পাৰোঁ । কুমাৰ ভাস্কৰবৰ্মাই কটকী হংসবেগৰ হাতত উত্তৰ ভাৰতৰ চক্ৰবৰ্ত্তী ৰজা শ্ৰী হৰ্ষবৰ্ধনলৈ যিবিলাক উপঢৌকন পঠিয়াইছিল তাৰ ভিতৰত 'অগৰুত্বক নিৰ্মিত পুস্তিকা' অৰ্থাৎ সাঁচিপতীয়া পুথিও আছিল বুলি হৰ্ষচৰিতত লিখা আছে ।

সাঁচিপাত সাঁচি নামেৰে এবিধ গছৰ বাকলি । সাঁচিপাত লিখিবৰ উপযোগী কৰাৰো এটি পদ্ধতি আছে । সেই পদ্ধতি অসমতহে জনা আছে । বুঢ়া সাঁচি গছৰ বাকলি গছৰ পৰা এৰুৱাই আনি ধোঁৱাচাঙত শুকুৱাই থব লাগে । শুকাই কৰ্কৰীয়া হলে খাৰণিত খাৰ কাঢ়ি বাকলিবোৰ আকৌ শুকুৱাব লাগে । তাৰ পাছত সেইবোৰ পুথিৰ জোখমতে কাটি, চেঁচুৰে চাঁচি চাঁচি, বাকলিৰ নিকৰিবোৰ পেলাই দিব লাগে । ঝাও (শিল) মাৰি পাতবোৰ মিহি কৰি আকৌ শুকুৱাব লাগে । এইবেলি পাতখিনি হেঁচা দি থব লাগে । তাৰ পিছত, ঘিলা মাৰি সমান কৰি মাটিমাহৰ ৰসেৰে বোলাই হাইতাল ঘঁহিব লাগে । ঘঁহা হৈ গ'লে, পাতবোৰ জাপি-জুপি, কূটনীৰে জুখি মাজত বিন্ধা এটা দিয়া হয় । সেই বিন্ধাটোক পুথিৰ নাভি বা 'নাই' বোলে । নাইটোত জৰী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থব পাৰি ।

পুথি লিখাৰ সজুঁলি আছিল কাপ, মহীচুঙা, কূটনী, আঁকমাৰি আৰু বিন্ধনা । লেকেচীয়া বাহঁৰ বা ঢেকীয়াৰ নাইবা খাগৰিৰ কাপেৰে লিখিব লাগিছিল । চিঞাহীক বুলিছিল *মহী* আৰু চিঞাহী তৈয়াৰ কৰা হৈছিল এইদৰে : চৰু ছাই বা বৰা চাউলৰ ছাই, কেহাৰাজৰ ৰস, লোৱাচুৰ, গৰুমূত, শিলিখা, আমছাল, জামছাল - এইবোৰ বস্তু একেলগে লৈ কেৰাহীত সিজাই মাটিৰ চৰু এটাত ভৰাই নিয়ৰত থৈ দিব লাগে । চৰু টোৰ বাহিৰে যি ৰস ঘামি ঘামি নিগৰি ওলাব সেয়ে অসমীয়া *মহী* । এই মহীৰে লিখা আখৰৰ বোল পানী নপৰিলে কেতিয়াও মাৰ নাযায় । কত বছৰলৈকে যে ফটফটীয়া হৈ থাকে এতিয়াও নিৰ্ণয় কৰিব পৰা নাই । এনেকুৱা কাপ-মহীৰেই পুৰণি কামৰূপত বিস্তৰ সাঁচিপতীয়া পুথি লিখা হৈছিল ।

লিখন কাৰ্য্য কৰোঁতাসকলৰ নাম আছিল *লিখক* বা *লিখাৰু* । যি প্ৰথমতে লিখিছিল তেওঁক বোলা হৈছিল *লেখক* বা *লেখোঁতা* নাইবা *লেখাৰু* । *লিখাৰু* পদে নকলকাৰক আৰু *লেখাৰু* পদে ৰচক বুজাইছিল । লেখক লিখকৰ প্ৰভেদ ৰাখি লিখকে অৰ্থাৎ নকলকাৰকে পুথিৰ সামৰণিত এইদৰে লিখি থৈছিল -

'যথা দৃষ্টং তথা লিখিতং, লেখকে নাস্তি দূষণং ।' পুথি লেখকৰ যে কবই নালাগে, লিখকৰো যিহে লেকেটা পৰিশ্ৰম আৰু আমনি লগা অধ্যৱসায় । একোখন বিৰাট পুথি দেখিলে পুথি লিখকৰ সেই গুণৰ প্ৰতি শ্ৰদ্ধাত আপোনা আপুনি মূৰ দোঁ খাই যায় । ছপা আখৰৰ দৰেই এই হাতেলিখা পুথিৰ আখৰবোৰ নিমজ আৰু মলখু যেন ; শাৰীবোৰ পোন, ক'তো বেঁকা-বেঁকি নাইবা লেপ-থেপ নহয় । হাজাৰ বাৰশ পাত লিখিলেও এটা আখৰো উঠা পৰা নহয়, নাইবা এটি আকাৰ-ইকাৰো পৰি নাযায় । লিখকে ককাল কুঁজাকৈ, গলধন চপৰাই, চকু থৰকৈ, তললৈ মূৰ কৰি বৰ দুখেৰে, গজমুঠীয়া কাপেৰে পুথি একোখন লিখি 'পুত্ৰৰ দৰে লালন-পালন কৰিব' বুলি শ্লোক এটি লিখি লিখাওঁতাজনলৈ আৰু পঢ়োঁতাসকললৈ বৰ আশাৰে অৰ্পণ কৰিছিল ।

ভগ্নপৃষ্ঠ কটি গ্ৰীৱ, স্তব্ধ দৃষ্টি ধৃত ব্ৰত,
যত্নেন লিখিতাং, পুস্তকং পুত্ৰৱৎ প্ৰতিপালয়েৎ ।

পুথি লিখাৰ বাবে লিখাওঁতাজনে লিখকক বৰ ভক্তিভাবে, পুথিৰ আকাৰ অনুসৰি একোটকাৰ কানি, পাঁচ টকাকৈ ৰূপা আৰু পাটৰ বা মুগাৰ একোসাজকৈ কাপোৰ দান কৰিছিল । অৱশ্যে এই দান দক্ষিণা প্ৰাচীন কালৰে পৰা আছিল যদিও, ওপৰত কোৱা দানৰ বস্তু কেইটা পোন প্ৰথম অসমীয়া অভিধান লেখোঁতা যাদুৰাম ডেকা বৰুৱাই তেওঁৰ পুৰোহিত লিখকক দিয়া বুলি এঠাইত লিখা আছে।

ৰামসৰস্বতী, কণ্ঠভূষণ, কবিৰাজ চক্ৰৱৰ্ত্তী প্ৰমুখ্যে প্ৰাচীন অসমীয়া কবিকুলক পুথি লিখা আৰু লেখা বাবেই কোচ আৰু আহোম ৰজাসকলে সিবিলাকৰ পৰিয়াল ভৰণ-পোষণ কৰিবলৈ আৰু আলপৈচান ধৰি সিবিলাকৰ জীৱন নিৰ্বাহৰ পথ সুগম কৰিবলৈ তামৰ ফলি মাৰি এজনীয়াকৈ মাটি আৰু পাইক দান দিছিল । কমতেশ্বৰ দুৰ্লভনাৰায়ণ, মহাৰাজ নৰনাৰায়ণ আৰু স্বৰ্গদেও ৰুদ্ৰসিংহ, ৰাজেশ্বৰ সিংহ প্ৰমুখ্যে আহোম ৰজাসকলৰ পুথি লেখোৱা পৃষ্ঠপোষকতা বুৰঞ্জীপ্ৰসিদ্ধ । ৰাম সৰস্বতীয়ে ইমানবিলাক পুথি লিখিছিল যে দৰঙী ৰজাৰ ঘৰলৈ নিওঁতে সেইবিলাক ম'হৰ গাড়ীত ভৰাইহে নিব পৰা হৈছিল । ছপা পুথি ওলোৱা বহুদিনৰ পাছলৈকে হাতেলিখা সাঁচিপতীয়া পুথিলৈ অসমীয়া মানুহে ইমান ভয়-ভক্তি কৰিছিল যে সেই পুথিত কালিকা আছিল বুলি সেৱা জনাইছিল । বাহী গাই পুথি নুছুইছিল আৰু থবৰ সময়তো আচুতীয়াকৈ থাপনা, ঠগা বা কৰণিত সামৰি সুতৰি থৈছিল । পুথিৰ প্ৰতি মানুহৰ ইমান ভক্তি আছিল যে পুথিৰ ভিতৰত সোমাই থকা বিষাল চেলা একোজনীকো সৰস্বতী চেলা নাম দি নামাৰি বা নমৰাকৈ মূৰত লৈ এৰি দিছিল । 'ক' বুলিব নজনা মূৰাৰী নামৰ ভকত এজনে *ৰত্নাৱলী* পুথি পঢ়িবলৈ যাওঁতে মাধৱদেৱ মহাপুৰুষে কৈছিল, 'পুথি পঢ়োঁতে আৰু থওঁতে মান-সৎকাৰ কৰিব লাগে। আনৰ পুথি আনিলে কড়ি-একঁড়া দিহে আনিব লাগে ।

সামৰি থওঁতে সেৱা কৰি থব লাগে ।'

পুথিৰ পাতবোৰ বন্ধা হয় যদিও পঢ়োঁতে খিলা খিলা কৈ বা পাত পাত কৈ উলিয়াই পঢ়িব লাগে । সেই দেখি পুথি শব্দত সংখ্যাবাচক বিশেষণ 'খন' ব্যৱহাৰ কৰা হয় । আৰু কিতাপৰ হলে, লিখা পাতবোৰ গোটাই এটা কৰা হয়, ইয়াক খন খন কৈ মেলি আতঁৰোৱা নহয় ; সেইগুণে কিতাপৰ পাছত নিৰ্দিষ্ট সংখ্যাৰ বিশেষণ 'টো' হয় । যেনে পুথিখন, কিতাপটো । 'পুথি,' 'পুস্তক' পুৰণি ভাৰতীয় শব্দ । 'কিতাপ' শব্দ আধুনিক আৰু মোগলৰ দিনৰ পৰাহে প্ৰচলিত ।

শিলালিপি, মুদ্ৰা আৰু পুথিবিলাকত থকা অসমীয়া আখৰৰ গঢ় গুপ্ত, কুটীল আখৰৰ লগত মিলে । ব্ৰাহ্মী আখৰৰ পৰা কুশাণ আৰু কুশাণৰ পৰা গুপ্ত আখৰ ওলায় । গুপ্তৰ পৰা কুটীল আৰু কুটীলৰ পৰাই কামৰূপী বা অসমীয়া আখৰৰ সৃষ্টি হয় ।

বিধ বিধ অসমীয়া পুথিৰ আখৰবিলাক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে তিনি ঠাঁচত ভগাব পাৰি । গড়গঞা ঠাচ, বামুণীয়া ঠাচ আৰু লহকৰী বা কায়খেলি ঠাচ । লহকৰী পুথিৰ আখৰ মুকুতা যেন ফটফটীয়া । বৃটিছ অহাৰ পিছত তুলাপতীয়া পুথিত এবিধ লতা আখৰো ব্যৱহাৰ কৰা হৈছিল। অসমীয়া আৰু মৈথেলী আখৰৰ ইমান সাদৃশ্য আছে যে পুথিৰ আখৰ চাই কোন পুথি অসমীয়া আৰু কোন পুথি মৈথেলী ধৰা টান । মৈথেলী ভাষাৰ পুথিভঁড়ালত বিচাৰিলে অসমীয়া পুথি ওলোৱাৰ সম্পূৰ্ণ সম্ভাৱনা । দ্বাৰভাঙা মহাৰাজাৰ ৰাজ গ্ৰন্থালয়ত মৈথেলী বুলি অসমীয়া পুথি সংৰক্ষণ কৰাৰ সংবাদ পোৱা গৈছে ।

আগৰ কালত অসমীয়া মানুহে পুথিক ইমান আদৰ কৰিছিল যে খোৱা পিন্ধাৰ চিন্তাতকৈ পুথি ৰক্ষা কৰাৰ চিন্তাইহে সিবিলাকক বেছি বাউল কৰিছিল । মন্ত্ৰ পুথি, বেজালী পুথি, দেহাৱলী বা দেহ বিচাৰৰ গীত , ধৰ্মপুথি, বৰগীত, নাট, সাধুকথা, চৰিত পুথি, বুৰঞ্জী, শুভঙ্কৰী, গণিত, জ্যোতিষ, নিদানৰ পুথি, হস্তী-ঘোঁৰা- গৰুপহু আদিৰ চিকিৎসা পুথি, পুখুৰী খনা আৰু পানীত ৰহ ঢলা পুথি, স্থপতি, ভাস্কৰ্য্য প্ৰভৃতি বিবিধ বিষয়ৰ পুথি সংস্কৃত ভাষাৰে লিখাবিলাক বাদ দিলেও অসমীয়া ভাষাতে উভৈনদী হৈ আছে । ৰাজনৈতিক বিপ্লৱ, ঘনে ঘনে হৈ থকা ভুঁইকঁপ আৰু ধুমুহা-বৰষুণ , জেকা মাটি, উঁই - নিগনিৰ উৎপাত, বানপানী, ঘৰপোৰা, উৰুখনি পৰা ঘৰ - এই বোৰ এৰাব নোৱাৰা বিপদ আৰু আলৈ আহুকাল আৰু পৰিয়ালৰ ৰোগ ব্যাধি নুগুচিলে পুৰণি পুথিয়েই তাৰ কাৰণ বুলি পুথিবিলাক নৈত উটুৱাই দিয়াৰ অন্ধবিশ্বাস থকাৰ বাবেই আমাৰ দেশৰ অসংখ্য পুথি-পাঁজি নষ্ট হ'ল। তথাপি সেই পুথি ধ্বংস হোৱা নাই যেন লাগে, দুষ্প্ৰাপ্যহে হৈছে । হিমালয়ৰ পাদ দেশত বসতি কৰা

মহৰ্ষি সামগায়নৰ পুত্ৰ মহামুণি পালকাপ্যৰ হস্ত্যায়ুৰ্বেদ বা গজ চিকিৎসা শাস্ত্ৰৰ নিচিনা পুথিও পুৰণি অসমতেই ৰচিত আৰু সাঁচিপাতত লিখিত হৈছিল । অকল দাক্ষিণাত্যতেহে তেনে পুথি পাবলৈ আছে বুলি কলে পুৰণি কামৰূপলৈ বক্ৰদৃষ্টি কৰা বুলিহে কব লাগিব । *যোগিনী তন্ত্ৰ, কালিকা পুৰাণ, হৰিবংশ* আজি কালি ছপা হৈ ওলাইছে । কিন্তু পুৰণি কামৰূপৰ মানুহে লিখা পুথিকিখন তাতকৈ বহুগুণে বিস্তাৰিত আৰু তাৰ ৰচনা প্ৰণালীও সুকীয়া বুলি বহুকেইজন ভাৰতীয় সংস্কৃত পণ্ডিতে স্বীকাৰ কৰিছে । অষ্ট্ৰীয়াৰ ভ্ৰমণকাৰী চোমা ডা বাৰই তিব্বতত 'বাহগব' নামে এখন সংস্কৃতীয়া পুথি পাইছিল। সেই পুথিত বুদ্ধদেৱে ব্ৰহ্মপুত্ৰৰ দক্ষিণে অৱস্থিত হয়গ্ৰীৱ-মাধৱ দেৱালয়ৰ পাৰত, শাল গছৰ তলত নিৰ্বাণ লাভ কৰিছিল বুলি উল্লেখ আছে । সেই পুথিও যে কামৰূপীয় পুথি তাক সিদ্ধান্ত কৰিবলৈ সৰহ পৰ নালাগে । দেশ ভগনতেই হওক বা অন্য কাৰণতেই হওক অসমৰ পুথি আজিও দূৰ দূৰান্তৰ দেশত বিচাৰিলে পাবলৈ আছে । ৰাজস্থানৰ জয়পুৰ পুথিভঁড়ালত, পাটনাৰ খোদাবক্স লাইব্ৰেৰীত, আৰু ত্ৰিবেন্দ্ৰম মহাৰাজৰ গ্ৰন্থাগাৰত হাতে লিখা সাঁচিপতীয়া পুথি আছে বুলি দেখা লোকে কৈছে । অইন কি পাকিস্থানৰ ৰংপুৰত ইছলামধৰ্মীৰ ঘৰত ভাগৱতী ধৰ্মৰ সাঁচি পতীয়া পুথি সাঁচি থোৱা হৈছে। বৃটিছ মিউজিয়াম, কমনৱেলথ ৰিলেচনাচ লাইব্ৰেৰী, লাইপজিগ বিশ্ববিদ্যালয় আৰু লাইভেল বিশ্ববিদ্যালয়, আনকি মস্কো বা লেনিনগ্ৰেড লাইব্ৰেৰীতো অসমৰ পুৰণি পুথি থকা উঁহ ওলাইছে ।

অসম গবৰ্ণমেণ্টে বৃটিছ মিউজিয়ামৰ পৰা ফট' মাৰি আনি প্ৰকাশ কৰা 'ত্ৰিপুৰা বুৰঞ্জী'খনিও তাৰে এটি নিদৰ্শন ।

বৃটিছ কৰ্তৃপক্ষক খাটি-লুটি অসমীয়া সাহিত্যৰ প্ৰাণ হেমচন্দ্ৰ গোস্বামীয়ে ১৯১২ চনতে চৰকাৰী সহযোগেৰে ১২০০ মান পুথি নষ্ট হোৱাৰ পৰা উদ্ধাৰ কৰিলে । সেই উদ্ধাৰ কৰা পুথিৰ সাহিত্য সমলেই আৰ্য্য সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ আসনখনিও সমানে গজগজীয়া কৰিলে । ভাৰতৰ এই পূৱ প্ৰান্তত থকা দেশখনিৰ সাহিত্য, সংস্কৃতি, লিপি, ভাষা সকলোৰে বিশিষ্টতা নিহিত আছে সাঁচিপতীযা পুৰণি হাতেলিখা পুথিত ।

শব্দ-অৰ্থ

কলচী	-	মন্দিৰৰ চূড়াত প্ৰতিষ্ঠিত কলহ
জলক তবক	-	ভালকৈ মণিব নোৱাৰা, ধুৱঁলি কুৱঁলি দেখা
চানেকি	-	আৰ্হি, নমুনা
গমি পিতি	-	ভাবি চিন্তি, বিবেচনা কৰি

গইনা	-	আশ্ৰয়, আলম
লেখিয়া	-	নিচিনা, দৰে
দৈ	-	মিহি পাতল চেপেটা বাঁহৰ কাঠি
চোঁচ	-	গছ, গুটি বা মূলৰ ওপৰৰ পাতল অঁহীয়া ছাল
জেকা	-	সেমেকা, চেচুক
যাউতিযুগীয়া	-	স্থায়ী
কটকী	-	দূত
ধোঁৱা চাং	-	জুইৰ ওপৰৰ চাং
নিকৰি	-	বাকলিৰ ওপৰৰ খহটা অংশ
বোল	-	ৰং (বি), বোলা (ধাতু)
কুটনী	-	কম্পাছৰ দৰে জোখলৈ চিন দিয়া সজুঁলি
আঁকমাৰি	-	স্কেল
লেকেটীয়া	-	আপঁইতা, পুৰঠ নোহোৱা
কাপ	-	কলম
মহী	-	চিঞাহী
মহীচুঙা	-	দোৱাত
নিগৰি	-	নিজৰি
লেকেটা	-	অবিৰাম আমনি লগা , লাগি ধৰা, সহজে নভঙা
কানি	-	কাপোৰত লগাই খোৱা আফুৰ আঠা (আফিং)
কালিকা লগা	-	দৈৱীক/ভৌতিক প্ৰভাৱযুক্ত
থাপনা	-	ঈশ্বৰৰ সেৱাৰ বাবে শাস্ত্ৰগ্ৰন্থ বা মূৰ্ত্তি ৰখা ওখ ঠাই
ঠগা	-	পুথি থোৱা কাঠৰ যতন
কৰণি	-	পূজা–সেৱাৰ ফুল তোলা বা থোৱাৰ বাবে ব্যৱহৃত কাঠ, বাঁহ বা পিতলৰ চাৰিচুকীয়া পাত্ৰ

ঠাঁচ	-	প্ৰকাৰ
দেশভগন	-	দেশত হোৱা নানা প্ৰকাৰৰ অস্থিৰতাৰ ফলত দেশ এৰি পলাই যোৱা কাৰ্য্য
উঁহ	-	সন্ধান
গজগজীয়া	-	দৃঢ়, স্থায়ী

অনুশীলনী

১। একোটা জাতিৰ সংস্কৃতিত হাতেলিখা পুথিৰ ভুমিকা কি ? সেইবোৰ পুথি কিহত কেনেকৈ লিখা হৈছিল ?

২। লিখনৰ আহিলা কি কি ? তাক কেনেকৈ প্ৰস্তুত কৰা হৈছিল ?

৩। 'লিখক' আৰু 'লেখক' শব্দ কি কি অৰ্থত প্ৰয়োগ কৰা হৈছিল ? লিখকে লিখন কাৰ্য্য কিয় কষ্টসাধ্য বুলি কৈছে ?

৪। অসমীয়া আখৰৰ গঢ় আৰু শ্ৰেণী বিভাগ সম্বন্ধে চমুকৈ লিখক ।

৫। 'অসমৰ পুথি আজিও দূৰ দূৰান্তৰ দেশত পাবলৈ আছে ।' তাৰ কাৰণ কি ? ক'ত ক'ত পুথি পোৱাৰ কথা প্ৰবন্ধকাৰে উল্লেখ কৰিছে ?

৬। আপোনাৰ ৰাজ্যৰ হাতেলিখা পুথি সম্বন্ধে এটি চমু প্ৰবন্ধ লিখক ।

৭। 'অসমৰ সাহিত্য, সংস্কৃতি, লিপি, ভাষা সকলোৰে বিশিষ্টতা নিহিত আছে পুৰণি হাতেলিখা পুথিত ।' - আলোচনা কৰক ।

৮। প্ৰয়োজনীয় আখৰ / যুক্তাক্ষৰ প্ৰয়োগ কৰি শব্দবোৰ সম্পূৰ্ণ কৰক :

(ক) উপল ——　　(খ) আ —— মন

(গ) —— ন বিভুতি　　(ঘ) যাউ —— যুগীয়া

(ঙ) স্বয় ——　　(চ) তু —— পাত

৯। বিকল্প ৰূপবিলাকৰ শুদ্ধটো চিহ্নিত কৰক :

ক) হাতে লিখা পুথিৰ পৰা / হাতেলিখা পুথিৰপৰা বহুত পুৰণি কথা জানিব পাৰি ।

খ) মাদুৰিবনৰ লেখিয়া / মাদুৰিবনৰলেখিয়া পাতত লিখা হৈছিল ।

গ) সাঁচিপতীয়া / সাঁচি পতীয়া পুথি দেখিলেই অসমৰ বুলি কব পাৰি ।

ঘ) পুৰণি পুথিৰ আখৰ বোৰ / আখৰবোৰ নিমজ ।

ঙ) দানদক্ষিণা / দান-দক্ষিণা দিয়াৰ প্ৰথা আছিল ।

১০। খালি ঠাই পূৰণ কৰক :

ক) আহোম ৰজাসকলে কৰা কবিসকলৰ ——— বুৰঞ্জী প্ৰসিদ্ধ ।

খ) হাতেলিখা পুথিত ——— আছে বুলি সেৱা জনায় ।

গ) হেমচন্দ্ৰ গোস্বামীয়ে বহু পুৰণি পুথি ——— কৰিছে ।

ঘ) অসম এখন পুৰণি ৰাজ্য আৰু তাৰ সমাজো ——— ।

ঙ) অসমীয়া ভাষাত কাগজক ——— বোলা হৈছিল ।

১১। ওপৰত দিয়া প্ৰবন্ধটিৰ দ্বিতীয় পৰিচ্ছেদটো চুটি চুটি বাক্যৰে সহজ ভাষাত লিখি উলিয়াওক । মন কৰিব যাতে অৰ্থৰ পৰিবৰ্ত্তন নহয় ।

১২। বাক্য ৰচনা কৰক :

ক) গইনা লৈ	খ) গা কৰা	গ) যুজাৰু
ঘ) বৰঙণি	ঙ) যাউতিযুগীয়া	চ) উপঢৌকন
ছ) লেকেচীয়া	জ) লেকেটা	ঝ) দোঁ খাই
ঞ) আচুতীয়া	ট) আহুকাল	ঠ) উঁহ

মানৱায়তন

[এই কবিতাৰ ৰচয়িতা, দেশপ্ৰেমমূলক কবিতা ৰচনাৰ খ্যাতিৰ উত্তুঙ্গ শিখৰত উঠা অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫-১৯৬৭) বৰপেটাৰ মানুহ আছিল । অষ্টম মানতে অধ্যয়নৰ মোখনি মাৰি তেওঁ সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰিছিল । দেশৰ স্বাধীনতাৰ কাৰণে সন্ত্ৰাসবাদী দল, অসহযোগ আন্দোলন আদিত যোগ দি কেইবাবাৰো কাৰাবৰণ কৰিছিল । তাৰ মাজে মাজে সাহিত্য চৰ্চাও কৰিছিল । 'চেতনা' নামে কাকত এখন উলিয়াই সম্পাদনাও কৰিছিল । প্ৰথম অৱস্থাত তেওঁ এনেকি নিজে মানুহৰ ঘৰে ঘৰে গৈ কাগজ বিলাইছিল । *বীণা, তুমি, অনুভূতি, স্থাপন কৰ - স্থাপন কৰ* আৰু *বেদনাৰ উল্কা* তেওঁ ৰচনা কৰা কবিতাৰ পুথি । ৰায়চৌধুৰী প্ৰধানতঃ জাতীয়তাবাদী কবি ।

মানৱ জীৱনৰ শক্তিৰ ওপৰত কবিৰ গভীৰ আস্থা । কেৱল সেই শক্তি সীমাৰ মাজত আবদ্ধ নাৰাখি অসীমলৈ বিস্তৃত কৰি মানৱৰ কৰ্মক্ষেত্ৰ বিশাল কৰি তুলিব লাগে । এইয়ে 'মানৱায়তন' কবিতাৰ বিষয় বস্তু । কবিৰ চিন্তা-এই ধৰাত মানৱ জাতি কেনেকৈ চিৰস্থায়ী হ'ব সেয়া নহয়, 'সৃষ্টিব্যাপী' কেনেকৈ 'মানৱ জাতি হ'ব চিৰস্থায়ী' - সেয়াহে । স্পষ্টকৈ কবলৈ গলে কবিয়ে মহাকাশ যাত্ৰাত (অসীম অভিযানত) গুৰুত্ব আৰোপ কৰিছে যাতে মানৱে জ্ঞানৰ গৰিমাৰে গ্ৰহান্তৰত উপনিবেশ স্থাপন কৰি মানৱ জাতিৰ মান, গৌৰৱ নিত্য নতুন কৰিব পাৰে ।]

কিহৰ বাবে আকাশ পাতাল
　　　　কিহৰ বাবে ধৰা ?
কিহৰ বাবে জন্ম ধাৰণ
　　　　কিহৰ বাবে মৰা ?

নাইতো ধৰাত এই প্ৰশ্নৰ
পূৰা সমিধান,
কৰা মানৱ সদলবলে
অসীম অভিযান ।
যুক্তি বিচাৰ হ'ল যে জঠৰ
এই সীমাতে বহি,
মানৱ জাতিৰ বিভব স্তম্ভ
গ'ল তেনেই জহি ।
জীৱন মথি মথি লভা
জ্ঞান গৰিমাৰ ফল,
ঠেক সীমাত ঘূৰি ঘূৰি
অন্ধ বিফল হ'ল ।
এই বাবেতো এই ধৰণীৰ
মানৱ জীৱন খোঁৱা,
অলপ উঠি তাৰ পিছতেই
পিছলি পৰি মৰা ।
আজি যিকণ যায় আগুৱাই
কালি আহে নামি,
তথাপিতো সীমা ভঙাৰ
নহয় অনুগামী ।
সীমা ভঙাৰ এই যে সপোন
নহয় কেৱল কথা,
নিজান কোণত বহি বহি
ভাৱৰ মালা গাঁথা ।
এই ধৰণীত গোট খোৱা এই
শক্তি সমল লৈ,

বীৰ দাপেৰে গ্ৰহান্তৰত
তেজ মঙহে গৈ,
পাৰিলেহে উপনিবেশ
স্থাপন কৰি ল'ব,
মানৱ জাতিৰ মান গৌৰৱ
নিত্য নতুন হব ।
তেনে ধৰাৰ মানৱ জীৱন
বিৰাট বিশাল হৈ,
সৃষ্টি ব্যাপী মানৱ জাতি
হ'ব চিৰস্থায়ী।
তেনে সীমাত ঘোলা হোৱা
জ্ঞান-গৰিমাৰ ধাৰা
মুক্ত হ'ব, মহৎ হ'ব
ভাঙি সীমাৰ কাৰা ।
ঘূণে ধৰা এই পৃথিৱীখন
খামোচ মাৰি থাকি
জীৱনৰ তোৰ অসীম গতিক
দিবি কিয় ফাঁকি ?

শব্দ-অৰ্থ

মানৱায়তন	-	মানৱৰ কৰ্মক্ষেত্ৰ
সদলবলে	-	সমদলে
জঠৰ	-	স্হিৰ, অচল, গতিহীন
জহি	-	লীন, ক্ষয় হৈ গৈ
মথি	-	মন্থন কৰি, তল ওপৰ কৰি

নিজান	-	নিৰ্জন
দাপেৰে	-	দৰ্পেৰে

অনুশীলনী

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) কি প্ৰশ্নৰ সমিধান নাই ?

খ) মানুহৰ জ্ঞান-গৰিমা কিয় বিফল হৈছে ?

গ) 'মানৱ জাতিৰ মান গৌৰৱ নিত্য নতুন হব' - কেনেকৈ ?

২। কবি ৰায়চৌধুৰীৰ প্ৰধান আকাঙ্ক্ষাৰ কথা কবিতাটিৰ পৰা স্পষ্টকৈ বুজা যায় । সেই আকাঙ্ক্ষা কি ? এই আকাঙ্ক্ষা তেওঁ কেনেকৈ পূৰণ হ'ব বুলি ভাবে ?

৩। কবিয়ে'মানৱ জীৱন খোঁৰা'বোলাৰ কাৰণ কি ? তাৰ পৰিণাম কি হৈছে ?

৪। কবিতাটোৰ পৰা কবি ৰায়চৌধুৰী কেনে প্ৰগতিবাদী চিন্তাৰ অধিকাৰী আছিল বুলি আপোনাৰ ধাৰণা হয় ? - মতামত দি আলোচনা কৰক ।

৫। কবিতাটি আপোনাৰ মাতৃভাষালৈ অনুবাদ কৰক ।

৬। কবিতাটি আবৃত্তি কৰক ।

৭। আপোনাৰ মাতৃভাষাত প্ৰতিশব্দ লিখক :
সদলবলে, জঠৰ, ঠেক, খোঁৰা, পিছলি পৰা, ঘোলা, ঘূণে ধৰা, ফাঁকি

৮। ব্যাখ্যা কৰক :

ক) ঘূণে ধৰা এই পৃথিৱীখন ———— কিয় ফাঁকি ?

খ) নাইতো ধৰাত ———— অসীম অভিযান ।

দুৱাৰ

[এই গল্পৰ লিখক কুমুদ গোস্বামী ডেকা চামৰ ভিতৰত এজন প্ৰসিদ্ধ গল্প লিখক । অসম প্ৰকাশন পৰিষদৰ লগত বহু দিন ধৰি জড়িত শ্ৰীগোস্বামী বৰ্তমান পৰিষদৰ সচিব । উন্নত মানৰ গল্পলিখক শ্ৰীগোস্বামী এজন ঔপন্যাসিকো ।

'দুৱাৰ' গল্পটি হোমেন বৰগোহাঞিয়ে সম্পাদনা কৰা 'অসমীয়া গল্প সঙ্কলন' ২য় খণ্ডৰ পৰা লোৱা হৈছে ।

মূল চৰিত্ৰ দময়ন্তীৰ মনত বোৱাৰীয়েকৰ কোঠাৰ দুৱাৰৰ শব্দই কৰা প্ৰতিক্ৰিয়া গল্পটিৰ মূল বস্তু ।]

আকৌ এবাৰ সন্ত্ৰস্ত হৈ শুনিলে দময়ন্তীয়ে । কেৰেকৃকৈ নলিনী থকা ঘৰটোৰ দুৱাৰখন যেন খোল খালে ; এবাৰ বন্ধ হ'ল, আকৌ খোল খালে । সেই শব্দটোৱে নিজম ঘৰটোত বিৰাজমান সকলো নিস্তব্ধতা ভঙ্গ কৰি শেষত দময়ন্তীৰ কাণত পৰিলহি । বাহিৰত সেঙেলা জাৰ, গছৰ পাতৰ পৰা টপ্ টপ্ কৈ নিয়ৰৰ টোপালবোৰ সৰিছে । ধীৰে ধীৰে সেইবোৰ নিস্তব্ধতাৰ বুকুত মৰি গৈছে। চকু দুটা এবাৰ জোৰকৈ মুদি দিলে দময়ন্তীয়ে ; যেন সিচঁৰিত হৈ থকা আয়নাৰ টুকুৰাৰ ওপৰেদি বগুৱা বাই আগবাঢ়ি গৈছে । ছিঃ ! কি যে দুফিন্তাৰ মাজেদি পাৰ হৈ গৈছে দিনবোৰ, ৰাতিবোৰ ! গাৰ কাপোৰৰ পৰা ধূলি-মাকতি জোকাৰি পেলোৱাৰ দৰে দুহাতেৰে মুখখন মোহাৰি দময়ন্তীয়ে এইবাৰ শুবলৈ চেষ্টা কৰিলে । আকৌ সেই দুৱাৰ খোলা আৰু বন্ধ হোৱাৰ শব্দ । দুৱাৰখন এবাৰ বন্ধ হৈছে, আকৌ যেন এবাৰ সম্পূৰ্ণৰূপে খোল খাইছে । কাপোৰৰ মাজতো দময়ন্তীৰ গাটো জিকাৰ খাই উঠিল।

এইবোৰ ভাল কথা নহয় । হওঁতে সামান্য যদিও দময়ন্তীয়ে তাক উলাই কৰিব নোৱাৰে ; সামান্য বুলি উৰাই দিবও নোৱাৰে । দময়ন্তীয়ে বুজিলে,এইয়া নলিনীৰ ঘৰটোৰ দুৱাৰ খোলাৰ শব্দ। তাই নিজেই খুলি দিছেহি হয়তো ! ক্ৰমাৎ দময়ন্তীৰ চিন্তাৰ কুণ্ডলী বোৱাৰীয়েক নলিনীৰ চিন্তাই ধূসৰ

কৰি আনিলে । নাভাবোঁ বুলিও বহু কথাই তেওঁ ভাবি পেলালে । বৈ বৈ মাথো এখন কোমল ঘূৰণীয়া মুখে তেওঁক বাৰে বাৰে আমনি কৰি থাকিল । ডিঙিলৈ উজাই অহা কাপোৰখনৰ আঁচলেৰে চকুৰ কোণ দুটা মচি দময়ন্তীয়ে ধুৰঁলী-কুৰঁলীকৈ দিগম্বৰৰ মুখখন মনত পেলালে । ওঁঠ দুটা সেমেকা বতাহত কঁপা খাগৰিৰ দৰে এবাৰ জিকাৰ খাই উঠিল । পাকঘৰৰ গাতে লাগি থকা কৰ্দৈ জোপাৰ ডালত পৰি কিবা নিশাচৰ পখীয়ে পাখিবোৰ জোকাৰি দিলে । কেইদিনমানৰ পৰা এই একেসময়তে দময়ন্তীয়ে সাৰ পাই আহিছে । তেওঁ জানে, অলপ পাছতে চৰাইটোৱে এটা বিকট চিঞৰ মাৰিব , তাৰ পাছত আন এডাল গছলৈ পাখি কোবাই উৰি গুচি যাব । দময়ন্তীয়ে বাগৰ সলালে ।

বিন্দুগুৰিৰ সাতোলাৰ জীয়েকক বোৱাৰী কৰি আনি দময়ন্তীয়ে অৱশ্যে প্ৰথমেই ভাবিছিল এটি বিপদ চাপিলহি বুলি । তাতে নলিনীৰ ৰূপৰ তুলনা দিবলৈ কোনো নাই এই মুলুকত । বিয়াৰ পিছদিনা ৰভাতলীত পাতল ওৰণীখনৰ ফাঁকেৰে কইনালৈ জুমি জুমি চাই দময়ন্তীহঁতৰ গোটেইখন গাওঁ যেন উৎফুল্ল হৈ উঠিছিল । কাৰো মুখ, কাৰো চকু ক্ৰমে বহল হৈ গৈছিল নলিনীক দেখি । বাহঁৰ খৰাহিত পালেং শাককেইডাল লৈ ৰাজহুৱা পকী নাদৰ পাৰত গাওঁৰ বুঢ়ীবোৰে কোৱাকুই কৰিছিল , 'দময়ন্তীৰে কপাল ভাল দেও । নেদেখিছা, একেবাৰে সাইলাখ গোঁসানী ।' কইনা চাবলৈ অহা যোৰে যোৰে মানুহবোৰক বিদায় দি উঠি অলপ শোওঁ বুলি বিছনাত পৰোঁতে দময়ন্তীয়েও শুনিছিল পথাৰত গৰখীয়াবোৰে সুহুৰিয়াই সুহুৰিয়াই বনগীতৰ কলি আওৰাইছে । সেই গীতৰ সুৰ দময়ন্তীহঁতৰ কলতলে-বাঁহতলে ভাহি ফুৰিছিল । মোহনৰ চাহ দোকানৰ তাচৰ আড্ডাত হঠাতে আৰম্ভ হৈছিল এক বিশৃঙ্খল কথোপথন ... । মুঠতে নলিনী অহাৰ লগে লগে গোটেইখন নাহৰভেঁটি গাওঁ উৎফুল্ল হৈ উঠিছিল ।

সেই দিনবোৰৰ প্ৰতিটো মুহূৰ্ত্ত আজিও দময়ন্তীৰ মনত সজীৱ হৈ আছে । অজ্ঞাতসাৰে বাগৰি অহা চকুপানীখিনি সোঁহাতেৰে চুই চাই দময়ন্তীয়ে দিগম্বৰলৈ আকৌ মনত পেলালে । বিয়াৰ দুবছৰ পাছতে গছৰ পৰা পৰি দিগম্বৰৰ মৃত্যু হ'ল । প্ৰকাণ্ড দুটা ঘৰত দুজনী মাত্ৰ মানুহ - দময়ন্তী আৰু নলিনী । দিন দুপৰতে ঘৰখন যেন মৰিশালী হৈ থাকে ।

হঠাতে যে কিবোৰ হৈ গ'ল ! কিছুদিনৰ পৰা অৱশ্যে দময়ন্তীয়ে নিজেই লক্ষ্য কৰিছে নলিনী মানুহজনী যেন আগতকৈ অলপ ৰঙিয়াল হৈছে । হলেও সেই কথা লৈ বেয়া পাবলগীয়া অৱশ্যে দময়ন্তীৰ একো নাই, বৰং ভালেই লাগিব লাগে ; ঘৰ-চোতালো অলপ পোহৰ হৈ থাকে । কিন্তু, সেইবুলি ওচৰ-চুবুৰীয়াবোৰতো আছে। সিহঁতে বা ভাবিব কি ? হাজাৰ হওক, বয়স থাকিলেও নলিনীৰ গিৰিয়েক নাই, তাতে তাই দেখিবলৈ ভাল । কথাবোৰ যিমানে ভাবি গ'ল সিমানে দময়ন্তীয়ে এক

ভীষণ যন্ত্ৰণাৰ দংশন অনুভৱ কৰিলে শৰীৰৰ প্ৰতি অঙ্গতে । এইবোৰ নিশ্চয় ভাললৈ হোৱা নাই। ইয়াৰ পাছত হয়তো এঘৰ দুঘৰকৈ ওচৰ-চুবুৰীয়া সকলোৱে জানিব - নলিনীৰ চৰিত্ৰ বেয়া ; সকলোৱে গম পাব - নলিনীৰ ঘুৰিলৈ কোনোবা আহে । আৰু কি ঠিক ! হয়তো তায়ো মনে মনে কাৰোবাৰ ঘুৰিলৈ যায় । এসময়ত হয়তো গোটেইখন নাহৰভেঁটি গাওঁ নলিনীৰ কথাৰেই বিষাক্ত হৈ পৰিব । অকস্মাতে দময়ন্তীয়ে হুকুহুকুকৈ কান্দি দিলে ।

বাহিৰত জিৰ্ জিৰ্কৈ বোৱা বতাহছাটিৰ লগে লগে আকৌ সেই কৰ্কশ শব্দটো ওপঙি আহিল - জোৰকৈ জপালে দময়ন্তীয়ে শুনিব বুলি নলিনীয়ে সন্তৰ্পণে দুৱাৰখন জপাই থলে । নলিনীয়ে ফাঁকি দিছে দময়ন্তীক, দিগম্বৰক আৰু দিগম্বৰৰ স্বৰ্গগত আত্মাক । কথাবোৰ ভাবি ভাবি এটা সময়ত দময়ন্তী বিছনাৰ পৰা উঠি আহিল । একেবাৰে শিল যেন চেঁচা হৈ আছে মজিয়াখন । পাকঘৰৰ ফালে আগুৱাই যাওঁতেহে গৰম গৰম ভাৱ এটা আহিল ।

আখলৰ চৌকাত এতিয়াও দুই এটা অঙঠা ধোঁৱাই আছে । সন্ধিয়া জুইকুৰা জ্বলাওঁতে কম কষ্ট হৈছিলনে নলিনীৰ ? এনেয়ে আঁহত খৰি , তাতে আজি কালি নিয়ৰত সেমেকি থাকে । এবাৰ হঠাতে তেওঁ ভাবিলে - শব্দ কেইটা কিজানি পাক-ঘৰতেই হ'ল ; পিছে, নাই, সব ঠিকেই আছে । ইয়ালৈ মেকুৰী নাহেই ; নিৰামুহি মানুহৰ পাকঘৰ । গতিকে, ঠিক নলিনীৰ ঘৰতেই হয় । তাতে আজি কেইবাদিনো ধৰি তেওঁ স্পষ্টকৈ শুনিছে সেই একেই শব্দ । খুন্দনাৰ তলিত লাগি থকা তামোলকণ জিভাখনত ঘঁহি দি দময়ন্তীয়ে বেৰৰ ফাঁকেৰে বাহিৰলৈ ভুমুকিয়াই চালে । নাই, একো নেদেখি । জোনাক আছে যদিও কুৱঁলীয়ে চাৰিদিশ ঢাকি ধৰিছে । নলিনীৰ ঘৰৰ দুৱাৰমুখতেই নে - হয়, ঠিক দুৱাৰমুখতেই বগা কিবা এটা দেখা গৈছে । মাজে মাজে বস্তুটো অলপ লৰিছেও । দময়ন্তীৰ দৃষ্টি পাক খাই ঘূৰি ঘূৰি ধূপৰ ধোঁৱাৰ দৰে দুৰত গৈ হেৰাই গ'ল । গাখীৰ খাবলৈ চচপেনৰ ঢাকনি গুচোৱা মেকুৰীৰ দৰে সতৰ্ক হৈ তেওঁ পাকঘৰৰ পৰা ওলাই আহিল । দময়ন্তীৰ ভাৱ হ'ল এইখন ঘৰ যেন এখন পৰিত্যক্ত কবৰস্থান । চকু দুটা তেওঁৰ এতিয়াও বিষাই আছে । এই কেইদিনতো টোপনি হোৱাই নাই । কি যে হৈ গ'ল ! কিয় নলিনীয়ে ইমান সোনকালে দিগম্বৰৰ কথা পাহৰি গ'ল? দময়ন্তীৰ গাৰ তেজ যেন মূৰলৈ উঠি আহিল । দুৱাৰখন মেলি পিৰালিত খোজ দিওঁতেই তেওঁৰ আঁঠু দুটা এবাৰ কঁপি উঠিল নতুনকৈ গছত উঠা মানুহৰ দৰে । ইমান ঠাণ্ডা সহ্য কৰিব পৰা বয়স দময়ন্তীৰ এতিয়া নাই । ইফালে সিফালে চাই আৰু অলপ আগুৱাই একেবাৰেই নলিনীৰ ঘৰটোৰ দুৱাৰমুখত থিয় হলগৈ তেওঁ । বাটৰ ফালে ৰখা সৰু খিৰিকিখনেৰে ভিতৰৰ পৰা ক্ষীণ পোহৰ আহি নঙলামুখত পৰিছে । তাৰে এচমকা গৈ বাৰীৰ পিছফালে তামোলজোপাৰ আগত টোকোৰাৰ বাহঁৰ দৰে ওলমি আছে । খিৰিকীখনৰ সমুখলৈ গৈও দময়ন্তী পুনৰ উভতি আহিল - এটা অস্বাভাৱিক

সংকোচে তেওঁৰ দেহ-মন আগুৰি ধৰিলে । বাৰে বাৰে চেষ্টা কৰিও তেও প্ৰকৃতিস্থ হ'ব পৰা নাই । কাপোৰ মেলি দিয়া তাঁৰ ডালত তিতা গামোছা এখন এতিয়াও লৰি আছে । চোতালৰ বনবোৰৰ মাজে মাজে গাখীৰৰ দৰে বগা জোনাকৰ পোহৰ জিলমিলাই আছে । দময়ন্তীয়ে এনেয়ে এবাৰ সোঁ-ভৰিৰে বনবোৰ গচকি দিলে । ৰূপালী নিয়ৰবোৰ চিটিকি পৰিল অ'ত ত'ত । তেওঁৰ গাটোও এবাৰ শিয়ৰি উঠিল । বোৱাৰী হ'ল বুলিয়েই দময়ন্তীয়ে নলিনীক বিশ্বাস কৰিব নোৱাৰে - লোকৰ ছোৱালী, ইহঁতৰ সজাঁত নাই । এইখন ঘৰ তাইৰ নিজৰ বুলি উপলব্ধি কৰাৰ আগতেই যিহেতু দিগম্বৰৰ মৃত্যু হ'ল দময়ন্তীৰ মান-সন্মানৰ কথা তাই ভাবিব কিয় ? এইখন ঘৰ বদনামৰ জুয়ে পুৰি ছাই কৰি দিলেও তাইৰ লোকচান নাই । দিগম্বৰ থকা হলেতো আজি ইমানখিনি হবলৈ নাপায় ।

লাহে লাহে তেওঁ গামোচাখনৰ কাষলৈ গ'ল । লাহেকৈ মুখ আৰু চকুৰ কোণ দুটা মোহাৰি দময়ন্তীয়ে সৰুকৈ নলিনীক মাতিলে, 'নলিনী !' নামটোৰ আখৰ তিনিটা দ পানীত পেলাই দিয়া শিলগুটিৰ দৰে লাহে লাহে বহি গ'ল । নলিনীৰ ঘৰৰ দুৱাৰখন বন্ধ হৈ আছে তেতিয়াও ।

ঘৰৰ ভিতৰত কোনোবাই লৰচৰ কৰাৰ দৰে বাহিৰৰ পোহৰখিনি এবাৰ হঠাতে অদৃশ্য হৈ গ'ল ; আকৌ ওলাল আগৰ দৰে । বুজিবলৈ একো বাকী নৰ'ল দময়ন্তীৰ । মুখৰ ভিতৰতে কিবা কিবি ভোৰভোৰাই তেওঁ আকৌ মাতিলে - এবাৰ নহয়, দুবাৰ । তেওঁৰ নাকৰ আগটো ঘামি গ'ল।

'কোন ?'- ভিতৰৰ পৰা কাৰোবাৰ চেপা মাত এটা তেওঁৰ কাণত পৰিলহি । দময়ন্তীয়ে ঠিক ঠাৱৰ কৰিব নোৱাৰিলে - কাৰ মাত হব পাৰে, নলিনীৰো হব পাৰে ।

'দুৱাৰ খোল ।' দময়ন্তীৰ চিঞৰটোৱে দুৱাৰখনত প্ৰচণ্ড জোৰে গোৰ এটা মাৰি দিলে ।

ৰাতিৰ নিস্তব্ধতাখিনি আৰু ঘন হৈ পৰিল । খণ্ডত একো নাই হৈ দময়ন্তীয়ে এবাৰ দীঘলকৈ উশাহ ললে । ওচৰ-চুবুৰীয়া সকলোবোৰ শুই নিঃপালি দিছে । ৰাতি পুৱালেই সিহঁতে দময়ন্তীক আহি ইতিকিং কৰিব, আৰু কোনোদিনেই বজ্ৰাপাতনিতো কাউৰী এটা নপৰা এইখন ঘৰৰ বদনাম ৰটিব। মইনাহঁতৰ কামিনী কুসুম ডালৰ পৰা অহা তীব্ৰ গোন্ধ এটাই তেওঁৰ মুখখন ভতুৱা কুকুৰ এটাৰ দৰে চেলেকি গ'লহি । ইমান উগ্ৰ গোন্ধ দময়ন্তীৰ ভাল নালাগে ।

নাচাওঁ বুলি ভাবিও মূৰ তুলি চাই দময়ন্তীয়ে সমুখত দেখিলে সোঁহাতত কেৰাচিন তেলৰ চাকিটো লৈ নলিনী থিয় হৈ আছে , আৰু চকুৰ পানীখিনি আঁচলেৰে মচি নলিনীয়ে দেখিলে তাইৰ হাতত থকা চাকিগছ দুভাগ হৈ লিকলিকাই আছে শাহুৱেক দময়ন্তীৰ দুয়োটা চকুৰ মণিত ।

'মা !' দময়ন্তীয়ে নলিনীৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ চালে, আৰু লগে লগে নলিনীয়ে অনুভৱ কৰিলে তাই যেন গোটেই মানুহজনী উদং হৈ থিয় দি আছে দময়ন্তীৰ আগত ।

'আপুনি - আপুনি ইয়ালৈ ?' নলিনীয়ে চাকি গছ বাওঁহাতে ললে ।

'ওঁ । কোন আহিছিল এতিয়া ?'

নলিনীৰ চকু দুটা বহল হৈ গ'ল ।

'তই, তই গৈছিলি ক'লৈ ?'

'মা !' নলিনীয়ে হোঁহোৱাই কান্দি দিলে , আৰু দময়ন্তীৰ চকু দুটা তগবগীয়া হৈ উঠিল ।

'তেনেহলে দুৱাৰখন কোনে মেলিছিল ? ক, কোনে সদায় দুৱাৰ খোলেহি !' পৰম বিস্ময়ত দুয়ো একেলগে চাই পঠিয়ালে দুৱাৰখনৰ ফালে । বাঁহৰ দুৱাৰ । বিয়াৰ আগতেই বন্ধা । বহুত পুৰণি ।

এছাটি বতাহে দুয়োকো এবাৰ কোবাই গ'লহি ; আৰু লগে লগে নলিনীৰ ঘৰটোৰ বন্ধ দুৱাৰখন পিছুৱাই গ'ল - কেৰেককৈ ; আকৌ আগুৱাই আহিল সেই একে শব্দ কৰি । দুৱাৰখনৰ প্ৰায়বোৰ গাঁঠি ছিগি গৈছে ।

'মা !' নলিনীয়ে গভীৰ নিৰ্জনতাখিনি ভাঙি কলে, 'আজিৰ পৰা মই আপোনাৰ ঘৰটোত শুম । ইয়াত ভয় লাগে, মা ।'

শব্দ-অৰ্থ

নিজম	-	নীৰৱ, নিস্তব্ধ
সেঙেলা	-	অতিপাত চেঁচা (ঠাণ্ডা)
আখল	-	পাকঘৰ
বগুৱা বাই	-	চুচৰি চুচৰি
জিকাৰ খাই উঠা	-	শিয়ৰি উঠা

উলাই কৰ	-	উপেক্ষা কৰ
ধুৱঁলী-কুৱঁলীকৈ	-	অস্পষ্ট ভাৱে
সাইলাখ	-	সদৃশ, অবিকল
বনগীত	-	এবিধ লোকগীত (বিহুগীতৰ দৰে)
পিৰালি	-	বাৰাণ্ডা
সজাঁত	-	বিশ্বাস
খুন্দনা	-	তামোল খুন্দিবলৈ ব্যৱহাৰ কৰা হামুদিস্তা, উৰাল জাতীয় বস্তু
নিৰামুহি	-	নিৰামিষ । অসমত উচ্চ বৰ্ণৰ হিন্দু বিধৱাই আমিষ খোৱা নিষিদ্ধ । তেনে পাকঘৰ নিৰামুহি পাকঘৰ ।
সেমেকা	-	ঠাণ্ডা, জেকা, জলীয়বাস্প মিশ্ৰিত
ৰঙিয়াল	-	হাঁহিমুৱা, ৰাংঢালী, আনন্দিত

অনুশীলনী

১। প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) দময়ন্তীৰ মনৰ অস্থিৰতাৰ কাৰণ কি ?

খ) দুৱাৰখন সঘনে মেল খোৱা আৰু জাপ খোৱাৰ গুৰি ক'ত ?

গ) সিহঁতৰ ঘৰত কোনো পুৰুষ মানুহ নাই কিয় ?

ঘ) নিৰামুহি পাকঘৰৰ বৈশিষ্ট্য কি ?

২। 'কি যে দুশ্চিন্তাৰ মাজেদি পাৰ হৈ গৈছে দিনবোৰ, ৰাতিবোৰ !'- কাৰ দিন দুশ্চিন্তাৰ মাজেদি পাৰ হৈ গৈছে ? এই দুশ্চিন্তাৰ কাৰণ কি ? তাৰ পৰা মুক্তি পাবলৈ তেওঁ কি ব্যৱস্থা গ্ৰহণ কৰিলে? তাৰ পৰিণতি কি হ'ল ?-আলোচনা কৰক ।

৩। 'গাখীৰ খাবলৈ চচপেনৰ ঢাকনী গুচোৱা মেকুৰীৰ দৰে সতৰ্ক হৈ তেওঁ পাকঘৰৰ পৰা ওলাই আহিল ।'- কোন ওলাই আহিল ? আৰু, কিয় ওলাই আহিল ?

৪। গল্পটিৰ প্ৰধান চৰিত্ৰ কোনটো ? চৰিত্ৰটি পৰ্য্যালোচনা কৰক ।

৫। 'বোৱাৰী হ'ল বুলিয়েই দময়ন্তীয়ে নলিনীক বিশ্বাস কৰিব নোৱাৰে - লোকৰ ছোৱালী, ইহঁতৰ সজাঁত নাই । এইখন ঘৰ তাইৰ নিজৰ বুলি উপলব্ধি কৰাৰ আগতেই যিহেতু দিগম্বৰৰ মৃত্যু হ'ল দময়ন্তীৰ মান সন্মানৰ কথা তাই ভাবিব কিয় ?' - উক্ত কথাখিনিৰ অৰ্থ আৰু তাৎপৰ্য্য আপোনাৰ মতামত দি আলোচনা কৰক ।

৬। ব্যাখ্যা কৰক :
'এইখন ঘৰ বদনামৰ জুয়ে পুৰি ছাঁই কৰি দিলেও তাইৰ একো লোকচান নাই ।'

৭। আপোনাৰ মাতৃভাষাত প্ৰতিশব্দ লিখক :
নিজম, সেঙেলা, জাৰ, নিয়ৰ, ঘূৰণীয়া, সেমেকা, ৰঙিয়াল, আখল, অঙঠা,খুন্দনা, ইতিকিং

৮। বাক্য ৰচনা কৰক :
বগুৱা বা, জিকাৰ খা, উলাই কৰ, উৰাই দে, বাগৰ সলা, গোৰ মাৰ, সেঙেলা, ধূসৰ কৰা, ৰঙিয়াল, জিৰ জিৰকৈ, শিল যেন চেঁচা, ভুমুকিয়াই, এচমকা, ভোৰভোৰাই, ঠাৱৰ

৯। 'বৈধব্য ভাৰতীয় নাৰীৰ জীৱনত চৰম দুখদায়ক ঘটনা,'-এই বিষয়ে আপোনাৰ মতামত দি এটি প্ৰবন্ধ প্ৰস্তুত কৰক ।

১০। তলৰ উপযুক্ত শব্দ বাচি লৈ খালি ঠাই পূৰণ কৰক :
নিঃপালি, ইতিকিং, লিকলিকাই, ভোৰভোৰালে, তগবগীয়া, পিয়াপি, ভুমুকিয়াই

ক) জুইৰ মাজৰ পৰা উলিয়াই অনা ________ লোডাল জয়মতীৰ গাত লগাই দিলে ।

খ) গৰখীয়া ল'ৰাবোৰৰ ________ সহ্য কৰিব নোৱাৰি সি কান্দি দিলে ।

গ) বাৰীখনত চিনা জোকে ________ আছে ।

ঘ) মুখৰ ভিতৰতে জয়মতীয়ে ________,'কোনে বা মাতিছে ইবিলাকক গুচিবা নাযায় কিয় ?'

ঙ) চাৰিওফালে সৈন্যবোৰে ________ দিছে, গাওঁৰ মানুহ বোৰেও সন্ধিয়াতে ________ দিছে ।

১১। গল্পটিত থকা অনুকাৰ শব্দ আৰু বিশেষণবোৰৰ দুখন তালিকা কৰক ।

স্বৰ্গাৰোহণ আৰু স্বৰাজ্য

[এই প্ৰবন্ধৰ লেখক, অসমীয়া সাহিত্যৰ অন্যতম সমালোচক আৰু সাহিত্যিক তীৰ্থনাথ শৰ্মাৰ জন্ম ১৯১১ চনত শিৱসাগৰ জিলাৰ জাঁজিত । তেওঁ প্ৰাগজ্যোতিষ কলেজৰ অধ্যক্ষ আছিল । তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল । 'সাহিত্য বিদ্যা পৰিক্ৰমা', 'আউনিআটি সত্ৰৰ বুৰঞ্জী', 'ভক্তিবাদ'আৰু 'পঞ্চপুষ্প' তেওঁৰ আলোচনামুলক পুথি । 'গান্ধী শিক্ষা সাৰ', 'ঝান্সীৰ ৰাণী' তেওঁৰ দেশপ্ৰেমমুলক ৰচনা । *বেণুধৰ শৰ্মাৰ জীৱনীমূলক* গ্ৰন্থখনি সাহিত্য একাডেমীৰ বঁটাপ্ৰাপ্ত । এইবোৰৰ উপৰিও তেওঁৰ 'কামসেন্দুৰ' নামেৰে এখন কবিতা পুথিও আছে। তেওঁ কেইবাখনো পাঠ্য পুথিও সঙ্কলন কৰিছে । ১৯৮৬ চনত তেওঁ পৰলোক গমন কৰে । উদ্ধৃত প্ৰবন্ধটিৰ মূল 'পঞ্চপুষ্প' । প্ৰবন্ধটিত পাণ্ডৱসকলৰ স্বৰ্গাৰোহণৰ তাৎপৰ্য্য, স্বৰাজ কি, কোনবোৰ বিশেষ গুণৰ অধিকাৰী হলে যে পৃথিৱীতো স্বৰ্গ নিৰ্ম্মাণ কৰিব পাৰি তাৰ বিশদ আলোচনা আছে ।]

মহাভাৰত ধৰ্মৰাজ্য আৰু *ৰামায়ণ* ৰামৰাজ্য সংস্থাপনৰ কাহিনী । দুয়োখনেই ভাৰতবৰ্ষৰ জাতীয় কাব্য কাহিনী আৰু পঞ্চম বেদ । মহাভাৰতৰ পৰিসমাপ্তি ঘটিছে মহাপ্ৰস্থান আৰু স্বৰ্গাৰোহণত, লগৰ কুকুৰটোৰে সৈতে ধৰ্মৰ (অৰ্থাৎ যুধিষ্ঠিৰৰ) সোঁ শৰীৰে স্বৰ্গ প্ৰাপ্তিত । ৰামায়ণৰ অন্ত হৈছে ভালুকে বান্দৰে সৈতে সোঁ শৰীৰে ৰামৰ স্বৰ্গ গমনত । সোঁ শৰীৰে যোৱা কথাটো এটা ৰূপক মাত্ৰ। তাৰ তাৎপৰ্য্য হৈছে ইহসংসাৰত থাকি এই পৃথিৱীতে স্বৰ্গৰাজ্য প্ৰতিষ্ঠা কৰা । স্বৰ্গ আন একো নহয়; দৈহিক সুখ, মানসিক আনন্দ আৰু শান্তিপুৰ্ণ সমৃদ্ধিৰ ৰাজ্য । ই পোনতে ব্যক্তিগত উপলব্ধি হ'লেও সামূহিকভাৱে সিয়েই ৰাষ্ট্ৰীয় উপলব্ধিত পৰিণত হয় । উপনিষদে ইয়াকে স্বৰাজ্য বা অমৃতৰ স্বৰূপ অৰ্থাৎ স্বৰ্গ বুলিছে । সেই স্বৰাজ্য বা অমৃতৰ স্বৰূপ হৈছে,''প্ৰাণাৰামংস্মন আনন্দম্ শান্তি সমৃদ্ধম্ অমৃতম্'', প্ৰাণ অৰ্থাৎ ইন্দ্ৰিয়বোৰৰ আৰাম (যাক দৈহিক সুখ বুলি কওঁ), মনৰ আনন্দ আৰু শান্তিপূৰ্ণ

সমৃদ্ধি । এই কেইটা লগ লাগিলে 'অমৃতম্'অৰ্থাৎ মৰণ ৰহিত অৱস্থা বা স্বৰ্গপ্ৰাপ্তি ঘটে । মহাভাৰত ওঠৰ পৰ্বৰ আৰু ৰামায়ণ সাত কাণ্ডৰ । বিভিন্ন সুৰুকীয়া বাটেদি ব্যক্তি আৰু ৰাষ্ট্ৰীয় স্বৰাজ্যপ্ৰতিষ্ঠাৰ একেটা প্ৰশস্ত ৰাজমাৰ্গতে উপস্থিত কৰাইছে । ব্যক্তি কেনেকৈ পুৰুষোত্তম হয় আৰু ৰাষ্ট্ৰ কেনেকৈ স্বৰ্গত পৰিণত হয় তাৰ সুনিৰ্দিষ্ট পন্থাৰ সন্ধান দিহে দুয়োখন মহাশাস্ত্ৰ ক্ষান্ত হৈছে । প্ৰকৃতপক্ষে ব্যক্তি পুৰুষোত্তম হোৱা আৰু ৰাষ্ট্ৰ স্বৰ্গ হোৱা এই দুটা কথা একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি । ৰামায়ণ আৰু মহাভাৰতৰ ইয়েই চৰম শিক্ষা । ভাৰতবৰ্ষৰ ক্ষণজন্মা মহাপুৰুষসকলেও এই শিক্ষাকেই দি গৈছে । মহাত্মা গান্ধীয়ে কৈছে, - 'এটা জাতিৰ স্বৰাজ মানে সেই জাতিৰ প্ৰত্যেক ব্যক্তিৰ আত্মস্বৰাজ্যৰ সমষ্টি মাথোন ।' গান্ধীজীয়ে আৰু এঠাইত কৈছে ,- 'আত্মস্বৰাজ্য বা আত্মনিয়মনতকৈ ৰাজনৈতিক স্বৰাজ ডাঙৰ বস্তু নহয় । সেই কাৰণে আত্মনিয়মনৰ কাৰণে যিবোৰ সাধন আছে ৰাজনৈতিক স্বৰাজো সেইবোৰ গুণৰ বলতহে পাব পাৰি ।' মহাভাৰতৰ মহাপ্ৰস্থানিক আৰু স্বৰ্গাৰোহণ পৰ্বত স্বৰ্গ প্ৰতিষ্ঠাৰ যি কেইটা গুণৰ প্ৰয়োজনীয়তা সম্বন্ধে উপদেশ পাওঁ তাৰ আলোচনা কৰিলে এই কথা বুজাত সুবিধা হ'ব ।

পৰীক্ষিতক অভিষেক কৰিলেও যুযুৎসুক উঠিৰজা পাতি পঞ্চপাণ্ডৱে ৰাজ্যভাৰ গতাই দি বল্কল গ্ৰহণ কৰিলে । নিজ নিজ গৃহ্যাগ্নি জলত সমৰ্পণ কৰি পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদী হস্তিনাপুৰৰ পৰা ওলাই গ'ল আৰু লগত ওলাল এটা কুকুৰ । হস্তিনাপুৰৰ পৰা বাজ হৈ কুকুৰটোৰে সৈতে আটাইকেইজনে সমগ্ৰ আৰ্য্যাৱৰ্ত্ত এবাৰ প্ৰদক্ষিণ কৰিলে । ভাৰত ভ্ৰমণৰ এই সুযোগতে পঞ্চপাণ্ডৱ আকৌ এবাৰ পূবৰ লৌহিত্য সাগৰ পাইছিল । লৌহিত্যত গাণ্ডীৱ সমৰ্পণ কৰিহে পাণ্ডৱে দক্ষিণৰ ফালে গৈ পশ্চিমে দ্বাৰকাইদি ঘূৰি আকৌ উত্তৰমুৱা হৈ হিমালয় অতিক্ৰম কৰি মেৰু পৰ্বত বগাবলৈ আৰম্ভ কৰিলে । এই মেৰু পৰ্বত আৰোহণ কালতে স্বৰ্গ যাত্ৰাৰ বিপৰ্য্যয় ঘটিল । হঠাতে দ্ৰৌপদী মাটিত ঢলি পৰিল। দ্ৰৌপদীয়ে কোনো দিনে অধৰ্ম আচৰণ কৰা নাছিল , তত্ৰাচ তেওঁ সোঁ শৰীৰে স্বৰ্গলৈ যাবলৈ অপাৰগ হ'ল । ভীমসেনে ইয়াৰ কাৰণ সোধাত যুধিষ্ঠিৰে যি উত্তৰ দিলে তাৰ ভাবাৰ্থ এই - 'ধনঞ্জয়ৰ প্ৰতি এওঁৰ বিশেষ পক্ষপাত আছিল । তুল্যজনৰ ভিতৰত এজনক বেছি ভাল পোৱা আৰু আনজনক কম ভালপোৱা উচিত নহয় । ইয়াকে বৈষম্য বোলে । বৈষম্যদোষ স্বৰ্গৰ অন্তৰায়।'

যোৱা গ'ল, তাৰ প্ৰতি আসক্ত হ'লে নিজৰ উৰ্দ্ধগতিত বিঘিনি জন্মে । বাকী কিজনে সেইদেখি পিছলৈ উলটি নেচাই আগুৱাবলৈ ধৰিলে । অলপ দূৰ গৈ সহদেৱো বাগৰি পৰিল । ভীমে আকৌ সুধিলে, - 'আমাৰ ভিতৰত আটাইতকৈ বিদ্বান অথচ আমাৰ অনুগত আৰু শুশ্ৰূষাপৰায়ণ সহদেৱে আৰু উধাব নোৱাৰিলে কিয় ?' যুধিষ্ঠিৰে উত্তৰ দিলে, - 'সহদেৱৰ সদ্গুণ আছিল ; কিন্তু

এটা মহা দোষ আছিল;তাৰ কাৰণেই তেওঁৰ পতন হ'ল । সেই দোষটো হৈছে প্ৰাজ্ঞত্বাভিমান, তেওঁ নিজকে ডাঙৰ পণ্ডিত বুলি ভাবিছিল । আৰু তেওঁৰ সমান কোনো নাই এনে অভিমান আছিল । জ্ঞানৰ অভিমান থাকিলেও স্বৰ্গ পাব নোৱাৰি ।' সহদেৱ পৰি থাকিল । বাকীকেইজন আগবাঢ়িল। কিছুদূৰ গৈ নকুলো ঢলি পৰিল । ভীমে সোধাত যুধিষ্ঠিৰে তাৰ কাৰণ এই বুলি কলে, - 'নকুল অতি ধুনীয়া আছিল । সকলো গুণ থাকিলেও নিজকে আনতকৈ বেছি ৰূপৱান বুলি গৰ্বভাব থকাত নকুলৰ পতন হ'ল । *মইহে অধিক ভাল* এনে গৰ্ব থকাত নকুল স্বৰ্গ যাত্ৰাৰ বাটত পিছলি পৰিল । তেওঁ নিজ দোষৰ ফল ভোগ কৰিছে । বৃকোদৰ তুমি আহি থাকা ।' এইদৰে গৈ থাকোঁতে পুৰুষসিংহ অৰ্জুনো পিছল খাই পৰিল । 'কদাচিতো মিছাৰ ওচৰ নচপা ধৰ্মপ্ৰাণ অৰ্জুন কিয় পৰিল ?' এইবুলি ভীমে আকৌ প্ৰশ্ন কৰিলে । যুধিষ্ঠিৰে আগৰ কিবাৰৰ দৰেই নিৰ্বিকাৰভাৱে উত্তৰ দিলে, - 'অৰ্জুন ধৰ্মপ্ৰাণ আছিল সঁচা, কিন্তু তেওঁ কথাই কথাই প্ৰতিজ্ঞা কৰিছিল ; কিন্তু সেই প্ৰতিজ্ঞা মতে কাম কৰিব নোৱাৰিছিল ; অথচ তেওঁৰ সমান বীৰ নাই বুলি মনে মনে গৰ্বও কৰিছিল । এই *যথা-বচন-কাৰিত্ব* গুণ নথকাত শৌৰ্য্য গৰ্বৰ দ্বাৰা কলুষিত হোৱাত অৰ্জুন আগুৱাব নোৱাৰিলে । স্বৰ্গৰূপ ঐশ্বৰ্য্য পাব খুজিলে যথা-বচনকাৰী আৰু শৌৰ্য্য-গৰ্বহীন হব লাগিব ।' এইবুলি কৈ অকণো নোৰোৱাকৈ বা পিছলৈ নোচোৱাকৈ যুধিষ্ঠিৰ গৈয়েই থাকিল । এনেতে মহাবীৰ ভীমসেন হতবল হৈ বাগৰি পৰিল । ভীমে সেই অৱস্থাতে তেওঁৰ পতনৰ কাৰণ সুধিলে । শেষ ভ্ৰাতাৰ পতন দেখিও অবিচলিত থাকি যুধিষ্ঠিৰে উত্তৰ দিলে ,-'তুমি আনলৈ নোচোৱাকৈ নিজক লগাতকৈ বেছি ভোজন কৰিছিলা আৰু বৰ বৰ কথাও কৈছিলা ; এই দোষতে স্বৰ্গপথৰ পৰা তোমাৰ স্খলন হ'ল ।' পিছলৈ উভতি নাচাই যুধিষ্ঠিৰে আগলৈ খোজ দিলে । শেষ সহচৰ বুলিবলৈ থাকিল সেই অজ্ঞাত কুকুৰটো । এনেতে চতুৰ্দিশ আলোকিত কৰি ইন্দ্ৰৰ ৰথ নামি আহিল যুধিষ্ঠিৰক আগবঢ়াই নিবলৈ । যুধিষ্ঠিৰ কিন্তু ভায়েকহঁতক এৰি ৰথত উঠিবলৈ মান্তি নহ'ল । ইন্দ্ৰই আশ্বাস দিলে যে তেওঁৰ ভায়েকহঁতে ইতিপূৰ্বেই মনুষ্যদেহ ত্যাগ কৰি স্বৰ্গত বাস কৰিছে । তথাপি যুধিষ্ঠিৰ স্বৰ্গলৈ যাবলৈ মান্তি নহ'ল ; কুকুৰটোকো যদি লগতে ৰথত স্বৰ্গলৈ যাবলৈ দিয়া নহয় তেওঁ নাযায় । ইন্দ্ৰই বহুত বুজালে, বহুত শাস্ত্ৰৰ বচন মাতিলে যে ঘৃণিত নীচ কুকুৰৰ স্বৰ্গত স্থান নাই । যুধিষ্ঠিৰে উত্তৰ দিলে, 'তেনেহলে তেনেখন স্বৰ্গত মোৰো কোনো সকাম নাই ।' এই কথাষাৰ শুনি কপট কুকুৰবেশী ধৰ্মৰাজে নিজৰূপ ধৰি যুধিষ্ঠিৰক 'ধন্য ধন্য' কৰিবলৈ ধৰিলে, -'ৰাজেন্দ্ৰ ! কুলত আৰু মেধাত তুমি অভিজাত আছিলা আৰু আজি অধিক আভিজাত্য লাভ কৰিলা নিজৰ কামৰ দ্বাৰা । সকলো প্ৰাণীতে এনে দয়া ভাবেহে তোমাক আভিজাত্য আজি দান কৰিছে । মই তোমাক ইয়াৰ আগতে এবাৰ পৰীক্ষা কৰিছিলোঁ, সেইবাৰো তুমি মোক সন্তুষ্ট কৰিব পাৰিছিলা । আজি দ্বিতীয়বাৰৰ পৰীক্ষাতো মই অত্যন্ত তৃপ্ত হৈছোঁ । আগৰবাৰ দ্বৈত বনত পানী আনিবলৈ গৈ যেতিয়া তোমাৰ কেউজন ভায়েৰা মৰিল, তেতিয়া মই

এজন মাত্ৰ ভায়েৰাৰ জীৱন দান দিব পাৰোঁ বুলি কোৱাত তুমি নিজ সহোদৰ ভীম বা অৰ্জুনৰ জীৱন ভিক্ষা নকৰি বিমাতানন্দন নকুলকহে ওভোতাই বিচাৰিলা । তোমাৰ সাম্য গুণে তোমাক স্বৰ্গৰ অধিকাৰী কৰিছিল । আজিও এই অৱহেলিত আৰু ঘৃণিত কুকুৰৰ প্ৰতিও তোমাৰ সেই সমদৃষ্টি দেখিছোঁ । স্বৰ্গৰ অধিকাৰী তোমাৰ তুল্য আৰু কোনো নাই । তুমি স্বশৰীৰে স্বৰ্গ পাইছা।' এইবুলি কৈ ধৰ্মৰাজ যম আৰু দেৱৰাজ ইন্দ্ৰই দেৱতাসকলৰ দ্বাৰা পৰিবেষ্টিত যুধিষ্ঠিৰক নিজ স্বৰ্গৰ ভিতৰত প্ৰৱেশ কৰালে।

যুধিষ্ঠিৰ আছিল এজন স্বৰাট পুৰুষ আৰু তেওঁ নিজ অন্তৰত যি শান্তিময় স্বৰাজ্য লাভ কৰিছিল সিয়ে স্বৰ্গাৰোহণ । ব্যক্তিৰ স্বৰ্গৰ সমষ্টিয়েই যদি স্বৰাজ্য বা স্বৰ্গ হয় তেনেহলে যুধিষ্ঠিৰে যি গুণৰ উৎকৰ্ষ সাধন কৰি স্বৰ্গ বা স্বৰাজ্য লাভ কৰিছিল, সমাজত স্বৰ্গ প্ৰতিষ্ঠা কৰিবলৈকো প্ৰত্যেক ব্যক্তিয়ে সেইবোৰ গুণৰে উৎকৰ্ষ সাধন কৰিব লাগিব । সেই গুণবোৰনো কি ? কাহিনীটো ফঁহিয়াই চাই দকৈ ভাবিলেই ওলাই পৰিব ।

প্ৰথমতে আমি দেখিলোঁ স্বৰ্গপথৰ যাত্ৰীসকলে লৌহিত্যৰ সাগৰৰ জলত গাণ্ডীৱ অস্ত্ৰ বিসৰ্জন দিলে, কাৰণ যি দেৱতাই পোনতে সেই গাণ্ডীৱ দান কৰিছিল সেই অগ্নিদেৱতাই আৱিৰ্ভাৱ হৈ শুনালে, 'অস্ত্ৰ-শস্ত্ৰৰ আৰু প্ৰয়োজন নাই , তাক সাগৰৰ জলত চিৰকাললৈ বিসৰ্জন দিয়া ।' স্বৰ্গযাত্ৰাৰ প্ৰাৰম্ভতে অস্ত্ৰত্যাগৰ অৰ্থ হৈছে হিংসা বিসৰ্জন দিয়া । স্বৰ্গ প্ৰতিষ্ঠাৰ বুনিয়াদ যে অহিংসা তাকে গাণ্ডীৱ বিসৰ্জনৰ দ্বাৰা বুজোৱা হৈছে । ব্যক্তিয়ে যেনেকৈ নিজৰ সকলো কাম অহিংসাৰ ওপৰত প্ৰতিষ্ঠা কৰি আৰম্ভ নকৰিলে আত্মতত্ত্ব লাভ কৰি পুৰুষোত্তম হব নোৱাৰে, সেইদৰেই গুৰিতে অহিংসাত প্ৰতিষ্ঠিত নহলে সমাজ এখনেও সুখ, আনন্দ আৰু শান্তি-সমৃদ্ধি বহন কৰিব নোৱাৰে । অৰ্থাৎ ৰূপকৰ ভাষাত *স্বৰ্গ পাতিব নোৱাৰে* । সমাজ আৰু সভ্যতাৰ বলিষ্ঠ ভিত্তি পট্টন সম্পৰ্কে এয়েই মহাভাৰতৰ মূল বাণী।

তাৰ পাছত দ্ৰৌপদী আৰু চাৰি পাণ্ডৱৰ পতনৰ ছলেৰে স্বৰ্গৰ অন্তৰায়বোৰ এটা এটাকৈ উল্লেখ কৰি গৈছে । দ্ৰৌপদীৰ দোষ আছিল অৰ্জুনৰ প্ৰতি পক্ষপাতিতা । মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই ইয়াৰ তাৎপৰ্য্য দিছে যে, তুল্যজনৰ মাজত বিষম দৃষ্টি স্বৰ্গ হানিকৰ । ব্যক্তিৰ জীৱনত আৰু সেই কাৰণে সামাজিক জীৱনতো যিবোৰ অন্যায় উৎপীড়নৰ ফলত অশান্তিৰ সৃষ্টি হৈছে তাৰ মূলতো বিষম দৃষ্টি । এজনক বোকাত পেলাই আন এজনক কোলাত লোৱা দোষেই জানো আমাৰ

বধৰ ভাগী হোৱা নাই ? ঈশ্বৰৰ সৃষ্টি বুলি মুখেৰে কৈ কাৰ্য্যত তাৰ বিপৰীত আচৰণ নকৰা হ'লে পৃথিবীৰ বহুত অশান্তি অঙ্কুৰতে বিনষ্ট হ'লহেঁতেন । গীতাৰ মতে যি জন পণ্ডিত অৰ্থাৎ প্ৰকৃত জ্ঞানী তেওঁৰ মনত ব্ৰাহ্মণ, চণ্ডাল, কুকুৰ, হাতী সকলো সমান । গীতাৰ এই মহা বাণীয়ে এখন স্বৰ্গৰ সন্ধান দিছে, সেই স্বৰ্গৰ জখলা হৈছে সৰ্বত্ৰ সমদৰ্শিতা ।

তাৰ পাছত সহদেৱৰ কথা । সহদেৱৰ পতন হোৱাৰ কাৰণ বিদ্যাগৰ্ব । বিদ্যাই যদি গৰ্বৰ সৃষ্টি কৰে সেই বিদ্যা আত্মঘাতিনী হ'ল বুলিব লাগিব । যি দোষ নাশ কৰিবৰ কাৰণে বিদ্যাৰ প্ৰয়োজন, বিদ্যাৰ গুণত সেই দোষৰ উপশম হওক চাৰি যদি উকহে দিয়ে তেনেহলে বিদ্যা হোৱা যি নোহোৱাও সি । আজি ভাৰতৰ সমাজত যি দেখিছোঁ সি বাৰম্বাৰ আমাক সহদেৱৰ কথা সোঁৱৰাই দিয়া উচিত। আজি শিক্ষিতসকল এটা সুকীয়া শ্ৰেণীত পৰিণত হৈছে । অকল এটা সুকীয়া শ্ৰেণী হোৱা হ'লেও কথা নাছিল - যদি সুকীয়া বুলি এটা অভিমান নাথাকিলহেঁতেন । শিক্ষিত হ'লে বজাৰৰ পৰা টোপোলা এটাও কঢ়িয়াই আনিব নাপায়, আনিলে মান যাব - এই ধৰণৰ এটা ভাবে বৰ্ত্তমান শিক্ষাত এটা ক্লীবত্ব আনি দিছে । ফলত আজিৰ শিক্ষাভিমানী বহুতৰ শক্তিহীন শৰীৰৰ মাজত দীন মন এটাই লীলা কৰি আছে । আজিকালিৰ শিক্ষাই শিক্ষিতজনক কেনেকৈ সাধাৰণ প্ৰজাৰ পৰা আতঁৰাই আনিছে তাৰ আভাস গান্ধীজীয়ে নিজৰ দৃষ্টান্তৰে এইদৰে কৈছে,- 'মই ইংৰাজী শিক্ষাৰ ফলত অতি সোনকালে ঘৰতে পৰ হৈ পৰিলোঁ । ঠিক কথা কবলৈ গ'লে মই এজন উচ্চাভিমানী হৈ উঠিলোঁ । আনকি মোৰ পিন্ধন-উৰণতো কব নোৱাৰাকৈয়ে এটা পৰিবৰ্ত্তন আহিল। মোৰ যি হৈছিল সেইটো আনত পাবলৈ নোহোৱা অভিজ্ঞতা নাছিল । সৰহভাগ ছাত্ৰৰে এই দশা ঘটিছিল ।'

কষ্ট কৰি লাভ কৰা জ্ঞানক বিশেষ সুবিধা আদায় আৰু ভোগৰ উপায় বুলি নাভাবি উমৈহতীয়া সম্পত্তি বুলি যেতিয়া মানুহে ভাবিব পাৰিব তেতিয়া বিদ্যাগৰ্ব থাকিব নোৱাৰিব । স্বৰ্গ পতাৰ ডাঙৰ অন্তৰায় বিদ্যাগৰ্ব আতঁৰি গ'লে সমতাৰ ডাঙৰ অথচ বন্ধ দুৱাৰ মুকলি হ'ব ।

নকুলৰ বেলিকা আহিল ৰূপগৰ্বৰ কথা । ৰূপ লৈ গৰ্ব কৰা মানে দেহৰ প্ৰতি অত্যধিক আসক্তি থকা বুজায় । মানুহ দেহৰ প্ৰতি যিমানেই আসক্ত হব আত্মাৰ পৰা সিমানেই আতৰি যাব। দেহাসক্ত পুৰুষৰ আত্মিক সাধনা সম্ভৱ নহয় । দিব্য জীৱন লাভ কৰিবলৈ হ'লে দেহৰ সৌন্দৰ্য্যৰ প্ৰতি সুকীয়া দৃষ্টি দিবৰ প্ৰয়োজন নাই । আত্মিক উৰ্ধগতিৰ লগে লগে সেই আত্মাৰ সাময়িক বাসস্থল দেহলৈকো এটা দিব্য জ্যোতি আহে । সেইটো কিন্তু নিচেই অবান্তৰ ফল । সেই সৌন্দৰ্য্য নোলালেও সাধকৰ একো ক্ষতি নাই ।

ৰাষ্ট্ৰীয় বা সামাজিক জীৱনত এই তত্ত্বৰ তাৎপৰ্য্য আৰু ব্যাপক । সমাজত বা ৰাষ্ট্ৰত যদি এটা বিশেষ বৰ্গই তেওঁলোকৰ শৰীৰৰ বৰণ আৰু অবয়বৰ নামত নিজকে ওখ শ্ৰেণীৰ জীৱ বুলি ভাবে আৰু তেওঁলোকৰ লগত নিমিলা বৰণ আৰু অবয়ব থকা বৰ্গক হেয় আৰু সেইকাৰণে তেওঁলোকক চাকৰ খাটিবৰহে যোগ্য বুলি ভাবে, তেনেহলে সমাজ বা ৰাষ্ট্ৰত সাৰ্বজনীন শান্তি বা স্বৰাজ থাকিব নোৱাৰে। অথচ আজিলৈকে যিমানবোৰ অন্যায় উৎপীড়ন হৈছে তাৰ সৰহখিনিৰ মূলতে এই ৰূপগৰ্ব। ক'লা আৰু বগা দুটা বৰণ মাত্ৰ । জন্তু-জগতত বগা-ক'লাই জানো কোনো এটা জন্তুক ধুনীয়া কৰে? এজনী নিপোটল ক'লী গাই আৰু এজনী নিপোটল বগী গাইৰ মাজত কোনজনী ধুনীয়া বুলি কম ? বগী হোৱাৰ বাবেই বগী গাইজনী কেতিয়াও ধুনীয়া আৰু উৎকৃষ্ট নহয় । মানুহ জাতিতো স্বৰূপতে এই কথাই খাটে।

অৰ্জুনৰ পক্ষে বাধা হল তেওঁৰ বলগৰ্ব । গাণ্ডীৱ আৰু পাশুপাত অস্ত্ৰৰ বলত বলশালী অৰ্জুনে আপোন অগ্ৰজ ধৰ্মৰাজ যুধিষ্ঠিৰৰ প্ৰতিও গৰ্ববচন বুলিছিল । অস্ত্ৰ-শস্ত্ৰৰ বলে মানুহক অন্ধ কৰে । ই হ'ল পশুবল । এই পশুবলৰ প্ৰাধান্য পৃথিৱীত যিমান দিন থাকে সিমান দিনলৈকে দুৰ্ব্বলৰ মনত শান্তি নাথাকিব, সবলেও স্বস্তি অনুভব কৰিব নোৱাৰিব । এই কথা আজিৰ পৃথিৱীৰ মানুহক সোঁৱৰাই দিব নালাগে ।

ভীমৰ দোষ আছিল পৰৰ মুখলৈ নোচোৱাকৈ নিজে সোপাসোপে ভোজন কৰা । ব্যক্তিগত জীৱনত অতিভোজনে মানুহক লুভীয়া কৰে । জিভাৰ আস্বাদ স্পৃহা যিয়ে কমাব নোৱাৰে তাৰ পক্ষে আনবোৰ ইন্দ্ৰিয় দমন কৰাও সম্ভৱ নহয় । গতিকে তেনেজনে কেতিয়াও অধ্যাত্ম সাধনাত উচ্চতৰ অৱস্থালৈ উধাব নোৱাৰে ।

সামাজিক জীৱনতো অতিভোজন গুৰুতৰ পাপ । ই এপিনে যেনেকৈ বহুতক বঞ্চিত কৰি বৈষ্যমৰ সৃষ্টি কৰে, আনহাতে আকৌ অতি ভোজনশীলসকলৰ নিজৰো নৈতিক অধঃপতন ঘটায় । সুস্থ জীৱনযাত্ৰা নিৰ্বাহ কৰিবলৈ আমাক যিমানখিনি লাগে তাতকৈ অতিৰিক্ত ভোগ কৰিঁবলৈ যোৱা বাবেই কিছুমান লঘোনে থাকিবলগা হয় । ইয়ো একপ্ৰকাৰৰ চৌৰ্য্য । ভাগৱতৰ এঠাইত কৈছে, - 'নিজৰ পেট প্ৰৱৰ্তনৰ কাৰণে যিখিনিৰ আৱশ্যক সেইখিনিৰ ওপৰতহে মানুহৰ স্বত্ব আছে । তাতকৈ বেছি যি লব খোজে সি চোৰ আৰু সেইবাবে দণ্ড পোৱা উচিত ।' এই সুন্দৰ নীতি যদি আমি উলঙ্ঘা

নকৰি সংসাৰ যাত্ৰা চলাওঁ পৃথিৱীত আপোনা আপুনি স্বৰ্গৰ প্ৰতিষ্ঠা হব । ভীমৰ দৃষ্টান্তৰ আলম লৈ মহাভাৰতকাৰে এই শাশ্বত নীতিৰে উনুক দিছে । গান্ধীজীয়েও তেওঁৰ অস্তেয় আৰু অপৰিগ্ৰহ ব্ৰতেৰে এই নীতিকে প্ৰয়োগ কৰি দেখুৱাইছে ।

ওপৰত কোৱা সকলোবোৰ পালন কৰা হ'লেও স্বৰ্গৰাজ্য বা ৰামৰাজ্য প্ৰতিষ্ঠা সম্ভৱ হব পাৰে । এই ৰামৰাজ্যৰ দুৱাৰ সকলোৰে বাবে মুকলি থাকিব । জন্ম বা বিত্ত অনুসাৰে ইয়াৰ দুৱাৰ মুকলি থাকিব - এনে হব নোৱাৰে । যি স্বৰ্গত লগত যোৱা অবোধ কুকুৰটোলৈ স্থান নাই, সেই স্বৰ্গলৈ যুধিষ্ঠিৰে দূৰৰ পৰাই নমস্কাৰ জনাইছে । ৰামে ভালুক, বান্দৰ সোপাকে লগত লৈহে প্ৰৱেশ কৰিছে । সত্যৰ ওপৰত যাৰ জীৱন প্ৰতিষ্ঠা তেওঁ কেতিয়াও অকলে স্বৰ্গভোগ কৰিব নোৱাৰে ।

প্ৰকৃতপক্ষত সমাজত যুধিষ্ঠিৰ বা গান্ধীৰ নিচিনা অলপ কেইজনমান পুৰুষো যদি থাকে তেনেহলেও সেই সমাজত সুখ, আনন্দ আৰু শান্তি সমৃদ্ধিৰ ৰাজ্য স্থিৰ প্ৰতিষ্ঠিত থাকিব পাৰে । কিন্তু মানৱ সভ্যতাৰ অতি গ্লানিকৰ কথা যে, তেনে গান্ধী বা যুধিষ্ঠিৰৰ কেতিয়াবা কাচিৎহে আৱিৰ্ভাৱ হয় । আজি স্বৰ্গৰ ফালে পৃথিৱী কিমান আগুৱাইছে ভাবি চাব লাগে । এতিয়াও গাণ্ডীৱকে ত্যাগ কৰা হোৱা নাই । মহাপ্ৰস্থানৰ আৰু বহুত অকোৱা পকোৱা বাট আগুৱাবলৈ বাকী আছে ।

শব্দ-অৰ্থ

স্বৰাট	-	স্বয়ংদীপ্ত, ব্ৰহ্ম
স্বৰাজ্য	-	স্বৰাজ প্ৰাপ্তি, স্বাধীনতা
গৃহ্যাগ্নি	-	গৃহত থকা পূজ্য অগ্নি
উধা	-	ওপৰলৈ যোৱা, উন্নতি কৰা
উনুকিয়া	-	আভাস দিয়া
অস্তেয়	-	চুৰি নকৰা
অপৰিগ্ৰহ	-	অন্যৰ বস্তু গ্ৰহণ নকৰা, (গান্ধীজীৰ দহ নীতিৰ ভিতৰৰ দুই নীতি)
অকোৱা পকোৱা	-	একা বেকাঁ

অনুশীলনী

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) ধৰ্মৰাজে যুধিষ্ঠিৰক কেনেকৈ পৰীক্ষা কৰিছিল ?

খ) যুধিষ্ঠিৰ স্বৰ্গগমনত সমৰ্থ হ'ল কিয় ?

গ) গাণ্ডীৱ বিসৰ্জনৰ তাৎপৰ্য্য কি ?

ঘ) আধুনিক শিক্ষাৰ প্ৰভাৱ সম্বন্ধে আপোনাৰ মত কি ?

ঙ) এই পৃথিৱীতে কেনেকৈ স্বৰ্গৰাজ্য প্ৰতিষ্ঠা হ'ব ?

২। স্বৰ্গাৰোহণ আৰু স্বৰাজ্যৰ তাৎপৰ্য্য কি ? - আলোচনা কৰি বুজাই লিখক ।

৩। পঞ্চপাণ্ডৱৰ স্বৰ্গাৰোহণৰ ঘটনাটি নিজৰ ভাষাত লিখি উলিয়াওক ।

৪। এই পৃথিৱীতে স্বৰ্গৰাজ্য প্ৰতিষ্ঠা সম্ভৱ বুলি দিয়া প্ৰবন্ধকাৰৰ মত আপুনি সমৰ্থন কৰেনে ? নিজৰ মতামত সহ আলোচনা কৰক ।

৫। বৰ্ণ বিদ্বেষে কি দৰে শান্তি আৰু স্বৰাজ নষ্ট কৰে, আজিও চলি থকা বৰ্ণ বিদ্বেষ সমস্যাৰ পৰিপ্ৰেক্ষিতত আলোচনা কৰক ।

৬। শুদ্ধ উত্তৰটো বাছি উলিয়াওক :

ক) পঞ্চপাণ্ডৱে গাণ্ডীৱ ক'ৰ পৰা পাইছিল ?

- কৃষ্ণৰ পৰা
- লৌহিত্যৰ পৰা
- অগ্নিৰ পৰা

খ) যুধিষ্ঠিৰৰ পিচত প্ৰকৃততে কোনে ৰাজকাৰ্য্য চম্ভালিলে ?

- যুযুৎসুৱে
- পৰীক্ষিতে
- ধনঞ্জয়ে

গ) বিদ্যাগৰ্ব কাৰ স্বৰ্গগমনৰ অন্তৰায় হ'ল ?

- নকুলৰ
- সহদেৱৰ
- অৰ্জুনৰ

ঘ) প্ৰবন্ধকাৰৰ মতে স্বৰ্গ কি ?
- দেৱতাসকলৰ বাসস্থান
- মৃত্যুৰ পিছত আত্মাৰ বাসস্থান
- ইহলোকৰ শান্তিপূৰ্ণ সমৃদ্ধিৰ ৰাজ্য

৭। প্ৰবন্ধটিত থকা বিশেষ্য আৰু বিশেষণ পদবোৰৰ এখন তালিকা কৰক ।

৮। তলত দিয়া শব্দবোৰৰ আধাৰত অসমীয়া ৰূপ লিখক আৰু বাক্যত ব্যৱহাৰ কৰক :
সংস্থাপন, প্ৰশস্ত, বল্কল, মাৰ্গ, তত্ৰাচ, অন্তৰায়, প্ৰজ্ঞা, বিমাতা, শ্বেত, লোহিত

৯। অশুদ্ধ শব্দবোৰ শুদ্ধকৈ লিখক :

পৰিবেষ্টিত পৰিসমাপ্তি, স্বৰ্গপ্ৰাপ্তি, পুৰুষোত্তম, প্ৰয়োজনিয়তা, বিপৰ্য্যয়, সমৰ্পন, প্ৰতিজ্ঞা, উৎকৰ্ষ, উৎপীৰণ

১০। 'অৰ্জুন ধৰ্মপ্ৰাণ আছিল সঁচা, কিন্তু তেওঁ প্ৰতিজ্ঞামতে কাম কৰিব নোৱাৰিছিল, অথচ তেওঁৰ সমান বীৰ নাই বুলি মনে মনে গৰ্বও কৰিছিল, এই যথা-বচনকাৰিত্ব গুণ নথকাত শৌৰ্য্য গৰ্বৰ দ্বাৰা কলুষিত হোৱাত অৰ্জুন আগুৱাব নোৱাৰিলে, স্বৰ্গৰূপ ঐশ্বৰ্য্য পাব খুজিলে যথা-বচনকাৰী আৰু শৌৰ্য্য গৰ্বহীন হ'ব লাগিব ।' -ওপৰোক্ত পৰিচ্ছেদটিৰ কথাখিনি সহজ ভাষাত বুজাই লিখক।

পোহৰতকৈ এন্ধাৰ ভাল

[এই কবিতাৰ ৰচয়িতা হেম বৰুৱাৰ জন্ম ১৯১৫ চনত তেজপুৰত । তেওঁৰ পিতৃৰ নাম বিনন্দী চন্দ্ৰ বৰুৱা । হেম বৰুৱা ইংৰাজীৰ এম.এ. । তেওঁ শিক্ষকতা আৰু ৰাজনীতিত সমানে ভাগ লৈছিল । তাৰ লগে লগে সাহিত্য চৰ্চাও কৰিছিল । ১৯৫৭ৰ পৰা ১৯৭৯ লৈকে তেওঁ লোকসভাৰ সদস্য আছিল । লোকসভাৰ এজন শক্তিশালী সদস্য বুলি তেওঁ অসমৰ বাহিৰতো জনাজাত আছিল।

হেম বৰুৱাই কেইবাখনো পুথি ৰচনা কৰিছে । তাৰ ভিতৰত কবিতা পুথি দুখন - 'বালিছন্দা' আৰু 'মন ময়ূৰী' । প্ৰবন্ধ সাহিত্য, সমালোচনা সাহিত্য, অনুবাদ সাহিত্য, আৰু ভ্ৰমণ সাহিত্যত তেওঁৰ উল্লেখযোগ্য অৱদান আছে । ইংৰাজী ভাষাত ৰচনা কৰা অসমীয়া সাহিত্যিকসকলৰ ভিতৰত বৰুৱা অন্যতম । 'জনতা' আৰু 'পচোৱা' নামেৰে দুখন কাকতো তেওঁ সম্পাদনা কৰিছিল। *১৯৭৭ চনৰ ৯ এপ্ৰিলত এইজন সাহিত্যিক স্বৰ্গী হয় ।*

'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিত সাম্ৰাজ্যবাদৰ হেঁচাত জুৰুলা সাধাৰণ মানুহৰ জীৱনৰ ৰূপ প্ৰকাশ পাইছে । দ্বিতীয় মহাযুদ্ধই সৃষ্টি কৰা বিভীষিকা বিভিন্ন প্ৰতীকৰ সহায়ত প্ৰকাশ কৰিছে। বিভিন্ন ৰাজ্যৰ ৰাজনৈতিক অস্থিৰতা আৰু তাৰ ফলত সাধাৰণ মানুহৰ কষ্টভোগে কবিৰ প্ৰাণত নিৰ্মম আঘাত হানিছে । পদদলিত মানৱক কবিয়ে শুনাইছে উদাত্ত আশাৰ বাণী । জনাইছে এক বলিষ্ঠ বিপ্লৱৰ আহ্বান ।]

সময়ৰ বালুকা ৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই । আমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল ।
হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালিপাহিত
দুষ্মন্তৰ চুমাৰ চেকা । কোৰিয়াত জৰাসন্ধৰ কঙ্কাল ।

এছিয়াৰ আকাশ আগুৰি শগুণৰ জাক ।
আমি জীয়াই আছোঁ যুগৰ সীমান্তত
প্ৰাচীন নাৱিকৰ জঁকা ! কালিদাস, তুমি কোন
অলকাৰ পলাতক কবি ? ডাৱৰ দেখি উন্মাদ ?
তোমাৰ কাব্য বেদীত আমাৰ জীৱন অৰ্চনা
সৰি পৰা মদাৰৰ ফুল (----গুৰুতো নেলাগ,
গোসাঁইতো নেলাগ, থাক তলে ভৰি সৰি --- --!)
ৰজাই ৰজাই ৰণ-বিগ্ৰহ, তীখাৰ আস্ফালন । আমি খাণ্ডবদাহ
অগ্নিশিখাৰ পুৰি ছাই হোৱা বিৰিঙাৰ ফুল ! আমাৰ
পিৰামিড হিৰোশ্বিমা, নাগাছাকি ।
হেৰা শকুন্তলা, তোমাৰ আঙুলিৰ অগ্নিকণাৰে নুমাই দিয়া
ৰাজকাৰেঙৰ শলিতাৰ জুই । দুষ্মন্তৰ ভাগক স্বপ্ন ।
পোহৰতকৈ এন্ধাৰ ভাল ।
জীৱনৰ অগ্ৰগতিত ৰামেশ্বৰৰ সেতুৰ বান্ধ ।
শঙ্কা কিহৰ ? নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই ।
আমাৰ চকুত তীখাৰ শান ।

শব্দ-অৰ্থ

চেকা	-	দাগ
জঁকা	-	কঙ্কাল
মদাৰ	-	এবিধ ৰঙা গোন্ধহীন ফুল
শেৱালি	-	এবিধ ৰাতি ফুলা আৰু পুৱা সৰি পৰা বগা সুগন্ধি ফুল
কোৰিয়া	-	এখন ৰাষ্ট্ৰ

তীখা	-	ইস্পাত
শান	-	তীক্ষ্নতা, ধাৰ
শকুন্তলা	-	কণ্ব মুনিৰ কন্যা আৰু দুষ্মন্তৰ পত্নী
জৰাসন্ধৰ কঙ্কাল	-	দ্বিখণ্ডিত কোৰিয়া
জৰাসন্ধ	-	এজন ৰজা । দুগৰাকী নাৰীয়ে জন্ম দিয়া দুফাল সন্তান জৰা নামৰ ৰাক্ষসীয়ে লগ লগোৱাত এইজনা পুৰুষৰ উৎপত্তি । জৰাসন্ধ ভীমতকৈও বলবান আছিল ।
খাণ্ডৱ	-	মহাভাৰতত উল্লেখ থকা এখন বন । পিছত এই বন দহন কৰাত অগ্নি দেৱতাক অৰ্জুনে সহায় কৰিছিল ।
ৰামেশ্বৰৰ সেতু	-	ৰামচন্দ্ৰই লঙ্কালৈ যাবলৈ সাগৰত বন্ধা সেতু

অনুশীলনী

১। কোনো এক ৰাজনৈতিক অস্থিৰতাৰ ইঙ্গিত কবিতাটিত আছে নেকি ? উদাহৰণ দি আলোচনা কৰক।

২। কবিতাটিৰ ওপৰত নিৰ্ভৰ কৰি সমসাময়িক এছিয়াৰ এখনি ছবি দাঙি ধৰক।

৩। জনসাধাৰণৰ সত্তাক কবিয়ে কেনেকৈ জগাই তুলিবলৈ বিচাৰিছে ? এই ক্ষেত্ৰত তেওঁ আশাবাদীনে? আলোচনা কৰক।

৪। তলৰ কথা কেইষাৰৰ তাৎপৰ্য্য ব্যাখ্যা কৰক :

ক) হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালিপাহিত দুষ্মন্তৰ চুমাৰ চেকা ।

খ) কোৰিয়াত জৰাসন্ধৰ কঙ্কাল ।

গ) সৰি পৰা মদাৰৰ ফুল ।

৫। চমু উত্তৰ দিয়ক :

ক) কাক কিয় পলাতক কবি বোলা হৈছে ?

খ) সৰি পৰা মদাৰৰ ফুলৰ লগত কাক তুলনা কৰা হৈছে ?

গ) সময়ক কিহৰ লগত তুলনা কৰা হৈছে ?

ঘ) উন্মাদ বাসনা কি ?

ঙ) পিৰামিড কি?

৬। একে অৰ্থবাচক শব্দ লিখক :

উন্মাদ, বাসনা, কঙ্কাল, পলাতক, ডাৱৰ, অগ্নিকণা, সেতু, কেঁচা

৭। টোকা লিখক :

জৰাসন্ধ, খাণ্ডৱ দাহ, পিৰামিড, ৰামেশ্বৰ

৮। দুষ্মন্ত-শকুন্তলাৰ কাহিনীটি লিখক ।

স্বাধীনতা যুদ্ধৰ পটভুমি

[এই প্ৰবন্ধৰ লেখক, ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজনা বিশিষ্ট যোদ্ধা শ্ৰী বিজয় চন্দ্ৰ ভাগৱতীৰ ঘৰ তেজপুৰত । এওঁৰ প্ৰকাশিত পুথি 'ভাৰত ভূমি'। শ্ৰী ভাগৱতীৰ 'স্বাধীনতা যুদ্ধৰ পটভুমি' শীৰ্ষক আলোচনাটি খণ্ড খণ্ড কৈ 'প্ৰকাশ'ত ওলাইছিল । তাৰপৰা ১৯৮৫ চনৰ ফেব্ৰুৱাৰী সংখ্যাত ওলোৱা অংশটিকে ইয়াত দিয়া হৈছে । ইয়াত ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলন, তাত অসমৰ অৱদান আৰু সেই আন্দোলনৰ ব্যাখ্যাত্মক আলোচনা কৰিছে ।]

যুদ্ধৰ শেহতীয়া পৰিস্থিতিলৈ চাই ১৯৪২ চনৰ ছয় জুলাইত কংগ্ৰেছ কাৰ্য্য নিৰ্বাহক কমিটিয়ে পুনৰ দাবী কৰিলে যে ভাৰতত বৃটিছ শাসনৰ অবিলম্বে ওৰ পৰিব লাগে । কিন্তু যুদ্ধৰ সঙ্কটপূৰ্ণ মুহূৰ্ত্ততো বৃটিছ গৱৰ্নমেণ্টে নানা অজুহাত উলিয়াই ক্ষমতা হস্তান্তৰৰ প্ৰশ্নটো পিছুৱাই আছিল । ইয়াৰ ফলত ভাৰতৰ জনসাধাৰণৰ মনত বিক্ষোভৰ ভাৱ তীব্ৰ হৈ পৰিছিল ।

অৱশেষত ১৯৪২ চনৰ আঠ আগষ্টত বোম্বেত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মুকলি সভাত চূড়ান্ত সংগ্ৰামৰ কাৰণে 'ভাৰত ত্যাগ' প্ৰস্তাৱ উত্থাপন কৰা হয় । সচৰাচৰতে গান্ধীজীয়ে দীঘলীয়া বক্তৃতা দিয়াৰ দস্তুৰ নাছিল । কিন্তু এইবাৰ ভাৰত ত্যাগ প্ৰস্তাবৰ সমৰ্থনত তেওঁ দুঘণ্টা ধৰি হিন্দী আৰু ইংৰাজীত ভাষণ দিছিল । তেওঁৰ অন্তৰত তেতিয়া একুৰা জুই জ্বলিছিল । তেওঁৰ প্ৰতিটো শব্দ একোটা ফিৰিঙতিৰ দৰে আছিল । তেওঁ কৈছিল, 'বন্ধুসকল, বিশ্বাস কৰক, মই মৰিবলৈ উৎকণ্ঠিত হৈ উঠা নাই । মই মোৰ জীৱনৰ পূৰা কালছোৱা জীয়াই থাকিব খোজোঁ । মোৰ মতে ই অন্ততঃ ১২০ বছৰ । তেতিয়ালৈ ভাৰত স্বাধীন হব । পৃথিৱীও স্বাধীন হব । মই আপোনাসকলক ক'ব খোজোঁ যে ইংলণ্ড আৰু আমেৰিকাকো স্বাধীন বুলি নেভাবোঁ । তেওঁলোক কেৱল তেওঁলোকৰ দস্তুৰ মতেহে স্বাধীন - পৃথিৱীৰ অন্য বৰ্ণৰ লোকসকলক শৃঙ্খলাবদ্ধ কৰি ৰাখিবলৈহে তেওঁলোক স্বাধীন । আজি ইংলণ্ড আৰু আমেৰিকাই সেই বৰ্ণৰ মানুহ বিলাকৰ মুক্তিৰ কাৰণে যুঁজ কৰিছে নে ?'

বোম্বেত 'ভাৰত ত্যাগ' প্ৰস্তাৱ লোৱাৰ কিছুদিন আগৰে পৰা আমি বুজিছিলোঁ যে অনিবাৰ্য্য কাৰণত আন্দোলন হবলৈ বাধ্য । ঢেকীয়াজুলি-বৰচলাকে আৰম্ভ কৰি গহপুৰ-কলাবাৰীলৈকে তেজপুৰ মহকুমাৰ কেন্দ্ৰ ঠাইবিলাকত চাইকেলেৰে এটা পাক মাৰি ৰাইজক, বিশেষকৈ আমাৰ কৰ্মীসকলক আসন্ন আন্দোলন সম্পৰ্কে সজাগ কৰি দি উভতি তেজপুৰ পোৱা মাত্ৰকে ১৯৪২ চনৰ ১৬ আগষ্টত মোক গ্ৰেপ্তাৰ কৰি দুদিন তেজপুৰ জেলত ৰাখি যোৰহাট জেললৈ 'নিৰাপত্তা বন্দী' হিচাপে বদলি কৰি নিয়ে । প্ৰধানকৈ যোৰহাট জেলতে অসমৰ বন্দীখিনি ৰখা হৈছিল । ডাঃ হৰিকৃষ্ণ দাস, বিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, মৌলানা তৈয়বুল্লা, ফকৰুদ্দিন আলি আহমুদ, কৃষ্ণ শৰ্মা, অমিয়কুমাৰ দাস, দেৱেশ্বৰ শৰ্মা, ৰাজেন বৰুৱা, মহাদেৱ শৰ্মা, সিদ্ধিনাথ শৰ্মা, নীলমণি ফুকন, পদ্মধৰ চলিহা আদি প্ৰধান নেতাসকল যোৰহাট জেলতে আছিল । তদুপৰি, অসমত তেতিয়ালৈকে কোনেও নভবা-নিচিন্তা কথা - চাৰিসত্ৰীয়া গোসাঁই, গড়মূৰ সত্ৰৰ অধিকাৰ, পীতাম্বৰ দেৱগোস্বামী, আৰু তেতিয়াৰ ডেকা অধিকাৰ, এতিয়া অধিকাৰ কৃষ্ণকান্ত দেৱগোস্বামী যোৰহাট জেলত সোমাল । যোৰহাটৰ বালিগাওঁ, চাৰিং, চাৰিগাওঁ আদি গাৱঁৰ যথেষ্ট সংখ্যক বুদ্ধিমান ল'ৰা আন্দোলনৰ উৎসাহ-উদ্দীপনা লৈ জেলত সোমাইছিলহি । এই ল'ৰাখিনিৰ কথা এতিয়াও মোৰ মনত পৰি থাকে । তেওঁলোকে প্ৰায়ে আলোচনা চক্ৰ পতা হিচাপে গোট খাইছিল। মোক তাত কবলৈ মাতিছিল । গান্ধীবাদ আৰু সমাজবাদৰ ওপৰতে মই কব লগা হৈছিলোঁ। জেলৰ ভিতৰত ধৰা-বন্ধা নিয়মৰ জীৱনত এনে আলোচনাৰ সময়খিনি বৰ ভাল লাগিছিল । মই মাৰ্ক্সপন্থী নহয় যদিও, যোৰহাট জেলত মই মাৰ্ক্সৰ 'ডাচ কেপিটেল'ৰ কিছু অংশ অসমীয়াত লিখিছিলোঁ। মোৰ কাৰণে ই এটা অসাধ্য সাধনৰ চেষ্টা আছিল । তথাপি কামটোত একেবাৰে ব্যৰ্থ হোৱা নাছিলোঁ বুলি মোৰ নিজৰ বিশ্বাস হৈছিল । কিতাপখন পঢ়ি আৰু লিখি ভাল পাইছিলোঁ । কিয়নো, কিতাপ খনত আমাৰ মনত খেলোৱা কথাৰ প্ৰতিধ্বনি শুনিবলৈ পাইছিলোঁ । তাত বৈষম্য, শোষণ দূৰ কৰাৰ কিবা উপায় দিয়া হৈছে বুলি জানি ভাল লাগিছিল । গান্ধী আৰু মাৰ্ক্সৰ ভিতৰত মৌলিক পাৰ্থক্য ক'ত সেই বিষয়ে নিজে বুজিবলৈও তেতিয়া সুযোগ পাইছিলোঁ । কলেজত অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ হিচাপে বিশেষ খ্যাতিসম্পন্ন অধ্যাপক ব্ৰাউনৰ পৰা যি অলপ শিকিছিলোঁ, তাৰ পৰা অন্ততঃ এই খিনি বুজিছিলোঁ যে মাৰ্ক্সৰ তথ্যবিলাক অৰ্থনীতি বিজ্ঞানত যুগান্তকাৰী।

যোৰহাট জেলত থাকোঁতেই মই পৃথিৱীৰ ইতিহাসৰ চমুটোকা হিচাপে অসমীয়াতে কিছু কথা লিখিছিলোঁ । তাৰ সৰু এটা অংশ 'ভাৰত ভূমি' নামে কিতাপৰ আকাৰত অসম প্ৰকাশন পৰিষদে

প্ৰকাশ কৰিছে । বাকীখিনি কণ কণ আখৰৰ আৰু অতি বেয়াকৈ কাট কুটকৈ লিখা, উৰ্ঘলি যোৱা কাগজৰ পৰা উদ্ধাৰ কৰি মোৰ পৰিবাৰ শ্ৰী বিমলা ভাগৱতীয়ে লিখি থোৱাতে আছে ।

'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰাৰ পিছত কংগ্ৰেছে গান্ধীজীক আন্দোলন পৰিচালনা কৰিবলৈ ভাৰ দিয়ে । এই দায়িত্ব লৈ গান্ধীজীয়ে দেশবাসীলৈ দিয়া বাণীত কয়, 'হয় মুক্তি, নহয় মৃত্যু ।' কিন্তু এই আন্দোলন নিয়ম মতে আৰম্ভ কৰিবলৈ গান্ধীজীক সময় দিয়া নহ'ল । বোম্বে প্ৰস্তাৱৰ মৰ্মে বৃটিছ চৰকাৰক জাননী দিবলৈ গান্ধীজীয়ে সময় নেপালে । ন আগষ্টৰ পুৱা চাৰি বজাত গান্ধী, মহাদেৱ দেশাই আৰু মীৰা বেনক গ্ৰেপ্তাৰ কৰি কোনো অজানা ঠাইলৈ লৈ যোৱা হয় । পিছতহে জনা যায় যে আগা খাঁ কাৰেঙত তেওঁলোকক আটকবন্দী কৰি ৰখা হয় । ১৯৩০ চনত এক অভিনৱ প্ৰণালীৰে *নিমখ আইন* অমান্য কৰাৰ আন্দোলন গান্ধীজীয়ে আৰম্ভ কৰিছিল । এইবাৰো 'ভাৰত ত্যাগ' প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ তেওঁ হয়তো এটা নতুন উপায় উদ্ভাৱন কৰিলেহেঁতেন । কিন্তু গান্ধীজীক আচম্বিতে ধৰি লৈ যোৱাত সি সম্ভৱ নহ'ল । তেতিয়া তেওঁ দি যোৱা 'হয় মুক্তি, নহয় মৃত্যু' মন্ত্ৰকে সাৰোগত কৰি নিজস্ব জ্ঞানেৰে লাখ লাখ মানুহ ওলাই আহিল । আপোনা আপুনি ই এক গণবিপ্লৱত পৰিণত হ'ল ।

আমি জেলত সোমোৱাৰ এবছৰমান পিছলৈকে বাহিৰত আন্দোলন জোৰেৰে চলি থকা গম পাই আছিলোঁ । তেতিয়া প্ৰায়ে নতুন নতুন ৰাজনৈতিক বন্দীৰ দল আহি জেলত সোমাইছিলহি । তেওঁলোকক স্বাগত সম্ভাষণ জনাবলৈ পুৰণি বন্দীসকল ৰৈ থাকে । ভিতৰ সোমালে নানা প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তোলে । জেলৰ বাহিৰৰ দৰে জেলৰ ভিতৰতো তেতিয়া কিমান উৎসাহ উদ্দীপনা । ক্ৰমে কিছু কমিলেও দুবছৰমানলৈকে আন্দোলনৰ উত্তাপ জেলৰ ভিতৰতো অনুভৱ কৰা হৈছিল । কিন্তু তাৰ পিচত অনিশ্চয়তাৰ আশংকা দেখা নিদিয়াকৈ থকা নাছিল । নিৰ্দ্ধাৰিত ম্যাদ থকা বন্দী সকলে দিন-মাহ গন্তি কৰি কেতিয়া ওলাব সদায় সেই কথা মনত পেলাইছিল । পিছলৈ কোনো কোনোৱে ঘণ্টা গন্তি কৰাতো লাগিছিল । কিমান ঘণ্টা গ'ল - মাজে মাজে চিঞৰ একোটা মাৰি লগৰ বন্দীসকলক শুনাই তেওঁলোকে ভাল পাইছিল । তেতিয়ালৈকে আন্দোলনৰ একো মীমাংসাৰ আশা নেদেখি অৰ্নিদিষ্ট কাললৈ আটক হোৱাসকলৰ কোনো কোনোৱে ভাবিছিল যে তেওঁলোক কিজানি কিমান বছৰ জেলত থাকিব লাগে ঠিক নাই ।

বাহিৰৰ সংসাৰৰ পৰা, পৰিয়ালৰ পৰা বিছিন্ন হৈ পৰা জেল জীৱনৰ মনস্তত্ব সুকীয়া হৈ পৰে । বিশেষ গণ্যমান্যসকলৰ ভিতৰতো সাধাৰণ একোটা কথা লৈ হঠাৎ কেতিয়াবা উখনা-উখনিখন লাগে । নিৰাপত্তা বন্দীসকলৰ অন্য কাম নথকাত অফুৰন্ত সময় । তেওঁলোকৰ আটাইতকৈ ডাঙৰ

সমস্যা আছিল - সময় কটোৱা যায় কেনেকৈ ? বহুতে নিয়মমতে প্ৰাৰ্থনা আৰু পঢ়া-শুনা কৰিবলৈ লৈছিল । কোনো কোনোৱে লিখিবলৈও লৈছিল ।

যোৰহাট জেলতে মোৰ এটা অসুখ হোৱাত লগৰীয়া বন্দীসকল চিন্তিত হৈ পৰিছিল । মোৰ ওজন বৰকৈ কমি যাবলৈ ধৰিছিল । অলপ অলপ জ্বৰ আৰু শুকান আজোঁৰা কাঁহ এটা হোৱাত মই প্ৰায়ে বিছনাতে পৰি থাকিবলগা হৈছিলোঁ । আবেলি পৰত বাহিৰৰ গছ এজোপাৰ তলত হেলনীয়া চকী এখনত মোক ধৰি ধৰি নি বহুৱাব লগা হৈছিল । কোনো কোনোৱে লক্ষণবিলাক দেখি মোৰ যক্ষ্মা ৰোগ হোৱা বুলি সন্দেহ কৰিছিল । অৱশ্যে ডাক্তৰে তেনেকৈ ভবা নাছিল । জেল কৰ্তৃপক্ষই জেলৰ ভিতৰত হ'ব পৰা সকলো চিকিৎসাৰ ব্যৱস্থা কৰিছিল । তেওঁলোকৰ ওচৰত মই তাৰ কাৰণে কৃতজ্ঞ । ৰাজনৈতিক বন্দীসকলৰ উপৰিও আন বন্দীয়েও ছল পালেই আহি মোৰ খা-খবৰ লৈছিল। সেই সকলোৰে মৰম মই পাহৰিব নোৱাৰোঁ । ওজন কোনোমতে বঢ়াব নোৱাৰাত মোৰ খোৱাৰ ওপৰত বিশেষ জোৰ দিয়া হৈছিল । সদাশয় ডাঃ হৰিকৃষ্ণ দাসে - বুঢ়া মানুহ - তেওঁৰ প্ৰয়োজন নাই বুলি তেওঁৰ ভাগৰ কণী-মাখনো মোক খাবলৈ দিছিল । গড়মূৰীয়া গোস্বামীয়ে বাহিৰৰ গাখীৰ নাখায় কাৰণে তেওঁক এজনী গৰু ৰাখিবলৈ দিছিল । তেওঁ সেই গৰুজনীৰ অলপীয়া গাখীৰৰ পৰাই মোক প্ৰতিদিনে কিছু গাখীৰ দিছিল । মোৰ বেমাৰৰ ইমানবিলাক মাহ একেৰাহে প্ৰতিদিনে নিয়মমতে ঔষধ পাতি খুৱাইছিলহি পূজনীয় অমিয় দাদাই । তেওঁ বয়সীয়াসকলক ৰখা সুকীয়া এটা ঘৰত আছিল। আমি আছিলোঁ অন্য এটা ঘৰত । কিন্তু তেওঁ সময় মতে আহি মোক ঔষধ আৰু পথ্য দিছিলহি। তেওঁৰ কথা মনত পৰিলেই ভাবোঁ ঈশ্বৰে যেন পক্ষপাতিতা কৰিহে তেওঁক জগতৰ সকলো মৰম-চেনেহ থুপ খাই থকা এখন অন্তৰ দিছিল ।

জেলৰ ভিতৰত মুখে মুখে কঢ়িয়াই অনা যুদ্ধৰ বহুতো খা-খবৰ শুনা গৈছিল । সাধাৰণতে বৃটিছৰ পৰাজয়ৰ খবৰ পালে বহুতৰে ভাল লগা যেন দেখা গৈছিল । জাৰ্মান, জাপান জিকিলে যে পৰিণাম কিমান ভীষণ হ'ব পাৰে সেই কথা নেভাবি সদ্যহতে উপস্থিত প্ৰতিপক্ষ বৃটেইনৰ পতন বাঞ্ছা কৰা মানুহো বহুত আছিল । জাপানৰ আক্ৰমণত যেতিয়া মালয়, সিঙ্গাপুৰ, আৰু বাৰ্মাৰ পতন হ'ল আৰু জাপান ভাৰতৰ সীমান্ত পালেহি, তেতিয়া জেলৰ ভিতৰত উদ্বিগ্নতা আৰু চাঞ্চল্য বাঢ়িল । নেতাজী সুভাষচন্দ্ৰ বসুৰ সেনাপতিত্বত আজাদ হিন্দ ফৌজ নগা পাহাৰ পোৱাৰ খবৰ ওলাইছিল । কেতিয়াবা কাজিৰঙাৰ অভয়াৰণ্যত জাপানী আৰু আজাদ হিন্দ ফৌজৰ সৈন্য নিজে দেখি আহিছে বুলি কোৱা মানুহো ওলাইছিল ।

যোৰহাট জেলত কটোৱা তিনিটা বছৰৰ ভিতৰত ঘৰৰ পৰা মোক দেখা কৰিবলৈ যাব পৰা অৱস্থাত কোনো নাছিল । ঘৰৰ লগত মোৰ সংযোগ আছিল মোৰ পৰিবাৰলৈ সময়ে সময়ে লিখা চিঠিবিলাক । জেলৰ চিঠি জেইলাৰে পাছ কৰি দিব লাগে । তাত কোনো ৰাজনৈতিক বিষয় আলোচনা কৰাৰ সুবিধা নাছিল । মই সাধাৰণতে দাৰ্শনিক একোটা প্ৰশ্ন লৈয়ে লিখিছিলোঁ । আপ্তজনৰ পৰা ধাৰ কৰা কথাই আছিল তাত বেছি । শান্তি-বিয়া কৰায়েই বহু দিনলৈ এৰি থৈ অহা তিৰোতালৈ লিখিব লগা বিধৰ চিঠি এইবিলাক নিশ্চয় নাছিল । কিন্তু তথাপি তেওঁ মৰমেৰে সেই চিঠিবিলাক এতিয়াও নিজৰ আছুতীয়া সম্পত্তি হিচাপে ৰাখি থৈছে ।

যুদ্ধৰ জয়-পৰাজয় আৰু আন্দোলনৰ ভৱিষ্যৎ সম্পৰ্কে হৈ থকা নানা তৰ্ক-বিতৰ্ক আৰু জল্পনা-কল্পনাৰ মাজত এদিন যেতিয়া ধীৰ স্থিৰ পদক্ষেপেৰে কুশল কোঁৱৰ তেওঁৰ লগতে গোলাঘাটৰ সৰুপথাৰত ১৯৪২ চনৰ ১০ অক্টোবৰত ৰেল বগৰোৱা ঘটনাৰ সম্পৰ্কত গ্ৰেপ্তাৰ কৰা ডেকা দলটোৰে সৈতে জেলত সোমাল, তেতিয়া জেলত সকলো নিস্তব্ধ হ'ল আৰু সসম্ভ্ৰমে তেওঁলোকক অভিবাদন জনালে । সেই দিন ধৰি যোৰহাট জেলত একেটা কথা । সেই মোকৰ্দমাৰ বিচাৰত কি হ'ব সেই লৈ সকলো চিন্তিত হৈ পৰিছিল । বিচাৰত কুশল কোঁৱৰ, ধৰ্মকান্ত ডেকা, কনকেশ্বৰ কোঁৱৰ আৰু ঘনশ্যাম শইকীয়াৰ ফাঁচিৰ হুকুম হয় । আপীলত কুশল কোঁৱৰৰ বাহিৰে অন্যকেইজনৰ ফাঁচিৰ হুকুম ৰদ হয়।

১৯৪৩ চনৰ ১৫ জুনত যোৰহাট জেলত কুশল কোঁৱৰৰ ফাঁচি হয় । ফাঁচিৰ খবৰ ওলোৱাৰে পৰা তাত থকা ৰাজনৈতিক বন্দীসকলৰ মনৰ অৱস্থা কি হৈছিল বুজোৱা টান । কুশল কোঁৱৰ এটা সুকীয়া চেলত আছিল । আমাক তালৈ যাবলৈ দিয়া নহৈছিল । তথাপি ফাঁচিৰ হুকুমৰ পাছত বন্দী সকলক তালৈ যোৱাত কোনেও বাধা দি ৰাখিব নোৱাৰিছিল । মৃত্যুৰ আগদিনাও মই তেওঁক দেখা কৰিছিলোঁ । সেই প্ৰকাণ্ড মূৰ্ত্তি আজিও অন্তৰৰো অন্তৰত অঁকা আছে । তেওঁ প্ৰাণ দি গ'ল । সিয়েই আকৌ কতজনক নতুন জীৱন দিলে । যিসকলৰ মুক্ত আত্মাৰ বিশ্বজয়ী শক্তিয়ে দেশমাতৃকাৰ বন্ধন মোচন কৰিলে তেওঁ সেইসকল আত্মোৎসৰ্গী পুৰুষৰ এজন ।

যোৰহাট জেলৰ ১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰীৰ ঘটনাৰ কথা নকৈ নোৱাৰি । জেল কৰ্মচাৰী আৰু পুলিচৰ ষড়যন্ত্ৰৰ ফলত এটা ঘটনা সংঘটিত হয় । জেলৰ কোনো ঠাইত অলপ জুই লাগিছিল। জেলৰ ওৱাৰ্ডাৰসকলেই সেই জুই নুমুৱাই পেলাইছিল । কিন্তু সেই কথাটোৰে সুবিধা লৈ জেললৈ সশস্ত্ৰ পুলিচক মাতি অনা হ'ল । তেতিয়া আছিল গধূলি । বন্দীসকল ঘৰৰ ভিতৰত সোমাইছিল । হঠাৎ জেলৰ ভিতৰ সোমাই পুলিচে ৰাজনৈতিক বন্দীসকলক মাৰধৰ কৰিবলৈ ধৰিলে । বহুতৰে গাত

টাঙোন পৰে । শশীধৰ মলিয়া বৰুৱা আৰু নৰেন্দ্ৰনাথ শৰ্মাৰ মূৰত কোব পৰে । তেওঁলোকৰ বিশেষ জখম হয় ।

১৯৪৩ চনত মহাত্মাজীয়ে অনশন কৰাৰ খবৰ পাই যোৰহাট জেলৰ সৰল সহজ মানুহজন - নিষ্ঠাবান গান্ধীবাদী কৰ্ম্মী-কমলা মিৰিয়েও অনশন কৰিবলৈ লয় । ১৯৪৩ চনৰ ২২ এপ্ৰিলত জেলতে তেওঁৰ মৃত্যু হয় । আদৰ্শৰ কাৰণে প্ৰাণোৎসৰ্গৰ ই এটা উজ্জল দৃষ্টান্ত ।

১৯৪২ চনৰ ২০ চেপ্তেম্বৰত তেজপুৰ মহকুমাৰ সকলো পুলিচ থানাতে জোৰপূৰ্বক সোমাই জাতীয় পতাকা উত্তোলন কৰিবলৈ আঁচনি লোৱা হৈছিল । সেইমতে সেই তাৰিখে বিৰাট শোভাযাত্ৰা ওলাইছিল আৰু প্ৰায়কেইখন থানাতে জাতীয় পতাকা উত্তোলন কৰা হৈছিল । গহপুৰত জাতীয় পতাকা লৈ থানাৰ ভিতৰৰ বাটত সোমাওঁতেই পুলিচৰ গুলীত কনকলতা আৰু মুকুন্দ কাকতীৰ মৃত্যু হয় । তাৰ মাজতে কলাবাৰীৰ ভীমকৰ্মা স্বেচ্ছাসেৱক ৰামপদী ৰাজখোৱাই থানা ঘৰৰ ওপৰত উঠি জাতীয় পতাকা উত্তোলন কৰিহে এৰে । ঢেকীয়াজুলিতো থানাত জাতীয় পতাকা উৰাবলৈ যাওঁতে পুলিচৰ গুলীত সঠিক সংখ্যা পোৱা নগ'লেও উনৈশজনমানৰ মৃত্যু হয় বুলি ক'ব পাৰি । তাত শ্বহীদ হোৱাসকলৰ ভিতৰত নাম জনামতে মনবৰ নাথ, মণি কছাৰী, ৰতন কছাৰী, তিলেশ্বৰ কোঁচ, নুমলি নাথ, মহীৰাম কোঁচ, মঙ্গল কুৰ্মী,খলিহী নাথ, দয়াল পানিক, সোমনাথ চুতীযা আৰু লেৰেলা কছাৰী।

গান্ধীবাদী প্ৰণালীত কাম কৰাৰ উপৰিও বিয়াল্লিছৰ বিপ্লৱৰ আন এটা দিশো আছে । এই দিশটো সম্পৰ্কে ব্যাখ্যা কৰি লোকনায়ক জয়প্ৰকাশ নাৰায়ণে কৈছিল ,-'কংগ্ৰেছৰ স্থিতি সম্পৰ্কে মোৰ অভিমত সুস্পষ্ট আৰু সুনিৰ্দিষ্ট । দেশ স্বাধীন হলে কংগ্ৰেছে আক্ৰমণকাৰীৰ বিৰুদ্ধে হিংস উপায়েৰেও যুদ্ধ কৰিবলৈ প্ৰস্তুত আছে । দেখিছেই নহয়, আমি নিজকে স্বাধীন বুলি ঘোষণা কৰিছোঁ আৰু বৃটেইনকো আক্ৰমণকাৰী শক্তি বুলি কৈছোঁ । সেই কাৰণে বোম্বেৰ প্ৰস্তাৱ অনুসৰিয়েই বৃটিছৰ লগত আমাৰ অস্ত্ৰেৰে যুদ্ধ কৰাৰ ন্যায়সঙ্গত অধিকাৰ আছে । যদি ই গান্ধীজীৰ নীতিৰ লগত নিমিলে তেন্তে সেইটো মোৰ দোষ নহয় ।' দেশ ৰক্ষাৰ প্ৰশ্নত অহিংসা নীতি গ্ৰহণ কৰা বিষয়ে গান্ধীজীৰ সৈতে কংগ্ৰেছ একমত হব পৰা নাছিল, সেই বিষয়ে সন্দেহ নাই । গান্ধীজীয়ে ১৯৩৯ চনৰ ১৫ চেপ্তেম্বৰত এটা বিবৃতিত এই বিষয়ে আলোচনা কৰি কৈছিল, 'কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বিশেষ দায়িত্ব আছে । তেওঁলোকে নিভাঁজ অহিংসাৰ ওপৰতে নিৰ্ভৰ কৰিব পৰা নাই । কমিটিয়ে অনুভৱ কৰিছিল যে জাতিয়ে এনে ভাৱে অহিংসাৰ শক্তি আহৰণ কৰিব পৰা নাই যে, বিৰোধী পক্ষৰ অসুবিধাসমূহৰ সুযোগ নোলোৱাকৈ থাকিব পাৰে ।'

গান্ধীজীৰ লগত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ এই নীতিগত কথাটোৰ পাৰ্থক্য দেখা দিছিল স্বাধীনতা পোৱাৰ পিছৰ পৰিস্থিতিত । স্বাধীনতাৰ কাৰণে আন্দোলন কৰি থাকোঁতে গান্ধীৰ লগত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ এনে নীতিগত পাৰ্থক্য দেখা দিয়াহেতেঁন বিয়াল্লিছৰ বিপ্লৱ পৰিচালনা কৰিবলৈ গান্ধীজীক দায়িত্ব দিয়া আৰু গান্ধীজীয়েও সেই দায়িত্ব লোৱাৰ প্ৰশ্নই নুঠিলহেতেঁন । জয়প্ৰকাশ নাৰায়ণে দিয়া ব্যাখ্যাটো হৈছে দেশখন স্বাধীন হোৱা বুলি ধৰি লৈ দিয়া ব্যাখ্যা । স্বাধীনতাৰ পিছত পাকিস্থানে কাশ্মীৰলৈ সৈন্য পঠাওঁতে মহাত্মাজীয়ে নিজেই ভাৰতীয় সৈন্য তালৈ পঠাবলৈ দিছিল । কিন্তু জয়প্ৰকাশৰ মতৰ প্ৰসঙ্গত এই প্ৰশ্ন উঠিব পাৰে যে ভাৰতবৰ্ষ স্বাধীন হোৱা বুলি এটা ঘোষণাৰ মৰ্মে ধৰি লৈ স্বাধীনতাৰ যুদ্ধৰ কাৰণে অহিংসাৰ বাহিৰে অন্য উপায় গ্ৰহণ কৰাটো কংগ্ৰেছৰ ফালৰ পৰা বৈধ আছিল নে নাই ।

সি যি কি নহওক, বিয়াল্লিছৰ বিপ্লৱত গান্ধীজীয়ে তেওঁৰ প্ৰণালীমতে আন্দোলনৰ গতি নিৰূপণ কৰিবলৈ সময় নেপালে যদিও, সাধাৰণ কৰ্মী ৰাইজে গান্ধীজীৰ শিক্ষালয়ত পাই অহা প্ৰশিক্ষণ মতে গান্ধীবাদী প্ৰণালীমতেই কাম কৰিছিল । উদাহৰণ স্বৰূপে তেজপুৰ, গহপুৰ আৰু ঢেকীয়াজুলিত জাতীয় পতাকা উত্তোলন গান্ধীবাদী সত্যাগ্ৰহ । তাত প্ৰাণ দিছিল ; প্ৰাণ লোৱাৰ কোনো চেষ্টা, আনকি ভাবো তাত নাছিল । অন্য ঠাইতো এনে অহিংস সত্যাগ্ৰহৰ বহুতো দৃষ্টান্ত আছে । কিন্তু ইয়াৰ লগতে বিয়াল্লিছৰ বিপ্লৱত হিংসা-অহিংসাৰ কথা বৰকৈ নভবাকৈ আত্মগোপন কৰি কৰা কামৰ গুৰুত্ব কেৱে অস্বীকাৰ কৰিব নোৱাৰে ।

১৯৪২ চনৰ ৯ নৱেম্বৰত হাজাৰিবাগ জেলৰ পৰা পলাই আহি জয়প্ৰকাশ নাৰায়ণে আত্মগোপন কৰি আন্দোলনৰ নেতৃত্ব দিয়ে । শ্ৰীমতী অৰুণা আচফ আলীও তেওঁৰ লগত আছিল । গান্ধীবাদী বুলি জনাজাত কিছু নেতায়ো ইয়াৰ নেতৃত্ব দিছিল । দৰাচলতে, সাধাৰণ কংগ্ৰেছ কৰ্ম্মী আৰু ৰাইজে সেইবাৰৰ আন্দোলনৰ ধাৰা তেনে বুলিয়েই ধৰি লৈছিল । নেতাসকলক আটক কৰিলে যি যেনেকৈ ভাল দেখে আন্দোলন কৰিবলৈ গান্ধীজীয়ে কৈ যোৱা কথাৰ পৰা এনে ঈঙ্গিত আছিল বুলিও বহুতে ভাবিছিল । সেই সময়ত শয্যাশায়ী হৈ থাকিব লগা অৱস্থাতো ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই অসমত এই আন্দোলনৰ গুৰি ধৰিছিল । ত্যাগবীৰ আছিল তীক্ষ্ণ ৰাজনীতিক বুদ্ধি বিশাৰদ । কংগ্ৰেছৰ ৰাজনীতিত তেওঁ আছিল বাওঁপন্থী । তেওঁ ক'লৈকো যাব নোৱাৰিছিল যদিও বিছনাত পৰি থাকিয়েই দিহা-পৰামৰ্শ দিছিল আৰু সেই সময়ত বাহিৰত থকা সৰ্বভাৰতীয় নেতাসকলৰ লগত সংযোগ ৰাখিছিল। তেওঁৰ উপৰি মহেন্দ্ৰ হাজৰিকা (চৰকাৰে তেওঁক নগাৱঁৰ এক নম্বৰ শত্ৰু বুলি কৈছিল), শঙ্কৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, গহনচন্দ্ৰ গোস্বামী, লক্ষ্মীপ্ৰসাদ গোস্বামী প্ৰমুখ্যে নেতাসকলে আত্মগোপন

কৰি থাকি আন্দোলন পৰিচালনা কৰিছিল । এওঁলোকৰ আৰু এওঁলোকৰ লগত কাম কৰা কৰ্মীসকলে নিজৰ জীৱন বিপন্ন কৰিও বৃটিছৰ যুদ্ধ প্ৰচেষ্টাত বাধা দিয়াৰ কাম কৰিছিল । তেওঁলোকৰ ত্যাগ আৰু কষ্ট আছিল অপৰিসীম । মহাত্মা গান্ধীকে ধৰি বৰমূৰীয়া নেতাসকলক আটক কৰাৰ পিছত বিয়াল্লিছৰ আন্দোলন এওঁলোকে নতুন ভাবে উদ্দীপ্ত কৰি তুলিছিল । সেই সময়ৰ কেইটামান ঘটনা উল্লেখ কৰিবলগীয়া ।

টোকা -

হেমচন্দ্ৰ বৰুৱা - এইজনা পুৰুষ আছিল অসমৰ জননেতা । ছাত্ৰাবস্থাৰ পৰাই তেওঁ ৰাজনীতিত অংশ গ্ৰহণ কৰিছিল । ১৯৩০ চনৰ পৰাই অসমে তেওঁৰ নেতৃত্ব মানি লৈছিল । ভগ্নস্বাস্থ্য সত্বেও শোৱাপাটীৰ পৰাই তেওঁ আন্দোলন পৰিচালনা কৰিছিল । ত্যাগৰ প্ৰতিমূৰ্ত্তি এইজনা পুৰুষ ত্যাগবীৰ বুলি পৰিচিত ।

অমিয় কুমাৰ দাস - স্বাধীনতা যুঁজৰ অক্লান্ত যুঁজাৰু । স্বাধীনতাৰ পাছত অসম বিধান সভাত মন্ত্ৰীত্বৰ বাবো পাইছিল । তেওঁ কেৱল ৰাজনীতিবিদেই নাছিল, সাহিত্যিকো আছিল । তেওঁ কেইবাবছৰ ধৰি 'বাঁহী' সম্পাদনা কৰিছিল । তেওঁ কৰা মহাত্মা গান্ধীৰ 'মাই এক্সপেৰিমেণ্টছ য়ুইথ দা ট্ৰুথ'ৰ অসমীয়া অনুবাদ 'মোৰ সত্য অন্বেষণৰ কাহিনী' বিখ্যাত । 'জীৱন স্মৃতি' তেওঁৰ আত্মজীৱনীমুলক গ্ৰন্থ ।

শব্দ-অৰ্থ

অজুহাত	-	সুযোগ, সুবিধা, চেলু
চূড়ান্ত	-	শেষ, চৰম
দস্তুৰ	-	ৰীতি, চলি অহা নিয়ম
ফিৰিঙতি	-	স্ফুলিঙ্গ, অগ্নিকণা
ভাৰ	-	দায়িত্ব
উখনা-উখনি	-	বাদ-বিবাদ, উত্তৰা-উত্তৰি,. জন্ম গোত্ৰ উল্লেখ কৰি পৰস্পৰে পৰস্পৰক কৰা গালি গুলজ

আছুতীয়াকৈ	-	বেলেগকৈ, সুকীয়াকৈ
মুখে মুখে	-	মৌখিকভাৱে
কেৱে	-	কোনেও
আটকবন্দী	-	নিৰাপত্তা বন্দী

অনুশীলনী

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) কেনে পৰিস্থিতিত 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহগ কৰা হ'ল ? এই আন্দোলনটো কেনেকৈ এক গণ- বিপ্লৱত পৰিণত হ'ল ?

খ) বিজয় চন্দ্ৰ ভাগৱতীৰ জেল জীৱন সম্বন্ধে চমুকৈ লিখক ।

গ) শ্ৰীভাগৱতী যোৰহাট জেলত থকা সময় ছোৱাত অসমত ঘটা দুটা গুৰুত্বপূৰ্ণ ঘটনাৰ বিষয়ে বহলাই লিখক ।

ঘ) 'দেশ ৰক্ষাৰ প্ৰশ্নত অহিংসাৰ নীতি গ্ৰহণ কৰাৰ বিষয়ে গান্ধীজীৰ সৈতে কংগ্ৰেছ একমত হব পৰা নাছিল, *সেই বিষয়ে সন্দেহ নাই* ।'-
আপোনাৰ মতামত দি উদাহৰণসহ আলোচনা কৰক ।

ঙ) '৪২ ৰ আন্দোলনত অসমৰ অৱদান' - এই বিষয়ে বহলাই লিখক ।

২। শুদ্ধ উত্তৰ বাচি লৈ পূৰ্ণ বাক্যত উত্তৰ লিখক -

ক) 'ভাৰত ত্যাগ' প্ৰস্তাৱ কোন তাৰিখে উত্থাপন কৰা হয় ?
- ৬ জুলাই
- ৮ আগষ্ট
- ৯ আগষ্ট

খ) 'ভাৰত ত্যাগ' প্ৰস্তাৱ ক'ত উত্থাপন কৰা হৈছিল ?
- বোম্বে
- যোৰহাট
- হাজাৰিবাগ

গ) বিজয় চন্দ্ৰ ভাগৱতীক কোন তাৰিখে গ্ৰেপ্তাৰ কৰা হ'ল ?

- ১৬ আগষ্ট
- ৯ চেপ্তেম্বৰ
- ১০ অক্টোবৰ

ঘ) সৰুপথাৰত ৰেল বগৰোৱা ঘটনাৰ নেতা বুলি কাক ফাঁচি দিয়া হ'ল ?

- কুশল কোঁৱৰ
- ঘনশ্যাম শইকীয়া
- মণিৰাম দেৱান

ঙ) ক'ৰ পুলিচ থানাত পতাকা তুলিবলৈ যাওঁতে কনকলতা আৰু মুকুন্দ কাকতীৰ মৃত্যু হয় ?

- ঢেকীয়াজুলিৰ
- গহপুৰৰ
- বৰচলাৰ

৩। তথ্য সংগ্ৰহ কৰি চমু টোকা লিখক :

কনকলতা, অমিয় কুমাৰ দাস, কুশল কোঁৱৰ, আৰু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা

৪। ব্যাখ্যা কৰক :
'সি যি কি নহওক, বিয়াল্লিছৰ বিপ্লৱত গান্ধীজীয়ে তেওঁৰ প্ৰণালীমতে আন্দোলনৰ গতি নিৰূপণ কৰিবলৈ নেপালে যদিও সাধাৰণ কৰ্মী আৰু ৰাইজে গান্ধীবাদী প্ৰণালীমতেই কাম কৰিছিল ।'

৫। তলৰ শব্দবোৰৰ ভিতৰত থকা বিশেষ্য পদবোৰ বিশেষণলৈ আৰু বিশেষণ পদবোৰ বিশেষ্যলৈ নিয়ক :

স্বাধীনতা, অহিংসা, ভাৰত, বিপ্লৱ, গান্ধীবাদী, বুদ্ধি, কৰ্মী, বিৰোধী, সেনাপতি, গড়মূৰীয়া,

৬। '১৯৪২ৰ আন্দোলন' এই বিষয়ে এখনি চমু ৰচনা লিখক ।

৭। বাক্যৰচনা কৰক :

(ক) উখনা-উখনি
(খ) কণ কণ
(গ) ৰ'দ
(ঘ) অজুহাত
(ঙ) গম পাই
(চ) আঁচনি
(ছ) আছুতীয়া
(জ) হেলনীয়া
(ঝ) কৰিহে এৰে

আমেৰিকাৰ চিঠি
(WITH MALICE TOWARDS NONE)

[এই পত্ৰ-প্ৰবন্ধৰ লেখক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ জন্ম শিৱসাগৰ জিলাৰ আমগুৰি গাৱঁত ১৯২৮ চনত । তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ এম, এ । সাংবাদিকতা আৰু সাহিত্যচৰ্চ্চা তেওঁৰ কৰ্মজীৱনৰ দুটা ফাল। 'আসাম ট্ৰিবিউন' আৰু 'অসম বাতৰি'ত তেওঁ কাম কৰিছিল। সুদীৰ্ঘ ২৩ বছৰ ধৰি অসম প্ৰকাশন পৰিষদৰ সচিবো আছিল । বৰ্তমান তেওঁ 'গৰীয়সী' আলোচনীৰ সম্পাদক । শ্ৰী শইকীয়াৰ বিদেশ ভ্ৰমণৰ অভিজ্ঞতাও প্ৰচুৰ ।

এতিয়ালৈ শইকীয়াৰ ১০ খন উপন্যাস, ছখন গল্পৰ পুথি, এখন ভ্ৰমণ কাহিনী (আমেৰিকাৰ চিঠি) আৰু বহুতো প্ৰবন্ধ প্ৰকাশিত হৈছে । ১৯৬৫ চনৰ ছেপ্তেম্বৰৰ পৰা ১৯৬৬ চনৰ জানুৱাৰীলৈকে তেওঁ আমেৰিকাত আছিলগৈ । তাৰ পৰা 'অসম বাতৰি'ৰ প্ৰতি সংখ্যাতে একোখনকৈ চিঠি লিখিছিল। সেই চিঠিবোৰকেই থুপাই 'আমেৰিকাৰ চিঠি' নামেৰে প্ৰকাশ কৰা হৈছে । এই পুথিৰ 'WITH MALICE TOWARDS NONE' শীৰ্ষক অধ্যায়টিৰ শেষৰ অংশটি আমাৰ পাঠত সন্নিবিষ্ট কৰা হৈছে ।

ইয়াত আব্ৰাহাম লিঙ্কন আৰু জৰ্জ ৱাচিংটনৰ স্মৃতিৰক্ষাৰ কাৰণে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মহান প্ৰয়াসৰ আভাস দিয়া হৈছে । 'লিঙ্কন মেমৰিয়েল হল', 'ৱাচিংটন মেমৰিয়েল স্তম্ভ', 'লিঙ্কনৰ জন্মস্থান', 'ৱাচিংটনৰ ঘৰ আৰু সমাধি' আদিৰ যি চিত্ৰোপম বৰ্ণনা লিখকে দিছে সি অতি মনোগ্ৰাহী।]

ৱাচিংটন নগৰৰ পৰা কিছুদূৰত থকা 'লিঙ্কন মেম'ৰিয়েল' হল সেইজনা মহৎ পুৰুষৰ স্মৃতি ৰক্ষাৰ বাবে সৰ্ব্ববৃহৎ প্ৰচেষ্টা । বিশেষজ্ঞৰ মতে, পৃথিৱীৰ ভিতৰতে এইটো এটা সুন্দৰ ঘৰ আৰু কুৰি শতিকাৰ ভাস্কৰ্য্যৰ অপূৰ্ব্ব নিদৰ্শন । ১৯৫১ চনত প্ৰেচিডেণ্ট উইলচনে কৈছিল : 'This monument must stand alone, remote from the habitations of men, apart from the turmoil and business of the city, isolated, distinguished, and serene.'

অতি ওখ ভেটিৰ ওপৰত তৈয়াৰী এই স্মৃতি-ভৱনৰ দৈৰ্ঘ্য হ'ল ১৮৮ ফুট আৰু প্ৰস্থ ১১৮ ফুট। ছয়ত্ৰিশটা বিশালাকাৰ স্তম্ভই (doric-columns) এই ভৱনক থিয় কৰি ৰাখিছে । লিঙ্কন প্ৰেচিডেণ্ট থাকোঁতে আমেৰিকাৰ ষ্টেটৰ সংখ্যা আছিল ছয়ত্ৰিশ । বাহিৰৰ দেৱালৰ মুধত সেই ছয়ত্ৰিশখন ষ্টেটৰ নাম ক্লাচিক আখৰেৰে খোদাই কৰা আছে । মাৰ্ব্বলেৰে বন্ধোৱা খটখটীয়েদি উঠি গৈ সোমোৱা মাত্ৰকে দেখা যায় চকীত বহি থকা অৱস্থাত লিঙ্কনৰ বিৰাট মূৰ্ত্তি । চকীৰ হেণ্ডেলত দুখন হাত দি সাম্যভাৱে, চিৰশান্তিৰে বহি আছে । যিখন শক্তিশালী হাতেৰে আমেৰিকান জাতিৰ ঐক্য আৰু ইতিহাস কৰা হৈছিল ৰচনা, সেই দুখন হাতেৰে চকীৰ হেণ্ডেলত জোৰকৈ ধৰি আছে । সাম্যভাৱে বহি থকা লিঙ্কনক দেখি ভাব হৈছিল, এয়া মানুহৰ সাধনাৰ প্ৰতীক - এটা জাতিক ওপৰলৈ তুলিবলৈ অসাধ্য সাধন কৰি দেৱতাৰ শাৰীত নিজৰ আসন প্ৰতিষ্ঠা কৰি লব পৰাৰ সাৰ্থকতাৰ প্ৰতীক ।

কাষৰ দুটা কোঠাত প্ৰকাণ্ড প্ৰকাণ্ড মমবাতি জ্বলি আছে - চাৰিওফালে শান্তি আৰু পৱিত্ৰতা বিৰাজমান । দেৱালৰ ফলিত ডাঙৰ ডাঙৰ আখৰেৰে খোদাই কৰা আছে তেওঁৰ বিখ্যাত গেটিচবাৰ্গ বক্তৃতা আৰু দ্বিতীয়বাৰ প্ৰেচিডেণ্ট হওঁতে দিয়া বক্তৃতাৰ কিছু কথা ।

মিনিটে মিনিটে শ শ মানুহ খটখটীয়েদি ওপৰলৈ উঠি আহিছে, মৌন হৈ নম্ৰ ভাৱে সেই বিশাল মূৰ্ত্তি চাই স্তম্ভিত হৈছে, দেৱালত লিখি ৰখা বাণী পঢ়ি হৈছে অভিভূত । বহুতে মনৰ হেপাঁহেৰে ছবি লৈছে, বহুতে লিঙ্কনৰ মূৰ্ত্তিৰ তলত থিয় হৈ নিজৰ প্ৰতিচ্ছবি কেমেৰাৰে অক্ষয় কৰাৰ চেষ্টা কৰিছে। অভিভূত হৈ তেওঁলোক নামি আহিছে ; লগে লগে উঠি আহিছে আৰু অনেক লোক ।

মহানগৰীৰ পৰা বহু আঁতৰত সেউজীয়া বনানী আবৃত মনোৰম ভূমিত ৰক্ষা কৰা হৈছে এই স্মৃতি । সন্মুখত এখন কৃত্ৰিম হ্ৰদ - হ্ৰদৰ সিপাৰে আঠশ ফুট ওখ ৱাচিংটন মেম'ৰিয়েল স্তম্ভ । ৰাতিপুৱাৰ সূৰ্য্যৰ কিৰণত ৱাচিংটনৰ মেম'ৰিয়েলে পানীত এক অপৰূপ ৰূপ ধাৰণ কৰিছিল - এজন মহৎ লোকৰ স্মৃতিয়ে অন্যজন মহৎ লোকৰ স্মৃতিক যেন আঁকোৱালি লবলৈ কৰা এয়া এক সনাতন অভিলাস ।

এই আটাইবোৰ দেখাৰ পিছত আব্ৰাহাম লিঙ্কনৰ জন্মস্থান নেদেখিলে যাত্ৰা অসম্পূৰ্ণ হৈ থাকিব বুলি জানোঁ । সেইকাৰণে ইণ্ডিয়ানা ষ্টেটৰ ব্লুমিংটনৰ পৰা বাছেৰে দুঘণ্টা গৈ আমি উপস্থিত হৈছিলোঁ কেণ্টাকি ষ্টেটত । সেই ষ্টেটত আমি চাৰিটা বস্তু চাইছিলোঁ , হাজাৰ হাজাৰ বছৰ ধৰি পৃথিৱীৰ তলত তৈয়াৰী হোৱা মাইল মাইল বিয়পা চাৰে তিনিশ ফুট তলৰ গুহাত (মেমথ কে'ভ) সোমাইছিলোঁ, আমেৰিকাৰ ফিলিপ-মৰিচ নামৰ সৰ্ব্ববৃহৎ চিগাৰেট কাৰখানা চাইছিলোঁ, 'কৰিয়াৰ জাৰ্নাল' নামৰ

এখন বিখ্যাত বাতৰি কাকতৰ সম্পাদকৰ আতিথ্য গ্ৰহণ কৰিছিলোঁ আৰু আব্ৰাহাম লিঙ্কনৰ জন্মস্থানলৈ গৈছিলোঁ ।

শুনিছিলোঁ, লিঙ্কনৰ জন্ম হৈছিল এটা কাঠৰ ঘৰত (লগ কেবিনত) । ভাবিছিলোঁ, আমাৰ অসমৰ ঘৰৰ দৰে সেইটো হব কাঠৰ এটা ডাঙৰ ঘৰ - এমহলীয়া বা দুমহলীয়া : শুনিবলৈ শুৱলা বাবেই হয়তো কোৱা হৈছিল : 'From log Cabin to the White House' (হোৱাইট হাউচ আমেৰিকাৰ প্ৰেচিডেন্টৰ ঘৰ) । কিন্তু 'Sinking spring' নামৰ স্থানত পাথৰেৰে বন্ধোৱা ৫২ টা চিৰি উঠি গৈ যি দেখিলোঁ আৰু দেখি মনৰ যি অৱস্থা হৈছিল, তাক প্ৰকাশ কৰাটো খুব সম্ভৱ কোনোদিনেই সম্ভৱ নহব । মোৰ সম্পূৰ্ণ ধাৰণা যে, অসমৰ অতি দুখীয়া গাওঁ এখনৰো একেবাৰে দুখীয়া পিতৃ মাতৃৰ কোনো সন্তান এনে এক নিঃকিন ঘৰত আজিলৈকে জন্ম গ্ৰহণ কৰা নাই । ঘৰটোৰ দৈৰ্ঘ্য ওঠৰ ফুট আৰু প্ৰস্থ যোল ফুট । ঘৰ বুলি কব নোৱাৰি ; তলৰ পৰা ওপৰলৈ দহডোখৰ বহল কাঠেৰে ঘৰটো নিৰ্ম্মিত, কাঠৰ মাজত আছে বোকাৰ প্ৰলেপ, ওপৰতো তেনে ধৰণৰ কাঠ । কাঠৰ ফুটাৰ মাজেৰে ভিতৰটো চাব পাৰি । মাটিৰ মজিয়া, এখন ভগা সৰু কাঠৰ দুৱাৰ আৰু এখন মাত্ৰ দুফুটমান বহল খিৰিকী । এই ঘৰটোৰ কাষত থিয় হৈ কিবা এক অজান ভাৱত মন অভিভূত হয়, বাহিৰা পৃথিৱীৰ অস্তিত্ব খন্তেকৰ বাবে পাহৰি যোৱা যায়, জীৱনৰ সকলো অহঙ্কাৰ আৰু গৌৰৱ শূন্য হৈ আহে, শৰীৰ মন দুৰ্ব্বল হয় ।

আমেৰিকাৰ সৰ্ব্বশ্ৰেষ্ঠ ব্যক্তি, নতুন জাতিৰ নতুন ইতিহাস নিৰ্ম্মাতা, যাৰ ভাব, ভাষা আৰু কৰ্মই পৃথিৱীত নতুন আশা আৰু মানৱমূল্য নিৰূপণ কৰিছিল, সেইজন ব্যক্তিৰ এদিন জন্ম হৈছিল এই এটা মাটিৰ নিঃকিন ঘৰত ! যিশু খৃষ্টৰো জন্ম হৈছিল ঘোঁৰাশালত । কিন্তু ইমান গৰীবভাৱে পৃথিৱীত জন্মগ্ৰহণ কৰি সেই পৃথিৱীৰ শ্ৰেষ্ঠতাৰ বাবে তেওঁলোকে কৰিবলৈ বাকী ৰাখিছিল কি ?

কিন্তু সেই সামান্য মাটিৰ ঘৰটো ৰক্ষা কৰিবৰ বাবে ইয়াৰ চৰকাৰে একো কৰিবলৈ বাকী ৰখা নাই । পৰাহেঁতেন তাৰ চাৰিওকাষৰ ঘৰ আৰু দেৱাল সোণেৰে বন্ধাই থলেহেঁতেন । এটা ডাঙৰ ঘৰৰ ভিতৰত সেই মাটিৰ ঘৰটো ৰখা হৈছে - সেই ঘৰৰ মজিয়া মাৰ্ব্বলৰ, দেৱাল মাৰ্ব্বলৰ, খটখটি মাৰ্ব্বলৰ । কাষত সজাই দিয়া হৈছে লিঙ্কনৰ নানান স্মৃতিভৰা সামগ্ৰীৰে মিউজিয়াম । তাত কিনিবলৈ পোৱা যাব - লিঙ্কনৰ নানান মূৰ্ত্তি, কিতাপ, ছবি । দেৱালত অঁকা আছে লিঙ্কনৰ নানান ছবি, লগতে আছে তেওঁৰ দিনৰ নানান বাতৰি কাকতৰ ছবি আৰু তেওঁক লৈ অঁকা কাৰ্টুন । লগতে অঁকা আছে সেই সময়ত নিগ্ৰোক দাস হিচাপে বিক্ৰি কৰা বহুতো বিজ্ঞাপন । একোজন দাসৰ মূল্য আছিল এশ ডলাৰ - আমাৰ প্ৰায় তিনি হেজাৰ পাঁচশ টকা ।

সেই মিউজিয়ামৰ পোৰ্টিকোৰ দেৱালত ডাঙৰ আখৰেৰে লিখা আছে : 'As I do not want to be slave, I will not be a master.'

অভিভূত হৈ সেই মাটিৰ ঘৰ চাই তললৈ নামি আহি কাষৰ এটা সৰু বাটেৰে তললৈ নামি গৈ দেখা পালোঁ এটা নাদ, য'ৰ পৰা লিঙ্কনে শৈশৱত পানী খাইছিল । নাদটো ঠিক তেতিয়াৰ অৱস্থাতে ৰখা হৈছে ।এনে ধৰণৰ বেয়া পানী আৰু অৱস্থাৰ নাদ আমাৰ অসমৰ গাৱঁত আছে নে নাই, সন্দেহ আছে । অৱশ্যে কাষৰ দেৱালত লিখা আছে : 'এই নাদৰ পানী খাবৰ যোগ্য নহয়'।

আমেৰিকাৰ পৰা উভতি যোৱাৰ পিছত মই ইয়াৰ প্ৰায় আটাইবোৰ দৃশ্য আৰু কথাই হয়তো ধীৰে ধীৰে পাহৰি যাম । কিন্তু হাবিৰ মাজৰ এই মাটি, বোকা আৰু কাঠৰ ঘৰটোৰ কথা জীৱনত কেতিয়াও পাহৰি যাব নোৱাৰিম । এনে এক সামান্য ঘৰত জন্ম হোৱা এজন অসামান্য ব্যক্তিৰ কথা আৰু বাণীয়ে সেই ঘৰৰ স্মৃতিক মোৰ হৃদয়ত যুগমীয়া কৰি ৰাখিব ।

এই ঘৰটোৱে যেন এক চিৰমৌন অজান ইঙ্গিতেৰে প্ৰকাশ কৰিছে : তোমাৰ জীৱন কেনেদৰে আৰম্ভ হ'ল সেইটো ডাঙৰ কথা নহয় ; ডাঙৰ কথা হ'ল তোমাৰ জীৱন শেষ হ'ল কেনেকৈ । কোনখন বোকাৰ মজিয়াত মূৰ থৈ তোমাৰ জন্ম হৈছিল সেইটো ডাঙৰ কথা নহয় ; ডাঙৰ কথা হ'ল কিহত মূৰ থৈ তোমাৰ জীৱনৰ সমাপ্তি ঘটিল ।

ৱাচিংটনৰ পৰা যোল মাইল দূৰৰ ভাৰ্জিনিয়ালৈ গৈছিলোঁ তাৰ মাউণ্ট ভাৰ্ননত আমেৰিকাৰ অন্যতম মহৎ ব্যক্তি, বৃটিচৰ হাতৰ পৰা নিজৰ দেশ মুক্ত কৰা বাহিনীৰ বীৰ সেনাপতি আৰু এই দেশৰ প্ৰথম প্ৰেচিডেণ্ট.জৰ্জ্জ ৱাচিংটনৰ ঘৰ আৰু সমাধি চাবৰ বাবে । আব্ৰাহাম লিঙ্কনৰ জন্মস্থান মাটিৰ সামান্য ঘৰৰ লগত এই প্ৰাসাদ-প্ৰতিম ঘৰৰ আকাশ পাতাল পাৰ্থক্য । কেবা শ একৰ বিস্তীৰ্ণ ভূমিখণ্ডৰ পাহাৰপ্ৰায় মনোৰম পৰিবেশত ৱাচিংটনৰ বাসস্থান নিৰ্মিত । গৈ গৈ যেন শেষ নহয় । ইটোৰ পিছত সিটো ঘৰ । আচল ঘৰটো দুমহলীয়া - ১৭৮০ চনতে নিৰ্মিত । ৱাচিংটনৰ শোৱা কোঠা, পঢ়া কোঠা, লাইব্ৰেৰী, ড্ৰইংৰুম, ফায়াৰৰুম, ডাইনিংৰুম, বাথৰুম, পত্নী আৰু ল'ৰা-ছোৱালীৰ বেলেগ বেলেগ কোঠা, তেতিয়া যেনেদৰে আছিল প্ৰায় তেনেদৰেই সুন্দৰকৈ সজাই থোৱা আছে । ৰজাৰ প্ৰাচুৰ্য্যেৰে তেওঁ বাস কৰিছিল আৰু প্ৰত্যেকটো কোঠাত তেনে আভিজাত্য সম্পূৰ্ণভাৱে বৰ্তমান। দেৱালত তেওঁৰ আৰু পৰিয়ালৰ ছবি । অ'ত ত'ত তেওঁৰ একোছা চুলি সযত্নে ৰক্ষা কৰা হৈছে, ৰক্ষা কৰা হৈছে তেওঁ পঢ়া কিতাপ, লিখা চিঠি ।

ওপৰৰ পৰা নামি আহি আন ঘৰবোৰ চাব পাৰি । ৰান্ধনিঘৰত প্ৰকাণ্ড মাংসৰ টুকুৰা জুইত সেকা অৱস্থাতে দেখা গৈছে - শেষৰ দিনৰ খাদ্য বস্তু; য'ত যেনেকৈ আছিল তেনেকৈয়ে হৈছে ৰখা। গ্ৰীন হাউচ, বৰফ ঘৰ, মিউজিয়াম, সূতা কটা আৰু কাপোৰ বোৱা ঘৰ, অফিচ, ষ্ট'ৰ হাউচ, লগুৱাৰ ঘৰ, গা ধোৱা ঘৰ, ঘোঁৰাশাল আদি অনেক ঘৰ চাৰিওফালে বিস্তীৰ্ণ হৈ আছে ।

তাৰ পিছত লাহে লাহে পশ্চিমলৈ গৈ নানান গছেৰে আবৰা এক নিভৃত স্থানত তেওঁৰ সমাধি। এটা ঘৰৰ ভিতৰত স্বামী আৰু পত্নীৰ কবৰ লগালগিকৈ শুৱাই থোৱা আছে ।

শ শ মানুহ দিনে দিনে তালৈ আহিছে । বিশাল ভূমিখণ্ডত অ'ত ত'ত ফুৰিছে, বহিছে, কথা পাতিছে, ৱাচিংটনৰ স্মৃতি চকুৰে চাই জীৱন সাৰ্থক বুলি ভাবিছে ।

ৱাচিংটনৰ পৰা ৱাচিংটনৰ ঘৰলৈ যোৱাটোও এক অপূৰ্ব অভিজ্ঞতা । ষোল মাইল পথ, মাজতে আলেকজেন্দ্ৰিয়া নগৰৰ বাহিৰে, চাৰিওফালৰ বিতোপন গছ-গছনিৰ মাজেদি আগুৱাই গৈছে। কিছুদূৰ কাষেদি বৈ গৈছে পট'মাক নদী । ৱাচিংটনৰ ঘৰলৈ যাওঁতে ভাব হয়, কোনো এক তীৰ্থস্থানলৈ আগবাঢ়িছোঁ । জীৱন নিৰ্ব্বাহৰ প্ৰাচুৰ্য্য, নিজৰ দেশক মুক্ত আৰু ঐশ্বৰ্য্যশালী কৰাৰ চিন্তা আৰু কৰ্ম্মপ্ৰচেষ্টাৰ প্ৰাচুৰ্য্য, ভাষণ আৰু লিখনীৰ প্ৰাচুৰ্য্যেৰে জৰ্জ্জ ৱাচিংটনে এই এটা জাতিক পৃথিৱীত থিয় কৰাই থৈ গ'ল আৰু আব্ৰাহাম লিঙ্কনে মহাত্মা গান্ধীৰ মানৱতা আৰু 'সকলোৰে চকু পানী মচি দিয়াৰ' গগনচুম্বী স্বপ্নেৰে সেই জাতিক উচ্চপৰ্য্যায়লৈ তুলি দিলে ।

ৱাচিংটনৰ স্মৃতিৰক্ষাৰ বাবে চৰকাৰে কৰিবলৈ একো বাকী ৰখা নাই । ৱাচিংটন নগৰত থকা বহুত মেম'ৰিয়েলৰ ভিতৰত বিখ্যাত হ'ল আঠশ ফুট ওখ 'ৱাচিংটন মনুমেণ্ট' । তলত থিয় হৈ অবাক দৃষ্টিৰে কেৱল ওপৰলৈ চাব পাৰি । এই আকাশ লম্বা স্তম্ভ এটা মানুহে নিৰ্ম্মাণ কৰিব পাৰে কেনেকৈ ? স্তম্ভৰ ভিতৰেদি ওপৰলৈ উঠি গৈ একেবাৰে ওপৰৰ পৰা দূৰলৈ চাবও পাৰি । সেই অভিজ্ঞতাৰ বাবে অৱশ্যে মোৰ অভাৱ হ'ল সাহসৰ ।

ৰাতি একেবাৰে ওপৰত কেবাটাও ৰঙা লাইট এটাৰ পাছত এটাকৈ জ্বলি থাকে । তলৰ পৰা অজস্ৰ পাৱাৰৰ লাইটৰ দ্বাৰা সমগ্ৰ স্তম্ভটো উজ্জ্বল কৰি ৰখা হৈছে । এটা জাতিয়ে নিজৰ পিতৃসম নেতাৰ স্মৃতি ৰক্ষাৰ বাবে ইয়াতকৈ বেছি ডাঙৰ স্তম্ভ নিৰ্ম্মাণ কৰিব পাৰে বুলি বিশ্বাস নহয়।

অনুশীলনী

১। লিঙ্কনৰ জন্ম ক'ত হৈছিল ? তেওঁৰ জন্মস্থান চৰকাৰে কেনেকৈ সংৰক্ষণ কৰিছে ? এই স্থানে লিখকৰ মনত কেনে ভাৱৰ সঞ্চাৰ কৰিছে ?

২। জৰ্জ্জ ৱাচিংটন কোন আছিল ? তেওঁৰ ঘৰ আৰু সমাধিৰ এটি চমু বিৱৰণ দিয়ক ।

৩। 'লিঙ্কন মেম'ৰিয়েল হল' ক'ত ? কি উদ্দেশ্যে এই হল প্ৰতিষ্ঠা কৰা হৈছে ? এই হলৰ বিষয়ে চমুকৈ লিখক ।

৪। খালি ঠাই পূৰণ কৰক :

ক) লিঙ্কন মেম'ৰিয়েল হলৰ '————' ১৮৮ ফুট আৰু '————' ১১৮ ফুট ।

খ) হলৰ দেৱালৰ মুধত ———— ষ্টেটৰ নাম ।

গ) দেৱালৰ ফলিত খোদাই কৰা আছে তেওঁৰ বিখ্যাত '————' বক্তৃতা ।

ঘ) লিঙ্কনে জন্ম গ্ৰহণ কৰা ঘৰটো দীঘলে ———— আৰু বহলে ———— ।

ঙ) জৰ্জ্জ ৱাচিংটনৰ ঘৰ আৰু সমাধিৰ ক্ষেত্ৰত আচল দুমহলীয়া ঘৰটো ———— নিৰ্ম্মিত ।

৫। লিঙ্কনৰ জন্মস্থান, লিঙ্কন মেম'ৰিয়েল হল, জৰ্জ্জ ৱাচিংটনৰ ঘৰ আৰু সমাধিৰ বিশদ আৰু সুন্দৰ বৰ্ণনা আৰ্হি ৰূপে লৈ আপোনাৰ ৰাজ্যৰ এটি উল্লেখযোগ্য বস্তুৰ বৰ্ণনা দিয়ক ।

৬। ৰেখাঙ্কিত পদবোৰৰ কাৰক বিভক্তি নিৰ্ণয় কৰক :

ক) ৱাচিংটনৰ পৰা কিছুদূৰত লিঙ্কন মেম'ৰিয়েল হল ।

খ) চাৰিওফালে শান্তি আৰু পৱিত্ৰতা বিৰাজমান ।

গ) ব্লুমিংটনৰ পৰা লিঙ্কনৰ জন্মস্থানলৈ গৈছিলোঁ ।

৭। ভাৱ সম্প্ৰসাৰণ কৰক :

"তুমি কিহত মূৰ থৈ জনম লভিলা সি ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল কিহত মূৰ থৈ তোমাৰ জীৱনৰ পৰিসমাপ্তি ঘটিল ।"

৮। এই পাঠৰ আৰ্হিত আপোনাৰ অসম ভ্ৰমণ অভিজ্ঞতাৰ বিষয়ে চমুকৈ লিখক ।

'মোৰ জীৱন সোঁৱৰণ'ৰ পৰা

[লেখক লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম ১৮৬৮ চনত শিৱসাগৰত । তেওঁৰ পিতৃ ডাঙৰীয়া দীননাথ বেজবৰুৱা বৃটিছৰ বিষয়া আছিল । লক্ষ্মীনাথ বেজবৰুৱাই প্ৰবেশিকা পাছ কৰাৰ পাচত কলিকতালৈ গৈ বি.এ. পাচ কৰিলে । তাৰ পাছত এম.এ. আৰু বি.এল. পঢ়িলে যদিও পৰীক্ষাত নবহিল । তেওঁ বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ জীয়ৰী প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰাইছিল । তাৰ পাচত তেওঁ ব্যৱসায় কৰিবলৈ লয় । প্ৰথমে কলিকতাত ভোলানাথ বৰুৱাৰ লগত, তাৰ পাচত এটা ইংৰাজ কোম্পানীৰ লগত, পিছত একেবাৰে উৰিষ্যাৰ সম্বলপুৰত নিজাকৈ কাঠৰ কাৰবাৰ আৰম্ভ কৰিছিল । ১৯৩৮ চনত ডিব্ৰুগড়ত তেওঁ স্বৰ্গী হয় ।

বেজবৰুৱাই অসমীয়া সাহিত্যলৈ যুগান্তৰ আনিছিল । বহুমুখী প্ৰতিভাৰ অধিকাৰী হিচাবে সাহিত্যৰ সকলো বিভাগতে তেওঁৰ অৱদান আছে । তেওঁ একেধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, হাস্যৰসিক, কাৰ্টুনিষ্ট, গদ্যশিল্পী আৰু সমালোচক । হাস্যৰসাত্মক ৰচনাসমূহ তেওঁ কৃপাবৰ বৰুৱা আৰু কৃপাবৰ বৰবৰুৱাৰ ছদ্ম নামত লিখিছিল । অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ ৰণত সেনাপতি হোৱা কাৰণে অসমীয়াই তেওঁক 'সাহিত্যৰথী' বোলে । হাস্যৰস সৃষ্টিত সিদ্ধহস্ত বাবে বোলে 'ৰসৰাজ'। তেওঁৰ ৰচনাত আছে গভীৰ আত্মচিন্তা, দেশপ্ৰেম আৰু সমালোচনাত্মক দৃষ্টিভঙ্গী । তেওঁ গোটেই জীৱন প্ৰবাসত থাকিও ভাষাজননীৰ সেৱাত প্ৰাণপাত কৰিছিল ।

ইয়াত দিয়া অংশটি তেওঁৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ৰ পৰা লোৱা হৈছে । ইয়াত 'জোনাকী'ৰ জন্ম আৰু প্ৰথম দুটা বছৰৰ ইতিহাস, অসমীয়া সাহিত্যলৈ তাৰ অবদান, 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম আৰু উদ্দেশ্য সম্বন্ধে বিস্তৃত আলোচনা আছে ।]

ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ সুযোগ্য পুত্ৰ বন্ধুবৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই তেতিয়া বোধকৰোঁ, কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ দ্বিতীয় বাৰ্ষিকৰ শ্ৰেণীত এফ্. এ পঢ়িছিল । কলিকতাৰ বৰবজাৰত ১০ নম্বৰ আৰ্মেনিয়ান ষ্টীটত তেওঁলোকৰ ব্যৱসায়ৰ নিজা কুঠি আছিল । শ্ৰীযুত চন্দ্ৰকুমাৰ

আগৰৱালা তাতে থাকি তেওঁলোকৰ বেহা-বেপাৰৰ কাৰ্য্যৰ তত্ত্বাবধান কৰিছিল আৰু কলেজতো পঢ়িছিল। যিদিনা প্ৰথমতে তেওঁৰ সৈতে মোৰ চিনা জনা হয়, সেইদিনাৰ পৰাই তেওঁৰ হাঁহিমুখ, মিঠা কথা আৰু মোহন ব্যৱহাৰে মোৰ মন তেওঁৰ ফালে টানি নিলে । অচিৰতে আমাৰ দুইৰো মাজত বন্ধুতাৰ ঘনিষ্ঠতা সংস্থাপিত হ'ল । তেওঁৰ মনৰ ঢাল্ সাহিত্য-চৰ্চ্চাৰ ফালে ; আৰু মোৰো তথৈবচ। তেওঁ 'জোনাকী' নামেৰে এখন মাহেকীয়া অসমীয়া কাকত উলিয়াবলৈ থিৰ কৰি আমাৰে সৈতে পৰামৰ্শ কৰিলে । মই তেওঁক সেই কাৰ্য্যত নথৈ উৎসাহ দি 'জোনাকী'লৈ প্ৰবন্ধ লেখিবলৈ সাজু হলোঁ । ১৮১০ শকৰ মাঘ মাহত 'জোনাকী'ৰ প্ৰথম সংখ্যা ওলাল । সেই সংখ্যাৰ পৰা এবছৰলৈকে লেথাৰি নিছিগাকৈ মোৰ 'লিটিকাই' তাত ওলাবলৈ ধৰিলে । একেধাৰে সম্পাদক, কাৰ্যাধ্যক্ষ আৰু স্বত্বাধিকাৰী শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকীৰ' নিমিত্তে অশেষ পৰিশ্ৰম কৰিবলৈ ধৰিলে । প্ৰথম সংখ্যাত তেওঁৰ সুলিখিত 'আত্মকথা'ই জোনাকীৰ উদ্দেশ্য শুৱলাকৈ কৈ দিলে । 'আত্মকথা'ত লেখিছিল,'অসমত কাকতৰ গতি কচুপাতত পানীটুপিৰ দৰে । মানুহৰ চেষ্টা অজৰ অমৰ বুলি জানিহে আমাৰ সাহ ; উদ্যোগীয়ে মৰণ কি কব নোৱাৰে । জীৱনেই হৈছে কাৰ্য্যশীল, কৰিবলগীয়া কাম প্ৰথম, ফল লাভ পাছৰ কথা । কামৰ চকৰিৰ তলত বহু মৰেও, জীয়েও ; মৰি জীহে সংসাৰৰ কাৰ্য্য সাধিব পাৰি । আমাৰ উদ্দেশ্য কি অনেকে সুধিব । সম্প্ৰতি ইয়াকে ক'লেই হব যে আমাৰ কাৰ্য্য দেখি আমাক সকলোৱে বুজিব পাৰিব - আমাৰ কামটি বুজিব নোৱাৰা স্নাঁথৰ নহয়। ৰাজনীতি আমাৰ 'ৰাজ্য'ৰ বাহিৰ, এই পৰাধীন দেশত 'প্ৰজানীতিহে' ধৰিবলগীয়া । সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয় । এইবিলাক সাধ্যমতে বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ যত্ন কৰিম । 'বাদ', 'প্ৰতিবাদ' আমি আদৰৰে আমাৰ কোলাত ঠাই দিম। সেই বুলি ব্যক্তিগত নিন্দাক ওচৰ চাপিবলৈ নিদিওঁ । ভাষালৈ আমাৰ বিশেষ চকু থাকিব। অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম । নকৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম । এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙ্গতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম । আমি জানোঁ, আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন ; কিন্তু আমি নিজ শক্তি অনুযায়ী কামত হাত দিব পাৰোঁ । আমি যুঁজিবলৈ ওলাইছোঁ 'আন্ধাৰ'ৰ বিপক্ষে । উদ্দেশ্য দেশৰ উন্নতি, 'জোনাক' । আমি কিমান আগ বাঢ়িব পাৰিমহঁক সেইটো নিজৰ শক্তিচালনা ও সুযোগৰ ওপৰতহে বৈ আছে । আটাইয়ে উঠি পৰি লাগোঁহক, সুযোগো আপুনি ওলাবহি ; পাটীত পৰি দিন গণিবৰ সময় নাই । চাৰিওফালে হুৰহুৰাই 'কাম' চলিছে, অসমীয়া বহি থাকিবনে ? এই ভাপ-নাও, ভাপ-ৰথ, বিজুলী-ডাকৰ দিনতো যদি হাত ভৰি কোঁচাই বহি থাকোহঁক, তেনে আৰু আগবাঢ়ি যোৱাসকলৰ লগ ধৰিবলৈ আশা কৰিব নোৱাৰি।

নিজে 'যোগ্য' নকৰিলে অন্যে কৰি নিদিয়েহি । এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ । অযোগ্য অধঃপাতলৈ যাব - Survival of the fittest - পাঠকে দায় নধৰিব, এই খিনিতে সুন্দৰ ইংৰাজী কথা এফাকি তুলি দিলোঁ, তাৰ অৰ্থ ওপৰত দিয়া হৈছে । তুহঁৰ জুইৰ দৰে অসমীয়াৰ 'তেজ' আৰু 'উৎসাহ' এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে - এবাৰ ভমকাই উঠিবই উঠিব ।'

এবাৰ বঙ্গদেশৰ বৰ্দ্ধমানত বহা 'প্ৰভিঞ্চিয়েল কন্‌ফৰেঞ্চ'ত সুপ্ৰসিদ্ধ বেৰিষ্টাৰ এ, চৌধুৰীয়ে (পিছত ছাৰ আশুতোষ চৌধুৰী নাইট, কলিকতা হাইকোৰ্টৰ জজ) কৈছিল 'A subject nation has no politics' অৰ্থাৎ পৰাধীন জাতিৰ ৰাজনীতি বুলি এটা বস্তু নাই ; অৰ্থাৎ পৰাধীন জাতিয়ে ৰাজনীতি চৰ্চ্চা কৰাটো বিড়ম্বনা মাথোন । সেই কালত এই নতুন বচন শুনি ভাৰতত ৰাজনৈতিক আন্দোলন কৰোঁতাসকল জ্বলি উঠিছিল । বোম্বাইৰ সিংহ ছাৰ ফিৰোজস্যাহ-মেহটা, দিন্‌ছা ৱাচা, আন কি মহামতি গোখলে আৰু বেঙ্গলৰ সুৰেন্দ্ৰনাথ বানুৰ্জী প্ৰভৃতিয়ে এই বচনৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল । কিন্তু তেওঁলোকে প্ৰতিবাদকে কৰক বা খণ্ডকে কৰক, এইটো ঠিক যে এই বচনৰ সত্যতা সকলোৱে আন কি তেওঁলোকেও হাড়ে হাড়ে মজ্জায় মজ্জায় অনুভৱ নকৰি নাথাকিছিল । আচৰিত কথা নহয় নে, প্ৰবীণ ৰাজনৈতিকৰ মুখৰ পৰা ওলোৱাৰ অনেক কালৰ আগেয়েই অলপ বয়সীয়া ছাত্ৰ 'জোনাকী'ৰ সম্পাদক শ্ৰীযুত চন্দ্ৰকুমাৰ_আগৰৱালাৰ ল'ৰাৰ মুখৰপৰাও এই কথাই ওলাইছিল ।

ওপৰত কৈ আহিছোঁ যে প্ৰথম বছৰৰ 'জোনাকী'ৰ প্ৰতি সংখ্যাতে মোৰ 'লিটিকাই' ওলাইছিল। ন লেখাৰু আৰু ন বোৱাৰী একেখন ফলিতে উঠে । ন লেখাৰু মই, সেই দেখি মোৰ 'লিটিকাই' পঢ়ি লোকে কি ক'ব, কি বুলিব, এই ভয়ত মই চক্ খাই ফুৰিছিলোঁ । কোনোবাই 'জোনাকী'ত ওলোৱা 'লিটিকাই'ৰ কথা উলিয়ালে মই সেই ঠাইৰ পৰা উঠি সুৰ সুৰ কৰে পলাইছিলোঁ আৰু পলাব নোৱাৰিলে লাজত অধোবদন হৈছিলোঁ, অথচ লোকে কি কয় শুনিবৰো নথৈ মন । যি হওক 'লিটিকাই' পঢ়ি সকলোৱে ৰং পোৱা দেখি মোৰ উছাহ বাঢ়িছিল । কোনোৱে নেদেখাকৈ লুকাই মই 'লিটিকাই' ৰচনা কৰিছিলোঁ । 'লিটিকাই' কবিতা নহয় ; ৰচোঁতাজন কবিযশপ্ৰাৰ্থীও নহয় ; গতিকে কলিকতাৰ ইডেন উদ্যানেৰে সৈতে 'লিটিকাই' আৰু ''লিটিকাই-ৰচক বাপুদেউ'ৰ কি সম্বন্ধ লাগিছিল আজিলৈকে মই ভাবি নাপাওঁ । কিন্তু ভাবৰপৰা অঘাইতং লিটিকায়ে ইডেন গাৰ্ডেনৰ গছৰ তলত 'বাপুদেউৰ চুণ খাই মৰিব' খুজি বাপুদেউৰ গাত শূদ্ৰবধ পাতক লগাবলৈ গৈছিল । কথাবাৰৰ বাকলি গুচাই, কোঁহটো কাঢ়ি ভিতৰখন দেখুৱাবলৈ গলে কব লাগিব যে শনিবাৰ দেওবাৰৰ দিনা মই ইডেন উপবনৰ নিজান গছৰ তলত, বেঞ্চৰ ওপৰত বহি 'লিটিকাই'ৰ একো আধ্যা লেখি লৈ মোৰ থকা ঠাই মেছলৈ উভতি আহিছিলোঁ । 'লিটিকাই' সাধুটো মনত আছিল ; গতিকে ভাবি-চিন্তি কোনো 'প্লট' (Plot) নগঢ়ি একেবাৰেই লেখি গৈছিলোঁ । প্ৰথমতে বালিৰ কাকতত পেঞ্চিলেৰে যি লেখি

নুশুধৰোৱাকৈয়ে নাইবা ভাল কাকতত নকল নকৰাকৈয়ে তাকে ছপা কৰিবলৈ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ হাতত মনে মনে গুজি দিছিলোঁ ; আমাৰ বন্ধু-বৎসল আগৰৱালাই সম্পাদকীয় বা কাৰ্য্যাধ্যক্ষীয় নিয়মাৱলীৰ কোনো বাণকে সেই কুন্দচ লেখাৰ বিপক্ষে টোণাৰ পৰা নাটানি, হাঁহি মাৰি তাক হাত মেলি লৈ গৈ তপতে তপতে 'জোনাকী'ৰ বুকুত সুমাই দিছিল ।

প্ৰথম সংখ্যা 'জোনাকী'তে আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাটি ওলায় । যি সকলে আগেয়ে ভাবিছিল যে অসমীয়া ভাষাত বৰ্ত্তমান কালৰ উপযোগী শুৱলা কবিতা (poem) লেখিব নোৱাৰি, এই কবিতা পঢ়ি সেইসকলৰ ভ্ৰান্তি গ'ল । মনত আছে, এদিন ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি.এ আৰু মাণিকচন্দ্ৰ বৰুৱাই মোৰ হতুৱাই 'বনকুঁৱৰী' কবিতাটো পঢ়াই শুনি বিস্ময় বিমিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলোঁ যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৱৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে । ইয়াৰ পিছত দ্বিতীয় সংখ্যা 'জোনাকী'ত শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ 'কাকো আৰু হিয়া নিবিলাওঁ' নামৰ প্ৰেমৰ কবিতা ওলাল । এই কবিতায়ো অনেকৰ মনত সন্তোষ দিছিল। ঘনশ্যাম বৰুৱাৰ (ৰায়বাহাদুৰ) গদ্য প্ৰবন্ধ 'আত্মশিক্ষা', 'চিন্তানল', শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যৰ 'পাহৰণি' কবিতা আৰু সম্পাদক আগৰৱালাৰ মুকুতাৰ মণিৰ নিচিনা 'নিয়ৰ' কবিতাই এই বছৰৰ 'জোনাকী'ক সুবেশ আৰু সুগম্ভীৰ কৰি তুলিছিল ।

দ্বিতীয় বছৰত জোনাকীক ১০ নং আৰ্ম্মেনিয়ান ষ্ট্ৰীটৰ পৰা ২ নং ভবানীচৰণ দত্ত লেনৰ অসমীয়া ছাত্ৰৰ মেছলৈ তুলি অনা হ'ল । শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাও তেওঁলোকৰ আৰ্ম্মেনিয়ান ষ্ট্ৰীটৰ ঘৰৰ পৰা আহি সেই মেছবাসী হ'ল । তাতে আগৰৱালা, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু এই লেখক এই তিনি অন্তৰঙ্গ বন্ধুৰ একত্ৰ সমাবেশ ঘটিল ; আৰু তিনিও 'জোনাকী'ৰ উন্নতি কাৰ্য্যত ব্যস্ত হৈ পৰিলোঁহক । এই ত্ৰ্যহস্পৰ্শৰ ফলত 'জোনাকী' প্ৰবন্ধ সম্পদেৰে চহকী হৈ উঠিল । ৰত্নেশ্বৰ মহন্তৰ 'অসমত মান', লম্বোদৰ বৰাৰ 'অসমীয়া ভাষাৰ আখৰি জোঁটনি', ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ 'সৌমাৰ ভ্ৰমণ', বিষ্ণুপ্ৰসাদ আগৰৱালাৰ 'শঙ্কৰদেৱ' কোলাত লৈ 'জোনাকী'য়ে ৰাইজৰ সভাত প্ৰবেশ কৰিলে । এই লেখকৰ 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' এই দ্বিতীয় বছৰৰ 'জোনাকী'ৰ ১ম সংখ্যাতে আৰম্ভ হয়। এবছৰৰ 'জোনাকীৰ' চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে আৰু ভাষা আকাশত পুৱাৰ পোহৰ পৰিল । অসমীয়া ভাষাটো আমাৰ অলাগতিয়াল বস্তু, কিছুমান ইংৰাজী শিক্ষিত অসমীয়াৰ যে এনে এটা অদ্ভুত সংস্কাৰ আছিল, সেইটোৱে বৰকৈ জোকাৰ খালে । এই শাৰীৰ মানুহকে লক্ষ্য কৰি দ্বিতীয় বছৰৰ 'জোনাকী'ৰ 'আত্মকথা'ত লেখা হৈছিল - 'দুখৰ বিষয়, অসমীয়া ভাষাটো যে আমাৰ লাগতিয়াল, তাক কোনো কোনো অসমীয়াই

গমি নাচাই উপলুঙা কৰে । হায় ! হায় ! অসমীয়া মানুহে নিজ ভাষাৰ উন্নতিলৈ পিঠি দিয়াৰ কাৰণে কতখানি কাকত উপজি মৰি গ'ল, সদাশয় পাঠকসকলে এবাৰ তাক সুঁৱৰি বহি কান্দোক।'

মাতৃভাষাৰ ভালৰ অৰ্থে আমি অকল 'জোনাকী' উলিয়ায়ে বহি থকা নাছিলোঁ । 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' নামেৰে সভা এখন স্থাপন কৰি তাৰ উন্নতি সাধন কৰিবলৈ প্ৰাণপণে লাগি গৈছিলোঁহক । এই বছৰৰ 'জোনাকী'ত ছপা হোৱা অ.ভা.উ.সা. সভাৰ কাৰ্য্যবিবৰণ পঢ়িলেই তাৰ আভাস পোৱা যায় । এই লেখক সেই বছৰত সেই সভাৰ সম্পাদক আছিল । তেওঁ লেখা বছেৰেকীয়া কাৰ্য্যবিবৰণৰ পৰা অলপ তুলি দিলোঁ । এই বছৰেকীয়া সভা ১৮১২ শকৰ ২০ আহিনত ২ নং ভবানীচৰণ দত্ত লেনৰ ঘৰত বহিছিল আৰু তাৰ সভাপতি আছিল ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ।

জন্মৰ সংক্ষেপ বিবৰণ : কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ 'টি পাৰ্টি' (অৰ্থাৎ চাহ খোৱা মেল) নামেৰে এখন সন্মিলনী আছিল । সেই সন্মিলনী প্ৰতি শনিবাৰে গধূলি অসমীয়া ডেকাসকলৰ কোনো এটি বহাত বহি সেইসকলৰ মাজত পৰস্পৰ সদ্ভাৱ-প্ৰীতি আদি উৎপন্ন কৰাৰ প্ৰধান উপায় সাধিছিল । আৰু,সেই সুযোগতে তাত দেশহিতকৰ ভাল ভাল বিষয়বিলাকৰ অলপ অলপ আলচ হৈছিল । সেই আলচৰ ফলস্বৰূপে এই 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম। পৃথিৱীৰ ইতিহাসলৈ চকু দিলে দেখিবলৈ পোৱা যায় যে এই জগতত যতবিলাক ডাঙৰ ডাঙৰ কাৰ্য্যৰ অনুষ্ঠান হৈছে প্ৰায় সকলোবোৰ উৎপত্তিৰ সূত্ৰপাত এনে সৰু কাৰ্য্য বা ক্ষুদ্ৰ ঘটনাৰ পৰা হৈছে । বিলাতি পণ্ডিত জনছন এডিছনৰ 'কফি হাউছ' ইউৰোপ, এছিয়া আৰু আমেৰিকা জুৰি পৰা বহুত ডাঙৰ ডাঙৰ কথাৰ ওপজা ঠাই। এতিয়াও অসমীয়া ভাইসকলৰ এই নগণ্য ক্ষুদ্ৰ 'টি পাৰ্টি'ৰ পৰা গজালি মেলা পুলি 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ ডালপাত যে কালক্ৰমত প্ৰকাণ্ড আকাৰ ধৰি এশ যোজন ব্যাপি পৰিবৰ সম্ভৱ তাক কোন অসমীয়াৰ ওখ আশাৰে চপ্‌চপীয়া হিয়াই নুই কৰিবলৈ আগবাঢ়িব পাৰিব ? ১৮১০ শকৰ ভাদ মাহত (ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে) ৬৭ নং মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা 'টি পাৰ্টি'ত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অৰ্থে এখন সভা কৰিবৰ প্ৰস্তাৱ হৈ সেই প্ৰস্তাৱ কাৰ্য্যত পৰিণত হোৱাৰ ফলস্বৰূপে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম হয়।

এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা । এই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই 'অসমীয়া ভাষা উন্নতি সাধিনী' নাম লৈ উপজিছে । কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ দীঘল হব, কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱবেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব,

কেনেকৈ সি দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰপৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য ।

শব্দ-অৰ্থ

কুঠি	-	ব্যৱসায়ৰ কাৰ্য্যালয়
অচিৰতে	-	অতি সোনকালে
চকৰি	-	চকা, চক্ৰ
ফিৰিঙতি	-	স্ফুলিঙ্গ
তেজ	-	শক্তি
সাঁথৰ	-	সহজে বুজিব নোৱাৰা গুপ্ত অৰ্থযুক্ত এক বা অধিক ফাকি কথা
তুঁহ	-	ধানৰ ভিতৰৰ পৰা চাউল উলিওৱাৰ পাচত ৰৈ যোৱা বাকলি

অনুশীলনী

১। 'জোনাকী' সম্বন্ধে এটি চমু প্ৰবন্ধ ৰচনা কৰক ।

২। 'জোনাকী'ৰ উদ্দেশ্য কি আছিল ? সেই উদ্দেশ্য সফল কৰিবলৈ কোনে কি অৱদান দিছিল ? আলোচনা কৰক ।

৩। 'ন লেখক আৰু ন বোৱাৰী একেখন ফলিতে উঠে ।' ন লেখক কোন ? তেওঁ কি লিখিছিল, কিয় লিখিছিল, - প্ৰসঙ্গ উল্লেখ কৰি আলোচনা কৰক ।

৪। 'বনকুঁৱৰী' কবিতাটি কোনে ৰচনা কৰা ? অসমীয়া ভাষা সাহিত্যত তাৰ স্থান কিয় গুৰুত্বপূৰ্ণ ? 'কবিতাৰ ক্ষেত্ৰত প্ৰথম বছৰৰ জোনাকীৰ অৱদান' - এই বিষয়ে বুজাই লিখক ।

৫। 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ ইতিহাস সংক্ষেপে লিখক ।

৬। চমু টোকা লিখক :
চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, দ্বিতীয় বছৰৰ জোনাকী, অ. ভা. উ. সা. সভা

৭। ব্যাখ্যা কৰক :
(ক) অসমীয়াৰ তেজ আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে - এবাৰ ভমকাই উঠিবই উঠিব ।

(খ) কাকতৰ গতি কচুপাতৰ পানীটুপিৰ দৰে ।

(গ) এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ ।

৮। শুদ্ধ উত্তৰবোৰ বাচি উলিয়াওক :

(ক) চন্দ্ৰকুমাৰ কাৰ পুতেক আছিল ?

- ৰায়বাহাদুৰ জগন্নাথ বৰুৱা
- ডাঙৰীয়া হৰিবিলাস আগৰৱালা
- বিষ্ণুপ্ৰসাদ আগৰৱালা

(খ) বেজবৰুৱাই 'লিটিকাই' ক'ত বহি লিখিছিল ?

- ইডেন উদ্যান
- বৰ বজাৰ
- গুৱাহাটী

(গ) 'জোনাকী'ৰ প্ৰথম সম্পাদক কোন ?

- লক্ষ্মীনাথ বেজবৰুৱা
- মানিক চন্দ্ৰ বৰুৱা
- চন্দ্ৰকুমাৰ আগৰৱালা

(ঘ) প্ৰথম অমসীয়া ৰোমান্টিক কবিতাটো কি ?

- নিয়ৰ
- বনকুঁৱৰী
- লিটিকাই

(ঙ) 'কৃপাবৰ বৰুৱা' কাৰ ছদ্মনাম ?

- লক্ষ্মীনাথ বেজবৰুৱা
- চন্দ্ৰকুমাৰ আগৰৱালা
- হেমচন্দ্ৰ গোস্বামী

৯। তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থবাচক শব্দৰে বাক্য ৰচনা কৰক :

পোহৰ, এলেহুৱা, সাহ, উন্নতি, পুৰা, শিক্ষিত, নিন্দা, দুখীয়া, পৰাধীন, প্ৰতিবাদ

১০। বাচ্য পৰিবৰ্তন কৰক :

(ক) ১৮১০ শকৰ মাঘ মাহত 'জোনাকী' ওলাল ।

(খ) সম্পাদকীয়ত সম্পাদকে সকলো কথা কৈ দিলে ।

(গ) সকলো বিষয় ভালদৰে বুজাবলৈ চেষ্টা কৰিম ।

(ঘ) বাক্যটোৰ অৰ্থ ভালদৰে বুজাই দিয়া হৈছে ।

(ঙ) সকলো ঠাইতে এই প্ৰস্তাৱৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰা হৈছিল ।

(চ) সভাৰ কাৰ্য্যবিবৰণ পঢ়িলেই ইয়াৰ আভাস পাওঁ ।

(ছ) সকলোৰে মাজত সম্ভাৱ জগাবলৈ উপায় চিন্তা কৰিছিল ।

১১। ওপৰোক্ত পাঠত থকা বিশেষণ পদসমূহ লিখি উলিয়াওক । লগে লগে আপোনাৰ মাতৃভাষাত তাৰ প্ৰতিশব্দও দিয়ক ।

‘মৃত্যুঞ্জয়’ৰ পৰা

[প্ৰদত্ত উপন্যাস খণ্ডৰ লেখক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্ম ১৯২৩ চনত বৰ্ত্তমান যোৰহাট জিলাত । যোৰহাট হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা পাচ কৰাৰ পাচত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি, এছ, চি পাচ কৰে । পাচত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম, এ উপাধি লাভ কৰে । তেওঁ কেইবছৰমান ‘ৰামধেনু’ আৰু ‘নৱযুগ’ সম্পাদনা কৰিছিল । তেওঁ অসম প্ৰকাশন পৰিষদৰ মুখপত্ৰ ‘প্ৰকাশো’ সম্পাদনা কৰিছিল।

আজীৱন সাহিত্যৰ সাধক শ্ৰীভট্টাচাৰ্য্যই কেইবাখনো পুথি ৰচনা কৰিছে । ‘কলঙ আজিও বয়’ আৰু ‘সাতসৰী’ তেওঁৰ গল্প পুথি । তেওঁৰ উপন্যাসসমূহ হৈছে - ‘ৰাজপথে ৰিঙিয়ায়’, ‘আই’, ‘ইয়াৰু ইঙ্গম’, ‘শতঘ্নী’, ‘মৃত্যুঞ্জয়’, ‘প্ৰতিপদ’, ‘বল্লৰী’, ‘কবৰ আৰু ফুল’, ‘চিনাকি সুঁতি’ ইত্যাদি। ইয়াৰোপৰি বিভিন্ন আলোচনী আৰু সঙ্কলনত তেওঁৰ ৰচনা সিচঁৰতি হৈ আছে । কেবল গল্প আৰু উপন্যাসেই নহয় কাব্য সাহিত্যতো তেওঁৰ লিখনিৰ পৰশ আছে । সাহিত্য একাডেমীৰ পৰা স্বীকৃতি লাভ কৰাৰ উপৰিও শ্ৰীভট্টাচাৰ্য্যই *জ্ঞানপীঠ* বঁটাও লাভ কৰিছে ।

‘মৃত্যুঞ্জয়’ অসমীয়া সাহিত্যৰ প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ জ্ঞানপীঠ বঁটা বিজয়ী পুথি। এই পুথিৰ পটভূমি বিয়াল্লিশৰ গণ আন্দোলন । স্থান নগাওঁ জিলাৰ পশ্চিমাঞ্চল । এদল সন্ত্ৰাসবাদীৰ ৰেল বগৰোৱা ঘটনা এটা এই উপন্যাসত ৰূপায়িত কৰা হৈছে ।

শ্ৰীশঙ্কৰ গুৰুৰ শিষ্য, প্ৰাণীমাত্ৰকে বিষ্ণু বুলি ভবা ভকত বৈষ্ণৱসকলে কিদৰে এনে কাৰ্য্যত অংশগ্ৰহণ কৰিছিল তাৰ দলিল স্বৰূপ হৈছে এই পুথি । ধনপুৰ, ভিভিৰাম আৰু মাণিক বৰা এই কামৰ কাৰণেই কামপুৰৰ পৰা জাগীৰোডলৈ ৰেলেৰে আহি বাকী পঁচিশ মাইল বাট খোজকাঢ়ি দৈপাৰা সত্ৰলৈ আহিছে । তাতে সেই সত্ৰৰ অধিকাৰ আৰু এই কাৰ্য্যৰ নেতা মহদানন্দ গোসাঁইৰ ঘৰত সোমাইছেহি । তাত অন্যান্য দুই চাৰিজন কৰ্মীকো লগ পাইছে । উদ্ধৃত অংশটি এওঁলোকৰ মাজত হোৱা কথোপকথন । ঈশ্বৰ ভক্তৰ মনত দেশ আৰু ভগৱান কেনেকৈ একাকাৰ হৈ গৈছে, তাৰে উদাহৰণ আছে এই অংশটিত ।]

ওখ পিৰালিৰ ওপৰত ৩০ হাত দীঘল, ১৫ হাত বহল এটা ঘৰ । বাঁহৰ দুৱাৰখন কাণি-দুৱৰীকৈ মেলা আছিল । ভিভিৰাম সোমাই গ'ল, তাৰ পিছত ধনপুৰ আৰু ধনপুৰৰ পাছত মাণিক বৰা । একুৰা ডাঙৰ জুই ধৰি পীৰা পাৰি চাৰিজন মানুহ বহি আছে, তাৰে এজন বহিছে বৰপীৰাত । তেওঁ বহাৰ ওচৰতে ডাঙৰ বেৰৰ প্ৰকাণ্ড এটা তুলসী খুঁটা । মানুহজনৰ বয়স ত্ৰিশমান হ'ব ; জোখাৰে ওখ, গাত এটা দগধা খদ্দৰৰ কুৰ্তা ; মুখখন ধুনীয়া, বৰণ তেজ গোৰা, চুলি পাছফালে পৰা, খোপা বন্ধা । নাকটো অলপ জোঙা, চকুযুৰিৰ মণি দুটা উজ্জ্বল ।

ভিভিৰামক দেখি তেওঁ ক'লে, 'টোপোলা-টাপলি থৈ বহক । বাটত কিবা দিগদাৰি হৈছিল নেকি ?' ভিভিৰামে কান্ধৰ দুয়োফালে বান্ধি পিঠিফালে ওলোমাই থোৱা ডাঙৰ টোপোলাটো ধমহকৈ মাটিত নমাই বেৰৰ ওচৰত থ'লে । সেইফালে পাকঘৰ । তাত তেতিয়া কাঁহী-বাটিৰ ঠুং ঠাং শব্দ হৈছে । ভিভিৰামৰ গাটো পাতল পাতল লাগিল । সি আহি পীৰাখন পাছলৈ টানি লৈ বহিল । তাৰ পিছত ক'লে, 'মনহা পাৰ হোৱালৈকে ভয় আছিল, তাঁৰ পিছত আৰু 'ছোৱাধীন' মায়ং ৰাজ্যতে সোমোৱা যেন লাগিছিল ।'

মানুহ চাৰিজনে হাঁহিবলৈ ধৰিলে । ধনপুৰে এটা পোৰ্টফলিঅ'বেগ আনিছিল । সেইটো থৈ সহজে আহি এখন পীৰা লৈ বহিলহি । তাৰ ভৰিৰ চেণ্ডেলযোৰ সাৱধানে খুলি বেৰৰ কাষলৈ দলিয়াই দিলে । তাৰ অতিকায় বীৰ্য্যবান দেহটোৰ ওপৰত থকা বিশাল নয়নহালিৰে এজন এজনকৈ সকলোকেইজন সমজুৱাকে নিৰীক্ষণ কৰি সি ক'লে, 'আপোনালোকৰ মায়ঙৰ কথা সৰুৰে পৰা শুনিছোঁ। ইয়ালৈ আহিলে বোলে ভেড়া হয়, হয় নে বাৰু ?'

জয়ৰাম মেধিৰ এইবাৰ মুখ খোল খালে, ক'লে, 'সঁচা-মিছা প্ৰমাণ হাতে হাতে দিব পাৰিলোঁহেঁতেন। কিন্তু প্ৰভু ঈশ্বৰে কংগ্ৰেছত লগাবৰে পৰা এৰি দিলোঁ, বুজিছানে বোপাদেউ ? সেই যে পীৰাখন দেখিছা তাতে লগাই থব পাৰিলোঁহেঁতেন । কত কু-মন্ত্ৰ আছে, কত সুমন্ত্ৰ আছে !'

এইবাৰ বিশ বছৰমানৰ বুদ্ধিমান দেখনিয়াৰ ল'ৰাটিয়ে মাত দিলে, - 'এতিয়া পিছে মায়ঙৰ মহিমা আৰু নাই ।'

তেনেতে ধনপুৰে মন কৰিলে, মাণিক বৰাই টোপোলা-টাপলি খুলি তাৰে পৰা এখন ফুলাম গামোচা উলিয়াইছে । তাকে দেখি পাছফালৰ দুৱাৰমুখত ৰৈ থকা মধু কেওঁটলৈ চাই ধনপুৰে ক'লে, - 'হেৰা ককাইটি, ভকতে গা তিয়াব হ'ব পায়, তুমি চাকি এটা দি গা ধোৱা পুখুৰীলৈ লৈ যোৱা । বতৰ ঠাণ্ডা, পলম কৰিলে গা বেয়া কৰিব ।'

সকলোৱে এইবাৰ মাণিক ভকতলৈ চালে । মাণিক ভকতে গাৰ কুৰ্ত্তাটো খুলিলত আটিল মঙহাল দেহাটো ওলাই পৰিল । মানুহটোৰ খোপা প্ৰভু ঈশ্বৰৰ খোপাতকৈ দীঘল । জয়ৰামে সুধিলে,- 'কোন সত্ৰৰ ভকত বুলিলে ?'

মাণিক বৰাই আথে-বেথে মাত লগালে, - 'কুৰুৱাবাহীৰ । জয়ৰামে ক'লে, চাৰি সত্ৰৰ এখন। মই কেইবাবাৰো ৰাসত গৈছিলোঁ, বুজিছে । চাৰিসত্ৰৰ এখন সত্ৰ বুলিও ধন সম্পত্তি কম, কিন্তু মান সন্ত্ৰম যথেষ্ট । শিচো ভৰি আছে ।'

মাণিক বৰাই ক'লে, - 'আপুনি একা ?'

জয়ৰামে ক'লে, 'মই ইয়াৰে ।'

- 'অঁ । এই সত্ৰৰে । আপোনালোক চৈতন্যপন্থী ?'

- 'অঁ ।' তেনেতে মধু কেওঁটে চিঞৰিলে, 'আহক ভকত, গা ধোৱকহি ।

মাণিক ভকতে গামোচাখন কান্ধত লৈ পাছ্ফালৈ গ'লগৈ ।

ভিভিৰামে সুধিলে, 'আপোনালোকে ৰাধাকো মানে হ'ব পায় ?'

- 'অঁ ।'

- 'কীৰ্ত্তন দশম একা ?'

- 'উৰা, নেমানিম কিয়? সকলো ভাগৱতৰহে কথা । ভক্তিৰ প্ৰকাৰটো সামান্য বেলেগ জানিবা ।' - জয়ৰামে ক'লে । জয়ৰামে ওচৰতে থকা বটাৰ পৰা খুন্দা তামোল পাণ আনি চোবাবলৈ ল'লে।

ভিভিৰামে ক'লে, 'মহাপুৰুষৰ কথা কোৱা বেয়া । কিন্তু শঙ্কৰদেৱ গৃহী আছিল, চৈতন্যদেৱ সন্ন্যাসী আছিল । আমাৰ মহাপুৰুষ ছকুৰি বছৰ জীৱিত আছিল, কিন্তু তেৰা আছিল ৪৮ বছৰ । চৈতন্যদেৱৰ ভক্তিও আছিল মধুৰ ভক্তি, আমাৰ দাস্য পন্থা ।'

এইবাৰ বৰপীৰাত বহি থকা গোসাঁয়ে হাঁহি ক'লে, 'পথ বেলেগ হব পাৰে,কিন্তু লক্ষ্য একে। আৰু শুনক বৰা । ধৰ্মলৈ তৰ্ক বৃথা । মই চৈতন্যপন্থী হব পাৰোঁ, কিন্তু মহাপুৰুষ শঙ্কৰদেৱকো মানোঁ। ধৰ্ম সম্পৰ্কে চৈতন্য মহাপ্ৰভুৱে কৈছে :

আপনি আচৰি ধৰ্ম সবাৰে শিখায় ।
আপনি না কৈলে ধৰ্ম শিখান নাযায় ।

ধৰ্ম নিজৰ । কিন্তু পৰাধীন জাতিৰ কি ধৰ্ম আছে ? প্ৰকৃত ধাৰ্মিকে ঈশ্বৰৰ বাহিৰে কাৰো ওচৰতে সেও নেমানে । মহাত্মাজীও বৈষ্ণৱেই । কিন্তু তেওঁ গণশক্তিৰ পূজা কৰিছে, আজি ভগৱান দৰিদ্ৰ নাৰায়ণ ৰূপে অৱতাৰ হৈছে । দেশ স্বাধীন নহলে ভগৱান সন্তুষ্ট নহয় ।'

ভিভিৰামে ধনপুৰলৈ চাই ক'লে, 'শুনিছনে ? তই আকৌ ভগৱানো নাই বুলি কব ?'

সকলোৰে চকু এইবাৰ ধনপুৰৰ ওপৰত পৰিল । জয়ৰামে ক'লে, 'এওঁনো কি মানুহ ?'

ভিভিৰামে ক'লে, 'হিন্দু মানুহেই ।'

ধনপুৰে ক'লে, 'মই মানুহহে, ভকত নহওঁ । ভগৱান ক'ত আছে দেখা নাই । অত্যাচাৰ হলেও তেওঁ দেখা নিদিয়ে । এজনী গাভৰু ছোৱালীক মিলিটেৰীয়ে অত্যাচাৰ কৰা দেখিও ভগৱান নোলাল । ভগৱান থাকিলেও তেওঁ কণা, নহলে কলা ।'

সকলো অবাক হ'ল । জয়ৰামে ক'লে, -'ই পাষণ্ডৰ দৰে কথা কৈছে ।'

আহিনা কোঁৱৰ দোপাত কানীয়া । এতিয়া কানি এৰিবলৈ যত্ন কৰিছে যদিও সফল হোৱা নাই । কানীয়াৰ দৰে সদায় চকুকেইটা মুদি থাকে । তেওঁৰ বয়স যথেষ্ট । তেওঁ ডাঙৰকৈ চকু মেলি ক'লে -'চাওঁ, এইটো ক'ৰ ম্লেচ্ছ বামাচাৰী ওলালহি ? কৃষ্ণ !'

ভিভিৰামে ক'লে, 'ই বাটত ভকতৰ লগত এই বিষয়ে তৰ্ক কৰি আহিছে । কথা হ'ল, বাৰপূজীয়াৰ সুভদ্ৰাৰ কথা শুনিছেই নহয় ! তাইক মিলিটেৰীয়ে অত্যাচাৰ কৰিলে । সেই দুখ দেখি তাৰ মগজ পাতল হ'ল ।'

দধি বৰদলৈয়ে গালে, -

'বিষ্ণু বৈষ্ণৱক কৰে ধিক্কাৰ
কাটিবে আন্টিলে জিহ্বা কি তাৰ ।'

ধনপুৰে দধি বৰদলৈলৈ চালে, মানুহটো পঁচিশ বছৰমান বয়সৰ । গাত এটা দীঘল পঞ্জাবী আৰু আঠুমুৰীয়া ধুতি ! মানুহটো স্থানীয় প্ৰাইমাৰী স্কুলৰ পণ্ডিত আৰু যৎসামান্যভাৱে হ'লেও তেওঁ

পূজা পাতল কৰে । সি ক'লে, - 'তুমি দেখুৱাব পাৰিবা ভগৱান ক'ত আছে ? দেখুৱাব পাৰা যদি বিশ্বাস কৰিম । তোমালোকৰ ইয়াত মন্ত্ৰ জনা মানুহো আছে, পাৰা যদি দেখুওৱা ।'

জয়ৰামে ক'লে, - 'প্ৰমাণ চাব খুজিলে দেখুৱাব পাৰোঁ ।'

ধনপুৰে ক'লে - 'তুমি বেজ নেকি ?'

- ' অলপ-অচৰপ বেজালি জানোঁ '

- 'তেনেহলে মন্ত্ৰ কৰি সেই মিলিটেৰী কেইটাক কিবা এটা নকৰা কেলেই ? অস্ত্ৰৰে কৰাৰ উপায় নাই ।' ধনপুৰে এইবাৰ বিৰি এটা উলিয়াই ল'লে । সৰু ল'ৰাই ডাঙৰৰ আগত বিৰি খোৱা দেখি আহিনাৰ গা জ্বলি উঠি ক'লে, - 'ইয়াকে বোলে অল্প বিদ্যা ভয়ঙ্কৰ । কৃষ্ণ ! দুটামান ইংৰাজী, বঙলা আখৰ পঢ়ি একেবাৰে টিংখোপত উঠিছেগৈ । সিদ্ধ মুনিসবে যাক বিচাৰি ফুৰে, ই তেওঁক লথা মাটিতে বিচাৰে । কৃষ্ণ ! বগা বঙালখনে আহি স্কুল-কাছাৰী পাতি বন্দী-মেলেছ সৃষ্টি কৰিলে। ইহঁতক তুৰন্তে নেখেদিলে নহ'ব । কৃষ্ণ ! কৃষ্ণ ! উস্ কটা, ভগৱান নাই বুলি কয়, কৃষ্ণক চিন্তি - তোক মই হাতে হাতে দেখুৱাব পাৰোঁ ঈশ্বৰক - কৃষ্ণক চিন্তি, গোসাঁই বহি থকা খুটাটোতে আছে ঈশ্বৰ ।'

ধনপুৰে বিৰি টানি এইবাৰ ঢেক্‌ঢেক্‌কৈ হাঁহি দিলে । একেবাৰে নিৰ্ভয় তাৰ মন । বাকীবোৰে তাৰ ওপৰত কোপ-দৃষ্টি পেলাইছে ।

তেনেতে পদ মাতি মাতি মাণিক বৰাই তিয়নিখনেৰেই ভিতৰলৈ সোমাই আহি টোপোলা খুলি চুৰিয়া উলিয়াই পিন্ধিবলৈ ধৰিলে । কোনেও সেইফালে কাণ নকৰিলে ।

মাণিক বৰাই পদ ধৰিলে, -

'মৰিবৰ বেলা ইটো অজামিলে
নাৰায়ণ নাম লৈল ।
কোটি জনমৰো যত মহা পাপ
তাৰো প্ৰায়শ্চিত্ত ভৈল ।'

খন্তেকলৈ সকলো নীৰৱ । তেনেতে মধু কেওঁট আহি ক'লে, 'প্ৰভু, আয়ে সুধিছে চাহ আনিব নেকি ?'

গোসাঁয়ে ক'লে, 'আয়েৰকে ক চাহ আনিবলৈ । আৰু কবি, গাৱঁৰ তিনিজনলৈ বেছিকৈ ভাত ৰান্ধিবলৈ ।'

দধি বৰদলৈয়ে ক'লে, 'গোসাঁনীয়ে ইমান কষ্ট কিয় কৰিব লাগিছে ? আমি আমাৰ ব্যৱস্থা কৰি ল'ম ।'

- 'নেলাগে দধি । আজি বহুত গুৰুতৰ আলোচনা আছে । তই অলপ লাগি-ভাগি দিবি, হৈ যাব । ভকতৰ পাগত চলিব নহয় ?'

মাণিক বৰাই ক'লে, ' স্বৰাজৰ ভলন্টিয়াৰ হ'বৰে পৰা নীতি নিয়ম অলপ ঢিলা হৈছে প্ৰভু। বেয়া হৈছে নেকি ? নে চলিব ?'

- 'বেয়া কিয় হ'ব ? ভাল হৈছে । এইখন দেশত আচল ধৰ্ম নাইকিয়া হ'ল । কেৱল নীতি নিয়ম হ'লেই দেখনিয়াৰ ব্ৰাহ্মণ হয়, ভকত হয়, দেখনিয়াৰ মৌলবী-মোল্লা হয় । আচল ধৰ্ম হৈছে মানৱ ধৰ্ম । মানুহৰ দুখ নিবাৰণ কৰিবলৈ গৈয়েই বুদ্ধ অৱতাৰ হ'ল । চৈতন্য মহাপ্ৰভু আৰু শঙ্কৰ গুৰুৱেও প্ৰেমৰ ওপৰতে জোৰ দিছে । মানুহৰ মাজতেই ঈশ্বৰ আছে । বুদ্ধদেৱেও ক'লে, *বহুজনৰ হিত, বহুজনৰ সুখেই মোৰ ধৰ্ম* । মই গোটেই ভাৰতবৰ্ষ ঘূৰি এটা কথাই দেখিলো । মঠ মন্দিৰ, মছ্‌জিদ গিৰ্জা - এইবোৰত পুৰোহিত, মৌলবী, বিশ্বপ্ থাকে । ভগবান থাকে দুখীয়া মানুহৰ লগত। তেওঁ দৰিদ্ৰ নাৰায়ণ । তেওঁত মজি মুক্তিৰ বাবে দুৰ্লভ মনুষ্য তনু নিপাত কৰাটোৱেই এই যুগৰ ধৰ্ম। ধনপুৰ বোপাই মুখ খুলি মনৰ কথা কৈছে, মই ভাল পাইছোঁ । সত্যক মানি ল'লে ধৰ্ম পোৱা সহজ হয় । ভগৱান এইখন দেশৰ পৰা পলাইছে । আমাৰ জাগ্ৰত বলেৰে তেওঁক ঘূৰাই আনিব লাগিব ।'

মাণিক বৰাই পীৰা পাৰি জুহালৰ গুৰিত বহিলৈ ,কাঁহি এসোপা খেকাৰ উলিয়াই জুহালত পেলাই ফুটছাইৰে ঢাকি ক'লে, 'বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ । আপোনাৰ সত্ৰ যেনে শস্যে-মৎস্যে অনুপম, জ্ঞানো তেনে । ঠিকেই, ভগৱানক জগাই তোলাটোৱেই আমাৰ কাম ।'

তেনেতে এহাতমান ওৰণি লৈ বোকা বৰণীয়া কপাহী মেখেলা-চাদৰ পিন্ধা ঘুটমুটীয়া বগী মানুহ এজনীয়ে বানবাটিত আথে বেথে চাহ আনি মাণিক বৰাহঁতৰ ওচৰত থৈ গ'ল । ঠাইটুকুৰা দধিয়ে হাতেৰে মচি ধূলি জাৰি দিছিল । তাৰ পিছত তেওঁ সোমাই গৈ আৰু এবাটি চাহ আনিলে

গৈ। সেই চাহ ধনপুৰক দিব খোজোঁতেই ধনপুৰে হাতেৰে ল'ব খুজিলে, কিন্তু গোসাঁনীয়ে নিদিলে, দধিয়ে ঠাই মচি দিলত তাতে থ'লে । ধনপুৰে বালাৰ থুন্‌থুননি শুনিলে, আৰু গোসানীৰ গোঁলাপফুল যেন ৰঙা গাভৰু মুখখন দেখিলে । গোসাঁইতকৈ বয়সে বহুত সৰু হব গোসাঁনী । সচৰাচৰ বামুণ গোসাঁইৰ ছোৱালীৰ কম বয়সতে বিয়া হয় । দধিয়ে ক'লে, 'বোপা হাতে হাতে ল'ব নেপায় । তুমি বাটি ছুলে গোসাঁনীয়ে আকৌ গা ধুব লাগিব ।'

ধনপুৰে ঢেক্‌ঢেক্ কৰে হাঁহিবলৈ ধৰিলে । সি ক'লে, 'প্ৰভু ঈশ্বৰৰ বাক্য লঙ্ঘন হ'ল যেন পাওঁ ।'

গোসাঁনীয়ে সুধিলে, 'চাহ আৰু লাগিব নেকি দধি ?'

দধিয়ে ক'লে, 'লাগিব নেকিহে আহিনা কাই ?'

- 'এবাটি দিলে বেয়া নহয় । কৃষ্ণক চিন্তি ।' জয়ৰামে নেলাগে বুলি ক'লে ।

গোসাঁনী আকৌ নিৰ্বাক প্ৰতিমাৰ দৰে ভিতৰলৈ সোমাই গ'ল । মেখেলাৰ খচমচনি নীৰৱ হ'লত ভিভিৰামে ধনপুৰলৈ পোন্দোৱাকৈ চাই ক'লে, 'দহ ভকতৰ বাজ নহবিচোন । থল গৰকিবলৈ নিশিকিলে দেশৰ কাম কৰিবি কেনেকৈ ?'

ধনপুৰে বিৰিটো মুখৰ পৰা পেলাই দি চাহবাটি দাঙি লৈ কোট কোটকৈ পিবলৈ ধৰিলে । বাকী দুজনে আহিনাৰ চাহ পোৱাহিলৈ ৰ'ল । আহিনাৰ চাহ আহিলত তিনিওজনে চাহৰ বাটি দাঙি ললে ।

শব্দ-অৰ্থ

পিৰালি	-	বাৰাণ্ডা
বৰপীৰা	-	মান্যজন বহা ডাঙৰ, বহল, ওখ পীৰা
দগধা	-	ডাঠ
শিচ	-	শিষ্য
আটিল	-	'শিথিলৰ' বিপৰীত

টিংখোপ	-	শৃঙ্গ
তেজ গোৰা	-	ৰঙা
পোন্দোৱাকৈ	-	ঘোপাকৈ, চকু পকাই
থল গৰকিবলৈ	-	দহজনৰ মাজত চলিবলৈ
মঙহাল	-	শকত, মঙহৰে পুষ্ট
বেজালি	-	তন্ত্ৰ মন্ত্ৰ
কাণিদুৱৰীকৈ	-	অলপকৈ
সমজুৱা	-	উপস্থিত ৰাইজ
দোপাত	-	অতিপাত, দুগুণ
কানীয়া	-	কানি খোৱা মানুহ
বগা বঙাল	-	বৃটিছ
বাজ	-	বাহিৰ
বানবাটি	-	তলফালে ঠগা লগোৱা বাটি

টোকা

মায়ঙ - নগাওঁ জিলাৰ এখন ঠাই। আগৰ দিনত মায়ঙ মন্ত্ৰবিদ্যাৰ স্থান বুলি জনাজাত আছিল। তালৈ গলে মানুহ হেনো ভেড়া হৈছিল।

চাৰিসত্ৰ - 'সত্ৰ' বুলিলে সাধাৰণতে বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰস্থানসমূহক বুজায়। অসমত থকা সত্ৰসমূহৰ ভিতৰত আউনিআটী, গড়মূৰ, দক্ষিণপাট আৰু কুৰুৱাবাহী এই চাৰিখন প্ৰধান। এই চাৰিওখনকে একেলগে চাৰিসত্ৰ বুলি উল্লেখ কৰা হয়। প্ৰতি সত্ৰতে একোজন ধৰ্মগুৰু থাকে। তেৰেঁই সত্ৰখনৰ মূল পুৰুষ। এইজনা পুৰুষকে সত্ৰাধিকাৰ বোলা হয়।

কীৰ্ত্তন - শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ৰচনা। বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ এখন। ৯ বিধ ভক্তিৰ ভিতৰত শঙ্কৰী ধৰ্মত শ্ৰৱণ আৰু কীৰ্ত্তনকে প্ৰধান স্থান দিয়া হৈছে। গতিকে তেওঁ শ্ৰৱণ আৰু কীৰ্ত্তনৰ সুবিধাৰ কাৰণেই অৰ্থাৎ নাম প্ৰসঙ্গৰ উপযোগী কৰি ঘোষা আৰু পদসহ এই

কীৰ্ত্তন গ্ৰন্থ ৰচনা কৰে । এই পুথিত ২৭টা স্বয়ংসম্পূৰ্ণ খণ্ড আছে আৰু প্ৰতিটো খণ্ডতে একোটা আখ্যানৰ পৰ্য্যাপ্ত বৰ্ণনা কৰা হৈছে ।

দশম — ভাগৱতৰ দশম স্কন্ধৰ শ্ৰীশঙ্কৰদেৱে অনুবাদ কৰা অংশকেই অসমীয়া মানুহে 'দশম' বুলিলে বুজে । এইখন প্ৰকৃততে আদি দশম । কৃষ্ণৰ জন্মৰ পৰা কংসবধৰ পাছৰ গোপী উদ্ধৱ সংবাদলৈকে এই কাহিনী অংশ 'দশম'ত পোৱা যায় । 'দশম' গ্ৰন্থও বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ এখন ।

অনুশীলনী

১। পাঠটোত থকা চৰিত্ৰসমূহৰ চমু পৰিচয় দিয়ক ।

২। মন্ত্ৰবিদ্যা সম্পৰ্কে তেওঁলোকৰ মাজত হোৱা কথোপকথনখিনিৰ মৰ্ম চমুকৈ লিখক ।

৩। উদ্ধৃত অংশটিৰ ওপৰত নিৰ্ভৰ কৰি 'ধনপুৰ' আৰু 'মহদা গোসাঁই' ৰ চৰিত্ৰ দুটি পৰ্য্যালোচনা কৰক।

৪। বৈষ্ণৱ ধৰ্মাবলম্বী হলেও মহদা গোসাঁইকে আদি কৰি মানহকেইজনে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰাৰ প্ৰেৰণা ক'ৰ পৰা পাইছিল বহলাই আলোচনা কৰক ।

৫। 'এই পাঠত অসমৰ ধৰ্ম-দৰ্শন আৰুসাংস্কৃতিক বৈশিষ্ট্যৰ আভাস আছে ।' -উদাহৰণ দি আলোচনা কৰক।

৬। 'বগা বঙালখনে আহি স্কুল কাছাৰী পাতি মেলেছ সৃষ্টি কৰিলে । ইহঁতক তুৰন্তে নেখেদিলে নহব।' - কথাষাৰ কোনে কি প্ৰসঙ্গত কৈছে ? বগা বঙাল কোন ? সিহঁতক কিয় নেখেদিলে নহয়?- আলোচনা কৰি বুজাই লিখক ।

৭। 'বোপা, হাতে হাতে লব নাপায় । তুমি বাটি ছুলে গোসাঁনীয়ে আকৌ গা ধুব লাগিব ।' -কথাষাৰিৰ তাৎপৰ্য্য ব্যাখ্যা কৰক ।

৮। টোকা লিখক :

চাৰিসত্ৰ, ৰাসলীলা, কীৰ্ত্তন, দশম

৯। বুজাই লিখক :

গোসাঁই, কানীয়া, বেজ, তিয়নি, জুহাল, মেখেলাচাদৰ

১০। মহাত্মা গান্ধীয়ে নেতৃত্ব দিয়া অহিংস আন্দোলনৰ যোগেদিয়ে ভাৰতে স্বাধীনতা পালে । তেনেহলে কেৱল অহিংসাত আস্থা নাৰাখি হিংসাৰ আশ্ৰয় লৈ যিসকলে প্ৰাণ বলি দিলে, তেওঁলোকৰ আত্মাহুতিৰ কোনো মূল্য নাই জানো ? - আপোনাৰ মতামত সহ আলোচনা কৰক ।

১১। 'মঠমন্দিৰ, মছজিদ, গীৰ্জা - এইবোৰত্ত পুৰোহিত, মৌলবী বিশ্বপ থাকে । ভগৱান থাকে - দুখীয়া মানুহৰ লগত । তেওঁ দৰিদ্ৰ নাৰায়ণ । তেওঁত মজি মুক্তিৰ বাবে দুৰ্লভ মনুষ্য তনু নিপাত কৰাটোৱেই এই যুগৰ ধৰ্ম । সত্যক মানি ললে ধৰ্ম পোৱা সহজ হয় । ভগৱান এইখন দেশৰ পৰা পলাইছে । আমাৰ জাগ্ৰত বলেৰে তেওঁক ঘূৰাই আনিব লাগিব '। -পৰিচ্ছেদটোৰ কথাখিনি নিজৰ ভাষাত মুকলিকৈ লিখক ।

১২। বাক্য ৰচনা কৰক :

ক) দোপাত

খ) তিয়নি

গ) তেজগোৰা

ঘ) টিংখোপ

ঙ) মঙহাল

চ) বেজালি

ছ) দগধা

জ) ঢেকঢেকৈকৈ

পাঠত থকা বাক্য ব্যৱহাৰ নকৰিব ।

পত্ৰলেখা

[এই চিঠিখন ডক্টৰ মহেশ্বৰ নেওগৰ সম্পাদনাত সাহিত্য সভাই প্ৰকাশ কৰা বেজবৰুৱাৰ চিঠিসমূহৰ সঙ্কলন 'পত্ৰলেখা'ৰ পৰা লোৱা হৈছে । চিঠিখন বেজবৰুৱাই কবি যতীন্দ্ৰনাথ দুৱৰালৈ লিখা - 'যালৈ চিঠি লিখিবলৈ বহিলেই মনটোত আনন্দই জাকি মাৰি উঠিছিল ।'

এই চিঠিখনৰ পৰা দুৱৰা আৰু 'মাজু'ৰ লগত তেওঁৰ সম্পৰ্ক কিমান গভীৰ আছিল তাক সহজেই বুজিব পাৰি । 'বাঁহী' যে তেওঁৰ বুকুৰ আগমঙহ যেন আছিল তাকো অনুমান কৰিব পাৰি। শেষৰ অংশত সম্বলপুৰত তেওঁৰ জীৱনৰ আভাস আছে ।

বেজবৰুৱাৰ বিষয়ে তেওঁৰ ঘনিষ্ঠ বন্ধু এজনে কৈছিল যে তেওঁ যি লিখে সেয়ে সাহিত্য । এই কথাৰ যথাৰ্থতা এই চিঠিত প্ৰতিপন্ন হৈছে । ই বেজবৰুৱাৰ অনুপম কথন-ভঙ্গীৰ এটি সুন্দৰ উদাহৰণ।]

Sambalpur
8.3.1918

My dear Jotindra

তুমি মোক কি ভাবিছা, কোৱা, কবই লাগিব । নকলে ধৰি লম যে তোমাৰ চিঠিৰ উত্তৰ দিয়া নাই দেখি তুমি ভাবিছা, মই আঁভজা, মই পাহৰা ধানৰ ভাত খোৱা ভতুৱা, এলাহৰ নিহালিৰ তলত ফস্তি জুৰি শুই থকা এলেহুৱা, কথাৰ চাউলকঠা ৰাখিব নজনা শিকহু, মৰমৰ শীতল পানী ৰাখিব নোৱাৰা ফুটা লাওৰ ভাৰ বওঁতা ভাৰী, মৰম কৰোঁতাক মৰমৰ খুদকণ এটাকে দিব নোৱাৰা কটকিনা, পৰুৱাৰ মূৰৰ পৰাও চেনেহৰ ঘিউকণ কাঢ়ি লৈ নিজৰ চেনেহৰ ঘিউৰে মৰমৰ জনক ভোজনি এটাকে দিব নোৱাৰা চিকটা, আৰু ইত্যাদি, ইত্যাদি । তুমি কৈছা, মই ব্যস্ত আছোঁ; মইয়ো আসৈ নামাতোঁ যে মই ব্যস্ত আছোঁ, কিন্তু সেই বুলি জানো মই ভাত খোৱা নাই, শোৱা নাই, হঁহা নাই,

নাইবা মোৰ মৰমৰ জীহঁতক চুমা খোৱা নাই, সিহঁতৰ মূৰৰ চুলিৰ ভিতৰত আঙুলি বুলাই মৰম কৰি মূৰ শূঙা নাই ? আৰু তাতোকৈ 'ব্যস্ত সমস্তৰ' কাম 'বাঁহী' লেখা নাই ? এতেকে মোৰ দোষৰ মৰিষণ, অপৰাধৰ বিনাশন কেনেকৈ হ'ল ? তাৰ বাবে মই কি কৰিম ভাবি পোৱা নাই ।

সকলোৱে এনে আহুকালত পৰি অনুতাপ কৰে, মইয়ো এবাৰ তেনেকুৱা অনুতাপ তনুতাপ এটাকে কৰিম নে ? তুমি কি বোলা ? তুমি যিহকে কোৱা, মই তাকে কৰিম । নিশ্চয়, নিশ্চয়, আন নেলাগে অসমীয়াৰ অসাধ্য কাম আমাৰ ইয়াৰ পদুলি-মূৰত দাঢ়ি জোকাৰি লৰি ফুৰা ভোবোলা ছাগলী এটা যদি লৰি-ঢাপৰি গৈ ধৰিবলৈ কোৱা, তাকে ধৰিবলৈ লৰিম, আৰু ধৰিলে, তোমাৰ অভিপ্ৰায় বুজি তাক pound অত (থানাত) দিবলৈকো ওলাম । ঘূৰি ডাকত তোমাৰ অনুমতি পত্ৰৰ অপেক্ষাত থাকিলোঁ ।

'মাজু' মোৰ ইয়ালৈ নাহিল । কলিকতাৰ পৰাই তীৰ্থ কৰিবলৈ গ'ল । আৰু কি মই মোৰ কাষত 'মাজু'ক পাম ? সংসাৰৰ বান্ধোনবোৰ এইদৰে এডালি এডালিকৈ কোনে ছিঙে ! হায় ! ১০ম সংখ্যা 'বাঁহী' আজি তোমালৈ পঠিয়ালোঁ, বন্ধাই থ'বা ; তোমাৰ ওচৰত সি থাকক , শান্তি পাব । এখন এখন 'বাঁহী' এই নিঃকিনৰ এডোখৰ এডোখৰ মঙহ ।

মই বনবাসী বনৰীয়া । বনত বনফুল দেখোঁ । কিন্তু তুলিব নোৱাৰোঁ, উপভোগ কৰাৰ আগেয়ে তাক সপৰিবাৰে উজাৰ কৰিবলৈ তাৰ গুৰিত বৰ-কুঠাৰ মাৰোঁ । মোৰ কাৰ্য্য দেখি দৈত্যই হাঁহে, দেৱতাই কান্দে । মই থিৰাংকৈ ক'ব পাৰোঁ, তুমি আৰু 'মাজু'ৱেও দেখিলে কান্দিবাহঁক । এই ব্যাধে কোমল হৰিণা পোৱালিৰ গাত কঠিন শৰ হানে, ক্ৰেঞ্চৌমিথুনৰ এটিক বধ কৰে, আঁহত গছৰ তলত ৰঙা চৰণ দুখনি মেলি বহি থকা কৃষ্ণচন্দ্ৰৰ ৰঙা চৰণক হৰিণৰ মুখ বুলি ভ্ৰম কৰি তাত চোকা কাড় হানে । এনে গুৰুতৰ অপৰাধ কৰি এই ব্যাধৰ মুখৰ পৰা এযাৰ স্তুতি নোলায়, এটি শোকৰ শ্লোক নুফুটে আৰু চকুৰ পৰা এটুপি লো নজৰে । এনে লোকক তুমি এতিয়া কি বুলিবা ?

বিষয় বিষাক্ত সাপ বুলি সাধুসকলে কয় । মোৰ আৰু ক'বলৈ একো মুখত নোলায়, কাৰণ বিষত মূছ্‌কছ্ গৈ আছোঁ ।

ইয়াত আজিকালি বৰ ৰ'দ, বৰ ঘাম । কিন্তু পাপৰ ৰ'দ, ঘামতকৈও ই বেছি নে ? আসামলৈ মনত পৰে । তোমাৰ আসাম-নিবাস দেখি সেই অৱস্থা পাবৰ মন যায় । কিন্তু 'দশন-বিহীন কুত্তা যেন, হাড় চোবাইবাক নপাৰয়'; মাথোন হাড়ডোখৰ মুখত লৈ 'জিভা লৰফৰ' কৰাৰ বাহিৰে আন কি হ'ব পাৰে ?

তোমাৰ সূচনি ভাল । ব'হাগৰপৰা 'বাঁহী'ৰ নতুন বছৰ কৰিম । 'বাঁহী' চলোৱা যে কি লেঠাৰ কাম হৈছে, তাক আৰু চিঠিত লিখি কি জনাম ? মোৰ নাই আহৰি, মোৰ নাই 'বাঁহী'ৰ জন্মস্থানত নিবাস; নাই সেই কামত সহায় কৰোঁতা মানুহ, আৰু নাই 'বাঁহী'ৰ গ্ৰাহকসকলৰ পৰা ধনৰ সহায় ; মোৰ আছে মাথোন 'বাঁহী' চলাই থাকিবৰ মন আৰু অদম্য উছাহ । আমি ভালে আছোঁ। তোমাৰ সোনকালে লেখিবা ।

মৰমৰ
শ্ৰী লক্ষ্মীনাথ বেজবৰুৱা ।

শব্দ-অৰ্থ

আভঁজা	-	আগঢ়ী, কুৰূপ
নিহালি	-	লেপ
কটকিনা	-	কৃপণ
আসৈ	-	মিছা
উজাৰ	-	ধ্বংস, বিনষ্ট
বিষয়	-	সাংসাৰিক সুখ সম্ভোগ, সাংসাৰিক কাৰ্য্য
মুছকছ	-	মূৰ্চ্ছা
সূচনি	-	আৰম্ভণি
লেঠা	-	সমস্যা
আহৰি	-	আজৰি বা অবসৰ সময়
ভোবোলা ছাগলী	-	খাহী নকৰা নোমাল ছাগলী
ভোজনি	-	শ্ৰাদ্ধত নিবেদন কৰা চাউল পাত আদিৰ ভোজ্য, সিধা
ফস্তি জুৰি	-	আৰাম কৰি, আৰামেৰে, আয়মেৰে
মূৰ শূঙা	-	পিতৃ মাতৃয়ে সাধাৰণতে সন্তানৰ মঙ্গল কামনা কৰি মূৰত চুমা খোৱা
পাহৰা ধানৰ ভাত খোৱা ভতুৱা	-	সহজে কথা পাহৰা মানুহ
কথাৰ চাউল কঠা ৰাখিব নজনা	-	কথাৰ মূল্য নুবুজা

পৰুৱাৰ মূৰৰ ঘিউ কঢ়া	অতি কৃপণ
মৰমৰ শীতল পানী ৰাখিব নোৱাৰা, ফুটা লাওৰ ভাৰ বওঁতা ভাৰী	মৰম চেনেহৰ মূল্য নুবুজাজন

মাজু - বেজবৰুৱাৰ অভিন্ন-হৃদয় বন্ধু চন্দ্ৰকুমাৰ আগৰৱালা

বাঁহী - এখন আলোচনী । ১৯০৯ চনত বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' ওলাবলৈ লয় । ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই '*বাঁহীক জোনাকীৰে নৱজন্ম*' বুলিছে । এই আলোচনী নিয়মীয়াকৈ ১৯২৯ চনলৈ প্ৰকাশ হৈছিল । পাছত গুৱাহাটী আৰু কলিকতাৰ পৰাও অমিয় কুমাৰ দাস আৰু মাধৱ বেজবৰুৱাৰ সম্পাদনাত কিছু দিন ওলাইছিল । ১৯৪০ চনত সম্পূৰ্ণ কৈ লয় পায়।

অনুশীলনী

১। চিঠিখনৰ ১ম পৰিচ্ছেদটোৰ মূল কথাখিনি নিজৰ ভাষাত লিখক ।

২। 'দংশন বিহীন কুত্তা যেন, হাড় চোবাইবাক নপাৰয়' বুলি প্ৰকৃততে পত্ৰলিখকে কি কব বিচাৰিছে-বুজাই লিখক ।

৩। পত্ৰলিখকৰ পৰিচয় দিয়ক । তেওঁ ক'ৰ পৰা কালৈ চিঠি লিখিছে ? নিজৰ জীৱন সম্পৰ্কে লিখকৰ ধাৰণা কি ?

৪। এই চিঠিখনত পত্ৰলিখকে পৰোক্ষ ভাৱে কেইটামান পৌৰাণিক কাহিনীৰ কথা উল্লেখ কৰিছে । তাৰ যিকোনো এটা কাহিনী চমুকৈ লিখক ।

৫। 'অসমীয়াৰ অসাধ্য' বুলি তেওঁ কি কামৰ কথা কৈছে ? কথাষাৰৰ তাৎপৰ্য্য বুজাই লিখক ।

৬। বিভিন্ন সমস্যাই আপোনাক কি দৰে জুৰুলা কৰিছে আৰু তাৰ ফলত আপোনাৰ কৰ্মজীৱন কেনেকৈ বাধাগ্ৰস্ত হৈছে - ইয়াকে দৰ্শাই আপোনাৰ বন্ধুলৈ এখন চিঠি লিখক ।

৭। একোটা বাক্যত উত্তৰ দিয়ক ।

(ক) বেজবৰুৱাই দুৱৰাৰ ওচৰত কি দোষ কৰিছে ?

(খ) 'বাঁহী' কি ?

(গ) মাজু কোন ?

(ঘ) সম্বলপুৰত বেজবৰুৱাই কি কৰিছিল ?

(ঙ) তেওঁৰ কি কাৰ্য্য দেখি দৈত্যই হাঁহে, দেৱতাই কান্দে কিয় ?

৮। ‘আন নেলাগে’ এই বাক্যাংশ প্ৰয়োগ কৰি পাঁচটা বাক্য ৰচনা কৰক ।

৯। তলত দিয়া শব্দবোৰৰ আপোনাৰ মাতৃভাষাত থকা প্ৰতিশব্দ লিখক :
কটকিনা, নিহালি, আঙুলি, আহুকাল, থানা (pound), বনৰীয়া, কুঠাৰ, আহৰি, ভাৰী, পদুলি

১০। চিঠিখনত থকা জতুৱা ঠাঁচসমূহৰ লগতে আপুনি জনা অন্য জতুৱা ঠাঁচবোৰো তালিকা কৰি উলিয়াওক ।

মোৰ দেশ মানুহৰ দেশ

[কবি দেৱকান্ত বৰুৱাৰ ১৯১৪ চনত ডিব্ৰুগড়ত জন্ম । এওঁ নগাওঁৰ নীলকান্ত বৰুৱাৰ পুত্ৰ। কাশী বিশ্ববিদ্যালয়ৰ এল.এল. বি । ছাত্ৰাৱস্থাৰ পৰাই বৰুৱাই সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰে । এৱেঁই এসময়ৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতিও আছিল । তেওঁৰ একমাত্ৰ কবিতাৰ পুথি 'সাগৰ দেখিছা' । ইয়াৰ বাহিৰে অতি কম সংখ্যক কবিতা অ'ত ত'ত প্ৰকাশ হৈছে । তেওঁৰ সৰহভাগ কবিতা প্ৰেমমূলক যদিও কেইটামান জাতীয় ভাৱৰ কবিতাও আছে । ব্ৰাউনিঙৰ দৰে নাটকীয় স্বগতোক্তিৰ ভঙ্গীত কবিতা লিখি বৰুৱাই অসমীয়া কাব্য সাহিত্যত যুগান্তৰ আনিছে ।

'মোৰ দেশ মানুহৰ দেশ' এটি জাতীয় ভাবপুষ্ট কবিতা । কবিৰ দেশ-প্ৰীতি ইয়াৰ মাজেদি প্ৰকাশ পাইছে ।]

মোৰ দেশ মানুহৰ দেশ
উত্তৰে উত্তুঙ্গগিৰি দক্ষিণে সাগৰ,
শত নদী বুকুৰে বাগৰে
পাৰে পাৰে সাজে ভাঙে ক'ত ইতিহাস
ব্ৰহ্মপুত্ৰ, গোদাবৰী, শিপ্ৰা আৰু গংগা যমুনা,
সুন্দৰী ভাৰতবৰ্ষ ৰূপাহী অসম ।
তথাপিতো মোৰ বাবে মানুহ আপোন ,
যি মানুহে এই ভূখণ্ডত
বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ ।

সৃজনৰ আবেগত হাবি কাটি নগৰ সাজিছে ;
জীৱনৰ মৃত্যুদীপ্ত তীব্ৰ প্ৰেৰণাত
পাৰ হৈ উচ্ছল বাৰিধি
পাৰ হৈ গভীৰ অৰণ্য,
দ্বীপময় ভাৰত গঢ়িছে
কম্বোজত সাজিছে ওঙ্কাৰ ধাম ।

আত্মাৰ আদেশ মানি
অতিক্ৰমি হিমালয় ,
তিব্বতৰ বৰফস্তুপত যি মানুহে
মৈত্ৰী আৰু অহিংসাৰ
শলিতা জ্বলালে,
সেই মানুহৰ দেশ
মোৰ এই মহান স্বদেশ ।

বাৰে বাৰে আহে দস্যুদল,
স্বাতন্ত্ৰ্য ৰক্ষাৰ বাবে স্বদেশ আত্মাৰ
বাৰে বাৰে যুঁজিছে মানুহে ,
ভাৰতৰ বুৰঞ্জীৰ পাতে পাতে সনা আছে বোল তাৰ
কেতিয়াবা বিজয় উল্লাস,
কেতিয়াবা মূক পৰাভৱ ।
তথাপি জীয়াই আছোঁ
মানুহৰ দৰে ।

জীৱনৰ মৃত্যুঞ্জয়ী আকুল আহ্বানে বাৰে বাৰে
মাতিছে আমাক ;
তেজেৰে আমাৰ
পাণিপথ, হলদীঘাট, পলাশীৰ, শৰাইঘাটৰ
মাটি সেমেকাই

আমি তাক কৰিছোঁ গ্ৰহণ ।
ফাঁচিকাঠে মাতিছে আমাক,
আমি তাৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই ।
সেইবাবে নতুন ভাৰত্ এয়া ;
ঘৰে ঘৰে আশাৰ প্ৰদীপ,
পথাৰত সোণোৱালী ধান ।
নতুন দিনৰ স্বপ্ন দুচকুত
ডেকা-গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয় ।
বাহিৰত কিহৰ আৰাও ?
দস্যুদল দুৱাৰদলিত
সাজুহোৱা দেশৰ মানুহ !
আকৌ আহ্বান ! স্বদেশ ৰক্ষাৰ বাবে
আকৌ আহিছে শুনা মৰণৰ উদগ্ৰ আহ্বান,
যি মৰণে যুগে যুগে জীৱনক কৰিছে অমৰ ।

তাৰ আমন্ত্ৰণ কোনে নেওচিব পাৰে ?
এই দেশ ৰাখিব লাগিব ।
এই খন আপোনাৰ দেশ ,
এই খন মৰমৰ দেশ ,
এই খন মানুহৰ দেশ ।

শব্দ-অৰ্থ

কাৰেং	-	ৰাজপ্ৰাসাদ
বোল	-	ৰং
সেমেকাই	-	তিয়াই
নেওচিব	-	উপেক্ষা কৰিব
আপোনাৰ	-	নিজৰ

টোকা

কম্বোজত্ সাজিছে ওঙ্কাৰ ধাম - 'ওঁ'কাৰ ভাৰতীয় সংস্কৃতিৰ বীজমন্ত্ৰ । সুদূৰ কম্বোজতো এই মন্ত্ৰ প্ৰচাৰ হৈছে । ভাৰতৰ সভ্যতা সংস্কৃতিৰ প্ৰভাৱ তাতো পৰিছে ।

অনুশীলনী

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

ক) কবিতাটিত উল্লেখ থকা নদীবোৰ কোন কোন ৰাজ্যৰ মাজেৰে বৈ গৈছে ?

খ) এই দেশ মহান কিয় ?

গ) ভাৰত বুৰঞ্জীৰ পাতে পাতে কিহৰ বোল সনা আছে ?

ঘ) 'ফাঁচীকাঠৰ নিমন্ত্ৰণ'ৰ অৰ্থ কি ?

ঙ) 'কম্বোজত সাজিছে ওঙ্কাৰ ধাম'ৰ অৰ্থ কি ?

২। কবিয়ে এই দেশক কিয় মানুহৰ দেশ বুলি কৈছে ? - তাৎপৰ্য্য বুজাই আলোচনা কৰক ।

৩। আপোনালোকে মধ্যবৰ্তীকালীন (ইণ্টাৰমেডিয়েট) পাঠ্যক্ৰমত পঢ়া 'জনম-ভূমি' কবিতাৰ লগত 'মোৰ দেশ মানুহৰ দেশ' - এই কবিতাটিৰ তুলনাত্মক আলোচনা কৰক ।

৪। ভাৰতৰ বুৰঞ্জী মনত পেলাওক আৰু পাণিপথ, হলদীঘাট, পলাশী আৰু শৰাইঘাটৰ যুদ্ধৰ বিষয়ে টোকা লিখক ।

৫। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'খন পঢ়ি তেওঁৰ কবিতা আৰু জীৱন দৰ্শন সম্বন্ধে এটি চমু প্ৰবন্ধ লিখক ।

৬। কবিতাটি আবৃত্তি কৰক ।

৭। বৈয়াকৰণিক টোকা লিখক :
পাৰে পাৰে, বুকুৰে, অতিক্ৰমি, দুচকুত, নেওচিব

শেষ